# জীৱনৰ বাটত

## এক অনুভূতি

খালী পৃষ্ঠা

# জীৱনৰ বাটত

## এক অনুভূতি

গোপাল জালান

বিশাল প্ৰকাশন
গুৱাহাটী- ৭৮১০০৩

**Jeevanar Batat Ek Anubhuti**
A collection of Assamese articles
written by Gopal Jalan and published by
Brajendra Nath Deka on behalf of Bishal Prakashan,
Upasana Bhawan, Rajgarh Link Road, Chandmari, Guwahati-3.
First Edition : August, 2014, Price : Rs. 120/- only

---

# জীৱনৰ বাটত এক অনুভূতি

প্ৰকাশক
**ব্ৰজেন্দ্ৰ নাথ ডেকা**
**বিশাল প্ৰকাশন, গুৱাহাটী- ৩**
**দূৰভাষ ঃ ৯৮৬৪০-৩৮৮১৪**

প্ৰথম প্ৰকাশ
**আগষ্ট, ২০১৪**

গ্ৰন্থস্বত্ব
© লেখকৰ দ্বাৰা সৰ্বস্বত্ব সংৰক্ষিত

**ISBN :**
978-93-82587-20-0

বেটুপাত
**পংকজ পৰাণ**

অক্ষৰ বিন্যাস
**অমৰ**

মূল্য ঃ **১২০ টকা**

মুদ্ৰণ
**কস্তুৰী প্ৰেছ, গুৱাহাটী**

## উচৰ্গা

*পিতৃ-মাতৃৰ চৰণত ...*

খালী পৃষ্ঠা

# অভিমত

নিবন্ধকাৰ হিচাপে উদীয়মান লেখক গোপাল জালানক নতুনকৈ পৰিচয় কৰি দিয়াৰ প্ৰয়োজন নাই। ইতিমধ্যে বিভিন্ন কাকত-আলোচনীত প্ৰকাশিত তেওঁৰ নিবন্ধ-প্ৰবন্ধৰ দুটি সংকলন প্ৰকাশ পাইছে আৰু দুয়োটিয়ে পঢ়ুৱৈৰ পৰা বেছ সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে। বিদ্যায়তনিক দিশতকৈ শ্ৰীজালানে নিবন্ধসমূহত সমসাময়িক ঘটনা প্ৰবাহৰ ওপৰত গুৰুত্ব দিছে আৰু পৰ্যালোচনা দাঙি ধৰি ত্ৰুটি-বিচ্যুতিসমূহ আঙুলিয়াই দিছে। তদুপৰি সৰ্বসাধাৰণৰ দৃষ্টিৰ বাহিৰত থকা অত্যাৱশ্যকীয় কেতবোৰ দিশৰ ওপৰতো তেওঁ আলোকপাত কৰি সামাজিক দায়বদ্ধতাৰ পৰিচয় দিবলৈ সক্ষম হৈছে। শ্ৰীজালানৰ লেখাৰ বিষয়বস্তু কোনো বিশেষ এটা দিশৰ ওপৰত নিবদ্ধ হোৱাৰ সলনি ব্যাপকতা লাভ কৰা দেখা

গৈছে। সততে ইতিবাচক দৃষ্টিভংগীৰে প্ৰতিটো সমস্যাকে চাবলৈ বিচৰা শ্ৰীজালানৰ লেখাত পঢ়ুৱৈয়ে নতুন সমল বিচাৰি পাব। এই সংকলনত নৱবৰ্ষৰ সংকল্প, সৰস্বতী পূজাৰ আনন্দ, অনাথ শিশুৰ মুখৰ হাঁহিটি, বিশ্বদৰবাৰত জিলিকি থাকক অসম সাহিত্য সভা, হাউলীৰ ৰাস, সম্প্ৰীতিৰ এনাজৰীৰে দুৰ্গোৎসৱ, সম্বৰ্ধিত ছাত্ৰ-ছাত্ৰীসকল ক'ত হেৰায়, অন্ধত্ব ঃ জীৱনৰ অভিশাপ নহয়, বৰপেটাৰ দৌল, বৰদিনৰ আনন্দ, চিৰসেউজ সুধাকণ্ঠৰ গীত প্ৰভৃতি নিবন্ধত পৰ্যালোচনাৰ লগতে পঢ়ুৱৈৰ প্ৰতি নিবন্ধকাৰৰ আহ্বানো আছে। তদুপৰি এই নিবন্ধসমূহ যথেষ্ট তথ্যসমৃদ্ধ। আনহাতে, অশান্তিৰ উৎস, প্ৰসংগ ঃ ধৰ্ষণ, সাম্প্ৰতিক শিক্ষা ব্যৱস্থা আৰু ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যৎ, প্ৰতিবন্ধীৰ অব্যক্ত বেদনা, ভূলুণ্ঠিত মানৱতা, আত্মবিশ্বাস, প্ৰত্যাহ্বান, সহানুভূতি, জীৱনৰ মূল্যবোধ, মৰীচিকা, নৱবৰ্ষৰ সংকল্প, অপৰাহ্ণ, অনুশোচনা, সাফল্যৰ মাপকাঠি প্ৰভৃতি প্ৰবন্ধ যথেষ্ট শিক্ষামূলক। এনেবোৰ নিবন্ধই বহুতকে যে নতুন চিন্তাৰ খোৰাক যোগাব সেই বিষয়ত সন্দেহ নাই। শ্ৰীজালানে মুকলি মন লৈ নিবন্ধসমূহ লেখা হেতুকে তেওঁৰ দৃষ্টিভংগী স্পষ্ট হৈ উঠিছে। তদুপৰি বৈষ্ণোদেৱী মন্দিৰ দৰ্শন, কামাখ্যা মন্দিৰৰ অম্বুবাচী মেলাৰ কথাৰে আদি ৰচনাও মনোগ্ৰাহী হৈছে। 'জীৱনৰ বাটত এক অনুভূতি' সংকলনটোত বিভিন্ন ৰঙৰ প্ৰবন্ধ থকা হেতুকে আকৰ্ষণীয় হোৱা বুলি ভাবো। শ্ৰীজালানৰ সমুখত সুদীৰ্ঘ সাহিত্য-চৰ্চাৰ কাল পৰি আছে। নিৰৱচ্ছিন্নভাৱে কলম চলাই গ'লে তেওঁৰ লেখাতেই অসমৰ উপৰি দেশ-বিদেশৰ কেতবোৰ সমস্যাৰো উত্তৰ পোৱাটো সম্ভৱ হৈ উঠিব। শ্ৰীজালানৰ উত্তৰোত্তৰ শ্ৰীবৃদ্ধি কামনা কৰিলো।

**কনকসেন ডেকা**
প্ৰাক্তন সভাপতি
অসম সাহিত্য সভা

*অগ্ৰদূত ভৱন*
*দিছপুৰ, গুৱাহাটী*

# লেখকৰ একাষাৰ

বিভিন্ন বিষয়ত প্ৰবন্ধ, নিবন্ধ আদি বাতৰি কাকত-আলোচনীত প্ৰকাশ পোৱাৰ পিচত এইবোৰ দুখন গ্ৰন্থৰ আকাৰত ইতিমধ্যে প্ৰকাশ পাইছে। পৰৱৰ্তী সময়ত প্ৰকাশ পোৱা লেখনিসমূহ থূপ খুৱাই তৃতীয়খন গ্ৰন্থ প্ৰকাশ কৰাৰ কথা দীৰ্ঘদিন ধৰি ভাবি আছিলো। কিন্তু কিছুমান কথাৰ বাবে প্ৰকাশ কৰিব পৰা নাছিলো। এদিনাখন মোৰ এগৰাকী সাংবাদিক বন্ধুৱে ক'লে যে কিতাপখন প্ৰকাশ নকৰিলে লেখনিবোৰ হেৰাই যাব। তেতিয়াহে কথাটো মোৰো মনলৈ আহিল। ইতিমধ্যে কিছুমান হেৰালেই। তথাপি তাৰ মাজতে যিকেইটা সংৰক্ষণ কৰিছিলো সেইকেইটাৰে গ্ৰন্থখন প্ৰকাশ কৰিবলৈ আগ বাঢ়িলো।

গ্ৰন্থখনত অসমৰ বিভিন্ন সমস্যাৰাজিৰ এখন সজীৱ ছবি দাঙি ধৰিবলৈ প্ৰয়াস কৰিছো। কিমান সফল হৈছো সেয়া পাঠকৰ বিচাৰ্য। কিছুমান বিষয় সদায় চৰ্চাৰ কেন্দ্ৰবিন্দু হৈ থাকে। কিন্তু এই বিষয়সমূহৰ ওপৰত যিদৰে চৰ্চা হ'ব লাগে তেনেদৰে হোৱা দেখা নাযায়। তেনেবোৰ বিষয়ক কেন্দ্ৰ কৰিয়েই লেখনিসমূহ আগবাঢ়িছে। এনেধৰণৰ বিষয়বস্তুৰ বহুল চৰ্চাৰ প্ৰয়োজন আছে।

অসমৰ ঐতিহাসিক সম্পদ সংৰক্ষণ, স্বকীয় ৰীতি-নীতি, সাজপাৰ, মহান শিল্পীসকলৰ জীৱনৰ সৰু-বৰ কথাবোৰ সঠিক ৰূপত প্ৰকাশ কৰাটো একপ্ৰকাৰ প্ৰত্যাহ্বান। কিয়নো পৰম্পৰাগতভাৱে যিবোৰ কথা চলি থাকে সেইবোৰৰ বিপৰীতে কথা কোৱাটোও কঠিন। আমি শিল্পীসকলক সন্মুখৰ পৰাহে পাওঁ। কিন্তু এই শিল্পীসকলৰ জীৱনৰ আঁৰতো থাকে বহুতো অপ্ৰকাশিত কাহিনী। চৰ্চা কৰিবলৈও বহুতে ইচ্ছা নকৰে। মনত এটা শংকা থাকে। কোনোবাই সমালোচনা কৰে নেকি? আনহাতে, চকুৰ সন্মুখত সংঘটিত হৈ থকা কিছুমান বিষয়তো কিছুমানে গুৰুত্ব দিব নোখোজে। অথচ গুৰুত্ব নিদিয়া বাবেই যে এটা জাতি ধ্বংসৰ পথলৈ আগবাঢ়ি যাব পাৰে সেই কথা ভাবি নাচায়। জোঁৰ পুৰি হাত পোৰাৰ পিচত সতৰ্ক হৈ কিবা লাভ হ'ব জানো?

অসমৰ জ্বলন্ত সমস্যাসমূহৰ বিষয়ে বিশ্লেষণ হ'ব লাগিব সূক্ষ্ম। মূল সমস্যাটোৰ পৰা আঁতৰি থাকি চালে-বেৰে কোবোৱা কথা কৈ থাকিলে নহ'ব। তেনেবোৰ জ্বলন্ত সমস্যাৰ বিষয়ে বিভিন্ন বাতৰি কাকত, আলোচনী আদিত ধাৰাবাহিকভাৱে প্ৰকাশ পোৱাৰ পিচতেই বহুতে ইয়াক গ্ৰন্থৰ আকাৰত ছপা কৰিবলৈ পৰামৰ্শ আগবঢ়াইছিল। এই চেগতে তেওঁলোকলৈ ধন্যবাদ জ্ঞাপন কৰিছো। গ্ৰন্থখনৰ মূল বিষয়বস্তু অসমৰ সামাজিক প্ৰেক্ষাপট। গণশিল্পী ড° ভূপেন হাজৰিকাক আমি জীয়াই থাকোতে যি সন্মান দিব লাগিছিল সেয়া জানো দিছিলো? ভ্ৰাম্যমাণ থিয়েটাৰৰ শিল্পী, কলা-কুশলীৰ সমস্যা সমাধানৰ বাবে আমি ওলাই আহিছোনে? ভ্ৰাতৃঘাতী সংঘৰ্ষৰ প্ৰতিৰোধৰ বাবে আমি জানো সদায় সতৰ্ক হৈছো? এনেধৰণৰ বিষয়ৰ ওপৰত বিভিন্ন লেখাত বিশ্লেষণ কৰিবলৈ চেষ্টা কৰা হৈছে। এই চেষ্টাত সফল হ'ব পাৰিছো নে নাই সেয়া পাঠকেহে ক'ব।

গ্ৰন্থখন প্ৰকাশ কৰাৰ ক্ষেত্ৰত যিসকল ব্যক্তিয়ে মোক সহায় কৰিলে তেওঁলোকৰ ভিতৰত মই প্ৰথমে বিশাল প্ৰকাশনৰ স্বত্বাধিকাৰ ব্ৰজেন্দ্ৰনাথ ডেকাৰ নাম উল্লেখ কৰিবই লাগিব। তদুপৰি বিভিন্ন দিশত পৰামৰ্শ আগবঢ়োৱা শুভাকাংক্ষী তথা বন্ধুবৰ্গক ধন্যবাদ জ্ঞাপন কৰিছো।

**—গোপাল জালান**

# সূচী-পত্ৰ


- সাফল্য মানে সুখনে ১৩
- অহমিকা ১৬
- কিয় চিৰসেউজ সুধাকণ্ঠৰ গীত ১৯
- নৃশংস ২২
- মনক নিয়ন্ত্ৰণ কৰক ২৪
- ঘনচিৰিকাৰ ঘৰ বনাম সভ্যতাৰ ৰথ ২৬
- বয়স্কৰ মানসিক অৱসাদ ২৯
- কল্পনা আৰু বাস্তৱ ৩২
- হাতে হাত ধৰি আগুৱাওক মাৰোৱাৰীসকল ৩৪
- বৰদিনৰ আনন্দ ৩৮
- সময়ৰ স'তে খোজ দিয়া এজন লোক ৪০
- সাফল্য-ব্যৰ্থতাৰ দোমোজাত ভাৰতীয় গণতন্ত্ৰ ৪৩
- গান্ধীৰ প্ৰাসংগিকতা ৪৬
- বিহুক ফেছনলৈ পৰ্যবসিত নকৰিব ৪৮
- নাটক-অভিনেতা-অভিনেত্ৰী ইত্যাদি ৫০
- বৰপেটাৰ দেউল ৫২
- আড্ডা ৫৪
- সাফল্যৰ মাপকাঠী ৫৭
- শৰতৰ সুৱাস ৬০
- অনুশোচনা ৬২
- আমাৰ ঘৰ ঃ সকলোৰে ঘৰ ৬৪
- অন্ধত্ব ঃ জীৱনৰ অভিশাপ নহয় ৬৬
- ব'হাগ এটি ঋতু নহয় ৬৯
- অপৰাহ্ন ৭২
- নিৰ্ভীক সাংবাদিক প্ৰফুল্ল চন্দ্ৰ বৰুৱা ৭৪
- এভাৰেষ্টত দুই অসমীয়া আৰু কিছু প্ৰাসংগিক চিন্তা ৭৬
- সম্বৰ্ধিত ছাত্ৰ-ছাত্ৰীসকল ক'ত হেৰায় ৭৮
- জাপি উদ্যোগৰ প্ৰসাৰ হওক ৮০

■ মৰীচিকা ৮২
■ সাম্প্ৰতিক পৰিস্থিতিত বিষ্ণু ৰাভাৰ প্ৰাসংগিকতা ৮৪
■ জীৱনৰ মূল্যবোধ ৮৬
■ সহানুভূতি ৮৮
■ প্ৰত্যাহ্বান ৯০
■ আত্মবিশ্বাস ৯২
■ ভূ-লুণ্ঠিত মানৱতা ৯৫
■ চাকনৈয়াত জীৱন-আত্মহত্যা ইত্যাদি ৯৭
■ সম্প্ৰীতিৰ এনাজৰীৰে দুৰ্গোৎসৱ ১০০
■ প্ৰতিবাদৰ ঢৌৱে ডামিনী-কাণ্ডক প্ৰতিৰোধ কৰিবনে ১০২
■ হাউলীৰ ৰাস ১০৪
■ পোহৰৰ তলৰ এন্ধাৰ ১০৭
■ বিশ্ব দৰবাৰত জিলিকি থাকক অসম সাহিত্য সভা ১০৯
■ বস্ত্ৰনগৰীত সংকট কিহৰ বাবে ১১১
■ বিহুৰ নামত চলিত অপসংস্কৃতি ৰুধিবই লাগিব ১১৪
■ মনত থূপ খাই থকা কথাবোৰ... ১১৭
■ বিহুৰ গামোচাখন ১১৯
■ সৰবজিতৰ মৃত্যু আৰু কিছু প্ৰাসংগিক চিন্তা ১২১
■ কামাখ্যা মন্দিৰৰ অম্বুবাচী মেলাৰ কথাৰে... ১২৪
■ প্ৰতিবন্ধীৰ অব্যক্ত বেদনা ১২৬
■ সাম্প্ৰতিক শিক্ষাব্যৱস্থা আৰু ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যৎ ১২৮
■ সাম্প্ৰতিক প্ৰেক্ষাপট ১৩১
■ প্ৰসংগ ঃ ধৰ্ষণ ১৩৪
■ অশান্তিৰ উৎস ক'ত ১৩৭
■ শিশুটিৰ মানসিক উৎকৰ্ষ সাধনত চিত্ৰাংকনৰ ভূমিকা ১৪০
■ বৈষ্ণোদেৱী মন্দিৰ দৰ্শন ১৪২
■ অনাথ শিশুৰ মুখৰ হাঁহিটি ১৪৬
■ সৰস্বতী পূজাৰ আনন্দ ১৪৮
■ নৱবৰ্ষৰ সংকল্প ১৫০
■ অনন্য সুধাকণ্ঠ ১৫৩
■ শূন্যতা ১৫৫
■ পলায়নবাদী মানসিকতা কিয় ? ১৫৭

# সাফল্য মানে সুখনে

সফলতা-বিফলতা মানৱ জীৱনৰ অবিচ্ছেদ্য অংগ। পৃথিৱীত কোনো মানুহে সম্পূৰ্ণৰূপে সফল হ'ব পৰা নাই। একেদৰে কোনো মানুহেই জীৱনত এবাৰ হ'লেও সফল নোহোৱাকৈ নাথাকে। দৰাচলতে সাফল্য-ব্যৰ্থতাৰ সমষ্টিয়ে হ'ল জীৱন। কাৰ জীৱনলৈ কেতিয়া সাফল্যৰ সেন্দূৰীয়া পথ আহে অথবা কেতিয়া স্খলন ঘটে সেয়া কোনোৱে পূৰ্বানুমান কৰিব নোৱাৰে। ভগৱানৰ বিনন্দীয়া সৃষ্টিৰ এয়াও এক ৰহস্য। এই ৰহস্য ভেদ কৰাতো কাৰো বাবে সম্ভৱ নহয়। সি যি নহওক, সকলোৰে জীৱনত উত্থান-পতন থাকিবই। এনে উত্থান-পতনৰ মাজেদিয়ে আমি আগবাঢ়িব লাগিব দৈনন্দিন জীৱন যাত্ৰাত।

এতিয়া প্ৰশ্ন হ'ল— সফলতা মানেই সুখনে? সুখী লোকসকলে পদে পদে সফল হয় নেকি? এটা আনটোৰ পৰিপূৰক। দিন থকা বাবে নিশাৰ গভীৰতা কিমান সেয়া অনুভৱ কৰাতো সম্ভৱ হৈছে। এদিনাখন এগৰাকী

মহিলাক লগ পালো গণেশগুৰিত। মহিলাগৰাকীৰ স'তে প্ৰায় দুটা দশক পাচত দেখাদেখি হ'লো। তেওঁ শাৰীৰিকভাৱে সলনি হৈছে। কিন্তু মানসিকভাৱে বিধ্বস্ত যেন অনুমান হয়। চিনাকি হ'লেও মই তেওঁৰ স'তে কথোপকথন হোৱা নাছিলো। তেওঁ মোক পাহৰা বুলিয়ে ভাবিছিলো। সি যি নহওক, কিছুসময় তেওঁ মোৰ ফালে চাই হাঁহি মৰা যেন দেখিলো। সেয়েহে মই সঁহাৰি জনালো। তেওঁ মোক ক'লে যে তেওঁৰ হেনো মোক বহু কথা ক'বলগীয়া আছে। মই ৰেষ্টুৰেণ্টলৈকে মাতিলো। পিচদিনা তেওঁ আমাৰ ৰেষ্টুৰেণ্টলৈ আহিল।

দুপৰীয়া বাৰমান বাজিছে। তেওঁ মোৰ স'তে বহিল। দুখমনেৰে ক'লে— 'বুইছা গোপাল, জীৱনত বহুতো কৰিলো। গুৱাহাটীৰ নিচিনা মহানগৰীত চাৰি ঠাইত ঘৰ-মাটি, তিনিখন বিলাসী গাড়ী, এটা উদ্যোগ, এখন ফাৰ্ম ইত্যাদি ইত্যাদি। অভাৱ বুলিবলৈ একোৱেই নাই। পুৱাৰে পৰা কেৱল উপাৰ্জন। ঘৰ ভাড়া মাহেকত লাখতকৈ বেছি পাওঁ। উদ্যোগটোৰ পৰাও কেইবা লাখ লাভ হয়। লাগ বুলিলেই ঘৰত সকলো উপস্থিত। ফোন কৰিলেই ঘৰত খোৱা বস্তু আহি হাজিৰ। চাকৰ-বাকৰ সকলো আছে। কিন্তু ঘৰখনত সুখ নাই। এতিয়াহে বুজিছো, জীৱনত উপাৰ্জন কৰি ভোগ কৰাটোৱে সুখী জীৱন নহয়। এয়া এক বাহ্যিক প্ৰতিফলনহে। আনৰ দৃষ্টিত সুখী যেন লাগিলেও কোনোৱে বুজি নাপায় বিত্তৱান লোকজন সুখী হয় নে নহয়। এটা প্ৰাসাদোপম ঘৰ, বিলাসী গাড়ী, পকেটত লাখ লাখ টকা লৈ ঘূৰা-ফুৰাটোৱে সুখী জীৱনৰ সংজ্ঞা হ'ব নোৱাৰে।'

মহিলাগৰাকীৰ কথা শুনি থাকিলো। তেওঁক মই কি ক'ম ভাবি পোৱা নাছিলো। কেৱল নীৰৱে শ্ৰোতাৰ ভূমিকাহে গ্ৰহণ কৰিলো। তেওঁ পুনৰ ক'লে— 'বুইছা, মোৰ কি নাই। ল'ৰাই আমেৰিকাত চাকৰি কৰে। ছোৱালী এজনী থাকে পেৰিছত। সৰু ছোৱালীজনী মুম্বাইতে ছেটল হৈছে। স্বামীয়ে ব্যৱসায়ৰ কামত চাৰিওফালে অহা-যোৱা কৰিয়ে থাকে। দিনৰ দিনটো আমাৰ সংযোগ হয় মাথোঁ ফোনত। ফোনেৰে যোগাযোগ ৰক্ষা কৰি এখন সংসাৰ চলোৱাতো সম্ভৱ নহয়।' এইখিনি কথা কৈয়ে মানুহগৰাকীৰ চকু দুটা সেমেকি উঠিল। মই তেওঁক কওঁ-নকওঁকৈ সুধিলো— আচলতে আপোনাৰ সমস্যাটো

কি? তেওঁ এইবাৰ ইতস্ততঃবোধ কৰি ক'লে— 'পতি-পত্নীৰ মাজত যেতিয়া বিশ্বাস নাথাকে, তেতিয়া সংসাৰত জুই লাগে। এই জুইকুৰা আনে দেখা নাপায়। তুঁইজুইৰ দৰে। বুইছা। স্বামীক প্ৰথমতে দেৱতা বুলিয়ে ভাবিছিলো। ইমান সুন্দৰ অভিনয় কৰিব পাৰে বুলি ভাবিবই পৰা নাছিলো। তেওঁ যে ব্যৱসায়ৰ কামত বাহিৰলৈ গৈ থাকে তেতিয়া তেওঁৰ লগত নিয়ে একোগৰাকী মহিলা। পকেটত ধন থকা বাবে বহুতো মহিলাই তেওঁৰ স'তে অসমৰ বাহিৰলৈ যায়। আনকি থাইলেণ্ড আদিলৈও যায়। প্ৰথমতে ব্যৱসায়ৰ কামত যোৱা বুলিয়ে ভাবিছিলো। কিন্তু লাহে লাহে তেওঁৰ চৰিত্ৰ বুজিব পাৰিলো। মোৰ পৰা লাহে লাহে আঁতৰি থাকিবলৈ ল'লে। ৰাজপ্ৰাসাদৰ অট্টালিকাত এতিয়া মই অকলশৰীয়া। ল'ৰা-ছোৱালীৰ ওচৰলৈও যোৱাৰ ইচ্ছা নাই। কাৰণ সিহঁতৰ অন্তৰত এতিয়া মাকৰ বাবে মৰম নাই। কেৱল নিজৰ সংসাৰক লৈয়ে ব্যস্ত। দহ মাহ দহ দিন গৰ্ভত ৰাখি সিহঁতক জন্ম দিয়াৰ কথা পাহৰিলে। বছৰত কেতিয়াবা এদিন-দুদিন খবৰ লয়।' এইদৰে কৈয়ে মহিলাগৰাকীয়ে কান্দিবলৈ ধৰিলে। কিছুসময়ৰ পিছত তেওঁ শান্ত হ'ল। এনেতে ৱেটাৰে দুকাপ কফি আনি দিলে। কফি খাই তেওঁ মোৰ পৰা বিদায় ল'লে।

মহিলাগৰাকীৰ এই ছবিখনৰ বিপৰীতে এজন ৰিক্সাৱালাৰ পৰিয়ালৰ ছবিখন অশ্যধৰণৰ। ৰিক্সাৱালাজনক মই ভালদৰে জানো। দিনৰ দিনটো ৰিক্সা চলাই গধূলি ঘৰলৈ ওভতে। তেওঁৰ পৰিয়ালৰ সদস্য চাৰিগৰাকী। পত্নীৰ উপৰি দুটি ল'ৰা-ছোৱালী আছে। ল'ৰা-ছোৱালী দুয়োটাই কলেজত পঢ়ে। ইমান কষ্ট কৰি পৰিয়ালটোক পোহপাল দিয়া সত্ত্বেও ৰিক্সাৱালাজনৰ মনত কোনো দুখ নাই। পৰিবাৰেও বুজি পায় সকলো কথা। ল'ৰা-ছোৱালীহালেও দেউতাকৰ মনৰ কথা বুজি পায়। কেতিয়াবা খাইছে, কেতিয়াবা লঘোনে আছে। কলেজত পঢ়িলেও কিতাপ-পত্ৰ একোৱেই নাই। তথাপি ফলাফল ভাল। এই পৰিয়ালটোৰ আটাইকেইগৰাকী সদস্যৰে মুখত থাকে হাঁহি। অভাৱৰ মাজত থাকিও পৰিয়ালটো সুখী। অথচ সেই মহিলাগৰাকী কোটি টকাৰ গৰাকী হৈও সুখ পোৱা নাই। কাৰণ অৰ্থই সুখ আনিব নোৱাৰে। মনৰ প্ৰশান্তিহে সুখৰ উৎস।

# অহমিকা

'মই' —শব্দটোৰ পৰাই সূত্ৰপাত হয় অহমিকাৰ। যেতিয়া কোনো এটা বিষয়ত সামূহিকৰ পৰা 'মই' ধাৰিত হ'বলৈ ধৰে তেতিয়াৰে পৰাই অহমিকাই গা কৰি উঠে। মানৱতাৰ শত্ৰু অহমিকা। কাৰণ অহং ভাবসম্পন্ন লোকৰ দৃষ্টিত নিজেই সকলো ক্ষেত্ৰত শ্ৰেষ্ঠ। আন লোকক এই মনোভাবসম্পন্নই হীন দৃষ্টিৰে বিশ্লেষণ কৰে। আনতকৈ এখোজ আগুৱাই থকাৰ মানসিকতাৰ বাবে পৃথিৱীৰ সমস্ত জ্ঞানৰ ভাণ্ডাৰ বা পৃথিৱীখনত তেওঁতকৈ দ্বিতীয়জন নাই বুলি ভাবে। নিজকে শ্ৰেষ্ঠৰ শাৰীত ৰাখি আনক হীন বুলি ভবাসকল অহমিকাৰ চিকাৰ হোৱা দেখা যায়। অহমিকা কেতিয়া কিহক লৈ সৃষ্টি হয় সেয়া অনুমান কৰিব নোৱাৰি। এজনৰ বাবে অহমিকাৰ কাৰণ আন এজনৰ বাবে আকৌ চিন্তাৰ বিষয়ে নহয়। অহমিকা মানুহৰ সহজাত প্ৰবৃত্তি। এই প্ৰবৃত্তি কিছুমানৰ তুলনামূলকভাৱে বেছি। কিছুমানে আকৌ কাৰ্যকলাপত অহমিকা প্ৰকাশ কৰিলেও এনে মনোভাবাপন্ন লোক এজন যে ভালেই হ'ব সেয়া নিশ্চয়কৈ ক'ব নোৱাৰি।

অহংকাৰে জীৱনত পতন ঘটায়। ইতিহাসৰ পৃষ্ঠা মেলি চালে অসংখ্য উদাহৰণ পোৱা যায়। অহংকাৰৰ বাবেই যুদ্ধ হৈছে। ৰাজ্য পতন হৈ চণ্ডাল হ'বলগীয়া হৈছে। দৰাচলতে অহংকাৰী লোকসকলৰ সংগী কোনোৱেই হ'ব নিবিচাৰে। হিটলাৰৰ কাহিনীয়ে তাকেই প্ৰমাণ কৰে। কোনোৱে হিটলাৰক স্বেচ্ছাচাৰী শাসক বুলি কয়। স্বেচ্ছাচাৰী সেইসকল লোকহে হ'ব পাৰে— যিসকলে নিজৰ সিদ্ধান্ত বা নিজকে সকলো জনা বুলি ভাবে। এনে লোকৰ বাবে শিকিবলগীয়া নাথাকে। তেওঁলোকে আনক শিকাইহে ভাল পায়। নিজে বলকি থাকিব। কিন্তু আনৰ কথা শুনিবলৈ আগ্ৰহ প্ৰকাশ নকৰে। কেৱল নিজৰটোৱে শুদ্ধ। আনে কৰা কাম ভুল। ভালদৰে কৰিব নোৱাৰে। তেওঁক নোসোধাকৈ কাম কৰা বাবে ব্যৰ্থ হোৱা বুলি ভাবে এইসকল লোকে। চাৰিওফালে তেওঁক লৈয়ে চৰ্চা হোৱা বুলি ভাবে। আনহাতে এনে লোকৰ মততে অইনেও চলিব লাগিব আৰু যদি নচলে তেতিয়াহ'লে তাকে লৈয়ে অশান্তিৰ সৃষ্টি কৰে। যিহেতু অহংকাৰীসকলে নিজকে শুদ্ধ পথত আৰু শক্তিশালী বুলি গণ্য কৰে। সেয়েহে তেওঁলোক সময়ত বিপদত পৰে। শুত্ৰুপক্ষক দুৰ্বল বুলি ভাবি যুদ্ধক্ষেত্ৰত নামি পৰাৰ মানসিকতা থাকে। ফলত বহু সময়ত যুদ্ধৰ মাজতেই ছত্ৰভংগ দিয়ে। তথাপি পৰাজিত হোৱা বুলি ক'বলৈ টান পায়।

মানৱতাবিহীন হৈ পৰে অহংকাৰী লোকসকল। অহংভাৱে এনে এখন পৰ্দাৰ সৃষ্টি কৰে যে পিচফালে থকা সকলোবোৰ বিষয়ে অস্পষ্টভাৱে দেখিবলৈ পায়। ভূ-লুণ্ঠিত হয় মানৱতা। তেওঁলোকৰ বাবে কেৱল যিকোনো প্ৰকাৰে দপ্‌দপাই থকাটোৱে জীৱন। তেওঁ যিফালে যায় সকলোৱে তেওঁক লৈ ব্যস্ত থকাতো বিচাৰে। যদি কোনোৱে গুৰুত্ব নিদিয়ে, তেন্তে যিকোনো প্ৰকাৰে দৃষ্টি আকৰ্ষণ কৰিবলৈ চেষ্টা কৰিবই। প্ৰয়োজন হ'লে হৈ-চৈৰ সৃষ্টি কৰিব।

অহংকাৰীসকলৰ ভিতৰতো কিছুসংখ্যক ভদ্ৰলোকো আছে। পিচে এনে সংখ্যা তাকৰ। এনে লোকসকলৰ বাবে আনে কি কৰিছে বা আনক লৈ ব্যস্ত নহয়। ব্যস্ততা কেৱল নিজক লৈ। আনে তেওঁক লৈ কিবা ক'লেও গুৰুত্ব নিদিয়ে। অন্তৰ্দৃষ্টিমুখী হয়। আনে একো নাজানে, তেওঁহে সকলো জানে।

কিন্তু তেওঁ জনাখিনিও প্ৰকাশ নকৰে। আনে কিবা ক'লেহে গাত লাগে। তাকে লৈও চিন্তা কৰি নাথাকে। এনে লোকৰ 'মই' শব্দটো অতিকৈ প্ৰিয়। 'মই'ক লৈয়ে ব্যস্ত। 'মই'ৰ পৰা কেতিয়াও 'আমাৰ' নহয়। এক নিৰ্দিষ্ট পৰিসীমাৰ মাজতেই থাকে। এদিন কালৰ সোঁতত 'মই' শব্দটো হেৰাই যায়। লগে লগে নিশ্চিহ্ন হৈ পৰে এইজন লোক।

অহংকাৰে যে জীৱনত কেৱল ধ্বংসই কৰে তেনে নহয়। কিছু কিছু ক্ষেত্ৰত ইয়াৰ প্ৰয়োজনো আছে। কাৰণ যেতিয়া কোনো এটি কাম কৰাৰ ক্ষেত্ৰত কিছুমান প্ৰতিবন্ধকতা আহি পৰে তেতিয়া অহমিকাৰো প্ৰয়োজন হয়। সাফল্য অৰ্জনৰ ক্ষেত্ৰতো প্ৰয়োজন হৈ পৰে। অৱশ্যে ইয়াৰো এটা সীমা থাকিব লাগিব। যিকোনো বিষয়ৰ অতিমাত্ৰা বেয়া। অহং ভাব থকাজনে আনৰ তুলনাত নিজকে যোগ্য বুলি ভাবে। তেনেকৈয়ে কিছুমানৰ আত্মবিশ্বাস গঢ়ি উঠে। আত্মবিশ্বাস আৰু অহমিকা দুটা পৃথক বিষয় যদিও কেতিয়াবা দুয়োটাই সহাৱস্থান কৰা পৰিলক্ষিত হয়। গতিকে দেখা যায় যে এক নিৰ্দিষ্ট পৰিসীমাৰ মাজত দুয়োটাৰেই কম-বেছি পৰিমাণে প্ৰয়োজন।

প্ৰত্যেকৰে জীৱনত পৰিবৰ্তনৰ ঢৌ আহে। এই ঢৌত উটি-ভাহি সন্মুখৰ ফালে গৈ থাকিলে এসময়ত সফলতাৰ পথত খোজ দিয়ে। ভবাতকৈ অধিক সফল হোৱাৰ সমান্তৰালভাৱে তেওঁৰ মনত অহং ভাবৰ সৃষ্টি হ'বলৈ ধৰে। অহং ভাবে যেতিয়া গা কৰি উঠে তেতিয়া সন্মুখত কেৱল নিজৰ ছবিখনহে দেখিবলৈ পায়।

# কিয় চিৰসেউজ সুধাকণ্ঠৰ গীত

ড° ভূপেন হাজৰিকা আমাৰ মাজৰ পৰা হেৰাই যোৱাৰ বহু দিন হ'ল। তথাপি প্ৰতিটো মুহূৰ্ততে অনুভৱ হয় যেন তেওঁ আমাৰ মাজতেই জীয়াই আছে। অসমীয়া সংস্কৃতিৰ যিফালেই চোৱা হয় সেইফালেই এইগৰাকী মহান শিল্পীৰ সৃষ্টিৰাজি দেখা পোৱা যায়। মৰিও অমৰ হোৱাৰ দৃষ্টান্ত হ'ল সুধাকণ্ঠ। গীতৰ মাজেদি জীয়াই থকা মহান শিল্পীসকলৰ ভিতৰত অন্যতম ভূপেন হাজৰিকা। শৈশৱৰে পৰা তেওঁ কিমান গীত লিখিলে, কিমান গীত পৰিৱেশন কৰিলে তাৰ সীমা নাই। ভাৰতীয় সংগীতৰ ক্ষেত্ৰখন মেলি চালে এগৰাকী শিল্পীয়ে গীত ৰচনা কৰি তাক সুৰ দি শ্ৰোতাৰ মাজত পৰিৱেশন কৰাৰ তালিকাত শীৰ্ষ স্থানতে থাকিব সুধাকণ্ঠ। কোকিলকণ্ঠী লতা মংগেশকাৰ, মহম্মদ ৰফী, কিশোৰ কুমাৰ আদি গায়ক-গায়িকাসকলে কেৱল বেছিভাগ গীতত কণ্ঠদানহে কৰিছে। তেওঁলোকৰ গীতসমূহো চিৰসেউজ। পাৰ্থক্য মাথোঁ সুধাকণ্ঠই সকলোখিনি নিজেই কৰিছিল।

সুধাকণ্ঠৰ প্ৰতিটো গীতৰ প্ৰতিটো শব্দই প্ৰকাশ কৰে বহল অৰ্থ। এখন সমাজৰ প্ৰতিটো শ্ৰেণীৰে যেন মনৰ কথা, মনৰ ভাব প্ৰকাশ কৰে। পোৱা-নোপোৱাৰ আনন্দ-হতাশা, শোষণৰ অলিখিত কাহিনী, নিৰ্যাতনৰ হৃদয় বিদাৰক ছবি প্ৰকাশ পাইছে সুধাকণ্ঠৰ গীতৰ মাজেদি। দিচাংমুখৰ মিৰি ডেকা-গাভৰুৰ প্ৰেম-ভালপোৱা, ৰঙীন সপোন, ৰংমনৰ হাঁহিৰ পৰা আৰম্ভ কৰি মিচিচিপি নদীৰ পাৰত কপাহৰ খেতি কৰি জীৱন নিৰ্বাহ কৰা নিগ্ৰো খেতিয়কসকলৰ জীৱনগাথা প্ৰতিফলিত হৈছে। নিগ্ৰোসকলক মানুহ হিচাপে গণ্য নকৰা মালিকসকলৰ বিৰুদ্ধে বিদ্ৰোহ। এই বিদ্ৰোহৰ ফিৰিঙতি বিয়পাইছিল গীতৰ ভাষাৰে। পল ৰবচনৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ সুধাকণ্ঠই অসমলৈ আহিও পাহৰা নাছিল নিগ্ৰো ভাই-ভনীৰ মনোবেদনা। দিনৰ দিনটো কপাহৰ খেতি পথাৰত কপালৰ ঘাম মাটিত পেলাই কষ্ট কৰা নিগ্ৰোসকলৰ কাহিনী গীতৰ ভাষাৰে বৰ্ণনা কৰা মহান শিল্পীসকলৰ অন্যতম আছিল ভূপেন হাজৰিকা। দেশপ্ৰেমত উদ্বুদ্ধ কৰাতো তেওঁৰ গীতসমূহৰ ভূমিকা অতুলনীয়। সীমান্তত অতন্দ্ৰ প্ৰহৰী হৈ থকা জোৱানসকলে পিতৃ-মাতৃ, ভাই-ভনী, প্ৰয়সী-পত্নীক এৰি শত্ৰুপক্ষৰ স'তে যুঁজি থকাৰ কাহিনী তেওঁৰ গীততে বিচাৰি পোৱা যায়। দেশবাসীৰ হৈ যুঁজি হাঁহিমুখে বিদায় লোৱা বীৰ জোৱানসকলৰ বুকুৰ তেজ দেখি কান্দি উঠিছিল সুধাকণ্ঠ। কামসেন্দূৰ মচি বৈধব্য জীৱন অকালতে আঁকোৱালি ল'বলগীয়াই জীয়াই থকাৰ বাবে কেনে সংগ্ৰাম কৰিবলগীয়া হয় সেয়া সুধাকণ্ঠই গীতৰ মাজেদিয়ে প্ৰকাশ কৰিছে।

বানে ধুই নিয়া খেতিপথাৰ দেখি অসহায় খেতিয়কে নিজকে প্ৰশ্ন কৰিছে— আৰু কিমান দিন সহিব লাগিব দুখ-কষ্ট? কাৰো হাতত ইয়াৰ উত্তৰ নাই। নীলা আকাশলৈ সেই চপৰা-চপৰ মেঘ দেখিও কৃষকৰ মনত সেউজীয়া খেতিপথাৰৰ ছবি মনলৈ আনিব পৰা নাই। বতাহত হালি-জালি নাচি থকা শ্যামলী শস্যভূমি নেদেখি কৃষকৰ মনৰ সপোনো ধূলিসাৎ হৈ গ'ল। কাৰণ তাৰ বাবে বৈ থকা প্ৰেমিকাই আৰু কিমান দিন অপেক্ষা কৰিব? প্ৰেমিকাৰ পিতৃ-মাতৃয়ে মানি লঘোনে আৰু এবছৰ অপেক্ষা কৰিবলগীয়া কথাটো। উৰলি যোৱা ঘৰখন নতুনকৈ সাজিব বুলি ভাবিছিল ৰংমনে। বৃদ্ধ পিতৃ-মাতৃক ঘৰৰ ভিতৰত পানী নপৰাকৈ ৰাখিব বুলি ভাবিছিল যদিও বানে

সকলো সপোন ধূলিসাৎ কৰিলে। এগৰাকী চহা যুৱকৰ মনৰ ভাব বুজিব পাৰিছিল। একো দিব নোৱাৰিলেও গীতৰ ভাষাৰে সান্ত্বনা দিছিল সুধাকণ্ঠই। কেতিয়াবা যদি ছিলঙৰ মনালিছা লিংডোৰ কথা কৈছে আন কেতিয়াবা আকৌ নগা পাহাৰৰ ডালিমীৰ কথা কৈছে। বাগানীয়া নাচনীজনীৰ মনৰ কথা, চাহ বাগানৰ এটি কলি দুটি পাতে কোৱা কথাবোৰ বন্দী হৈছে সুধাকণ্ঠৰ গীতৰ শব্দৰ মাজত। মন্দিৰ, মছজিদ, গিৰ্জাৰ পৰা আৰম্ভ কৰি ৰাম-ৰহিম-এণ্টনীলৈকে সকলোবোৰে গীত গাইছে। তেওঁৰ বাবে মানৱতা আছিল ধৰ্ম। মানুহৰ মাজত ধৰ্মক লৈ কৰা বিভেদ তেওঁৰ বাবে গ্ৰহণযোগ্য নাছিল। তেওঁৰ বাবে জাতি এটা আৰু ঘৰ এখনি। মানৱ জাতিৰ বাবে পৃথিৱীখনেই এখন ঘৰ। এই ঘৰখন সুন্দৰকৈ ৰখাতো সকলোৰে কৰ্তব্য। সেইবোৰ কথা গীতৰ মাজেদিয়ে প্ৰকাশ কৰিছিল ড° ভূপেন হাজৰিকাই।

সমাজৰ সকলো শ্ৰেণীৰ লোকৰ বাবে গ্ৰহণযোগ্য ভাব তথা শব্দচয়নে তেওঁৰ গীতক চিৰসেউজ কৰি ৰাখিছে। গীতৰ প্ৰতিটো শব্দই যেন দেহ-মনত এক ঢৌ তোলে। প্ৰাঞ্জল অথচ প্ৰশান্ত মহাসাগৰসম অৰ্থবহুল। দৰাচলতে, মানৱ জাতিৰ প্ৰতিটো কথা, প্ৰকৃতিৰ প্ৰতিটো দৃশ্য-গীতত প্ৰতিফলিত হোৱাত সেইবোৰ যেতিয়াই শুনা যায় তেতিয়াই সজীৱ অনুভৱ কৰে শ্ৰোতাই। সেইবাবে সুধাকণ্ঠৰ গীতসমূহ সদায় নতুন আৰু প্ৰতিটো ক্ষণতে খাপ খোৱা।

# নৃশংস

প্ৰতিশোধৰ বাবে মানুহ কিমান নৃশংস হ'ব পাৰে? স্বাৰ্থ সিদ্ধি তথা সন্মানত আঘাত পালে প্ৰিয়জনক হত্যা কৰিবলৈও কুণ্ঠাবোধ নকৰে। স্বাৰ্থ সিদ্ধিৰ বাবে পিতৃয়ে পুত্ৰক, মাতৃয়ে কন্যাক, ভ্ৰাতৃয়ে ভগ্নীক নৃশংসভাৱে হত্যা কৰাৰ ঘটনাও সংঘটিত হৈছে জীৱশ্ৰেষ্ঠ মানৱৰ মাজত। কেৱল সেয়াই নহয়— একালৰ প্ৰেয়সীকো ৰাজহুৱা স্থানত হত্যা কৰিবলৈ কুণ্ঠাবোধ নকৰে। তেনে এক ঘটনাই সংঘটিত হৈছিল উত্তৰ কোৰিয়াত। কমিউনিষ্ট ৰাষ্ট্ৰ হিচাপে পৰিচিত উত্তৰ কোৰিয়াৰ নেতা কিম জং আনৰ প্ৰাক্তন প্ৰেমিকা তথা দেশখনৰ অন্যতম জনপ্ৰিয় গায়িকা হায়ন ছং উলক গুলীৰে থকা-সৰকা কৰি মৃত্যুদণ্ড বিহিলে। কিমৰ প্ৰাক্তন প্ৰেমিকাৰ বিৰুদ্ধে অভিযোগ অশ্লীল ভিডিঅ' ছবি নিৰ্মাণ ব্যৱসায়ৰ। কেৱল সেয়াই নহয়— এইগৰাকী গায়িকাৰ স'তে আন সাতগৰাকী সহযোগী গায়িকাকো নৃশংসভাৱে হত্যা কৰা হ'ল। কিমৰ স'তে হায়নৰ ১০ বছৰ পূৰ্বে প্ৰেমৰ বিচ্ছেদ ঘটিছিল। দুয়োৰে মাজত ভালপোৱা আছিল নিবিড়। সেই নিবিড় মুহূৰ্তবোৰ বন্দী হৈছিল কেমেৰাৰ লেন্সত। কিন্তু হায়নক বোৱাৰীৰূপে ৰাজপৰিয়ালে আদৰি ল'বলৈ সন্মত নাছিল। সেয়েহে পিতৃৰ নিৰ্দেশতে এদিন দুয়োৰে ভাল পোৱাৰ মাজত ফাট মেলে। তেতিয়াৰেপৰাই প্ৰতিশোধৰ জুয়ে জ্বলাই মাৰিছিল হায়নক। সেয়েহে লাহে লাহে কিমৰ স'তে বন্দী হোৱা নিবিড় মুহূৰ্তবোৰ অশ্লীল ছবিৰ জৰিয়তে ৰাজহুৱা কৰা হ'ল। সেয়াই আছিল অপৰাধ। সেয়েহে ৰাজহুৱা স্থানত খুঁটাত ওলোমাই লৈ গুলীবৰ্ষণ কৰি নৃশংসভাৱে হত্যা কৰা হ'ল।

এগৰাকী প্ৰেমিকাক চকুৰ সন্মুখতে এনেদৰে গুলিয়াই মাৰিব পাৰে জানো? কিন্তু প্ৰাক্তন প্ৰেমিকাৰ মৃত্যুৰ সময়ত এবাৰো বুকু কঁপি নুঠিল কিমৰ। নামমাত্ৰ

বিচাৰ কৰিয়েই হত্যা কৰা হ'ল। অভিযুক্তক আত্মপক্ষ সমৰ্থনৰ কোনো সুযোগেই দিয়া নহ'ল। বিচাৰৰ নামত প্ৰহসন। এনে উদাহৰণ বহুতো ওলাব।

প্ৰতিটো হত্যাকাণ্ডই নিৰ্মম। এই নিৰ্মম হত্যাৰ আঁৰত থাকে একো একোটা কাৰণ। কিন্তু কাৰণসমূহ বিশ্লেষণ কৰিলে দেখা যায় যে অৰ্ধেকৰ ক্ষেত্ৰতেই কোনো বিচাৰ কৰা নহয়। নতুবা বিচাৰ কৰিলেও তাৰ ফলাফল কোনোদিনেই নোলায়। বিচাৰ প্ৰক্ৰিয়াৰ নামত চলে প্ৰহসন। ইয়াৰ বিপৰীতে ভুক্তভোগী পৰিয়ালে চিৰদিন ন্যায়ৰ আশাৰেই বাট চাই থাকে। এনেদৰে কত কাহিনী অপ্ৰকাশিত হৈ থাকে। অসমাপ্ত হৈ ৰয় জীৱনগাথা।

কিছুবছৰ পূৰ্বে নেপালৰ ৰাজপৰিয়ালত সংঘটিত হয় এক লোমহৰ্ষক হত্যাকাণ্ড। প্ৰেমিকা দেৱযানীৰ মৃত্যু ৰহস্যৰ আৱৰ্ততে থাকিল। ৰাজপ্ৰাসাদৰ চাৰিবেৰৰ মাজত প্ৰতিধ্বনি হ'লেও দেৱযানীৰ চিঞৰ সাধাৰণ প্ৰজাৰ কাণত নপৰে। ৰাজপৰিয়ালৰ গৌৰৱ ধূলিসাৎ হ'ব বুলিয়ে গাপ দিয়া হ'ল দেৱযানীৰ হত্যাৰ বিভীষিকাময় দিনটোৰ কথা। ইতিহাস ৰাজপ্ৰাসাদৰ ভিতৰত সংঘটিত ঘটনাৰ সাক্ষী হৈ ৰ'লেও বৰ্তমান সেয়া চৰ্চাৰ বিষয় নহয়। বৰ্তমানৰ ঘটনাবোৰ যেতিয়া অতীত হৈ যায় তেতিয়া তাক লৈ চৰ্চা কৰাও বন্ধ হয়।

কালিদাসৰ মৃত্যু হৈছিল হীৰা নামৰ এগৰাকী প্ৰেমিকাৰ হাতত। দৰাচলতে এইগৰাকী প্ৰেমিকা আছিল বেশ্যা। দুৰ্ভাগ্যক্ৰমে হীৰাই চুৰিকাঘাত কৰি হত্যা কৰিছিল মহাকবি কালিদাসক। সেই নিৰ্মম হত্যাই পিছে কালিদাসক ধূলিসাৎ কৰিব নোৱাৰিলে। বৰং ইতিহাসৰ পাতত চিৰদিন কলংকিত হৈ ৰ'ল হীৰা।

বৰ্তমান প্ৰতিযোগিতাৰ যুগত ভণ্ড প্ৰেমিকাৰ হাতত ক'ত-কিমান প্ৰেমিকাই অকালতে প্ৰাণ হেৰুৱাবলগীয়া হৈছে তাৰ হিচাপ নাই। প্ৰথমতে প্ৰেমৰ অভিনয় আৰু তাৰ পাছত নৃশংস হত্যাকাণ্ড। এতিয়া এইবোৰ তেনেই সাধাৰণ ঘটনা হৈ পৰিছে। ভণ্ড প্ৰেমিকৰ চকুৰ সন্মুখতে দলবদ্ধ ধৰ্ষণ কৰিছে। প্ৰেমিকাৰ মঙহ কাটি টুকুৰা-টুকুৰ কৰিছে। সাধাৰণ ৰাইজৰ কথাতো বাদেই— দেশৰ নেতা-পালিনেতাও এই কাৰ্যত জড়িত হোৱাৰ অভিযোগ সৰ্বজনবিদিত। ভণ্ড বাবাই মন্দিৰত চলাইছে অবাধ যৌনাচাৰ। পৃথিৱীখন যেন পাপেৰেই ভৰি পৰিছে। পুণ্যাত্মাৰ যেন ইহ সংসাৰত স্থান নাই। যিজন অথবা যিগৰাকীক বুকুৰ আপোন কৰি লোৱাৰ সপোন দেখে তেওঁকেই এদিন ইহসংসাৰৰ পৰা নিৰ্মমভাৱে বিদায় দিয়ে। এয়াই প্ৰহসন। এয়াই মানৱতা! ভূ-লুণ্ঠিত মানৱতা।

# মনক নিয়ন্ত্ৰণ কৰক

মনৰ ওপৰত প্ৰভূত্ব বিস্তাৰ কৰিবলৈ হ'লে প্ৰথমতে আৱেগ আৰু বাসনাক নিয়ন্ত্ৰণ কৰিব লাগিব। বাসনাই মনক উত্তেজিত কৰি ইন্দ্ৰিয়ৰ প্ৰতি ধাৱমান কৰায়। বাসনা ইন্দ্ৰিয়ৰ প্ৰতি ধাবিত হয়। মানুহে কেৱল এটা ইন্দ্ৰিয় জয় কৰিলেই নহয়, সম্পূৰ্ণভাৱে সকলো ইন্দ্ৰিয় পৰাজিত কৰিব লাগিব। কামনা-বাসনা মানুহৰ সহজাত প্ৰবৃত্তি। এই বন্ধনৰ পৰা কোনো লোকেই মুক্ত নহয়। ঋষি-মুনিসকলে মনক নিয়ন্ত্ৰণ কৰিছিল। কিন্তু তাৰ মাজতে তেওঁলোকেও কেতিয়াবা নিজৰ স্থিতিৰ পৰা বিচ্যুত হৈছিল। মহৰ্ষি বিশ্বামিত্ৰই মেনকাৰ ৰূপ-সৌন্দৰ্যত বিমুগ্ধ হৈ এদিন ত্ৰিশংকুৰ স্বৰ্গৰাজ্য স্থাপনৰ কথা পাহৰি গৈছিল। পাণ্ডুৱে কাম ৰিপু দমন কৰিব নোৱাৰা বাবে মাদ্ৰিৰ স'তে সংগমত লিপ্ত হোৱাৰ পাছতে মৃত্যুৰ কোলাত ঢলি পৰিছিল।

মনৰ ওপৰত কোনোবাই সম্পূৰ্ণৰূপে প্ৰভূত্ব বিস্তাৰ কৰিব পাৰে জানো? আৱেগৰ বাবে কোনোৱে মনটোক সম্পূৰ্ণৰূপে নিয়ন্ত্ৰণ কৰিব নোৱাৰে। আৱেগ নিয়ন্ত্ৰণ কৰি জীৱন-যাপন কৰাটো সকলোৰে বাবে সম্ভৱো নহয়। কাৰণ আৱেগ-অনুভূতি নাথাকিলে জীৱ আৰু জড় পদাৰ্থৰ মাজত পাৰ্থক্য নাথাকিব। আৱেগবিহীন জীৱনৰ অৰ্থও বিচাৰি পোৱা নাযায়। কিন্তু মনটোক নিয়ন্ত্ৰণ কৰিব নোৱাৰিলে কেতিয়াবা বিপদৰ সন্মুখীন হ'বলগীয়াও হয়। মনক নিয়ন্ত্ৰণ কৰিব পাৰিলে শৃংখলিত জীৱন এটি উপভোগ কৰাটো সম্ভৱ। প্ৰতিটো ক্ষেত্ৰত এই নিয়ন্ত্ৰণ কৰিবলৈ চেষ্টা কৰিলে ব্যৰ্থ হোৱাৰ কাৰণ নাথাকে। আমি সকলোৱে জীৱন যুঁজত জয়ী হ'ব খোজো। কিন্তু কিমানজনে

সাফল্য অৰ্জন কৰে সেয়া চৰ্চাৰ বিষয়। আৱেগে উত্তেজনাৰ সৃষ্টি কৰে। কেতিয়াবা নিজে আৱেগৰ বশৱৰ্তী হৈ নকৰিবলগীয়া কামো কৰে। কৰিবলগীয়া কাম কৰাৰ পৰাও আঁতৰি থাকে। মায়া-মোহত আবদ্ধ হয়। সময় বাগৰে। এই সময়ৰ গতিৰ স'তে খোজ মিলাবলৈ গৈ মাজে মাজে উজুতি খাবলগীয়াও হৈছে। উত্তেজনাই ইন্দ্ৰিয় দমন কৰিব নোৱাৰে। ইন্দ্ৰিয় দমন নকৰিলে কোনোৱে মোক্ষ লাভ কৰিব নোৱাৰে। এই পৃথিৱীত ভোগেই সৰ্বস্ব নহয়। ভোগ নকৰাকৈয়ে জীৱন উপভোগ কৰিব পাৰি। ভগৱানৰ ওপৰত আত্মবিশ্বাস ৰাখি নিজৰ কৰ্মক্ষেত্ৰত আগবাঢ়িলে সফল নোহোৱাৰ কোনো কাৰণ নাই। বহুতে অগাধ ধন-সম্পত্তিৰ অধিকাৰী হৈ ভগৱানৰ ফালে পিছ দিয়ে। তেওঁলোকৰ বাবে ভোগেই জীৱন। কিন্তু পৰৱৰ্তী সময়ত যেতিয়া ধন শূন্য হৈ পৰে তেতিয়া এওঁলোকৰ চৰিত্ৰৰো সলনি হ'বলৈ ধৰে। সেয়েহে মোক্ষ লাভৰ বাবে ইন্দ্ৰিয় নিয়ন্ত্ৰণ কৰিবই লাগিব।

মনৰ স'তে বাসনাৰ ওতপ্ৰোত সম্পৰ্ক। মনটোৱে নিবিচাৰিলে বাসনা জাগ্ৰত হ'ব নোৱাৰে। বাসনাৰ বশৱৰ্তী হোৱা বাবে বহুতো নকৰিবলগীয়া কামো সম্পাদন কৰে। বাসনাই মানুহৰ হিতাহিত জ্ঞানশূন্য কৰি তোলে। যেতিয়াই হিতাহিত জ্ঞানশূন্য হৈ পৰে তেতিয়াই ভাল-বেয়া বিচাৰ কৰিব পৰা ক্ষমতাও হেৰুৱায় পেলায়। বিবেচনা কৰিব পৰা শক্তি নাইকিয়া হয়। বিবেচনা শক্তি নোহোৱা হ'লে সকলো কাম কৰিব পাৰি। গুৰু-গোসাঁই নমনা হয়। কিন্তু এইসকল লোকে জীৱনৰ বিয়লি বেলাত উপলব্ধি কৰিব পাৰে কি কি ভুল কৰিলে অথবা কিমান শুদ্ধ পথেৰে জীৱনটো আগুৱাই নিলে।

সত্য সাই বাবায়ো এই কথাকে কৈ গৈছে। মনৰ ওপৰত প্ৰভূত্ব বিস্তাৰ কৰিবলৈ সকলোৱে আৱেগ আৰু বাসনা নিয়ন্ত্ৰণ কৰিব লাগিব। মহামানৱ মহাত্মা গান্ধীয়ে অহিংস আন্দোলনত সফল হ'বলৈ সকলোকে আৱেগ দমন কৰিবলৈ আহ্বান জনাইছিল। আৱেগ নহয়— বিবেকেৰেহে আমি কাৰ্যসূচী নিৰ্ধাৰণ কৰিব লাগিব। আৱেগ আৰু বাসনা নিয়ন্ত্ৰণ কৰি দেশ সেৱা আগবঢ়োৱা বাবে এদিন মোহন দাস কৰমচান্দ গান্ধী বিশ্ববাসীৰ মাজত পৰিচিত হয় মহামানৱ মহাত্মা গান্ধীৰূপে।

# ঘনচিৰিকাৰ ঘৰ বনাম সভ্যতাৰ ৰথ

প্ৰগতিৰ পথত আগবাঢ়িছে আমাৰ দেশ, আমাৰ সমাজ। পূৰ্বৰ বোকাময় বাট-পথ পকী হৈছে, কৃষিজীৱী জনগণ উদ্যোগ আৰু সেৱাখণ্ডত জড়িত হৈছে, ভিতৰুৱা অঞ্চলসমূহলৈকো বিদ্যুতৰ সুবিধা সম্প্ৰসাৰিত হৈছে, গাঁও-চহৰ সকলো অঞ্চলৰে মানুহৰ হাতে হাতে ম'বাইল ফোন হৈছে। পৰিবহণ আৰু যাতায়াত ব্যৱস্থাৰো প্ৰভূত উন্নতি সাধিত হৈছে। জনসংখ্যাৰ অনুপাতত ব্যক্তিগত যান-বাহনো বাঢ়িছে, বাঢ়িছে দোকান-বজাৰ, বাঢ়িছে নগৰাঞ্চল। পিচে আমাৰ দৰে স্পৰ্শকাতৰ মানুহৰ মনত এই তথাকথিত প্ৰগতিয়ে এটা প্ৰশ্ন জগাই তোলে--- এয়া প্ৰগতি নে কেৱল পৰিবৰ্তন? কেৱল পৰিবৰ্তনকেই প্ৰগতি বুলি ক'ব পাৰি জানো? সন্দেহ নাই, প্ৰগতি মানেই একধৰণৰ পৰিবৰ্তন; ইতিবাচক পৰিবৰ্তন— যি পৰিবৰ্তনে মানুহৰ জীৱন ধাৰণৰ মান উন্নত কৰে। আমাৰ অদেশ আৰু সমাজলৈ অহা পৰিবৰ্তনেও এটা দিশৰ পৰা মানুহৰ জীৱন ধাৰণৰ মান সন্দেহাতীতভাৱে উন্নত কৰিছে। কিন্তু এই পৰিবৰ্তন বা প্ৰগতিৰ ধামখুমীয়াই আমাৰ মাজৰ পৰা এনেকুৱা কিছুমান বস্তু নোহোৱা কৰি পেলাইছে। আমি এনেকুৱা কিছুমান বস্তু হেৰুৱাই পেলাইছো— যিবোৰ বস্তুৰ অভাৱে বৰ্তমানৰ কথাকথিত প্ৰগতিৰ প্ৰতিয়েই ধিক্কাৰ জন্মায়। প্ৰগতিৰ ধামখুমীয়াৰ মাজত আমি হেৰুৱাই পেলাইছো আমাৰ পাৰিপাৰ্শ্বিকতাৰ পৰিচ্ছন্নতা। কি গাঁও, কি চহৰ— সকলোতে আজিকালি চৌপাশে মাথোন আৱৰ্জনাৰ দম। প্লাষ্টিক আৱৰ্জনাই হাস কৰি আনিছে গাঁও-চহৰ সকলো। নদ-নদী, বিল-জলাশয়— ক'তো এটোপাল বিশুদ্ধ পানী পাবলৈ নাই। সকলো প্ৰদূষিত, দৃষ্টিকটুভাৱে অপৰিচ্ছন্ন। প্লাষ্টিক আৱৰ্জনা আৰু প্ৰদূষিত

পানীয়ে অদূৰ ভৱিষ্যতে অসমৰ বা সমগ্ৰ ভাৰতবৰ্ষৰেই পথাৰসমূহকো কৃষিৰ বাবে সম্পূৰ্ণ অনুপযোগী কৰি তোলাৰ ভয়াৱহ দুৰ্ভাৱনাৰ সৃষ্টি হৈছে। প্ৰগতিৰ ধামখুমীয়াৰ মাজত আমি হেৰুৱাই পেলাইছে অকণমান নিৰিবিলি পৰিৱেশ। গাড়ী-মটৰৰ বিকট শব্দ, মানুহৰ জনাকীৰ্ণ সমাগমৰ কোলাহল, দোকান-বজাৰৰ শব্দ প্ৰদূষণ আদিৰ পৰা আঁতৰি নিৰ্জনতাৰ কোলাত সামান্য আশ্ৰয় লওঁ বুলি আশা কৰাৰ এতিয়া উপায় নাই। য'লৈকে যাওঁ চৌদিশে মাথোন মানুহ আৰু মানৱিক কাৰ্যকলাপ। তথাকথিত প্ৰগতিয়ে আমাৰ মাজৰ পৰা নোহোৱা কৰি পেলাইছে প্ৰকৃতিৰ সেউজীয়া আভৰণ। স্বাস্থ্যসেৱাৰ অগ্ৰগতিয়ে মানুহৰ মৃত্যুৰ হাৰ কমাইছে। কিন্তু জন্মৰ হাৰ কমা নাই। সচেতনতাৰ অভাৱত আজি আমাৰ দেশত জনসংখ্যা বৃদ্ধিৰ পৰিঘটনাই জনবিস্ফোৰণৰ ৰূপ লৈছে। তাৰ লগত যোগ হৈছে মানুহৰ সীমাহীন লোভ আৰু আক্ৰোশ। সেয়ে অত্যন্ত দ্ৰুতগতিত আমাৰ দেশত, আমাৰ ৰাজ্যত গছ-গছনি নোহোৱা হৈছে। নোহোৱা হৈছে হাবি-বননি। আৰু গছ-গছনি, হাবি-বননিৰ সমান্তৰালকৈ নোহোৱা হৈ গৈছে আমাৰ পৰিচিত জীৱ-জন্তু, চৰাই-চিৰিকটিসমূহো।

তেনেদৰে নোহোৱা হৈ যোৱা পক্ষীকুলৰ অন্যতম হৈছে আমাৰ সকলোৰে পৰিচিত ঘনচিৰিকা বা ঘৰচিৰিকা। এসময়ত অসমৰ মানুহৰ ঘৰে ঘৰে, চৌহদে চৌহদে বাহ লোৱা ঘনচিৰিকা চৰাই আজি যেন মাথোন এক স্মৃতি হ'বলৈ আগবাঢ়িছে। কাৰোবাৰ বাবে সতেজ স্মৃতি, কাৰোবাৰ বাবে ধূসৰ স্মৃতি। চকুৰ আগতেই যেন নোহোৱা হৈ গ'ল চৰাইজাক অকল্পনীয়ভাৱে। নুশুনা হৈ গ'ল ঘনচিৰিকাৰ চিক্‌চিকনি, কিচিৰ-মিচিৰ মাত। অথচ এইজাক চৰাই প্ৰায় সৌ-সিদিনালৈকে আমাৰ দৈনন্দিন জীৱনযাত্ৰাৰেই যেন অবিচ্ছেদ্য অংগ আছিল। কি গ্ৰামীণ অসম, কি নগৰীয়া অসম সকলোতে, মানুহৰ চোতালে চোতালে দেখিবলৈ পোৱা গৈছিল ঘনচিৰিকা। সিহঁতৰ উপস্থিতি, কাৰ্যকলাপ, কাজিয়া-পেচাল, চিঞৰ-বাখৰে ভৰাই ৰাখিছিল আমাৰ চকু আৰু মন। সেই সকলো এতিয়া অতীত হ'ল। পিচে সেই অতীতেই যেন আকৌ এবাৰ বৰ্তমান হৈ উভতি আহিল, উভতি আহিল গুৱাহাটী মহানগৰীৰ মাজমজিয়াত।

মহানগৰীৰ গণেশগুৰিত থকা আমাৰ 'জেবিজ' ৰেষ্টুৰেণ্টৰ সন্মুখত দুজোপা বাহ গছ আছে। সৌন্দৰ্যবৰ্ধনৰ বাবে ৰোপণ কৰা সেই বাঁহ দুজোপা এতিয়া যথেষ্ট ডাঙৰ হৈছে। প্ৰায় দুমাহ আগৰ কথা। সেই বাঁহ দুজোপাৰ

এজোপা বাঁহত আহি আশ্ৰয় ল'লে কেইটামান ঘনচিৰিকাই। মই আচৰিত হ'লো। প্ৰকৃতি আৰু পাৰিপাৰ্শ্বিকতাৰ বধ্যভূমি এইখন গুৱাহাটী মহানগৰীত ঘনচিৰিকা চৰাই আহিল ক'ৰ পৰা? তাকো আশ্ৰয় ল'লে একেবাৰে গণেশগুৰি অঞ্চলত। আনন্দিত আৰু আচৰিত হোৱাৰ লগতে অলপ ভয়ো খালো। জানোচা ঘনচিৰিকাকেইটা আকৌ গুচি যায়। বাঁহ দুজোপাত কেইখনমান মাটিৰ থাল ওলোমাই দিলো। তাত নিয়মীয়াকৈ চাউল, দাইল আৰু পানী দিয়াৰ ব্যৱস্থা কৰিলো। লাহে লাহে দেখিবলৈ পালো বাঁহ দুজোপাত ঘনচিৰিকাৰ সংখ্যা ক্ৰমাৎ বাঢ়িবলৈ ধৰিছে। এনেদৰে বাঢ়ি বাঢ়ি ঘনচিৰিকাৰ সংখ্যা এতিয়া সহস্ৰাধিক হৈছেগৈ। ৰেষ্টুৰেণ্টৰ সন্মুখভাগ সিহঁতে মুখৰিত কৰি ৰাখে। পুৱাই চৰাইজাক ওলাই যায় কোনো অজানা ঠাইলৈ। দিনটো অনবৰত লাগি থাকে এক ৰিঙা ৰিঙা ভাব। চিন্তা-দুঃশ্চিন্তাত মনটো আচ্ছন্ন হৈ থাকে। চৰাইজাক ঘূৰি আহিবতো? পিচে সন্ধিয়াৰ আগে আগে সিহঁতে ঠিকেই ঘূৰি আহে। ইতিমধ্যে চৰাইজাকে বহুতৰে দৃষ্টি আকৰ্ষণ কৰিছে। মোৰ বাবে সিহঁত কি সেয়া মই ভাষাৰে বুজাব নোৱাৰো। মই নাজানো মহানগৰীৰ ব্যস্ততাপূৰ্ণ অঞ্চলৰ কোলাহলৰ মাজত অৱস্থিত এখন ৰেষ্টুৰেণ্টৰ সমুখৰ সৰু দুজোপা বাঁহ গছত সিহঁতে কি পাইছে। কিন্তু সিহঁতৰ পৰা মই, আমি বহু কিবা-কিবি পাইছো। ঘনচিৰিকাজাকে বোধহয় লগতে এই কথাও প্ৰমাণ কৰিলে যে মানুহৰ পৰা সিহঁতে বহু কিবাকিবি নিবিচাৰে। মাথোন মানুহে হিংসা নকৰিলেই হ'ল।

বিশ্বৰ অন্যতম প্ৰগতিশীল দেশ হৈছে স্কটলেণ্ড। ঔদ্যোগিকভাৱে এখন আগবঢ়া দেশ। কিন্তু স্কটলেণ্ডৰ সৌন্দৰ্যৰ মাজত হেনো এতিয়াও ৰৰ্ডছৱৰ্থক বিচাৰি পোৱা যায়। একেদৰে উত্তৰ আমেৰিকা অৰ্থাৎ মাৰ্কিন যুক্তৰাষ্ট্ৰ আৰু কানাডাৰ প্ৰাকৃতিক সৌন্দৰ্যয়ো মানুহক আজিপৰ্যন্ত মুগ্ধ কৰি ৰাখিছে। সেইবোৰ দেশত প্ৰগতিৰ নামত প্ৰকৃতি আৰু পাৰিপাৰ্শ্বিকতাক ধ্বংস কৰা হোৱা নাই। বৰঞ্চ প্ৰকৃতিৰ সংৰক্ষণ আৰু সংবৰ্ধনক প্ৰগতিৰ অন্যতম পূৰ্বচৰ্ত হিচাপে লোৱা হৈছে। আমাৰ দেশৰ নিচিনাকৈ প্ৰকৃতি, পাৰিপাৰ্শ্বিকতা আৰু পৰিচ্ছন্নতা ধ্বংস কৰি প্ৰগতিৰ নামত কেতবোৰ বিশৃংখল পৰিবৰ্তনো অনা হোৱা নাই সেইবোৰ দেশত। তাত প্ৰকৃতিৰ লগত মানুহে সহাৱস্থান কৰিছে। আমাৰ ইয়াত প্ৰকৃতিৰ লগত মানুহে শত্ৰুতা কৰিছে। যাৰ বাবে আজি ঘনচিৰিকা এটাও হৈ পৰিছে অতি দুষ্প্ৰাপ্য। গৃহহীন হৈছে ঘনচিৰিকা।

# বয়স্কৰ মানসিক অৱসাদ

বয়স্ক লোকৰ সমস্যাসমূহৰ ভিতৰত অন্যতম হ'ল মানসিক অৱসাদ। যিকোনো বয়সৰ লোকৰ মানসিক অৱসাদ হ'ব পাৰে যদিও সাধাৰণতে বয়স্কৰ এনে সমস্যাই বেছিকৈ গা কৰি উঠে। এয়া কোনো এটা নিৰ্দিষ্ট অঞ্চলৰ বয়স্ক লোকৰ সমস্যা নহয়। বিশ্বৰ প্ৰতিখন দেশতে কম-বেছি পৰিমাণে এনে সমস্যা আছে। এনে হোৱাৰ আঁৰত বিভিন্ন কাৰণ থাকে। কিছুমানৰ যদি শাৰীৰিক সমস্যা, আন কিছুমানৰ আকৌ মানসিক চাপ। পাৰিবাৰিক সমস্যাৰ বাবেও এনে হোৱা দেখা যায়। পাৰিবাৰিক কাৰণৰ ক্ষেত্ৰত দেখা যায় একক পৰিয়াল। যেতিয়াৰে পৰা যৌথ পৰিয়ালৰ ভাঙোন হ'বলৈ ধৰিলে তেতিয়াৰে পৰা এনে সমস্যাই গা কৰি উঠিবলৈ ধৰিছে। বৰ্তমান বিশ্বৰ প্ৰতিখন দেশতে কিছুমান জনগোষ্ঠীৰ বাহিৰে প্ৰায়ভাগ সমাজতে একক পৰিয়ালে প্ৰাধান্য লাভ কৰিছে। সেইবাবে এতিয়া পিতৃ-মাতৃৰ লগতে ককা-আইতাই অসুৰক্ষিত অনুভৱ কৰিবলৈ ধৰিছে। চোতালত নাতি-নাতিনীৰ স'তে বহি সাধু কোৱা, গল্প কৰা এতিয়া সকলোৰে বাবে অতীত। এনে কৰাৰ ফলত অৰ্থাৎ নাতি-

নাতিনীৰ স'তে সাধু, গল্প আদি কোৱাৰ ফলত মনৰ বহুতো চাপ, দুখৰ বোজা পাতলিছিল। আধুনিকতাৰ ৰহণ সানি বৰ্তমান সময়ত বহুতো পিতৃ-মাতৃয়ে, ককা-আইতাকৰ স'তে বহি সাধু ক'বলৈ নিদিয়ে। ল'ৰা-ছোৱালীৰ ককা-আইতাকৰ স'তে কথোপকথন হ'লে স্বভাৱ বেয়া হোৱা বুলি ভাবে। দৰাচলতে এনে ধাৰণা ভ্ৰান্ত। যেতিয়া শিশুটিয়ে চোতালত মুকলি আকাশৰ তলত বহি ককা-আইতাৰ পৰা সাধু শুনে তেতিয়া মনটোৱে সৃষ্টিৰ উৎস বিচাৰি পায়। সেইবাবে পৰৱৰ্তী সময়ত শিশুটিয়ে নিজেই সাধু ক'বলৈ অথবা শুনিবলৈ আগ্ৰহী হয়। কৌতূহলী মনে বিচৰা বহুতো প্ৰশ্নৰ উত্তৰ বিচাৰি পায়। তদুপৰি জ্যেষ্ঠজনৰ স'তে কেনেদৰে আলাপ কৰিব লাগে তথা সন্মান প্ৰদৰ্শন কৰিব লাগে সেইবিষয়েও আয়ত্ত কৰিবলৈ এখন উপযুক্ত ক্ষেত্ৰ লাভ কৰে। যিবোৰ কথা শিশুটিয়ে পিতৃ-মাতৃৰ আগত প্ৰকাশ কৰিবলৈ কুণ্ঠাবোধ কৰে সেইবোৰ ককা-আইতাকৰ স'তে মুকলি মনেৰে পাতিবলৈ শংকাবোধ নকৰে। সেইবাবে বহুতো জটিল সমস্যাৰ সমাধান সূত্ৰ ওলায় সাধাৰণভাৱে। কিন্তু যেতিয়া এনে মৰম-ভালপোৱাৰ এনাজৰীডাল ককা-আইতাক আৰু নাতি-নাতিনীৰ পৰা মোকলাই অনা হয় অথবা ছিঙি দিয়ে তেতিয়া বয়স্কজনে লাহে লাহে মানসিক অৱসাদৰ চিকাৰ হ'বলৈ ধৰে। মনটোক বুজনি দিব নোৱাৰা অৱস্থা এটিৰ সৃষ্টি হয়।

সন্তান যেতিয়া পিতৃ-মাতৃৰ পৰা আঁতৰি থাকে তেতিয়াও মানসিক অৱসাদে গা কৰি উঠে। প্ৰতিগৰাকী পিতৃ-মাতৃয়ে জীৱনৰ বিয়লি বেলাটো সুখ-শান্তিৰে সন্তানৰ স'তে অতিবাহিত কৰাৰ সপোন দেখে। অতীতৰে পৰা-এই পৰম্পৰা চলি আহিছিল। শ্ৰৱণৰ পিতৃ-মাতৃৰ প্ৰতি থকা ভক্তিয়ে এই কথাই প্ৰমাণ কৰে। সন্তান জন্মৰ পাছতেই পিতৃ-মাতৃয়ে ভাবে— বৃদ্ধ বয়সত কণাৰ লাখুটি হ'ব। কিন্তু কিমানজনে এনে সেৱা লাভ কৰে সেয়া এক চিন্তনীয় বিষয়।

জীৱনৰ আদিছোৱাত কোনোৱে সিমান অনুভৱ নকৰে। কিন্তু বয়স বৃদ্ধিৰ লগে লগে শাৰীৰিক-মানসিকভাৱে সকলোৱে দুৰ্বল হৈ পৰে। তেতিয়াই প্ৰয়োজন হয় সন্তানৰ। মাজৰছোৱা সময়তো প্ৰয়োজন হয়। অৱশ্যে জীৱনৰ বিয়লি বেলাতহে বেছিকৈ বিচাৰে। এনে চিন্তা-ভাবনা কৰিয়ে সন্তানক ডাঙৰ-

দীঘল কৰে। কিন্তু যেতিয়া জীৱনৰ বিয়লি বেলাত সন্তান পিতৃ-মাতৃৰ পৰা আঁতৰি যায়, তেতিয়াই চুকৰে ধোঁৱা-কোঁৱা দেখিবলৈ ধৰে বৃদ্ধ পিতৃ-মাতৃয়ে। শৌচ-প্ৰস্ৰাৱ ধুই সন্তানক ডাঙৰ-দীঘল কৰা, খোৱা-বোৱাৰ পৰা আৰম্ভ কৰি পঢ়া-শুনা সকলোতে যতন লয় পিতৃ-মাতৃয়ে। সন্তানে কিহবাত দুখ পাব বুলি পিতৃ-মাতৃয়ে অশেষ কষ্ট কৰিও ভালদৰে ৰাখিব খোজে। সকলোবোৰ নিমিষতে ধূলিসাৎ হ'লে মনত বিৰূপ প্ৰতিক্ৰিয়া হোৱাতো স্বাভাৱিক। এনেদৰে বয়স্কসকলৰ মনত অৱসাদে গা কৰি উঠে।

জীৱনৰ বিয়লি বেলাত প্ৰায়ভাগ লোকৰে খোৱা-বোৱা, থকা-মেলাৰ সমস্যা হয়। বহুতে ঘৰ থাকিলেও পথত থাকিব লাগে সন্তানৰ অত্যাচাৰৰ বাবে। পৰ্যাপ্ত খাদ্য থাকিলেও এসাঁজ উদৰ পূৰাই খাবলৈ নাপায়। এনেহ'লে মানসিক অৱসাদে গা কৰি গা কৰি উঠাতো স্বাভাৱিক কথা।

# কল্পনা আৰু বাস্তৱ

কল্পনা আৰু বাস্তৱ— দুয়োটাই বিপৰীত মেৰুত অৱস্থান কৰা দুটা ভিন্ন বিষয়। এটাই আনটোৰ বিপৰীত ছবি প্ৰতিফলিত কৰে। সপোন কেতিয়াও বাস্তৱ নহয়। একেদৰে বাস্তৱো সপোন হ'ব নোৱাৰে। কল্পনাৰ ক্ষেত্ৰত মনৰ সম্পৰ্ক ওতপ্ৰোত। বাস্তৱৰ ক্ষেত্ৰত সত্য লুকাই থাকে। বাস্তৱেই জীৱন। কোনো লোকেই কল্পনাৰাজ্যত ভ্ৰমি থাকি জীৱনৰ গতিপথ আগুৱাই নিব নোৱাৰে। বাস্তৱৰ স'তে মুখামুখি হ'ব জনা লোকেহে জীৱন যুঁজত জয়ী হ'ব পাৰে। মনটোৱে যিমানলৈ পাৰে সিমানলৈ ভ্ৰমি থাকে। ইয়াৰ কোনো নিৰ্দিষ্ট সীমা নাই। কল্পনাৰাজ্যখনত ঘটি থকা ঘটনাপ্ৰবাহৰ স'তে বাস্তৱত সংঘটিত হৈ থকা কোনো বিষয়ৰে সম্পৰ্ক নাথাকে। বাস্তৱে কেতিয়াও কল্পনাক প্ৰশ্ৰয় নিদিয়ে। যিটো বৰ্তমান সেয়াই বাস্তৱ। ইয়াৰ স'তে আৱেগৰ সম্পৰ্ক নাই। কিন্তু কল্পনাৰ স'তে আৱেগৰ সম্পৰ্ক ওতপ্ৰোত। কল্পনাই এজন লোকক ক'ৰ পৰা ক'লৈ নিয়ে তাৰ হিচাপ নাই। বাস্তৱে কিন্তু এজন লোকক এক নিৰ্দিষ্ট স্থানৰ পৰা আন এক নিৰ্দিষ্ট ক্ষেত্ৰলৈহে নিব পাৰে। এই ক্ষেত্ৰখনৰ এটা নিৰ্দিষ্ট পৰিসীমা থাকে। ইয়াৰ বিপৰীতে কল্পনা হ'ল অন্তহীন যাত্ৰা। পাৰাপাৰ নোহোৱা এখন ক্ষেত্ৰত যাৰ স্থায়িত্ব নাই।

বাস্তৱৰ পৰা কল্পনালৈ যোৱা আৰু কল্পনাৰ পৰা বাস্তৱলৈ গতি কৰাৰ মাজত পাৰ্থক্য আছে। দৰাচলতে কল্পনা আৰু বাস্তৱ দুই মেৰুত অৱস্থান কৰা দুটা পৃথক বিষয়। এই বিষয় দুটাই বেলেগ বেলেগ অৰ্থও প্ৰকাশ কৰে। যিজনে কল্পনা-ৰাজ্যত ভ্ৰমি ফুৰে তেওঁ বাস্তৱৰ স'তে সততে মুখামুখি হ'ব নোৱাৰে। কেৱল কথাবোৰ ভাবিয়ে থাকে। যেতিয়া বাস্তৱত কোনো কাৰ্য সম্পাদন কৰিবলগীয়া হয় তেওঁলোকে সমস্যাৰ সন্মুখীন হ'বলগীয়া হয়। তেতিয়াই মনত নেতিবাচক ভাবনাই বাহ লয়। সকলোৱে বাস্তৱৰ স'তে মুখামুখি হ'ব নোৱাৰে। জীৱনত বাস্তৱৰ স'তে সহাৱস্থান কৰিব নোৱাৰা লোকসকলে পলায়নবাদী মনোভাব গ্ৰহণ কৰে। পলায়নবাদী মনোভাব গ্ৰহণ কৰিলে কেতিয়াও জীৱন যুঁজত আগুৱাব নোৱাৰে। জীৱন যুঁজত আগুৱাব নোৱাৰিলে উন্নতিৰ গতিপথ স্তব্ধ হৈ পৰে।

কল্পনাই সৃষ্টিশক্তি বৃদ্ধি কৰে। কোনো কাম কৰাৰ বাবে যি উৎস সেয়া কল্পনাৰ পৰাও লাভ কৰিব পাৰি। সৃষ্টিশীল লোকসকল কল্পনাপ্ৰসূ। কল্পনা অবিহনে সৃষ্টি অসম্ভৱ। কিয়নো, কোনো এটা কাম কৰাৰ আগতে সেই কামটোৰ বিষয়ে পৰিকল্পনা কৰিব লাগিব। পৰিকল্পনাই এটা কাম সঠিকভাৱে সম্পন্ন হোৱাত সহায় কৰে। কল্পনাৰাজ্যত উৰি ফুৰা বাবেহে এদিন জন ৰাইট ভাতৃদ্বয়ে আকাশত উৰিব পাৰিছিল। এতিয়া আমি উৰাজাহাজৰ যি ৰূপ দেখিছো সেয়া আৰম্ভণিতে নাছিল। কল্পনাৰ বাবেহে আজি আমি আকাশত চৰাইৰ দৰে উৰিব পাৰিছো। কল্পনা অবিহনে কোনো মানুহে জীয়াই থাকিব নোৱাৰে। যদি থাকে তেনেহ'লে তেওঁৰ বাবে জড় আৰু জীৱৰ মাজত পাৰ্থক্য বিচাৰি পোৱা নাযাব। কোনো মানুহে ন-দি ক'ব নোৱাৰে যে কল্পনা নকৰাকৈয়ে জীৱনটো পাৰ হৈছে। কল্পনাই ছাঁটোৰ দৰে লাগি থাকে। সেইবাবে মানৱ জীৱনত কল্পনাৰো ভূমিকা আছে। প্ৰতিটো দিশতে ই পৰোক্ষভাৱে হ'লেও জড়িত। সেইবাবে সকলোৱে কল্পনাৰ স'তে সহাৱস্থান কৰিয়ে জীৱন যুঁজত আগ বাঢ়িব লাগে। বাস্তৱৰ স'তে সামঞ্জস্য কৰিব জানিলে জীৱনযুঁজত সহজে আগ বাঢ়ি যাব পাৰি। কল্পনা আৰু বাস্তৱে কেতিয়াও একেডাল ৰেখাৰে গতি কৰিব নোৱাৰে। সেয়েহে দুয়োটাৰে মূল্যায়ন পৃথকে পৃথকেই কৰিব লাগিব।

# হাতে হাত ধৰি
# আগুৱাওক মাৰোৱাৰীসকল

মাৰোৱাৰীসকল ঐক্যবদ্ধ হোৱাৰ সময় আহি পৰিছে। এতিয়া চৌদিশে কেৱল বিভেদৰ ঢৌ। ভায়ে ভায়ে বিভেদ। ঘৰশত্ৰু বিভীষণৰ সংখ্যা দিনক দিনে অভাৱনীয়ভাৱে বৃদ্ধি পাবলৈ ধৰিছে। সেইবাবে আজি সকলোতে বিভেদকামীৰ প্ৰভাৱ বিস্তাৰ হৈছে। কিন্তু এনে বিভেদকামী শক্তিক যদি আমি সময় থাকোতেই প্ৰতিহত নকৰো, তেন্তে পৰৱৰ্তী সময়ত ই জাটিল ৰূপ ধাৰণ কৰাতো নিশ্চিত। সম্প্ৰতি মাৰোৱাৰী লোকসকলৰ মাজতো এনে কিছু অপশক্তিয়ে গা কৰি উঠিবলৈ ধৰিছে; যিবোৰে সমগ্ৰ জাতিটোকে থান-বান কৰাৰ উপক্ৰম ঘটাইছে। একে গুৰুৰ শিষ্যৰ মাজত ভেদাভেদ। আজি আমাৰ বিভিন্ন প্ৰান্তত বসবাস কৰা মাৰোৱাৰীসকলৰ মাজত মিলা-প্ৰীতিৰ অভাৱ। এটা উমৈহতীয়া সংগঠনৰ অভাৱ— য'ত সকলোৱে ভেদাভেদৰ প্ৰাচীৰ ভাঙি এখন ধৰ্ম ধ্বজাৰ তলত একগোট হৈ জাতিটোৰ লগতে ধৰ্মটোৰ শক্তিশালী স্থিতি প্ৰতিফলিত কৰিব পাৰে। বৃহৎ অনুষ্ঠানৰ জন্ম হোৱা নাই

একমাত্ৰ মিলা-প্ৰীতিৰ অভাৱৰ বাবে। সকলোৱে বিচাৰে ক্ষমতা প্ৰচাৰ। নিজৰ আধিপত্য বিস্তাৰৰ বাবে সৰু সৰু সংগঠনৰ জন্ম দি একে ঠাইত সমৱেত হোৱাত বাধা জন্মাইছে।

সম্প্ৰতি অসমত কেবাটাও সৰু-বৰ মাৰোৱাৰী সংগঠন আছে। প্ৰত্যেকেই নিজা নিজা লক্ষ্যৰে কাম কৰি আছে। কিন্তু এনে সংগঠনসমূহৰ মাজত আজি সহযোগিতাৰ অভাৱ। ঐক্যবদ্ধ হৈ এখন সুস্থ মাৰোৱাৰী সমাজ গঢ়িবলৈ কাৰোৱেই আহৰি নাই। নিজৰ ঈপ্সিত লক্ষ্যত যদি উপনীত হ'ব পৰা নাই তেনেহ'লে সংগঠনটোৱে আন্দোলন কৰিছে। লগত এমুঠিমান মানুহ লৈ ৰাজপথত ওলাইছে। কিন্তু এই এমুঠি মানুহৰ আহ্বান শুনিবলৈ আগ্ৰহী কোনোৱে নহয়। পৰোক্ষভাৱে হ'লেও তেওঁলোকৰ লক্ষ্যৰ বিষয়ে সকলোৱে জ্ঞাত। এটা সংগঠনৰ বিৰুদ্ধে আন এটা সংগঠনে ধৰ্ণা দিছে। প্ৰতিবাদী সমদল উলিয়াইছে। কোনোৱে কাৰো কথা নুশুনে। নাক কাটি সতিনীৰ যাত্ৰা ভংগ কৰাৰ দৰে হৈ পৰিছে বিভিন্ন সংগঠনৰ কাম-কাজ। অৱশ্যে এটা কথা ঠিক যে কিছুমান সংগঠনে জন্মলগ্নৰে পৰাই মাৰোৱাৰী সম্প্ৰদায়ৰ লোকসকলৰ সমস্যাসমূহ উপস্থাপন কৰি আহিছে। এনে সংগঠনৰ উদ্দেশ্যও মহৎ। কিছুমান পাবত গজা সংগঠনে মাৰোৱাৰী লোকসকলৰ নামত ভণ্ডামি কৰি আছে। গতিকে এনে সংগঠনৰ কাৰ্যকলাপৰ গতি-বিধি ৰাইজে নজৰ দিয়া উচিত।

অসমত মাৰোৱাৰীসকল কিয় ঐক্যবদ্ধ হ'ব পৰা নাই? —স্বাভাৱিকতে মনত উদ্রেগ ঘটা এনে প্ৰশ্নৰ উত্তৰ দিয়াটো উজু নহয়। কিয়নো ইয়াৰ আঁৰত আছে এনে কিছু কাৰক। এইবোৰ কাৰক বিশ্লেষণ নকৰিলে সমস্যা সমাধান কৰাটো অসম্ভৱ। প্ৰথমতে ক'ব লাগিব ব্যৱসায়িক দিশটো। যিয়ে যিমান নকওক কিয় অসমত বাস কৰা মাৰোৱাৰীসকলৰ অধিকাংশই ব্যৱসায়ত ব্যস্ত। প্ৰত্যেকে নিজৰ ব্যৱসায়ৰ পৰিসৰ বৃদ্ধিৰ স্বাৰ্থত সুযোগ পালে এজনে আনজনলৈ শেল এৰে। কিন্তু এনে কৰা উচিত জানো? ব্যৱসায় কৰাৰ সকলোৱে অধিকাৰ আছে। ব্যৱসায়ৰ মূল উদ্দেশ্য লাভ হ'লেও সামাজিক দায়বদ্ধতাৰ কথাও জড়িত হৈ থাকে। এখন সমাজৰ লোকসকলক অৰ্থনৈতিক ক্ষেত্ৰত আগুৱাই নিবলৈ হ'লে সকলোৱে সমান সুযোগ পাব লাগিব। মাৰোৱাৰী মানেই ধনী লোক নহয়। নতুবা মাৰোৱাৰী মানেই ব্যৱসায়ী নহয়।

এই সম্প্ৰদায়টোৰো আছে আন সম্প্ৰদায়ৰ দৰে নিজস্ব ৰীতি-নীতি, ধৰ্মীয় অনুভূতি, সাহিত্য, সংস্কৃতি। এইবোৰ বাদ দি কেৱল লাভালাভৰ বিষয়টোৰ ওপৰতেই যদি গুৰুত্ব প্ৰদান কৰো তেনেহ'লে আমাৰ মাজত কেতিয়াও মিলা-প্ৰীতি সম্ভৱ নহয়।

দ্বিতীয়তে, আমাৰ সমাজৰ একাংশ লোকে ধৰ্মীয় দৃষ্টিকোণৰ পৰা এতিয়াও নিজকে উচ্চ আসনত ৰাখিব খোজে। তেওঁলোকে তলৰ লোকসকলক খুব এটা ভাল মনোভাবেৰে ল'বলৈ আগ্ৰহী নহয়। ফলত নিম্ন শ্ৰেণীৰ লোকসকলৰ মনত বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। সকলোৰে মনত ৰখা উচিত— আমাৰ ধৰ্মটোৰ শিপা এডাল। এই শিপাডালৰ পৰাই প্ৰকাণ্ড গছ এজোপা হৈছে। উচ্চ-নীচৰ ডালবোৰ আমিয়েই সৃষ্টি কৰিছো।

তৃতীয়তে, বিভিন্ন ঠাইত বসবাস কৰিলেও নিজস্ব সংস্কৃতি বিসৰ্জন দিয়া উচিত নহয়। যিখন সমাজত থাকে সেইখন সমাজৰ স'তে মিলা-প্ৰীতিত থাকিও নিজস্ব সংস্কৃতি বজাই ৰাখিব পাৰি। আনক দেখুৱাবলৈ স্বকীয়তাখিনি বাদ দিব নালাগে। আমাৰ বহুতৰেই অৱস্থা দোদুল্যমান। নিজৰটো ল'ব নে আনৰটো আঁকোৱালি ল'ব সেইটোৱেই এতিয়াও নিশ্চিত নহয়। পৰিৱৰ্তনৰ লগে লগে কিছু কিছু ক্ষেত্ৰত পৰিৱৰ্তনৰ ঢৌত মিলি যাবলগীয়া হোৱাতো স্বাভাৱিক কথা। কিন্তু এনে পৰিবৰ্তনৰ ঢৌত নিজস্বতা বিসৰ্জন দিয়া অনুচিত।

চতুৰ্থতে, ৰাজনৈতিক অথবা অৰ্থনৈতিক ক্ষেত্ৰতেই হওক ক্ষমতাৰ ৰাগীত মতলীয়া হৈ বহুতে নিজৰ জাতিৰ মানুহখিনিৰ কথাই পাহৰি যাব খোজে। ক্ষমতা লাভৰ বাবে নিজৰখিনি এৰি আনৰ হ'বলৈও কুণ্ঠাবোধ নকৰা লোক আমাৰ মাজতেই আছে। সেইবাবে আমি আজি ৰাজনৈতিকভাৱেও ঐক্যবদ্ধ হ'ব পৰা নাই। জাতিৰ স্বাৰ্থতকৈ ব্যক্তিগত স্বাৰ্থক আগস্থান দিয়াৰ পৰিণতি কিমান ভয়াৱহ হ'ব পাৰে সেয়া সময়ে উত্তৰ দিব। এনে ভয়াৱহ পৰিণতিৰ বাবে আমি সকলোৰে সাজু থাকিব লাগিব। তেতিয়া কিন্তু কোনো মাৰোৱাৰী লোকেই পৰিত্ৰাণৰ উপায় বিচাৰি উলিয়াব নোৱাৰিব। তেতিয়া স্থান হেৰুৱাই আন ঠাইলৈ যাব লাগিব।

এতিয়াও সময় আছে। আমি সকলোৰে হাতে হাত ধৰি কাম কৰিব লাগিব। ইয়াৰ গত্যন্তৰ নাই। আমাক এতিয়া এখন উমৈহতীয়া মাৰোৱাৰী

মঞ্চৰ প্ৰয়োজন। এই মঞ্চত থাকিব সকলোৰে সম-অধিকাৰ। এক জাতি, এক ভাষা। সাহিত্য, সংস্কৃতি, অৰ্থনীতি, ৰাজনীতি সকলোবোৰেই সমানে স্থান লাভ কৰিব পৰা এনে বৃহৎ মঞ্চ এখন গঢ়িবলৈ প্ৰতিগৰাকী মাৰোৱাৰী লোকে আগ বাঢ়ি আহিব লাগিব। এই মঞ্চখন হ'ব মাৰোৱাৰীসকলৰ এক সুকীয়া পৰিচয়। এই পৰিচয়েৰে চিনাকি দি গৌৰৱবোধ কৰিব। এখন পতাকাৰ তলত সমৱেত হৈ পৰস্পৰক শ্ৰদ্ধা, ভক্তি, সন্মান জনাব লাগিব। সমস্যাসমূহ সমাধানৰ বাবে সকলোৱে কাৰকসমূহ বিশ্লেষণ কৰিলে নিশ্চয় মাৰোৱাৰীসকলে আৰু এখোজ উন্নতিৰ পথত আগুৱাব পাৰিব। কেৱল ধনী শ্ৰেণীটোৰ কথা ভাববিলৈ বাদ দি দুখীয়া-নিচলা মানুহখিনিৰ উন্নতিৰ বাবেও আমি পদক্ষেপ গ্ৰহণ কৰিব লাগিব। তেতিয়া সকলোৱে পৰস্পৰৰ ওচৰ চাপিব পাৰিব। মনৰ ডাৱৰ আঁতৰি মাৰোৱাৰী সমাজৰ আকাশ স্নিগ্ধ জোনাকৰ দৰে ৰূপোৱালী হ'ব সকলোৱে খোজ দিব সেন্দূৰীয়া পথেৰে।

# বৰদিনৰ আনন্দ

যোৱা শতিকাৰ সত্তৰ আৰু আশী দশকৰ যিখন পাঠশালাত আমি জন্ম লাভ কৰি ডাঙৰ-দীঘল হৈছিলো, যিখন পাঠশালাত আমি শিক্ষাগ্ৰহণ কৰিবলৈ আৰম্ভ কৰিছিলো, সেইখন পাঠশালা নামত নগৰ হ'লেও কাৰ্যতঃ আছিল এখন শান্ত, সমাহিত, পৰিষ্কাৰ-পৰিচ্ছন্ন, সপোনপুৰীসদৃশ অৰ্ধনগৰীয়া ঠাই। নগৰ সমিতিয়ে স্বায়ত্তশাসন পৰিচালনা কৰা পাঠশালা নগৰ গঢ়ি উঠিছিল মাত্ৰ এখন-দুখন পেছেঞ্জাৰ ৰে'লগাড়ীহে ৰোৱা এটা সৰু ৰে'ল ষ্টেচনক কেন্দ্ৰ কৰি। এখন মহাবিদ্যালয়, এখন উচ্চতৰ মাধ্যমিক বিদ্যালয়, এখন ছোৱালী হাইস্কুল, এখন মধ্য ইংৰাজী, এখন প্ৰাথমিক বিদ্যালয়। চাৰিটা ৱাৰ্ড। উত্তৰেৰে পাৰ হৈ গৈছে একত্ৰিশ নং ৰাষ্ট্ৰীয় ঘাইপথ। নগৰৰ মাজেৰে নিৰ্মল পানীৰ বিছন্নলা জান-প্ৰবাহিত। নগৰখনৰ মূল পথ দুটাহে পকী আছিল সেইসময়ত। ভিতৰৰ ৰাস্তাসমূহ শিলগুটি দিয়া। দুই-এটা পথ আকৌ গাঁৱলীয়া পথৰুৱা ৰাস্তাৰ দৰে মাটিৰ। নগৰখনৰ সোঁমাজৰ পৰা যিকোনো এফালে সৰ্বোচ্চ এক কিলোমিটাৰ গ'লেই পোৱা যায় একোখন খেতিপথাৰ। আনকি নগৰৰ সোঁমাজৰো অ'ত-ত'ত খেতিপথাৰ। নগৰবাসী একাংশ লোকো কৃষিজীৱী। আনহাতে নগৰখনক আগুৰি চৌপাশে সমৃদ্ধিৰে ভৰা গাঁওবোৰ। একত্ৰিশ নং ৰাষ্ট্ৰীয় ঘাইপথেৰে পশ্চিম দিশলৈ যোৱা বৃহৎ বৃহৎ ট্ৰাকসমূহেই তেতিয়া আমাৰ বাবে স্বপ্নৰ সাৰথি। সেইখন পাঠশালাত তেতিয়া খ্ৰীষ্টানধৰ্মী লোক আছিল এঘৰ বা দুঘৰ। বৰদিন তেতিয়া আমাৰ বাবে এক অচিনাকি উৎসৱ। তেতিয়া আমি পাঠ্যপুথিতহে পঢ়ো বৰদিনৰ বিষয়ে। আমাৰ বাবে বৰদিন সেইসময়ত খ্ৰীষ্টানধৰ্মী লোকসকলৰ নিতান্তই এক ধৰ্মীয় উৎসৱ।

শান্ত-সমাহিত পাঠশালাৰ সমাজ- জীৱনত তেতিয়া বৰদিনৰ আনন্দৰ উচ্ছলতাই কোনো তৰংগৰ সৃষ্টি কৰিব পৰা নাছিল। পৰিস্থিতিৰ কিছু পৰিবৰ্তন ঘটিল যোৱা শতিকাৰ নবৈ দশকৰ শেষৰপিনে। ইতিমধ্যে অৰ্থনীতি আৰু বাণিজ্যৰ লগে লগে সংস্কৃতিৰ বিশ্বায়নো আৰম্ভ হৈছে। আৰম্ভ হৈছে বৰদিনৰ উচ্ছল আনন্দৰ লহৰ সকলোৰে গাত লগাৰ প্ৰক্ৰিয়া।

কৰ্মসূত্ৰে গুৱাহাটীলৈ অহাৰ পিছত বৰদিনৰ অন্য এক ৰূপ দেখা পালো এই বৃহত্তৰ মহানগৰী তথা বহল সমাজখনত। ইয়াত দেখিলো বৰদিন ধৰ্মীয় গণ্ডীৰপৰা ওলাই কোনোবাখিনি পাইছেগৈ। ই যেন এক সামাজিক উৎসৱ বা পৰ্বত পৰিণত হৈছে। খ্ৰীষ্টান অনাখ্ৰীষ্টানৰ ব্যৱধান নোহোৱা হৈ গৈছে আজিৰ বৰদিনত। নিঃসন্দেহে এয়া ভাৰতীয় সংস্কৃতিৰেই এক বিশেষ চৰিত্ৰ। যুগ যুগ ধৰি সমন্বয় আৰু সংশ্লেষণৰ জৰিয়তে গঢ়ি উঠা ভাৰতীয় সংস্কৃতিয়ে নিজৰ বুকুত সামৰি লৈছে অন্য বিভিন্ন দেশৰ, বিভিন্ন প্ৰান্তৰ, বিভিন্নজনৰ বৈচিত্ৰ্যময় সংস্কৃতি। এসময়ত হিন্দু ধৰ্মৰ ব্ৰাহ্মণ্যবাদক প্ৰত্যাহ্বান জনাই জন্মলাভ কৰা বৌদ্ধ ধৰ্মৰ জনক বুদ্ধদেৱকো পৰৱৰ্তী দিনবোৰত স্থান দিয়া হৈছে হিন্দুধৰ্মৰ মাজত, বিষ্ণুৰ অৱতাৰৰূপে। আনকি মূৰ্তিপূজাৰ বিৰোধী বুদ্ধদেৱৰ মূৰ্তিৰো পূজা চলা প্ৰথাৰ সৃষ্টি হৈছে। কোনেও তাৰবাবে কোনো আপত্তি কৰা নাই; কোনো কাৰো বিদ্বেষৰ সন্মুখীন হোৱা নাই। শক, হুন আদি কত জাতি-জনগোষ্ঠী যুগ যুগ ধৰি আহিছে ভাৰতবৰ্ষলৈ, কেতিয়াবা আক্ৰমণকাৰীৰূপে, কেতিয়াবা ভাগ্য অন্বেষণকাৰীৰূপে। সকলোৰে সংস্কৃতিৰ নদী মিলি গৈছে ভাৰতীয় সংস্কৃতিৰ মহাসমুদ্ৰৰ বুকুত। অসমতো বৃহত্তৰ অসমীয়া জাতি গঠন প্ৰক্ৰিয়াৰ মূল হোতা আহোমসকলে গ্ৰহণ কৰিছিল ইয়াৰে থলুৱা সংস্কৃতি। এনে এক প্ৰেক্ষাপটতে এতিয়া বৰদিনো সকলোৰে উৎসৱ হ'বলৈ আৰম্ভ কৰিছে। আৰম্ভ কৰিছে ধৰ্মীয় উৎসৱৰ সলনি বিশাল ভাৰতীয় সংস্কৃতিৰ অংগস্বৰূপে এক সাংস্কৃতিক উৎসৱ হ'বলৈ। আজি অনা-খ্ৰীষ্টিয়ান বন্ধু একোগৰাকীয়েও যেতিয়া ২৪ ডিচেম্বৰৰ সন্ধিয়া বা পঁচিশ ডিচেম্বৰৰ পুৱা আমাক বৰদিনৰ শুভেচ্ছা জনায়, মেৰী খ্ৰীষ্টমাছ বুলি কয়, তেতিয়া আমি আচৰিত নহওঁ। ভাবো হয়তো এয়াই ভাৰতীয় সংস্কৃতিৰ শক্তি; হয়তো এই সাংস্কৃতিক সমন্বয়ৰ ওপৰতে বৰ্তি আছে ভাৰতবৰ্ষৰ মূল ভেটি।

# সময়ৰ স'তে খোজ দিয়া এজন লোক

এগৰাকী সহজ-সৰল ব্যক্তি। উচ্চ শিক্ষিত। গুণী-জ্ঞানী লোক। তথাপি নাই অহংকাৰ। সকলোৰে লগত সমানে মিলিব পাৰে। ঘৰখনত কেৱল পঢ়া-শুনাক লৈ ব্যস্ত এটি পৰিবেশ। তাৰ মাজত সাহিত্য চৰ্চা। সমান্তৰালভাৱে সমাজ সেৱা। কোনো ক্ষেত্ৰতেই দুৰ্বল নহয়। অৰ্থনীতি বিজ্ঞানৰ অধ্যাপক হৈয়ো অনুবাদ সাহিত্যৰ বাবে লাভ কৰিছে সাহিত্য অকাডেমী। অসমীয়া সাহিত্যলৈ কে'বাখনো গুৰুত্বপূৰ্ণ গ্ৰন্থ ৰচনাৰে অৱদান আগ বঢ়াই যোৱা বৃক্তিগৰাকীয়েই হ'ল যতীন্দ্ৰ কুমাৰ বৰগোহাঞি। এইগৰাকী সাহিত্যসেৱক, শিক্ষাবিদৰ মৃত্যুৰ লগে লগে অসমৰ অপূৰণীয় ক্ষতি হ'ল। মৃত্যুৰ কিছুদিন আগলৈকে স্বাভাৱিকভাৱে কাৰ্য সম্পাদন কৰা বিৰল প্ৰতিভাৰ ব্যক্তিগৰাকীৰ প্ৰতিটো ক্ষেত্ৰই আছিল এক ব্যতিক্ৰমী বিষয়। নিয়মানুৱৰ্তিতাৰ মাজেৰে এখোজ এখোজকৈ উন্নতিৰ জখলাত বগোৱা ব্যক্তিসকলৰ তালিকাত অন্তৰ্ভুক্ত হ'ব যতীন্দ্ৰ কুমাৰ বৰগোহাঞি।

জন্মতে কোনো ব্যাক্তিয়েই সকলো গুণৰ অধিকাৰী হৈ নাহে। জন্মৰ পাছতহে এনে গুণ অৰ্জন কৰে। যতীন্দ্ৰ কুমাৰ বৰগোহাঞিৰ ক্ষেত্ৰতো এনে এখন ছবি দেখিবলৈ পোৱা যায়। তেওঁৰ লেখাসমূহত সদায় সমাজৰ দুৰ্বল শ্ৰেণীসমূহৰ হকে স্থিতি গ্ৰহণ কৰা দেখা যায়। কেনেদৰে সমাজত শান্তি প্ৰতিষ্ঠাৰে এখোজ আগুৱাই যাব পাৰি সেই চিন্তা-চৰ্চাই প্ৰকাশ পাইছিল লেখাসমূহত। যিবোৰ কথাত সাধাৰণতে গুৰুত্ব প্ৰদান কৰিছিল, সেইবোৰৰ প্ৰতিটো শব্দই আছিল ৰাইজৰ পক্ষত এৰি দিয়া এপাট শৰ।

সাংবাদিক, সাহিত্যিক, অৰ্থনীতি, বুদ্ধিজীৱী সকলোবোৰৰ সমষ্টিয়ে হ'ল যতীন্দ্ৰ কুমাৰ বৰগোহাঞি। এগৰাকী লোকৰ ইমান গুণ থকাৰ পাছতো এটা সাধাৰণ জীৱন-যাপন কৰিছিল বৰগোহাঞিয়ে। ১৯৫০ চনৰ ৮ ছেপ্টেম্বৰত জখলাবন্ধাত জন্মগ্ৰহণ কৰা বৰগোহাঞিয়ে কলিয়াবৰৰ পৰাই হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হয়। বৰগোহাঞিয়ে কটন কলেজৰ পৰা স্নাতক, ১৯৭১ত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা অৰ্থনীতিত স্নাতকোত্তৰ সন্মান লাভ কৰে। এই বিষয়ত সৰ্বাধিক নম্বৰ লাভ কৰাৰ বাবে প্ৰতিভা দেৱী বঁটা লাভ কৰিছিল। ১৯৭৬ত যোৰহাটৰ জে বি মহাবিদ্যালয়ত অৰ্থনীতিৰ সহযোগী অধ্যাপকৰূপে জীৱনৰ পাতনি মেলে। ১৯৯০ চনৰ জানুৱাৰীত 'দৈনিক জন্মভূমি'ৰ সম্পাদকৰ দায়িত্ব গ্ৰহণ কৰে। অৱশ্যে সেই বৰ্ষৰে ডিচেম্বৰ পৰ্যন্ত দায়িত্ব চম্ভালি পুনৰ জে বি মহাবিদ্যালয়লৈ অধ্যাপনাৰ বাবে উভতি যায়। চাকৰি ইস্তফা দি বৰগোহাঞিয়ে 'নতুন দৈনিক'ৰ সম্পাদকৰ দায়িত্ব গ্ৰহণ কৰে। ২০০৯ত দেৱীপ্ৰসাদ চট্টোপাধ্যায়ৰ 'লোকায়ত দৰ্শন'ৰ অসমীয়া অনুবাদ বাবে বৰগোহাঞিয়ে সাহিত্য অকাডেমীৰ অনুবাদ বঁটা লাভ কৰিছিল। বৰগোহাঞিয়ে মুঠ ৪৫খন গ্ৰন্থ ৰচনা কৰিছে। এইবোৰ হ'ল অসমীয়া সাহিত্যৰ অমূল্য সম্পদ।

বৰগোহাঞিৰ প্ৰকাশিত সকলোবোৰ গ্ৰন্থ পাঠকে আদৰি লৈছে। তাৰ মাজতো তেওঁৰ বিভিন্ন কাকত-আলোচনী আদিত অৰ্থনীতি সম্পৰ্কীয় যিবোৰ প্ৰবন্ধ প্ৰকাশ পাইছিল সেইবোৰৰ বিশ্লেষণত আছিল এক স্বকীয় বৈশিষ্ট্য। বিশেষকৈ বাজেট সম্পৰ্কীয় যিবোৰ বিশ্লেষণ আগ বঢ়াইছিল সেইবোৰ অতি উচ্চমানৰ। বাজেটৰ একো একোটা বিষয় পুংখানুপুংখভাৱে বিশ্লেষণ

আগবঢ়াইছিল। নিৰস অৰ্থনীতিৰ বিষয় কেনেদৰে পাঠকৰ বাবে মনোগ্ৰাহীকৈ লিখিব লাগে সেয়া ভালদৰে জানিছিল। উপলব্ধি কৰিব পাৰিছিল জনসাধাৰণৰ মনোভাব। তেওঁৰ এনে তত্ত্বগধুৰ প্ৰবন্ধসমূহ কেৱল বাজেটৰ বিশ্লেষণ বুলি ক'লে ভুল হ'ব। এইবোৰ কিতাপৰ আকাৰত প্ৰকাশ কৰি উলিয়ালে ইয়াৰ গুৰুত্ব আৰু বৃদ্ধি পালেহেঁতেন।

বৰগোহাঞিৰ ব্যক্তিত্বৰ আটাইতকৈ উল্লেখনীয় দিশ হ'ল তেওঁ কোনোদিনে কাৰোৰেপৰা প্ৰশংসা বিচৰা নাছিল। প্ৰশংসাৰ বাবে কাম কৰা নাছিল। আনে প্ৰশংসা কৰিলে ইতস্ততঃবোধহে কৰিছিল। নিজৰ স্থিতিত অটল আছিল বৰগোহাঞি। আনে কি কয় তাৰ্লৈ ভ্ৰূক্ষেপ নকৰি নিজৰ কাম সম্পাদন কৰিছিল। নিয়মানুৱৰ্তিতা তেওঁৰ সাফল্যৰ অন্যতম অস্ত্ৰ। সময়ৰ কাম সময়ত কৰাৰ ওপৰত সদায় গুৰুত্ব প্ৰদান কৰিছিল। সভা-সমিতি আদিলৈ নিমন্ত্ৰণ কৰিলে প্ৰথমতে সময়মতে সভা অনুষ্ঠিত হ'ব নে নহয় সেইটো কথা সুধিছিল। সময়ত সভাৰ কাম অনুষ্ঠিত নহ'লে উদ্যোক্তাক টান কথাও শুনাইছিল। কিন্তু কোনোৰে খং কৰা নাছিল। কাৰণ বৰগোহাঞিৰ বাবে 'সময়' অমূল্য সম্পদ। সেইবাবে তেওঁ সময়ৰ গতিৰ স'তে খাজ মিলাবলৈ সক্ষম হৈছিল।

# সাফল্য-ব্যৰ্থতাৰ দোমোজাত ভাৰতীয় গণতন্ত্ৰ

প্ৰত্যেক বছৰেই ২৬ জানুৱাৰী আহিলে, বা ২৬ জানুৱাৰীৰ আগে-পিছে এটাই প্ৰশ্ন মুখ্যভাৱে উত্থাপিত হয়, কিমান সফল হৈছে ভাৰতীয় গণতন্ত্ৰ? আমি সঁচাকৈয়ে গণতন্ত্ৰ উপভোগ কৰিব পাৰিছোনে? ভাৰতীয় নাগৰিকসকলে প্ৰকৃতাৰ্থত সকলো গণতান্ত্ৰিক অধিকাৰ সৰ্বাত্মকভাৱে লাভ কৰিছেনে? এনেবোৰ প্ৰশ্নৰ উত্তৰ-প্ৰত্যুত্তৰে প্ৰতিবছৰেই এলানি দীঘলীয়া বিতৰ্কৰ ৰূপ লয়। সপক্ষে-বিপক্ষে বিভিন্ন যুক্তি-তৰ্ক চলে। স্পষ্ট উত্তৰ পিছে ওলাই নাহে। আমাৰ দৃষ্টিত এনেবোৰ প্ৰশ্নৰ উত্তৰ বিচৰা কথাটোও অবান্তৰ। কাৰণ গণতন্ত্ৰৰ সফলতা-বিফলতা এক তুলনামূলক বিষয়। কি হ'লে আমি গণতন্ত্ৰ সফল হোৱা বুলি ক'ম তাৰ কোনো নিৰ্দিষ্ট সংজ্ঞা নাই। কিহক গণতন্ত্ৰৰ ব্যৰ্থতা বুলি ক'ম তাৰো কোনো সুনিৰ্দিষ্ট সংজ্ঞা নাই। তদুপৰি গণতন্ত্ৰ সদায় এক উৎপৰিৱৰ্তনৰ বিষয়। গণতন্ত্ৰৰ এয়াই শেষ বা সৰ্বোচ্চ বা সৰ্বোত্তম স্তৰ বুলি কোনেও এটা বিশেষ অৱস্থা দেখুৱাই দিব নোৱাৰে। বিশ্বৰ

বিভিন্ন সফল গণতন্ত্ৰৰ মাজতো অৱস্থাৰ পাৰ্থক্য আছে। পাৰ্থক্য আছে সেইবোৰ দেশৰ নাগৰিকসকলৰ সামগ্ৰিক অৱস্থাৰ মাজত। বাস্তৱিকতে সকলো দেশৰ সকলো গণতন্ত্ৰই সফলতা-বিফলতাৰ সমাহাৰ।

ভাৰতবৰ্ষও তাৰ ব্যতিক্ৰম নহয়। আমাৰ দেশত গণতন্ত্ৰ প্ৰতিষ্ঠাৰ ছয় দশকৰো অধিক কাল হৈ গ'ল। এতিয়াও কিন্তু দেশখন সম্পূৰ্ণভাৱে বিকশিত হৈ নুঠিল। কল্যাণকামী গণতান্ত্ৰিক ৰাষ্ট্ৰ ভাৰতবৰ্ষত গণতন্ত্ৰ প্ৰতিষ্ঠাৰ ছয় দশকৰো অধিক কালৰ পিছত আজিও কোটি কোটি মানুহ দৰিদ্ৰতা, অশিক্ষা আৰু কু-শিক্ষাৰ কবলত পোত খাই থাকিব লগা হোৱাতো নিঃসন্দেহে দুৰ্ভাগ্যজনক। তেনেদৰে দুৰ্ভাগ্যজনক নিৰীহ নাগৰিক একোজনেও নিজ দেশৰেই পুলিচ-মিলিটাৰীক আজিও ভয় কৰি চলিবলগীয়া পৰিৱেশ এটা বৰ্তি থকাটো। আজি ভাৰতবৰ্ষত ক্ৰমাৎ দৃষ্টিকটু হৈ উঠা জাতিভিত্তিক আৰু ধৰ্মীয় স্পৰ্শকাতৰতাও সুস্থ গণতান্ত্ৰিক প্ৰমূল্যৰ পৰিপন্থী। ঠিক সেইদৰে ভাৰতবৰ্ষৰ ন্যায়ব্যৱস্থাৰ দীৰ্ঘসূত্ৰিতায়ো দেশখনত গণতন্ত্ৰ বহু পৰিমাণে ব্যৰ্থ কৰি তুলিছে। ন্যায়প্ৰাপ্তিৰ অধিকাৰ গণতান্ত্ৰিক দেশ একোখনত নাগৰিকৰ অন্যতম মুখ্য অধিকাৰ। ভাৰতীয় সংবিধানেও এই দেশৰ নাগৰিকসকলক বৈষম্যহীনভাৱে ন্যায়প্ৰাপ্তিৰ অধিকাৰ প্ৰদান কৰিছে। কিন্তু দেশখনৰ ন্যায়ব্যৱস্থাৰ দীৰ্ঘসূত্ৰিতাৰ বাবে সমগ্ৰ ন্যায়িকব্যৱস্থাত যি বিলম্ব ঘটে, সেই বিলম্বই ন্যায়ৰ অধিকাৰৰ পৰাই নাগৰিকসকলক বঞ্চিত কৰে। কাৰ্যতঃ গণতন্ত্ৰৰ চাৰিটা স্তম্ভ— কাৰ্যপালিকা, ন্যায়পালিকা, বিধানমণ্ডল আৰু সংবাদ মাধ্যমৰ ভিতৰত এইপৰ্যন্ত ভাৰতবৰ্ষত সংবাদ মাধ্যমেহে পূৰ্ণতা লাভ কৰা যেন পৰিলক্ষিত হয়। গণতন্ত্ৰৰ বাকী তিনিটা স্তম্ভৰ আৰু বহু বিকাশৰ প্ৰয়োজনীয়তা আছে। কিন্তু ইমানখিনিৰ পিছতো যদি আমি তুলনামূলক এক দৃষ্টিপাত কৰোঁ, তেনেহ'লে ভাৰতীয় গণতন্ত্ৰক বহু পৰিমাণে সফল হোৱা বুলিয়েই ক'ব লাগিব।

দ্বিতীয় বিশ্বযুদ্ধৰ পৰৱৰ্তী দিনবোৰত এছিয়া আৰু আফ্ৰিকাৰ বহু দেশেই ইউৰোপীয় ঔপনিৱেশিক শক্তিবোৰৰ হাতৰপৰা স্বাধীনতা লাভ কৰিছিল। গঠন হৈছিল একাধিক নতুন ৰাষ্ট্ৰ। তেনে ৰাষ্ট্ৰসমূহৰ প্ৰায়সংখ্যকেই ৰাষ্ট্ৰ শাসনৰ পদ্ধতি হিচাপে গণতন্ত্ৰকেই গ্ৰহণ কৰিছিল। কিন্তু সেই ৰাষ্ট্ৰসমূহৰ অধিকাংশতেই গণতন্ত্ৰ বৰ্তি নাথাকিল। বৰ্তি নাথাকিল প্ৰশাসনীয় সুস্থিৰতা।

কোনোবাখন দেশত সামৰিক অভ্যুত্থান ঘটিল, কোনোবাখন দেশ সোমাই গঅল অন্তহীন গৃহযুদ্ধৰ মাজলৈ, আকৌ কোনোবাখন দেশত ধৰ্মীয় মৌলবাদীসকলে ক্ষমতাত অধিষ্ঠিত হৈ দেশখনত ধৰ্মীয় শাসনৰ সূত্ৰপাত ঘটালে। ইয়াৰ বিপৰীতে কিন্তু এটাৰ পিছত এটাকৈ সাধাৰণ নিৰ্বাচন বিশাল আয়োজনেৰে সম্পন্ন কৰি ভাৰতবৰ্ষই বিশ্বক চমকৃত কৰি আহিছে। ভাৰতীয় গণতন্ত্ৰৰ বহু দোষ-দুৰ্বলতাৰ মাজতো আজি ভাৰতবাসীৰ বাবে সান্ত্বনাৰ কথা এয়ে যে ভাৰতখন অন্ততঃ পাকিস্তান, আফগানিস্তান বা বাংলাদেশ হৈ যোৱা নাই। হৈ যোৱা নাই শ্ৰীলংকা বা ম্যানমাৰো। হয়তো এয়াই ভাৰতীয় গণতন্ত্ৰৰো সফলতা। পিছে এয়া সন্তুষ্টিৰ কাৰক হোৱা উচিত নহয়। শাসক আৰু শাসিত উভয় পক্ষই প্ৰচেষ্টা চলাব লাগিব এই দেশৰ গণতান্ত্ৰিক ব্যৱস্থাক আৰু অধিক জনমুখী কৰি তুলিবলৈ। আমি গৰ্বৰে সৈতে মনত ৰাখিব লাগিব যে গণতান্ত্ৰিক প্ৰমূল্য বিশ্বৰ প্ৰতি ভাৰতবৰ্ষৰেই অৱদান।

# গান্ধীৰ প্ৰাসংগিকতা

ভাৰতৰ ৰাজনীতি আৰু সমাজ-জীৱনত মহাত্মা গান্ধী এক অবিস্মৰণীয় নাম। এগৰাকী ৰাজনীতিক তথা ৰাজহুৱা কৰ্মী ৰাষ্ট্ৰনেতা আৰু জাতিৰ পিতাৰূপে এনেদৰে ভগৱানৰ দৰে পূজিত বা বন্দিত হোৱাৰ উদাহৰণ আধুনিক ভাৰতবৰ্ষৰ ইতিহাসততো নায়েই, সমগ্ৰ বিশ্বৰ ইতিহাসত আছে নে নাই সেয়াও সন্দেহৰ বিষয়। অথচ সেইজন মহাত্মা গান্ধীকে পিষ্টলেৰে গুলীয়াই হত্যা কৰা হৈছিল। হত্যা কৰিছিল এজন ভাৰতীয়ই; যিজন ভাৰতীয়ৰ লগত এই ঘটনাত সহযোগী হিচাপে আছিল আৰু একাধিক ভাৰতীয়। অৰ্থাৎ পূজা বা শ্ৰদ্ধা আৰু ঘৃণা, সমান্তৰালভাৱে লাভ কৰিছিল মহাত্মা গান্ধীয়ে। কাৰ্যতঃ এয়া গান্ধীৰ জীৱনৰ প্ৰধানতম ট্ৰেজেদী। অৱশ্যে সুখৰ বিষয় যে গান্ধী হত্যাৰ পৰৱৰ্তী দিনবোৰত গান্ধীৰ আদৰ্শ, কথা আৰু কামেহে সমাজত গুৰুত্ব লাভ কৰিলে— গান্ধী হত্যাকাৰীসকলৰ আদৰ্শ, কথা আৰু কামে নহয়। কিন্তু দুখৰ বিষয় যে দিন যোৱাৰ লগে লগে সমাজত লাভ কৰা গান্ধীৰ আদৰ্শ, কথা আৰু কামৰ গুৰুত্ব লাহে লাহে কমি যাব ধৰিছে। গান্ধীৰ মৃত্যু দিৱস আৰু জন্মদিৱস চৰকাৰী-বেচৰকাৰী স্তৰত উদ্‌যাপনতেই যেন গান্ধীৰ প্ৰতি আমাৰ কৰ্তব্যৰ ওৰ পৰে আজিকালি। আনকি গান্ধীৰ আদৰ্শৰ

প্ৰাসংগিকতালৈও সম্প্ৰতি প্ৰশ্ন উত্থাপন কৰা হয়, পিচে সঁচাকৈয়ে গান্ধীৰ নীতি-আদৰ্শ আৰু কথা-কামৰ প্ৰাসংগিকতা নোহোৱা হৈ গ'ল নেকি? আজি মহাত্মা গান্ধী সঁচাকৈয়ে outdated হৈ গ'ল নেকি? নাই হোৱা। বৰঞ্চ আজিৰ এই ভয়াৱহ যুগটোত বিভিন্ন ক্ষেত্ৰত গান্ধীৰ প্ৰাসংগিকতা বৃদ্ধিহে পাইছে।

মহাত্মা গান্ধী আছিল ভাৰতৰ স্বাধীনতা আন্দোলনৰ অবিসম্বাদী নেতা। জনতাৰ ক্ষোভক তেওঁ ৰাজপথলৈ উলিয়াই আনিছিল। কিন্তু ৰাজপথৰ আন্দোলনৰ লগত তেওঁ সংযুক্ত কৰিছিল বিভিন্ন অৰ্থনৈতিক কাৰ্যক্ৰম। যঁতৰতো তেওঁ বিল্লৱৰ পাতনি মেলিছিল। কাৰ্যতঃ এয়াই আছিল তেওঁৰ প্ৰকৃত বিপ্লৱ আৰু এই বিপ্লৱৰ প্ৰাসংগিকতাহে আজিৰ ভাৰত বা আজিৰ অসমত সৰ্বাধিক। আজিও অসম বা ভাৰতত বহু আন্দোলন চলে বা চলি আছে। কিন্তু এনেবোৰ আন্দোলনৰ লগত অৰ্থনৈতিক কাৰ্যক্ৰম সংযোজিত হোৱা দেখা নাযায়।

মানুহৰ মুক্তিক লৈও মহাত্মা গান্ধীৰ চিন্তা আছিল সুকীয়া তথা সময়তকৈ আগ বঢ়া। তেওঁ বুজিছিল যে অকল ৰাজনৈতিক স্বাধীনতাই ভাৰতবাসীৰ মুক্তি সম্ভৱ বা সুনিশ্চিত কৰিব নোৱাৰে, ইয়াৰ লগত লাগিব সামাজিক স্বাধীনতাও। সেয়ে অকল ইংৰাজমুক্ত ভাৰত এখনেই তেওঁৰ কাম্য নাছিল; লগতে তেওঁৰ কাম্য আছিল অস্পৃশ্যতামুক্ত, ধৰ্মান্ধতামুক্ত, জাতিবিভেদমুক্ত ভাৰত এখনো। তাৰ বাবে স্বাধীনতা আন্দোলনৰ বিভিন্ন কাৰ্যসূচীও গ্ৰহণ কৰিছিল। ইংৰাজে ভাৰত এৰা আৰু অস্পৃশ্যতাই ভাৰত এৰা তেওঁৰ বাবে আছিল সমানেই গুৰুত্বপূৰ্ণ কথা। মদ আৰু কানিক ভাৰতৰ পৰা খেদি পঠিয়াবলৈকো তেওঁ আছিল সচেষ্ট। আজি যদি মহাত্মা গান্ধী জীয়াই থাকিলহেঁতেন, তেনেহ'লে হয়তো এখন বেলেগ ৰূপৰ ভাৰতীয় সমাজ আমি দেখিবলৈ পালোহেঁতেন।

স্থানীয় স্বায়ত্ত শাসন, স্থানীয় উন্নয়ন আৰু গ্ৰামীণ স্বাৱলম্বনৰ অবিস্মৰণীয় অৱধাৰণা দাঙি ধৰিছিল মহাত্মা গান্ধীয়ে। নিজে দাঙি ধৰিছিল শৌচাগাৰ পৰিষ্কাৰ কৰাৰ অভিনৱ উদাহৰণ। কাৰ্যতঃ মহাত্মা গান্ধী আছিল এজন প্ৰকৃত বিপ্লৱী, এজন সম্পূৰ্ণ বিপ্লৱী। তেওঁৰ বিপ্লৱ আছিল প্ৰকৃত অৰ্থত মানুহৰ মুক্তিৰ বিপ্লৱ। তেনে এক বিপ্লৱ আমাক এতিয়াও লাগে আৰু এয়াই আজিৰ যুগত মহাত্মা গান্ধীৰো প্ৰাসংগিকতা।

# বিহুক ফেছনলৈ পৰ্যবসিত নকৰিব

ৰঙালী বিহু অসমীয়া জাতিৰ আয়ুসৰেখা। এই আয়ুসৰেখাডাল কোনোৱে মচিব নোৱাৰে। প্ৰতিগৰাকী অসমীয়াই ৰঙালী বিহুক লৈ গৌৰৱবোধ কৰে। ইতিহাসে ঢুকি নোপোৱা দিনৰে পৰাই চলি আহিছে এই উৎসৱটো। সেয়েহে ইয়াক বাদ দি কোনোৱে অসমীয়া জাতিৰ পৰিচয় দিব নোৱাৰে। সেয়েহে এই উৎসৱৰ তাৎপৰ্য সম্পৰ্কে পিতৃ-মাতৃয়ে সন্তানক শিকিবলৈ দিব লাগে। আমি পশ্চিমীয়া সংস্কৃতি যিমানেই গ্ৰহণ নকৰো কিয়— আমাৰ পৰম্পৰাক কেতিয়াও বাদ দিব নালাগে। এনে পৰম্পৰাক গুৰুত্ব নিদিয়া মানে আমি নিজকে পাহৰি যোৱাৰ দৰে হ'ব। ভৰিৰ তলৰ মাটিখিনি হেৰুৱালে যিদৰে কোনো এজন লোক অঘৰী হৈ পৰে তেনেদৰে কোনোবাই যদি জাতি এটা স্বকীয় বৈশিষ্ট্য আমাৰ আগত দাঙি ধৰিব নোৱাৰে তেনেহ'লে তেওঁ কেতিয়াও সুখী হ'ব নোৱাৰে।

বৰ্তমান নৱপ্ৰজন্মই বিহু আদি উৎসৱৰ সময়ত ৰঙালী বিহুটিক উপভোগ কৰাতকৈ ইয়াৰ নামত বিজতৰীয়া সংস্কৃতিক আঁকোৱালি লোৱাহে পৰিলক্ষিত হৈছে। ইয়াৰ বাবে সকলোৱে সমাজব্যৱস্থাক দায়ী কৰিব খোজে। কাৰণ সমাজব্যৱস্থাক দায়ী কৰিলে ইয়াৰ দোষ নিজৰ ওপৰত নপৰে বুলি ভাবে।

কিন্তু ওপৰলৈ থুৰালে নিজৰ গাত পৰে। প্ৰতিটো উৎসৱৰে একোটা মূল্য থাকে। এই মূল্য অৰ্থৰে জুখিব নোৱাৰি। দৰাচলতে উৎসৱ-পাৰ্বণসমূহে এজন লোকক আন এজনৰ স'তে ওচৰ চপাত সহায় কৰে। জাতি-ভেদ, উচ্চ-নীচ সকলোবোৰ পাহৰি এখন মুক্ত ক্ষেত্ৰত সকলো মিলিত হয়। পৰস্পৰক বুজি পোৱাত সহায় কৰে। তেতিয়া সামাজিক বান্ধোনো সুদৃঢ় হয়। সংস্কৃতিৰ বৰচোলাত উৰে শান্তিৰ কপৌ।

পশ্চিমীয়া সংস্কৃতিৰ স'তে আমাৰ সংস্কৃতিৰ মাজত আকাশ-পাতাল পাৰ্থক্য। সংস্কৃতি আঁকোৱালি লোৱাতো সমীচীন নহ'ব।

আজিকালি বহুতো পৰিয়ালত ব'হাগ বিহুৰ সময়তো বিজতৰীয়া সংস্কৃতিৰ প্ৰতিফলন হোৱা দেখা যায়। তেনে পৰিয়ালসমূহত বিহুৰ সময়তো পশ্চিমীয়া গীতৰ পয়োভৰ হয়। দৰাচলতে, এনে পৰিৱেশে এটা পৰিয়ালক সমাজত ব্যতিক্ৰমী ৰূপত দাঙি ধৰিলেও তেওঁলোকৰ গ্ৰহণযোগ্যতাৰ ওপৰত কিন্তু সন্দেহ থাকি যায়। তেওঁলোকে হয়তো বুজি নাপায় যে সমাজৰ গৰিষ্ঠসংখ্যক লোকে যিটো কৰে তাৰ বিপৰীতে কৰিলে যে সেয়া সমাজৰ বাবে গ্ৰহণযোগ্য নহয়। কেৱল হাঁহিয়াতৰ পাত্ৰহে হ'ব। বিহুগীত শুনা, বিহু নচা অসমীয়াসকলৰ এক ব্যতিক্ৰমী চিনাকি ঢোলৰ ছেও শুনি নাচনীৰ মন বলিয়া হয়। নাচনীৰ ভৰিৰ গচকত ধৰিত্ৰী কম্পিত হয়। প্ৰকৃতিদেৱীয়ে ডেকা-গাভৰুৰ নাচোনত থৰ লাগি চাই থাকে। প্ৰকৃতিদেৱীও হেন্দোলিত হয়। গতিকে এনে এটি উৎসৱ সকলোৱে উলহ-মালহেৰে উদ্‌যাপন কৰা উচিত।

সাংস্কৃতিক বিনিময়ত সংস্কৃতিৰ পৰিসৰ বৃদ্ধি হয়। কিন্তু এনে বিনিময়ৰ সময়ত সকলোৱে স্বকীয়তা বজাই ৰাখিব লাগিব। অসমৰ বাপতি-সাহোন বিহুটি জীয়াই ৰাখিব লাগিব আমিয়েই। সেই কথা নৱপ্ৰজন্মক শিকোৱাৰ দিন আহি পৰিছে। কাৰণ পশ্চিমীয়া সংস্কৃতি অনুসৰণ কৰা যুৱক-যুৱতীসকলৰ বাবে বিহু এতিয়া ফেছনত পৰিণত হৈছে। বিহু প্ৰতিযোগিতাত অংশগ্ৰহণ কৰা বহুতো অংশগ্ৰহণকাৰীয়ে ক'ব নোৱাৰে বিহুৰ ঐতিহ্য, বিহু নচাৰ সময়ত কি কি থাকিব লাগে, সেই ন্যূনতম জ্ঞানাখিনিও নাই। সেয়েহে কেৱল বিহু প্ৰতিযোগিতাসমূহক ফেছন হিচাপে নলৈ ইয়াক অসমীয়া জাতিৰ আত্মাৰূপে গণ্য কৰিবলৈ সন্তানক শিকনি দিয়াৰ সময় আহি পৰিছে।

# নাটক-অভিনেতা-অভিনেত্ৰী ইত্যাদি

জীৱনৰ প্ৰতিটো মুহূৰ্ততে সংঘটিত হৈ থকা সৰু-বৰ কথাবোৰৰ সমষ্টিয়ে হ'ল নাটকৰ বিষয়বস্তু। বাস্তৱক নাটকীয় ৰূপ দিয়াৰ পাছতহে দুয়োটা ঘটনাৰ মাজত কিছুমান পাৰ্থক্য দেখা যায়। যিসকলে বাস্তৱৰ ঘটনাক নাটকৰ বিষয় হিচাপে লৈছে দৰাচলতে তেনে নাটকেই দৰ্শকৰ মন জয় কৰিব পাৰে। তদুপৰি নাটক এখন সফল হ'বলৈ হ'লে অভিনেতাসকলৰ অভিনয়ো নিখুঁত হ'ব লাগিব। নাটকৰ সংলাপৰ মাজত অভিনেতা বা অভিনেত্ৰীগৰাকী সোমাই গ'লেহে অভিনয় সজীৱ হ'ব। অভিনয়ক এক কলা হিচাপেই গণ্য কৰা হয়। ৬৪ কলাৰ ভিতৰত নাটক অন্যতম। নাটকত অভিনয় কৰাসকলক দুটা ভাগত ভাগ কৰা হৈছে— পেছাদাৰী আৰু অপেছাদাৰী। দুয়োটাৰ ক্ষেত্ৰত কেৱল অৰ্থৰ বিনিময়তহে পাৰ্থক্য পৰিলক্ষিত হয়। অভিনয় অভিনয়েই। পেছাদাৰী-অপেছাদাৰী বুলি ক'লেও অভিনয়ৰ ক্ষেত্ৰত বিশেষ পাৰ্থক্য নাথাকে। একাংশ লোকে নাটক কৰে অৰ্থ লাভৰ বাবে। তেওঁলোকৰ বাবে দুয়োটাই গুৰুত্বপূৰ্ণ। অভিনয়ৰ যোগেদি এগৰাকী অভিনেতা-অভিনেত্ৰী দৰ্শকৰ মনত সজীৱ হৈ থাকিব পাৰে। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে 'চিহ্নযাত্ৰা' ৰচনা কৰাৰ পাছৰে পৰাই দৰাচলতে অসমত নাটকৰ সূচনা হোৱা বুলি ক'ব পাৰি। সময়ৰ লগে লগে নাটকৰো পৰিবৰ্তন হ'বলৈ ধৰিলে। যাত্ৰাপাৰ্টী গুচি নাটক মঞ্চ পালেগৈ। নিশা ভিন্নৰঙী লাইটৰ পোহৰত অভিনেতাসকলে যেতিয়া নিজকে প্ৰতিষ্ঠা কৰাৰ সুযোগ লাভ কৰিলে তেতিয়া দৰ্শকৰ সোঁত ব'বলৈ ধৰিলে। সি যি নহওক, অভিনেতাসকলৰ প্ৰতিভা বিকাশৰ বাবে প্ৰয়োজন এখন উপযুক্ত

ক্ষেত্ৰ। সেয়েহে নাট সমাৰোহৰো গুৰুত্ব অপৰিসীম। এনেধৰণৰ সমাৰোহত দৰ্শকে একো একোজন অভিনেতা-অভিনেত্ৰী আৱিষ্কাৰ কৰে। তদুপৰি প্ৰতিযোগিতামূলক মনোভাবৰ বাবে অভিনয়ৰ লগতে দক্ষতাও প্ৰকাশ পায়।

আজিকালি নাট সমাৰোহ আদি আয়োজন কৰি ৰাজ্যখনৰ বিভিন্ন প্ৰান্তত লুকাই থকা সুপ্ত প্ৰতিভা বিকাশত সহায় কৰা হৈছে। বিশেষকৈ বিগত দুটা দশকৰ ভিতৰত এনেধৰণৰ পৰিবৰ্তন পৰিলক্ষিত হৈছে। বহুতো অভিনেতা-অভিনেত্ৰীয়ে ৰাষ্ট্ৰীয় পৰ্যায়লৈ যোৱাৰ ক্ষেত্ৰত এখোপ আগুৱাব পাৰিছে। বহুতে ৰাষ্ট্ৰীয় পৰ্যায়ত সুনামো কঢ়িয়াইছে। এই অভিনেতা-অভিনেত্ৰীসকলৰ দক্ষতা থকা সত্বেও কেতিয়াবা এখন উপযুক্ত ক্ষেত্ৰ নোপোৱা বাবে প্ৰতিভা বিকশিত নহয়। দৰাচলতে নাট সমাৰোহ আজিৰ সময়ত বিভিন্ন ঠাইৰ পৰা আহি অভিনেতা-অভিনেত্ৰীসকলে এঠাইত থূপ খালে বিভিন্নজনৰ দৃষ্টিত পৰে। বহুতো পৰিচালকে এই সময়ত দৃষ্টি ৰাখে নৱাগত অভিনেতা-অভিনেত্ৰীসকলৰ ওপৰত। গতিকে এই দৃষ্টিভংগীৰ পৰা বিশ্লেষণ কৰিলে দেখা যায় যে নাট সমাৰোহ আদিৰ গুৰুত্ব অপৰিসীম। সকলোৱে এইক্ষেত্ৰত সহায়ৰ হাত আগবঢ়োৱা উচিত। কাৰণ সমাজৰ প্ৰতিটো স্তৰৰ লোকসকলক বাদ দি এনেধৰণৰ সমাৰোহ সাফল্যমণ্ডিত কৰিব নোৱাৰি। অৱশ্যে সকলোৱে মনত ৰখা উচিত যে সমাৰোহখনিৰ পৰিবেশ সৌহাৰ্দ্যপূৰ্ণ হ'ব লাগিব। প্ৰতিযোগিতাৰ নামত অভিনেতা-অভিনেত্ৰীসকলে এটি অস্বাস্থ্যকৰ পৰিবেশ সৃষ্টি কৰিব নালাগে। তেনে কৰিলে হেৰুৱাব আত্মবিশ্বাস। উন্নতিৰ ক্ষেত্ৰত এখোপ আগুৱাবলৈ হ'লে সকলোৰে বাবে প্ৰয়োজন আত্মবিশ্বাসৰ। অভিনয়ৰ ক্ষেত্ৰখনতো দেখা যায় যে যিসকল অধিক আত্মবিশ্বাসী— তেওঁলোকে সাফল্যৰ শিখৰত উপনীত হ'বলৈ সক্ষম হৈছে। সকলোৱে বলীউড অথবা হলীউডত প্ৰৱেশ কৰিব নোৱাৰে। সেইবুলি তেওঁলোক বিকল অভিনেতা বা অভিনেত্ৰী নহয়। সমাজত তেওঁলোক প্ৰতিষ্ঠিত হোৱাটোৱে সমাজৰ বাবে ফলদায়ক। বহুক্ষেত্ৰত দেখা যায় কিছুমানে আৰম্ভণিৰে পৰাই নেতিবাচক মনোভাব গহণ কৰে। লক্ষ্য হ'ব লাগে সফলতা। যেতিয়া অভিনয় ক্ষেত্ৰখনত সফলতা আহিব তেতিয়ৰ পুৰস্কাৰ, বঁটা আদি আপোনা-আপুনি আহিব। এগৰাকী সফল অভিনেতা-অভিনেত্ৰীৰ পিচে পিচে বঁটা দিবলৈ আগ বাঢ়ি অহা লোকৰ অভাৱ নাই।

# বৰপেটাৰ দেউল

হোলী বা ফাকুৱা সমগ্ৰ ভাৰততে পালন কৰা হয়। ভাৰতৰ বিভিন্ন ৰাজ্যৰ লগতে অসমতো পালন কৰা হয়। অসমৰ বৰপেটা, বটদ্ৰৱা আদিত যিদৰে এই উৎসৱটো পালন কৰা হয় সেয়া দৃষ্টিনন্দন। ঋতুৰাজ বসন্তৰ আগমনৰ লগে লগে ৰঙীন হৈ পৰে বৰপেটা। বসন্তৰ সমান্তৰালভাৱে এই অঞ্চলটোৰ বাসিন্দাসকলৰ মন আনন্দৰে উপচি পৰে। মধু-মলয়াৰ পৰশত নাচি উঠে গছ-বিৰিখৰ কুঁহিপাত। দৌলোৎসৱৰ ইতিহাস মেলি চালে দেখা যায় যে এনে উৎসৱ পোনতে বৈকুণ্ঠতহে অনুষ্ঠিত হৈছিল। প্ৰভু শ্ৰীকৃষ্ণক দোলনত তুলি নৃত্য-গীত কৰি ছটিয়াই আনন্দ বিহাৰ কৰিছিল তেওঁৰ অনুগতসকলে। পাছত ব্ৰহ্মা, ইন্দ্ৰ, ৰুদ্ৰ আদিয়ে প্ৰাৰ্থনা কৰি দেৱলোকলৈ এই উৎসৱ অনা বুলি জনবিশ্বাস। মৰ্ত্যলৈ এই উৎসৱ আনিছিল নহুশ বংশৰ ৰজাসকলে। এই বংশৰ ৰজাসকলে মৰ্ত্যলৈ আনিবলৈ দেৱতাসকলৰ স'তে যুঁজ দিবলগীয়া হৈছিল। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে বৈকুণ্ঠৰ আৰ্হিত সত্ৰীয়া ৰীতি-নীতিৰে বৰদোৱা সত্ৰত দৌল উৎসৱৰ আয়োজন কৰিছিল। পৰৱৰ্তী সময়ৰ অসমৰ বিভিন্ন স্থানলৈ সম্প্ৰসাৰিত হয়। বৰপেটাতো ইয়াৰ প্ৰভাৱ পৰে। বৰপেটাত দৌলোৎসৱক দেউল বা দৌলযাত্ৰা বুলি কোৱা হয়। এই অঞ্চলটোত অনুষ্ঠিত দেউল কেতিয়াবা তিনিদিনীয়া, কেতিয়াবা চাৰিদিনীয়া আৰু কেতিয়াবা পাঁচদিনীয়াকৈ অনুষ্ঠিত হয়। দেউলৰ প্ৰথম দিনটোক কোৱা হয় 'গন্ধ যাত্ৰা' বুলি। এই দিনটোত ভক্তসকলে পথাৰৰ পৰা নল-খাগৰি আদিৰে সত্ৰৰ টুপৰ চোতালত মেজি সাজে। আবেলি দৌলগোবিন্দক সত্ৰৰ ভাঁজ ঘৰৰ পৰা পাছদুৱাৰেদি আৰু কলীয়া ঠাকুৰ গোসাঁইক ঘাই দুৱাৰেদি গায়ন-বায়নৰ স'তে

উলিওৱা হয়। তাৰ পাছত মঠৰ চোতালত দুয়ো গোসাঁইক দুখন বৰশৰাইত ৰখা হয়। ইয়াৰ লগে লগে আৰম্ভ হয় অধিবাস। মঠৰ চোতালত পশ্চিম দিশত থকা সংৰক্ষিত নাদটোৰ পানী আনি মহাপ্ৰভুক স্নান অৰ্চন কৰিব লাগে। এই সময়ত আঠটা গীত পৰিৱেশন কৰা হয়। এই যি আঠটা গীত পৰিৱেশন কৰা হয়, সেইকেইটা হ'ল— অহিৰ, ললিত, বসন্ত, মনসি, কামুদ মল্লাৰ, বৰাচী আৰু ভৈৰৱ ৰাগৰ গীত। সংক্ষেপতে ইয়াক কোৱা হয় 'অংগৰাগ', এই কাৰ্য সম্পাদনৰ পাছত গায়ন-বায়নে ঢুলীয়াৰ সংগত টুপৰ চোতালৰ মেজিটোৰ ওচৰলৈ আনে। তাৰ লগে লগে মেজিটোত অগ্নিসংযোগ কৰে। এই অগ্নিৰ চাৰিওফালে সাতপাক ঘূৰোৱা হয় মহাপ্ৰভুক। এনে কৰিলে গোসাঁই মাঘ পুউৰা বা মেজি পুউৰা বুলি কয়। এই সময়ছোৱা সকলোৰে বাবে মহাআনন্দৰ। কাৰণ এনে সময়ৰ লগে লগে চাৰিওফালে আতচবাজী প্ৰদৰ্শন কৰা হয়। বৰপেটাৰ এই আতচবাজীৰ বিশেষত্ব আছে। সচৰাচৰ থলুৱাভাৱে প্ৰস্তুত কৰা আতচবাজীহে প্ৰদৰ্শন কৰা হয়। উক্ত অনুষ্ঠানতে ফানুচ উৰুওৱা হয়। চৌদিশে হোলীৰ মহাৰোলে বৰপেটাক বৈকুণ্ঠলৈ পৰ্যবসিত কৰে। হোলীগীতত আছে এক সুকীয়া মাত্ৰা। ইয়াৰ পাছত মহাপ্ৰভুক যোগমোহন গৃহলৈ অনা হয়। দৌলগৃহৰ দক্ষিণফালে এটা বেৰ নোহোৱা গৃহলৈ আনি ৰখা হয়। ইয়াতেই নিশা মহাপ্ৰভুক দৌলত আৰোহণ কৰে। গন্ধযাত্ৰাৰ পাছদিনা ভৰদেউল। ভক্তগণে মহাপ্ৰভুক ফাকু ছটিয়াই আশীৰ্বাদ লাভ কৰে। মহাপ্ৰভু সভাঘৰত থকাকেইদিন যোগমোহন গৃহৰ সন্মুখত নিত্য-প্ৰসংগ কৰা হয়। সিদিনা পুৱা গীত-ভটিমা গোৱাৰ পাছত শৰাই আঠখন পাতি চাকি জ্বলোৱা হয়। আবেলি প্ৰদৰ্শন কৰা হয় বৰবুলিয়াৰ নৃত্য। দৌলৰ অন্তিম দিনটো ফাকুৱা বা সুঁৱেৰী বুলি কয়। দুপৰীয়া দৌলগোবিন্দ আৰু কলীয়া ঠাকুৰক পুনৰ মঠৰ চোতাললৈ উলিয়াই অনা হয়।

কেৱল অসমতে নহয়— উত্তৰ-পূৰ্বাঞ্চলতে বৰপেটাৰ দৌলৰ আছে এক সুকীয়া বৈশিষ্ট্য। সেইবাবে দূৰ-দূৰণিৰ পৰা বৰপেটালৈ মানুহৰ সোঁত বয় মহাপ্ৰভুৰ আশীৰ্বাদ ল'বলৈ। অতীতৰ পৰা পৰম্পৰাগতভাৱে চলি অহা অঞ্চলটোৰ উৎসৱৰ আজি আধুনিকতাৰ প্ৰভাৱ পৰা নাই। এই উৎসৱটোৰ বাবে অঞ্চলটোৰ সকলোৱে গৌৰৱবোধ কৰে। সেইবাবে সদায় স্বকীয়তা বজাই ৰখাত গুৰুত্ব দি আহিছে।

# আড্ডা

আড্ডা— সকলোৱে এই শব্দটোৰ প্ৰতি আকৰ্ষিত, কাৰণ ই প্ৰাত্যহিক জীৱনৰে অংগ। সাধাৰণতে এই শব্দটো বহুতে ঠেক অৰ্থত ব্যৱহাৰ কৰে। কিন্তু আড্ডাই যে সদায় নেতিবাচক চিন্তাৰহে সৃষ্টি কৰে তেনে নহয়, জীৱনৰ গতিপথ সলনি কৰাতো বিশেষ ভূমিকা গ্ৰহণ কৰে। পথভ্ৰষ্ট লোককো সঠিক পথৰ সন্ধান দিব পাৰে আড্ডাই। নিশা দুপৰলৈ মদ্যপান, হাই-উৰুমি কৰি সময় কটোৱাটোকেই আড্ডা বুলি নকয়। ছাত্ৰ-ছাত্ৰীৰ মাজত আড্ডা চলে। চাকৰিয়ালৰ মাজত বেলেগ আড্ডা। বেকাৰৰ আড্ডাই সুকীয়া। জ্যেষ্ঠসকলৰ আড্ডাই গহীন ৰূপ লয়। আড্ডা মানেই পাতল কথা পাতি সময় অতিবাহিত কৰাটোক নুসূচায়। দৰাচলতে ভ্ৰান্ত ধাৰণাৰ বশৱৰ্তী হৈ বহুতে আড্ডাত অংশগ্ৰহণৰ পৰা আঁতৰি থাকে। সকলো বস্তুতে দুটা দিশ সাঙোৰ খাই থাকে— ভাল আৰু বেয়া। এই দুয়োটাৰ ভিতৰত আপুনি বিষয়টোত কেনে দৃষ্টিভংগীৰে গ্ৰহণ কৰিছে সেয়াহে গুৰুত্বপূৰ্ণ বিষয়।

টিভি বেছি সময় চাই থাকিলে চকু বিষায়। সেইবুলি চছ্মা পিন্ধাসকলে টিভি নাচাব নেকি? গতিকে আড্ডাৰ আনন্দ লাভৰ পৰা আঁতৰি থকাতকৈ ইয়াক ইতিবাচক দৃষ্টিভংগীৰে বিশ্লেষণ কৰি গ্ৰহণ কৰাটোৱে সমীচীন হ'ব।

বহুতো পিতৃ-মাতৃয়ে সন্তানক আড্ডাত অংশগ্ৰহণৰ পৰা আঁতৰাই ৰাখে। আনকি কিছুমানে ধমকি বা ভীতি প্ৰদৰ্শন কৰিও এনে আনন্দ উপভোগৰ পৰা বিৰত ৰাখে। ফলত সেইসকল পৰৱৰ্তী সময়ত সমাজৰ আন লোকৰ সৈতে মিলা-মিছা কৰিবলৈ টান পায়। কিছুমানে আনৰ স'তে সহজ হ'ব নোৱাৰে। সেইবাবে একাকীত্বও গা কৰি উঠিব পাৰে। বহুতে একাকীত্বৰ পৰা হাত সাৰিবলৈ বন্ধু-বান্ধৱীৰ স'তে আড্ডাত মত্ত হয়। জীৱনৰ সুখ-দুখ, পোৱা-নোপোৱা, আশা-নিৰাশা, জীৱনৰ গতিপথ, মৰম-ভালপোৱা আদি সকলোবোৰেই স্থান পায় আড্ডাত।

সকলো কথাই মুকলিমূৰীয়াকৈ ক'ব পাৰি। বাস্তৱ জীৱনত এনে কিছু সমস্যাৰ সন্মুখীন হোৱা যায়— যিবোৰ আলোচনাৰ মাধ্যমেদিহে সমাধান কৰাটো সম্ভৱ। কিন্তু তেনেবোৰ বিষয় সাধাৰণতে পিতৃ-মাতৃ অথবা পৰিয়ালৰ আন সদস্যৰ লগত মুকলিকৈ আলোচনা কৰিব নোৱাৰে। এনেধৰণৰ সমস্যাৰ সৃষ্টি হ'লে সমাধানৰ ক্ষেত্ৰ হৈ পৰে আড্ডা। লগ-সমনীয়াই সমাধানসূত্ৰ উলিয়াব পাৰে। সেইবাবে সন্তানক কোনো কাৰণতে আড্ডাৰ পৰা বলপূৰ্বক আঁতৰাই ৰাখিবলৈ চেষ্টা কৰিব নালাগে। অথবা বাধা প্ৰদান নকৰাটোৱে মংগলজনক।

আড্ডাৰ ক্ষেত্ৰত বয়সৰ কোনো পৰিসীমা নাই। সাধাৰণতে আড্ডা জমে সমনীয়াৰ মাজত। যিসকলে জীৱনত এবাৰ হ'লেও আড্ডাত ভাগ লোৱা নাই, তেওঁ জীৱনটো সম্পূৰ্ণৰূপে উপভোগ কৰিব নোৱাৰে। আন একধৰণৰ আড্ডা হয় জ্যেষ্ঠ আৰু কনিষ্ঠৰ মাজত। সাধাৰণতে এনেধৰণৰ আড্ডাত সাম্প্ৰতিক ঘটনাৰাজিয়ে স্থান পায়। বিশেষকৈ ৰাজনীতি, ক্ৰীড়া আদিয়ে স্থান পোৱাত বিষয় গৌণ হৈ পৰে।

আড্ডা কেৱল পুৰুষৰ মাজতেই যে হয় তেনে নহয়, মহিলাৰ মাজতো সমানেই চলে। মহিলাসকলে আড্ডা মাৰিলে কোৱা হয় 'বিয়নি মেল'। দৰাচলতে বিয়নি মেল বুলি আন একো নাই। ই আড্ডাৰেই ৰূপান্তৰ। অৱশ্যে

বিয়নি মেলত পাতল কথাবোৰেহে স্থান লাভ কৰে। কলেজীয়া ছোৱালীবোৰৰ খুব প্ৰিয় শব্দ আড্ডা।

আড্ডাৰ কোনো নিৰ্দিষ্ট স্থান নাথাকে। ঘৰৰ পৰা আৰম্ভ কৰি স্কুল-কলেজৰ কেণ্টিন, ক্লাব, চ'ক, ৰাজহুৱা গৃহ, জিৰণি চ'ৰা, ৰেষ্টুৰেণ্ট, পাৰ্ক আদি হ'ল আড্ডাৰ প্ৰধান কেন্দ্ৰ। সাধাৰণতে ওচৰে-পাঁজৰে কম জনসমাগম থকা ঠাইতহে আড্ডা জমে। আড্ডাৰ কোনো নিৰ্দিষ্ট বিষয়বস্তু নাথাকে। ক'ৰ পৰা আৰম্ভ হৈ ক'ত শেষ হ'ব সেই সম্পৰ্কেও অনুমান কৰিব নোৱাৰি। কোনোবা এজনে কিবা এটা বিষয় উলিয়ালেই হ'ল, বাকীবোৰে সেই বিষয়টোক কেন্দ্ৰ কৰি আগুৱাই নিয়ে। চুইংগামৰ দৰে দীঘল হৈ গৈ থাকে। ইয়াৰ মাজতে কিছুমানে প্ৰতিবাদ কৰে। প্ৰতিবাদ কৰিলে আড্ডাত অংশ লোৱাসকলৰ স্বৰ উচ্চ হ'বলৈ ধৰে। এসময়ত কোনোৱে কাৰো কথা নুশুনা হয়। তথাপি সকলোৱে উপভোগ কৰে আড্ডাৰ আনন্দ।

# সাফল্যৰ মাপকাঠী

সাফল্যৰ বাবে সদায় কণ্টকময় পথেৰে খোজ দিবলগীয়া হয়। ভাগ্যৱান গৰাকীৰহে সেন্দূৰীয়া পথেদি আহে সাফল্য। যিসকলে কপালৰ ঘাম মাটিত পেলাই হাড়ভঙা পৰিশ্ৰম কৰে তেওঁলোক এদিন সফল হ'বই। এন্ধাৰৰ পাছত পোহৰ হোৱাৰ দৰে ব্যৰ্থতাৰ পাছত জীৱনলৈ সফলতা আহিবই। অৱশ্যে এই সফলতা জীৱনৰ কোনটো স্তৰত আহিব সেয়া কোনোৱে ভৱিষ্যদ্বাণী কৰিব নোৱাৰে। কাম কৰিলে ফলাফল পাবই। কাৰণ প্ৰতিটো কাৰ্যৰে একোটা প্ৰতিক্ৰিয়া থাকে। ভাল কাম কৰিলে ফলাফল ভাল আৰু বেয়া কামৰ পৰিণতি বিপজ্জনক। অৱশ্যে কিছুমানে জীৱনত সফলতা অহাৰ ক্ষেত্ৰত ভাগ্যক ধৰিয়াই থকাও দেখা যায়। এনে লোকে যিমান সফল হ'ব লাগিছিল বাস্তৱক্ষেত্ৰত সিমান সাফল্য অৰ্জনত ব্যৰ্থ হয়। সফলতা অৰ্জনৰ ক্ষেত্ৰত মনৰ দৃঢ়তায়ো বিশেষ ভূমিকা গ্ৰহণ কৰা দেখা যায়। সাধাৰণতে মানসিকভাৱে শক্তিশালী লোকসকলে জীৱনৰ অন্তিম ক্ষণলৈ সাফল্যৰ বাবে যুঁজ দিব পাৰে। সেয়েহে

কণ্টকময় পথো সময়ত সেন্দূৰীয়া আলি হৈ পৰে। প্ৰতিটো মুহূৰ্ততে জীৱনলৈ সফলতা আহিব বুলি ভাবি লৈ সকলো কাম কৰিব লাগে। তেতিয়া কামৰ সমান্তৰালভাৱে লাভ কৰে সাফল্য।

আমেৰিকাৰ প্ৰাক্তন ৰাষ্ট্ৰপতি আব্ৰাহাম লিংকনে জীৱনটোৰ আৰম্ভণি কৰিছিল শূন্যৰ পৰা। জীৱনৰ চল্লিশটা বসন্তই গৰকালৈকে প্ৰতিটো ক্ষেত্ৰতে কেৱল বিফলহে হৈছিল। পদে পদে উজুতি খায়ে তেওঁ ৰাষ্ট্ৰপতি পদত অধিষ্ঠিত হৈছিল। আজি সকলোৱে এইগৰাকী ব্যক্তিৰ আদৰ্শ গ্ৰহণ কৰিছে। ৰাজনৈতিক ক্ষেত্ৰত আব্ৰাহাম লিংকনৰ দৰে যুঁজাৰু মানসিকতাৰ লোক কমসংখ্যকহে দেখা যায়। গ্ৰীক সেনাপতি আলেকজেণ্ডাৰে বিশ্ব জয় কৰিবলৈ সক্ষম হৈছিল একমাত্ৰ মানসিকভাৱে শক্তিশালী হোৱা বাবে। এমুঠিমান সৈন্য লৈ গ্ৰীচৰ পৰা ঢাপলি মেলা আলেকজেণ্ডাৰে সাফল্যৰ বাবে কোনোদিনেই পিছলৈ উভতি চাবলগীয়া হোৱা নাছিল। এইবোৰ একো একোটা উদাহৰণহে মাথোঁ।

সাফল্যৰ মাপকাঠী কৰাটো কাৰো বাবে সহজ নহয়। কাৰণ কোনো এজনে যিখিনি লাভ কৰি নিজকে সফল হোৱা বুলি দাবী কৰিব বিচাৰে আন এজনে আকৌ সেই পৰিসীমাৰ মাজত আবদ্ধ হৈ থাকিব নোৱাৰে। সেইবাবে জীৱনৰ মূল্যায়ন সাফল্যৰ মাপকাঠীৰে কৰা অনুচিত। জীৱনত কিমান সাফল্য অৰ্জন কৰিছে সেয়া ভাবিলে পৰৱৰ্তী সময়ত বিভিন্ন সমস্যাই গা কৰি উঠে। কিমান কাম কৰিলে, কিমান সফল হোৱাৰ হিচাপ-নিকাচ কৰিলে বহুতৰে সাফল্যৰ গ্ৰাফডাল তললৈ ঢাল খায়। তেতিয়া মানসিকভাৱে দুৰ্বল হৈ পৰে। মনতে ভাবে ইমান কাম কৰিলো। অথচ সফলতা বুলিবলৈ মাত্ৰ এইখিনিহে পালো। যদিহে কষ্ট অনুপাতে সাফল্য কম হোৱা যেন অনুভৱ কৰে তেতিয়া হতাশ হৈ পৰে। হতাশগ্ৰস্ত লোকে জীৱনত আগুৱাব নোৱাৰে। প্ৰতিটো ক্ষেত্ৰতে পৰাজিত হ'ব বুলি ভাবে। নেতিবাচক চিন্তা-চৰ্চাৰ আৰম্ভ হয়। সেইবাবে জীৱনটো সাফল্যৰ মাপকাঠীৰে জোখাতকৈ কামেৰেহে জুখিব লাগে। ফলাফল আশা কৰি কাম কৰিলে কামৰ গুৰুত্বতকৈ সাফল্যৰ ওপৰতহে গুৰুত্ব দিয়া হ'ব। গুটি ৰুলে গজালি মেলে। সাৰ-পানী দি থাকিলে গজালিৰ পৰা এদিন প্ৰকাণ্ড গছ হ'বই। সেইবুলি গুটি ৰোৱাৰ পাছতে যদি কোনোবাই প্ৰকাণ্ড গছ

এডাল হ'ব বুলি ভাবে তেন্তে সেয়া জানো সমীচীন হ'ব? নিশ্চয় নহয়। কাম আৰু সাফল্যৰ ক্ষেত্ৰতো একেই ছবি এখন ফুটি উঠে। কাম কৰি থাকিলে এদিন ফল পাবই। কিন্তু এই ফলাফল কেতিয়া, কেনেকৈ আৰু কিমান হ'ব সেয়া কোনোৱে স্পষ্টকৈ ক'ব নোৱাৰে। সফল হ'লেই জীৱন সাৰ্থক হোৱা নুসূচায়। বাৰে বাৰে পৰাজিত লোকেও জীৱনটো উপভোগ কৰিব পাৰে। বিফল মানে নিঃশেষ নহয়। বৰং সাফল্যৰ দিশে এখোজ আগুৱাই যোৱাতহে পৰোক্ষভাৱে সহায় কৰে। যদি খাদ্য আহি আপোনা-আপুনি মুখত পৰিলেহেঁতেন তেনেহ'লে মানুহে খাদ্যৰ বাবে ইমান পৰিশ্ৰম নকৰিলেহেঁতেন। সেয়েহে সফলতা অৰ্জন মানেই জীৱনত কৰিবলগীয়া কামৰ অন্ত হোৱা নুসূচায়। সকলোৱে উপলব্ধি কৰিবলৈ চেষ্টা কৰক জীৱনৰ মূল্যবোধ।

# শৰতৰ সুৱাস

শৰৎ মানে শেৱালিৰ সুৱাস। নিয়ৰৰ টোপালে দূবৰিৰ পাতত যেতিয়া পুৱাৰ সূৰুযৰ হেঙুলী কিৰণত চিক্‌মিকাই উঠে তেতিয়াই সকলোৰে মনটো পুলকিত হয়।  দুৰ্গা দেৱীক আদৰিবলৈ সাজু হয়। চৌদিশে পূজাৰ বতৰ। দৰাচলতে শৰতৰ আগমনৰ লগে লগে কোনোবাই যদি সাজু হৈছে মৃণ্ময় প্ৰতিমা। নিৰ্মাণৰ বাবে, আন কোনোবাই প্ৰস্তুতি চলাইছে পূজাৰ বেদীত দেৱীক প্ৰতিষ্ঠা কৰিবলৈ। শৰতে কঢ়িয়াই আনে উৎসৱৰ বতৰা। কৃষকসকল এই সময়ত আজৰি হয়। শস্য-শ্যামলা পথাৰখনে হাঁহিবলৈ ধৰে। খেতিয়কসকলেও ঢাপলি মেলে শৰতৰ আনন্দ উপভোগ কৰিবলৈ। লাহে লাহে হ্ৰাস পাবলৈ ধৰে। শীতৰ আগমনৰো সংকেত দিয়ে। আকাশৰ শুকুলা মেঘে আহিনৰেই বতৰা কঢ়িয়ায়। আহিন মানেই শৰৎ। শৰতৰ পৰাই আৰম্ভ হয় লানি নিছিগা উৎসৱ-পাৰ্বণ।

শৰৎ এটি মাথোঁ ঋতু নহয়। শৰতক কেন্দ্ৰ কৰিয়েই ৰচিত হৈছে কত কাব্য। মহাকবি কালিদাসৰ প্ৰায়ভাগ বৰ্ণনাতে শৰতৰ বৰ্ণনা পোৱা যায়। এই সুৱাসে কবিসকলকো মহান কৰিছে। এই ঋতুৰ অনুভৱ কম শব্দৰে প্ৰকাশ কৰিব নোৱাৰি। কাৰণ ইয়াৰ পৰিসৰ অপৰিসীম।

সময়ৰ পৰিৱৰ্তনৰ লগে লগে দুৰ্গোৎসৱৰ আয়োজনতো পৰিৱৰ্তন হ'ল। এনে পৰিৱৰ্তন অস্বাভাৱিক বুলি ক'ব নোৱাৰি। কিয়নো, অনাদি-অনন্ত কালৰ পৰা সকলোবোৰ পৰিবৰ্তনৰ মাজেদিয়ে আগবাঢ়িছে। য'ত পৰিবৰ্তন নাই তাত গতি স্থবিৰ। অৱশ্যে বাহ্যিক ক্ষেত্ৰত পৰিবৰ্তন হ'লেও দেৱীৰ পূজা-

অৰ্চনাৰ কোনো পৰিবৰ্তন হোৱা নাই। পৰম্পৰাগতভাৱে দেৱীৰ বন্দনা কৰে ভক্তসকলে। চৌদিশে ভক্তৰ সংখ্যা বৃদ্ধি পাইছে। ভক্তৰ সংখ্যা বৃদ্ধি পোৱাৰ সমান্তৰালভাৱে পূজাৰ সংখ্যাও বৃদ্ধি হৈছে। মানুহে যিমানেই আধুনিকতাৰে ৰহণ নাসানক কিয়— ধৰ্মীয় দৃষ্টিভংগীৰ পৰা নিজকে সম্পূৰ্ণৰূপে আঁতৰাই নিবলৈ সক্ষম হোৱা নাই। কাৰণ শৰতে প্ৰত্যেকৰে মন মতলীয়া কৰে।

শৰতৰ পুৱা তলসৰা শেৱালিয়ে চোতালখন শুৱনি কৰে। মনত কেনে ভাব জাগি উঠে সেয়া শব্দৰে প্ৰকাশ কৰিব নোৱাৰি। শেৱালি ফুলপাহ দেখিলে বাটৰুৱায়ো এবাৰ হ'লেও চাই যায়। শেৱালি ফুলৰ ঔষধি গুণো আছে। সেইবাবে এইবিধ ফুল দেৱীৰ পূজাত ব্যৱহাৰ কৰাৰ উপৰি ইয়াক শুকুৱাই থৈ ব্যঞ্জন হিচাপেও গ্ৰহণ কৰে। শুশ্ৰুতৰচিত 'চৰিত সংহিতা'তো এনে ফুলৰ উপকাৰিতাৰ বিষয়ে সুন্দৰভাৱে বৰ্ণনা কৰিছে।

শৰতে প্ৰত্যেক লোককে একত্ৰিত হ'বলৈ সুযোগ দিয়ে। একে ঠাইত পূজাৰ বাবে মিলিত হ'লে মনৰ পৰা আঁতৰি যায় ভেদাভেদ। জাতি-ধৰ্ম-বৰ্ণ-ভাষা নিৰ্বিশেষে আজিকালি সকলোৱে দুৰ্গোৎসৱত অংশগ্ৰহণ কৰে। এয়া সমাজ বাবে শুভ লক্ষণ। কেৱল দুৰ্গোৎসৱ বুলিয়েই নহয়, আন উৎসৱ-পাৰ্বণতো এনে ছবি এখন দেখিবলৈ পোৱা যায়। মুকলি আকাশৰ তলত এঠাইত গোট খাবলৈ শাৰদীয় উৎসৱে সকলোকে আহ্বান জনায়। কোনোৱে শৰতৰ আহ্বানক আওকাণ কৰিব নোৱাৰে। কাৰণ এই ঋতুৰ আছে এক চুম্বকীয় গুণ।

অসমত শৰৎ কালত যিবোৰ উৎসৱৰ আয়োজন কৰা হয়, সেইবোৰৰ ভিতৰত অন্যতম দুৰ্গোৎসৱ। পশ্চিমবংগতো এই উৎসৱৰ প্ৰভাৱ মন কৰিবলগীয়া। ভাৰতৰ আন ৰাজ্যত অঞ্চলবিশেষে কৰা হয় যদিও সেইবোৰ নামমাত্ৰ বুলিয়ে ক'ব পাৰি। অসম আৰু পশ্চিমবংগৰ এনে এটি অঞ্চল নাই— য'ত শাৰদীয় পূজাৰ প্ৰভাৱ নপৰে। সেইবাবে এই সময়ত বছৰৰ আন সময়তকৈ তুলনামূলকভাৱে ব্যৱসায়-বাণিজ্যতো বেছি প্ৰভাৱ পৰে। বিশেষকৈ কাপোৰ আদি উদ্যোগৰ ব্যৱসায় এই সময়ত বেছি হয়। কাৰণ দুৰ্গোৎসৱত নতুন কাপোৰ ক্ৰয়ৰ প্ৰৱণতা সকলোৰে মনতে থাকে। সেইবাবে ব্যৱসায়-বাণিজ্যও ভাল হয়।

# অনুশোচনা

প্ৰত্যেক মানুহে নিজৰ কৰ্মৰ বাবে কেতিয়াবা নহয় কেতিয়াবা অনুশোচনাত দগ্ধ হয়। পূৰ্বে কৰা কাম বা ভুলৰ বাবে অনুশোচনা হোৱাটো স্বাভাৱিক কথা। সকলোৱে জীৱনত ভাল কাম কৰিব খোজে। ভালদৰে থাকিব বিচাৰে। ভাল খাদ্য গ্ৰহণ কৰিবলৈ ইচ্ছা। জীৱন সংগীগৰাকী পৃথিৱীৰ সবাতোকৈ ধুনীয়া, সৎ, নিষ্ঠাৱান হোৱাটো কামনা কৰে। কিছুমানে নোৱাৰে, কেতিয়াবা আকৌ পায়ো হেৰুৱাবলগীয়া হয়। পোৱা-নোপোৱা, আশাহত, ব্যৰ্থতাৰ বাবে পৰৱৰ্তী সময়ত অনুশোচনা হয়। অনুশোচনা হ'ল একপ্ৰকাৰ অনুভূতিসদৃশ। সকলো মানুহৰ সকলো কামত অনুশোচনা নহ'বও পাৰে। কেতিয়া মনত অনুশোচনা জন্মিব পাৰে বা জন্মে সেয়া পূৰ্বানুমান কৰাটো অসম্ভৱ। কিছুমান বিশেষ সময়ত বিশেষ পৰিস্থিতিতহে অনুশোচনা জন্মে। দৰাচলতে কিছুমান আনুষংগিক পৰিস্থিতিৰ বাবেহে অনুশোচনা জন্মে। যেতিয়া মনত ভাব হয় যে 'অমুকটো কৰিব লাগিছিল', 'অমুকটো কৰিলে সফল হ'লোহেঁতেন', 'অমুক কথাটো কোৱাৰ পৰিণতিত এনে হ'ল' ইত্যাদি কথা হ'ল অনুশোচনাৰ অংশবিশেষ।

অনুশোচনা হ'ল একপ্ৰকাৰ মানসিক পীড়া। যিসকল লোক অনুশোচনাত দগ্ধ হয়, তেওঁলোক মানসিকভাৱে ভাৰসাম্যহীন হৈ পৰে। তেতিয়াই যিকোনো কঠোৰ সিদ্ধান্ত গ্ৰহণ কৰিবলৈ কুণ্ঠাবোধ নকৰে। অনুশোচনাই প্ৰথমতে

মানসিকভাৱে ভাৰাক্রান্ত কৰি তুলিলেও পৰৱৰ্তী সময়ত ইয়াৰ প্রভাৱ পৰে শৰীৰৰ ওপৰত। শাৰীৰিক-মানসিকভাৱে ভাৰসাম্যহীন হৈ পৰিলে সুস্থ চিন্তা-চৰ্চাত ব্যাঘাত জন্মে। জীৱনৰ গতিপথো স্তব্ধ হোৱাৰ আশংকা থাকে। কি কৰিলে আৰু তাৰ পৰিণতি কি হ'ব সেই বিষয়ে চিন্তা-ভাবনা কৰি থাকোতে সময় অতিবাহিত হয়। অনুশোচনাৰ বাবে যে কেৱল ব্যক্তিগত জীৱনতে প্রভাৱ পৰে তেনে নহয়; পাৰিবাৰিক ক্ষেত্ৰতো প্রত্যক্ষ অথবা পৰোক্ষভাৱে প্রভাৱ পৰা দেখা যায়।

যিকোনো বয়সৰ লোকৰ মনত অনুশোচনাৰ সৃষ্টি হ'ব পাৰে যদিও তুলনামূলকভাৱে বয়স্কসকলৰহে বেছি হয়। শিশুৰ মনত অনুশোচনা কম হয়। অভিজ্ঞতাৰ স'তে অনুশোচনাৰ সম্পৰ্ক আছে। অভিজ্ঞতা যিমানেই বেছি হয় সিমানেই অনুশোচনাৰ প্ৰৱণতাও বৃদ্ধি পায়। অনুশোচনাই প্রাত্যহিক জীৱনৰ কাম-কাজত খেলিমেলিৰ সৃষ্টি কৰে। এনে খেলিমেলিৰ কেতিয়া অৱসান ঘটে কোনোৱে ক'ব নোৱাৰে।

অৱশ্যে আমি অনুশোচনাক সদায় নেতিবাচক অৰ্থত ব্যৱহাৰ কৰিলে নহ'ব। কেতিয়াবা কিছুমানৰ জীৱনত ইতিবাচক প্রভাৱ পেলায়। অতীতত কৰা ভুলৰ পৰা শুধৰণি কৰে অনুশোচনাই। পূৰ্বে কি কি কামত ভুল কৰিলে আৰু তেনে ভুলৰ পৰা যি শিকনি পালে তাৰ পৰা ভৱিষ্যৎ জীৱনৰ ভেটি গঢ়িব পাৰে। বহুতৰ ক্ষেত্ৰত উন্নতিৰ জখলাডাল অনুশোচনাৰ মাজেদিয়ে সৃষ্টি হয়। পূৰ্বে কৰা ভুল বা বিপথে পৰিচালিত হোৱাৰ ফলত যি ক্ষতি হ'ল তেনে ক্ষতি যাতে ভৱিষাতে হ'ব নোৱাৰে তাৰ বাবে সতৰ্কতাও অৱলম্বনৰ সুযোগ পায়। কেতিয়াবা বাস্তৱ জীৱনত দেখা যায় যে প্রাৰম্ভিক পৰ্যায়ত যি নেতিবাচক অৱস্থাৰ সৃষ্টি হৈছিল সেই অৱস্থাই জীৱনৰ পৰৱৰ্তী কালছোৱাত ইতিবাচক পৰিস্থিতিৰ সৃষ্টি কৰিছে। অৰ্থাৎ ঋণাত্মক দিশটোৱে পৰৱৰ্তী সময়ত ধনাত্মক প্রভাৱ। অনুশোচনাত দগ্ধ লোকজনে বিষয়টো কেনেদৰে গ্রহণ কৰিছে তাৰ ওপৰতে নিৰ্ভৰ কৰে জীৱনৰ পৰৱৰ্তী সময়ত কেনে প্রভাৱ পৰিব। গতিকে এনে বিশ্লেষণৰ পৰা এটা কথা স্পষ্ট হৈ পৰে যে অনুশোচনাৰ ইতিবাচক আৰু নেতিবাচক দিশ দুয়োটাই আছে। প্রথমতে নেতিবাচক প্রভাৱ আৰু তাৰ পাছত ইতিবাচক প্রভাৱ পৰিবই।

# আমাৰ ঘৰ
# সকলোৰে ঘৰ

আমাৰ ঘৰ— এখন বৃদ্ধাশ্ৰম। গুৱাহাটী মহানগৰীৰ পাথৰ কুঁৰেৰীৰ বৈকুণ্ঠপুৰত অৱস্থিত এটি আলয়। বিভিন্ন ঠাইৰ পৰা অহা ষাঠিৰ ঊৰ্দ্ধৰ এই বৃদ্ধাসকলৰ আৱাসস্থলীলৈ গ'লেই অনুভৱ কৰিব পাৰি এনে এখন ঘৰৰ প্ৰয়োজন কিমান। বিভিন্ন পৰিবেশত ডাঙৰ দীঘল হৈ জীৱনৰ বিয়লি বেলাৰ দিশে অগ্ৰসৰ হোৱা এইসকল পুৰুষ-মহিলাই এটা আলয়ত এটি পৰিয়ালৰ দৰে বসবাস কৰিব পৰাতো সঁচাকৈয়ে চৰ্চাৰ বিষয়। ভিন্ন মন, হৃদয় এক। সকলোৰে ব্যক্তিগত দুখ-যন্ত্ৰণা, ক্লান্তিবোধ পাহৰি এখন চাদৰ তলত জিৰণি লৈছে। কংক্ৰিটৰ মাজতো যে এনে এখন ঠাইৰ সৃষ্টি কৰিব পাৰি সেয়া শুচিব্ৰতা ৰায় চৌধুৰীয়ে উপলব্ধি কৰিছিল। বিভিন্ন কাৰণত পৰিয়ালৰ পৰা আঁতৰি থাকিবলগীয়া হোৱা বৃদ্ধাসকল এই ঘৰটোত থকাৰ অৰ্থ এইটো নহয় যে তেওঁলোক পৰিয়ালৰ পৰা সম্পূৰ্ণৰূপে বিচ্ছিন্ন। বহুতৰে মনত কিন্তু এনে ধাৰণাই স্থান পাইছে। দৰাচলতে এয়া এক ভ্ৰান্ত ধাৰণাহে।

এদিন এই ঘৰটোলৈ গৈছিলো আৱাসীসকলক লগ পাবলৈ। তেওঁলোকৰ স'তে ভাব বিনিময় কৰিবলৈ। ঘৰটোত সোমোৱাৰ সময়তে এগৰাকী মহিলাক লগ পালো। আমাক দেখি আথে-বেথে ঘৰটোৰ ড্ৰইংৰূমত বহিবলৈ দিলে।

আমাক দেখি কে'বাগৰাকী আৱাসী আমাৰ ওচৰত বহিল। আগমনৰ কথা ক'লো। আমাৰ কথা শুনি তেওঁলোকৰ আনন্দ লাগিল। ঠিক এগৰাকী আপোন মানুহক বহুদিনৰ মূৰত লগ পোৱাৰ অৱস্থাটোৰ দৰে মুকলিমূৰীয়াকৈ সকলোৱে কথা পাতে। হাঁহি-তামাচা কৰে। কোনোবা এগৰাকীয়ে যদি লিখিছে, আন এগৰাকীয়ে আকৌ গান গাইছে। হেঁপাহ পলুৱাই গান গাই সময় অতিবাহিত কৰাতো কম কথা নহয়। আবেলি পৰত নাম গাই গাই এনে এটি পৰিবেশৰ সৃষ্টি কৰা হয়— য'ত সকলোৰে মূৰ আপোনা-আপুনি দোঁ-খায়। সকলোৱে অংশগ্ৰহণ কৰে এই নাম-প্ৰসংগত। ঘৰৰ চৌহদত আছে উপাসনা কেন্দ্ৰ। এই কেন্দ্ৰটো সকলোৰে বাবে মুকলি। ৰাস্তাৰে পাৰ হৈ গ'লে এই ঘৰটোলৈ সকলোৱে চায় এবাৰ হ'লেও। নিৰিবিলি গধূলি কোনোৱে কিন্তু অকলশৰীয়া অনুভৱ নকৰে। কাৰণ সকলোৱে বাৰাণ্ডাত বহি আড্ডা মাৰে। গল্প কৰে। অতীতৰ কথাবোৰ ৰোমন্থন কৰে। কাৰোবাৰ বাবে বিষাদ, কাৰোবাৰ বাবে আকৌ হাঁহি। হাঁহি-কান্দোনৰ সমষ্টিয়ে হ'ল জীৱন। জীৱন মানে কি সেয়া উপলব্ধি কৰিব পাৰিছে এইসকল আৱাসীয়ে।

'আমাৰ ঘৰ'ত নাই কোনো ভেদাভেদ। এখন চাদৰ তলত যে শান্তিৰে বসবাস কৰিব পাৰি তাৰেই নিদৰ্শন আমাৰ ঘৰ। বৰ্তমানো আমাৰ সমাজত এটি ধাৰণা আছে যে বৃদ্ধালয় মানে বুঢ়া-বুঢ়ীৰ ঘৰ। দৰাচলতে তেনে ধাৰণা সলনি কৰিবৰ সময় আহি পৰিছে। সমাজত আমাৰ ঘৰৰ দৰে বহুত ঘৰ নিৰ্মাণ কৰা হয় তেনেহ'লে হয়তো বহুতো সমস্যা সমাধান হ'ব। আমাৰ ঘৰত কেৱল অসহায় লোক নাথাকে। থাকে মাথোঁ কিছু এনে লোক, যিসকলৰ বৰ্তমান সমস্যা আছে। কিন্তু এয়া জ্বলন্ত সমস্যা বুলি ক'ব নোৱাৰি। সমস্যাৰ সৃষ্টি হ'লে সমাধানৰো পথ থাকে। সেয়েহে এনেধৰণৰ সমস্যা সমাধানৰ বাবে আমি সকলোৱে চেষ্টা কৰা উচিত। সকলোৱে সহায়ৰ হাত আগ বঢ়াব লাগিব।

'আমাৰ ঘৰ'ৰ আৱাসীসকলৰ স'তে আমি কিছুসময় মত-বিনিময় কৰিছিলো। তেওঁলোকৰ সকলোৱে মুকলিভাৱে আমাক সকলো কথা ক'লে। সকলোৱে কিন্তু ঘৰটোক নিজৰ ঘৰ বুলিয়ে ক'লে। 'আমাৰ ঘৰলৈ আহিছে' বুলি প্ৰত্যেকে কোৱাত মনটো বৰ ভাল লাগিল। অন্ততঃ সকলোৱে নিজৰ সমস্যা সমাধানৰ বাবে এখন চাদৰ তলতে গোট খাবলৈ সুযোগ লাভ কৰিছে।

# অন্ধত্ব ঃ জীৱনৰ অভিশাপ নহয়

অন্ধত্ব —এই শব্দটোৱে প্ৰতিগৰাকী মানুহৰ মনতে এক প্ৰশ্নৰ উদ্ৰেক ঘটায়। দৰাচলতে অন্ধত্ব জীৱনৰ অভিশাপ জানো? যদি অভিশাপ বুলি ধৰা হয় তেন্তে এই অভিশাপক আশীৰ্বাদ হিচাপে গণ্য কৰি বিশ্ব জয় কৰা লোকৰ সংখ্যাও কম নহ'ব। জন্মান্ধ হোমাৰে সৃষ্টি কৰিছিল দুখন কালজয়ী মহাকাব্য— ইলিয়াড আৰু ওডিচী। এই দুখন মহাকাব্যক কেন্দ্ৰ কৰি পৰৱৰ্তী সময়ত সৃষ্টি হ'ল বহুতো কাহিনী, বহুতো গ্ৰন্থ। হোমাৰ আজিও বিশ্ববাসীৰ বাবে ৰহস্য হৈ আছে। এজন জন্মান্ধ লোকে যি কৰি দেখুৱালে সেই কাৰ্য হয়তো চকু থকা আন দহজনে কৰি দেখুৱাব পৰা নাই। ভাৰতীয় সংগীতৰ অন্যতম চৰ্চিত গায়ক ৰবীন্দ্ৰ জৈনৰ কথা কোনে নাজানে। অন্ধ শিল্পীগৰাকীয়ে ভাৰতীয় সংগীতলৈ যি অৱদান আগবঢ়াইছে সেয়া চিৰদিন জিলিকি থাকিব। এয়া মাথোঁ হেজাৰজনৰ ভিতৰত দুটা উদাহৰণহে মাথোঁ।

আমাৰ সমাজত অন্ধ লোকসকলক কেন্দ্ৰ কৰি বহুতেই বিৰূপ মন্তব্য কৰা শুনিবলৈ পোৱা যায়। পূৰ্বজন্মৰ কৰ্মফলৰ বাবে অন্ধ হোৱা বুলি কিছুমানে

কয়। কিন্তু পূৰ্বজীৱন সম্পৰ্কে কোনোবাই এতিয়ালৈকে প্ৰমাণ কৰিব পাৰিছে জানো? মানুহ ইহলোক সম্পৰ্কেই জ্ঞাত নহয়, গতিকে পূৰ্বজন্ম সম্পৰ্কে কেনেকৈ জানিব পাৰে? এয়া মাথোঁ এটা ধাৰণাহে। অন্ধ লোকক আমি এটা বিশেষ শ্ৰেণী হিচাপে গণ্য কৰাৰ কোনো যুক্তি নাই। তেওঁলোকো আন দহগৰাকী লোকৰ দৰে নাগৰিক। নাগৰিকক সমদৃষ্টিৰে চাবই লাগিব। তেওঁলোক পুতৌৰ পাত্ৰ হ'ব নোৱাৰে। অন্ধ লোকৰ জগতখন সুকীয়া হ'ব নোৱাৰে। আন দহজনৰ দৰে এটি স্বাভাৱিক জীৱন যাপন কৰাৰ অধিকাৰ আছে। এই অধিকাৰ কোনোৱে খৰ্ব কৰিব নোৱাৰে।

অন্ধ সন্তানক লৈ পিতৃ-মাতৃৰ চিন্তাৰ অন্ত নাই। জন্মৰ পাচৰে পৰাই তেওঁলোকৰ মুখৰ মাত-বোল নোহোৱা হয়। আৰম্ভণিৰে পৰাই এই সন্তানসকলক জীৱনৰ বোজা বুলি গণ্য কৰে। কিন্তু তেনে কৰা উচিত নহয়। ভগৱানে যি দিছে সেয়া গ্ৰহণ কৰিয়ে জীৱন যুঁজত আগুৱাব লাগিব। বৰ্তমানক প্ৰত্যাহ্বান হিচাপে লৈ ভৱিষ্যতৰ দিশে আগুৱাই যোৱাজনেহে জীৱনৰ সকলো ঘাত-প্ৰতিঘাতৰ মুখামুখি হ'ব পাৰে। এটা যান্ত্ৰিক জীৱন যাপন কৰাটোৱে জীৱন নহয়। জীৱনত ঘাত-প্ৰতিঘাত থাকিবই। বিচৰাটো প্ৰতি ক্ষণতে পালে দেখোন সংসাৰত একো সমস্যাৰে সৃষ্টি নহ'লহেঁতেন। জীৱনত সুখ থকা বাবেহে দুখৰ যন্ত্ৰণা কিমান অসহনীয় সেয়া জানিব পাৰি। সুখ-দুখৰ সমষ্টিয়ে জীৱন। কেতিয়াবা সুখ, কেতিয়াবা দুখ। পিতৃ-মাতৃৰ লগতে যিসকল অভিভাৱকে অন্ধ সন্তান জন্ম হোৱা বাবে এদিন দুখ কৰে, তেওঁলোকে অনুভৱ কৰিব নোৱাৰে যে এদিন সেই সন্তানেই তেওঁলোকৰ বংশৰ নাম উজলাব পাৰিব। এনে সন্তানক ভালদৰে লালন-পালন কৰিলে, পঢ়া-শুনাৰ সুযোগ দিলেই এদিন উজলি উঠিবই। আমি ৰাস্তা-ঘাটে যিসকল অন্ধ লোকক গান গোৱা দেখো তেওঁলোকক যদি উপযুক্তভাৱে প্ৰশিক্ষণ দিয়া হয় বা সুযোগ প্ৰদান কৰা হয় তেওঁলোকে নিশ্চয় আৰু অধিক ধুনীয়াকৈ গাব পাৰিলেহেঁতেন। এনে লোকক ফুটপাথৰ পৰা তুলি আনিলে লাভ হ'ব সমাজৰ। কেৱল চকু থাকিলেই যে সকলো কাম কৰিব পাৰে তেনে নহয়। বহুতো এনে লোক আছে— যিয়ে দিনৰ দিনটো একো কাম-বন নকৰাকৈ খাই-বৈয়ে সময় অতিবাহিত কৰে, এনে লোকৰ চকু থাকিলেও পৰিয়াল, সমাজ, দেশৰ কিবা

লাভ হয় জানো? এওঁলোকহে পৰিয়াল তথা সমাজৰ বোজাস্বৰূপ। অন্ধ লোক আৰু এনে লোকৰ মাজত বিশেষ পাৰ্থক্য থাকিব নোৱাৰে। সেয়েহে পিতৃ-মাতৃয়ে অন্ধ সন্তানকো সমানেই গুৰুত্ব দিয়া উচিত। এই লৈ দুখ কৰাৰ কাৰণ নাই। সুন্দৰ-সুখময় জীৱন গঢ়িবলৈ সন্তানক আগুৱাই নিয়ক শুদ্ধ পথেৰে। মানসিকভাৱে সুদৃঢ় হওক। জন্মান্ধ কবি হোমাৰে যি কৰি থৈ গ'ল সেই কৰ্মৰেই সন্তানক উদ্বুদ্ধ কৰক।

কোনো ক্ষেত্ৰতে অন্ধ লোকক অনুভৱ কৰিব দিব নালাগে যে তেওঁলোক অকলশৰীয়া। তেওঁলোক এটা বিশেষ শ্ৰেণী। এনে লোকক সমাজৰ মাজলৈ আনিলে উন্নতি হ'ব সমাজৰ। কোনো কাৰো বোজা নহয়। এবাৰ ভাবি চাওকচোন পৃথিৱীখনে কিমানৰ ভৰ সহি আছে। কেতিয়াবা পৃথিৱীয়ে জানো জীৱ-জন্তু, উদ্ভিদক ওফৰাই দিছে অন্য গ্ৰহলৈ। ইতিহাসে ঢুকি নোপোৱা দিনৰে পৰাই পৃথিৱীয়ে সকলোৰে ভাৰ বহন কৰি আহিছে। নীৰৱে আছিল, আছে আৰু থাকিবও। ভগৱানে কাকো বোজা হ'বলৈ জন্ম দিয়া নাই। প্ৰত্যেকে নিজেই নিজৰ বোজা বহন কৰি আছে। সেয়েহে আমি অন্ধ লোকসকলৰ বিষয়ে নাভাবো কিয়? একেটা শাৰীতে বহুৱাই লৈ কওঁ আহক— আমাৰ মাজত নাই কোনো ভেদা-ভেদ। আমাৰ পৰিচয় এটাই— মানৱ জাতি। কাৰোবাৰ অংগ থাককেই বা নাথাকক, বাক্‌শক্তি আছে নে নাই সেয়া বিচাৰ্য বিষয় নহয়। আমাৰ এটাই জাতি— মানৱ জাতি।

# ব'হাগ এটি ঋতু নহয়

ব'হাগ বিহুৰ বিভিন্ন অনুষ্ঠানৰ স'তে সাঙোৰ খাই আছে অসমীয়া জাতীয় জীৱনৰ ঐতিহ্য। বিহুগীত আৰু বিহুনৃত্যৰ স্বকীয় ৰূপে ব'হাগ বিহুক দিছে এটি মাত্রা। ব'হাগ বিহুক কেৱল নৃত্য-গীতৰ উৎসৱ বুলি ক'লে ইয়াৰ পৰিসৰ সীমিত কৰাহে হ'ব। আমি এই উৎসৱটোৰ পৰিসৰ এটা নিৰ্দিষ্ট পৰিসীমাৰ মাজত আবদ্ধ কৰি ৰাখিব নোৱাৰো। যদিও বিহুৰ বৈশিষ্ট্য বুলিলে প্ৰকৃতিৰ বুকু কঁপোৱা গীত-নৃত্যকে সূচায়, তথাপি ইয়াৰ সমান্তৰালভাৱে আছে কিছু অন্য দিশ। অসমৰ বিভিন্ন প্ৰান্তত এই বিহুটি বেলেগ বেলেগ ৰূপত প্ৰকাশ পোৱা পৰিলক্ষিত হৈছে। ৰাজ্যখনৰ বিভিন্ন অঞ্চলত বসবাস কৰা জনগোষ্ঠীসমূহৰ স্বকীয় ৰূপত প্ৰকাশ পোৱা বিহুৱে বৰঅসমখনক সোণত সুৰগা কৰিছে। বিহুগীতত আছে প্ৰকৃতিৰ বৰ্ণনা। ভাল পোৱা, ডেকা-গাভৰুৰ মনৰ কথা। আগতে বিহুৰ সময়ত গছক সেৱা-প্ৰাৰ্থনা কৰা হৈছিল। গছত নৰা আৰু তৰা বান্ধিছিল। কিন্তু কালক্ৰমত এই প্ৰথাৰ পৰিৱৰ্তন হ'ল। আজিকালি

গছত গামোচা মেৰিয়াই পূজা কৰাৰ পৰম্পৰা ইয়াৰ পৰাই অহা বুলি অনুমান কৰা হৈছে। ঠায়ে-ঠায়ে এতিয়াও বিহুৰ দিনটোত গছক পূজা কৰে।

ব'হাগ বিহুৰ প্ৰসংগত গৱেষক পণ্ডিত ড° মহেশ্বৰ নেওগে এনেদৰে বৰ্ণনা আগবঢ়াইছে— ৰঙালী বিহু নামটোও বৰ অৰ্থব্যঞ্জক। প্ৰকৃতিৰ গাত চাৰিওফালে এটা মুকলি মুকলি আৰু আনন্দময় ভাব। বাট-পথ সকলো মুকলি হৈ পৰে, পথাৰ আৰু পানীৰ ডোবাও শুকাই গৈ বুকেদি বাট এৰি দিয়ে। প্ৰকৃতি নতুন পাত ফুলেৰে সুশোভিত হৈ পৰে। প্ৰাকৃতিক সৌন্দৰ্যৰ আনন্দই মানুহৰ অন্তৰতো আনন্দ তৰংগায়িত কৰি তোলে।

অসম বিভিন্ন জনগোষ্ঠীৰ মিলনভূমি। বড়ো, মিচিং, কাৰ্বি, দেউৰী আদি ভিন্ন জনগোষ্ঠীয়ে বিহু পালন কৰে ধৰ্মীয় ধাৰণা আৰু ৰীতি-নীতিৰে। সকলোৱে কিন্তু নিজৰ নিজৰ ঐতিহ্য, স্বকীয়তা অটুট ৰাখিহে বিহু পালন কৰা পৰিলক্ষিত হয়। চ'ত ব'হাগৰ সংক্ৰান্তিৰ দিনটোত আৰম্ভ হোৱা সাত বিহুৰ নাম অঞ্চলবিশেষে বেলেগ বেলেগ। একাংশ গৱেষক তথা পণ্ডিতৰ মতে এই সাত বিহু হ'ল— চ'ত বিহু, ৰাতি বিহু, গৰু বিহু, মানুহ বিহু অথবা চেনেহী বিহু, কুটুম বিহু, মেলা বিহু বা হাত বিহু আৰু চেৰা বিহু বা এৰা বিহু। অৱশ্যে আন একাংশ পণ্ডিতৰ মতে, এই বিহু আকৌ বেলেগ বেলেগ নামেৰে নামকৰণ কৰিছে। এইসকলৰ মতে সাত বিহু হ'ল— গৰু বিহু, মানুহ বিহু, হাত বিহু, চেনেহী বিহু, মাইকী বিহু, ৰঙালী বিহু আৰু চেৰা বিহু। আটাইকেইদিনে বেলেগ বেলেগ ধৰণে বিহু উদ্‌যাপন কৰা বাবে ইয়াৰ স্বকীয়তাও প্ৰকাশ পায়। দৰাচলতে প্ৰতিটো বিহুতে যিবোৰ কাৰ্যক্ৰম পালন কৰা হয় তাৰ প্ৰতিটোৱে স'তে পৰিৱেশ তথা প্ৰকৃতিৰ সম্পৰ্ক আছে। চ'ত-ব'হাগৰ সংক্ৰান্তিত যি গৰু বিহু উদ্‌যাপন কৰা হয় তাৰ স'তে প্ৰকৃতিৰ ওতপ্ৰোত সম্পৰ্ক। অসম এখন কৃষিপ্ৰধান ৰাজ্য। গতিকে এইখন ভূমিত কৃষকসকলে গোহালিটোত থকা গৰুকেইটা ভালদৰে ধুৱাই নতুন পঘা আদিৰে বান্ধে। নৈ, বিল, পুখুৰীত গা-ধুৱাই যি আনন্দ লাভ কৰে, সেয়া তেনে নকৰাজনে বৰ্ণনা কৰাটো সম্ভৱ নহয়। কৃষিক কেন্দ্ৰক কৰিয়ে অসমত বিহু উদ্‌যাপন হৈ আহিছে। ব'হাগত কৃষকসকল কৃষিকাৰ্যৰ পৰা কম-বেছি পৰিমাণে সকাহ পায়। সেয়েহে আনন্দ উপভোগৰ ক্ষেত্ৰত কৃপণালি নকৰে। গছৰ তলত বিহু উপভোগ কৰে

ডেকা-ডেকেৰীয়ে। এই সময়ত প্ৰকৃতিয়েও নিজকে সলনি কৰে। ঋতুৰাজ বসন্তৰ আগমনে সকলোৰে মন-প্ৰাণ পুলকিত কৰে। মনৰ পৰা যেন কলুষতা ভাব নোহোৱা হয়। ইজনে আনজনক বুকুৰ মাজত আঁকোৱালি লয়। পৰস্পৰৰ মাজত কেৱল প্ৰেমৰ বান্ধোনহে সুদৃঢ় হয়। বিহুক কেন্দ্ৰ কৰিয়ে উজনিৰ ফালে জেং বিহু, ফাট বিহু, টকা বিহু বিশেষভাৱে পালন কৰে। আনহাতে নামনিতো কিছুমান বৈশিষ্ট্য দেখা পোৱা যায়। সচৰাচৰ নামনি অসমত ভঠেলি, সুঁৱেৰি পাৰৰা বা পাউৰা তোলা, বাঁশ পূজা, দেউল আদিৰো প্ৰচলন হৈ আহিছে। জেং বিহুত অৱশ্যে পুৰুষৰ প্ৰৱেশ নিষিদ্ধ। এই বিহু কেৱল গাভৰুসকলৰহে। জেং বা বাঁহৰ আগ বা গছৰ ঠাল-ঠেঙুলি আদিৰ চাৰিওফালে গাভৰুসকলে নৃত্য কৰে। এই বিহুত ঢোল নাথাকে। গগনা আৰু টকাহে ব্যৱহাৰ কৰা হয়। আনহাতে, ফাট বিহু পালন কৰা হয় লখিমপুৰৰ ঢকুৱাখনাৰ চাৰিকড়ীয়া নৈৰ পাৰৰ ম'হঘূলি চাপৰিত। ব'হাগৰ শেষৰফালে তিনিদিনীয়াকৈ এই উৎসৱ পালন কৰা হয়। টকা বিহু হ'ল গগনা আৰু টকা বজাই গোৱা বিহু। ছয় ব'হাগত নামনি অসমৰ বিভিন্ন ঠাইত ভঠেলি উৎসৱ পালন কৰে। ভঠেলি উৎসৱক ব্যতিক্ৰমীভাৱে পালন কৰা হয়।

# অপৰাহ্ন

জীৱনৰ বিয়লি বেলাত সকলোৱে বিচাৰে সন্তানৰ স'তে একেলগে এটা ঘৰতে থাকি ইহসংসাৰৰ পৰা বিদায় ল'বলৈ। কিন্তু সকলোৰে জীৱনত এয়া সম্ভৱ নহয়। শতকৰা এক শতাংশ লোকৰো জীৱনত এনে সৌভাগ্য নাহে। যিসকলৰ আহে তেওঁলোকে তাকে লৈ গৌৰৱবোধ কৰে। প্ৰতিগৰাকী পিতৃ-মাতৃয়ে আশা কৰে তেওঁৰ জীৱনটো সুখ-শান্তিৰে অতিবাহিত হওক। জীৱনৰ আদিছোৱাত সন্তানক ভিক্ষাৰী কৰিব পাৰে সেয়া সপোনতো তেনে ছবি এখন ফুটি নুঠে। কিছুদিন পূৰ্বে বাতৰি কাকতত এনেধৰণৰ কেইটিমান ঘটনা প্ৰকাশ পাইছিল। গুৱাহাটী মহানগৰীৰ মাজমজিয়াতে এখন উৰণীয়া সেতুৰ তলত মাতৃক অসহায় অৱস্থাত এৰি গ'ল পুত্ৰ-বোৱাৰীয়ে। নলবাৰীতো এগৰাকী উচ্চ শিক্ষিত লোকৰ মাতৃৰ অসহায় অৱস্থাৰ কাহিনী প্ৰকাশ পাইছে। যোৰহাটতো এনে এখন ছবি দেখা পোৱা গৈছিল ডেৰ বছৰমান আগতে। এইকেইটা সংবাদ মাধ্যমত প্ৰকাশ পোৱা কাহিনীহে। এনেধৰণৰ কাহিনী বহুতো ওলাব। বহুতো কাহিনী অপ্ৰকাশিত হৈ আছে। সমাজৰ প্ৰতিটো স্তৰতে নৈতিকতাৰ কেনেধৰণে স্খলন হ'বলৈ ধৰিছে তাৰ জ্বলন্ত উদাহৰণ হ'ল এইবোৰ কাহিনী।

এগৰাকী মাতৃয়ে দহ মাহ দহ দিন দহ ভাদ্ৰ গৰ্ভত ৰাখি সন্তান প্ৰসৱ কৰে। এই সন্তানেই এদিন পিতৃ-মাতৃক ঘৰৰ পৰা উলিয়াই দি পথৰ ভিক্ষাৰী কৰে। জীৱশ্ৰেষ্ঠ মানৱৰ বাবে ইয়াতকৈ আৰু কি লজ্জাজনক বিষয় থাকিব পাৰে। যিগৰাকী মাতৃয়ে অশেষ দুখ-কষ্টৰ বোজা বহন কৰি সন্তান জন্ম দিয়ে, তেওঁক প্ৰহাৰ কৰি ঘৰৰ পৰা বহু দূৰৈৰ অচিন ঠাইত এৰি আহিবলৈ কুণ্ঠাবোধ নকৰা ল'ৰা-ছোৱালীৰ মানসিকতা কেনে হ'ব পাৰে সেয়া সহজেই অনুমেয়।

জীৱন তুচ্ছ কৰি সন্তানক ডাঙৰ দীঘল কৰিবলৈ যিগৰাকী পিতৃয়ে দিন-ৰাতি একাকাৰ কৰে সেইগৰাকী পিতৃকে প্ৰহাৰ কৰে সন্তানে। ঘৰৰ পৰা উলিয়াই দিয়ে অসহায়ভাৱে। যেতিয়া সন্তানে এনে কৰে তেতিয়া পিতৃ-মাতৃৰ মনত কেনে ধৰণৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হয় সেয়া কোনোবাই এবাৰ ভাবি চায় জানো? নৈতিকতাৰ স্খলন কিদৰে হ'ব ধৰিছে সেইবোৰৰ জ্বলন্ত নিদৰ্শন এনেবোৰ ঘটনা। বৃদ্ধ পিতৃ-মাতৃক বহুতেই বোজা বুলি ভাবে। সোনকালে ইহসংসাৰৰ পৰা বিদায় ল'লেই যেন সন্তানে সুখেৰে থাকিব পাৰিব, তেনে মানসিকতাৰো অধিকাৰী নোহোৱা নহয়। কিন্তু পিতৃ-মাতৃ তেওঁলোকৰ বাবে বোজা হ'ব পাৰে জানো? কেতিয়াও পিতৃ-মাতৃ বোজা হ'ব নোৱাৰে। জীৱনৰ বিয়লি বেলাত তেওঁলোকক সুৰক্ষা দিয়াটো সন্তানৰ কৰ্তব্য। সন্তান বিদেশত থকাটোৱে জীৱনৰ একমাত্ৰ সাফল্য হ'ব নোৱাৰে। বহুতো পিত-মাতৃয়ে সন্তান বিদেশত থকা বুলি কৈ গৌৰৱবোধ কৰে। কিন্তু বাস্তৱ ক্ষেত্ৰত দেখা যায় যে এনে পিতৃ-মাতৃৰ জীৱনৰ বিয়লি বেলা দুৰ্বিসহ হৈ পৰে। প্ৰয়োজনত এগিলাচ পানী দিবলৈকে কোনো নাথাকে। তেতিয়া সন্তানলৈ মনত নপৰেনে বাৰু?

আমি সকলোৱে জীৱশ্ৰেষ্ঠ বুলি কৈ গৌৰৱ কৰো। সভ্যতাৰ উচ্চ শিখৰত উপনীত হোৱা বুলি কওঁ। কিন্তু এনেবোৰ কাৰ্য সভ্যতাৰ নিদৰ্শন বুলি ক'ব পাৰো জানো? কেৱল পঢ়ি-শুনি এটা ভাল চাকৰি লাভ কৰাটোৱে জীৱনৰ সাফল্য হ'ব নোৱাৰে। পিতৃ-মাতৃয়েও সেয়া উপলব্ধি কৰা উচিত। সন্তানক সৰুৰে পৰাই এনে শিক্ষা দিয়ক— যাতে সিহঁতে পৰৱৰ্তী সময়ত জীৱন মানে কি সেয়া উপলব্ধি কৰিব পাৰে। পিতৃ-মাতৃক কৰা অৱহেলা যে তেওঁলোকৰ পৰৱৰ্তী জীৱনতো পৰিব পাৰে সেই সম্পৰ্কে বুজাব লাগিব। সমাজ ব্যৱস্থাক দোষাৰোপ কৰি নিজৰ সন্তানৰ ওপৰত দোষ পৰিবলৈ নিদিয়াৰ মানসিকতা সলনি কৰিব লাগিব। প্ৰথমতে ঘৰখনতেই এনে শিক্ষাৰ আৰম্ভণি হওক। জীৱনৰ আদিছোৱাতকৈ যে পৰৱৰ্তী সময়তহে সংগী তথা সন্তানৰ প্ৰয়োজন, সেই বিষয়ে সন্তানক প্ৰকৃত শিক্ষা দিব লাগিব। এনেবোৰ বিষয় কিতাপত লিখা নাথাকে। শিকাব লাগিব ব্যৱহাৰিক দৃষ্টিকোণৰ পৰা। বৃদ্ধ পিতৃ-মাতৃ কেতিয়াও আৱৰ্জনা নহয়। ই সন্তানৰ বাবে অসহনীয় বোজাও হ'ব নোৱাৰে।

# নিৰ্ভীক সাংবাদিক প্ৰফুল্ল চন্দ্ৰ বৰুৱা

অসমীয়া সংবাদ জগতৰ লেখত ল'বলগীয়া সাংবাদিকসকলৰ ভিতৰত প্ৰফুল্ল চন্দ্ৰ বৰুৱা আছিল অন্যতম। সংবাদ জগতৰ উজ্জ্বল নক্ষত্ৰ স্বৰূপ বৰুৱা শিৱসাগৰ জিলাৰ সুন্দৰীপুখুৰী গাঁৱত জন্মগ্ৰহণ কৰিছিল। ১৯৬৩ চনৰ পৰা সাংবাদিকতা জীৱন আৰম্ভ কৰা বৰুৱাই জীৱনৰ শেষলৈকে কেতিয়াও পিছলৈ ঘূৰি চাবলগীয়া হোৱা নাছিল। সাংবাদিকতাৰ ৫০ বছৰীয়া সময়ছোৱাত বহুতো ঘাত-প্ৰতিঘাতৰ মাজেৰে সংবাদজগতলৈ বিভিন্নধৰণে সেৱা আগবঢ়াই নিভীক, নিৰপেক্ষ, সাহসী সাংবাদিকজনে কেতিয়াওঁ ক্লান্তিবোধ কৰা নাছিল। তেওঁ দৈনিক অসম, দৈনিক জনমভূমি, জনমভূমি (সাপ্তাহিক) আদি কাকতৰ সম্পাদকৰ গুৰুদায়িত্ব সুচাৰুৰূপে পালন কৰিছিল। পৰৱৰ্তী সময়ত আজিৰ অসম, সাপ্তাহিক নীলাচল, আজিৰ কাকতৰ সৈতেও জড়িত আছিল। জ্যেষ্ঠ নাগৰিকৰ বাবে প্ৰকাশিত 'উদ্দীপন' নামৰ মাহেকীয়া আলোচনীখনৰো সম্পাদকৰ দায়িত্ব লৈছিল। একনিষ্ঠভাবে সংবাদ সেৱা আগবঢ়াই যোৱা বৰুৱাই 'মিডিয়া ট্ৰাষ্ট অব্ অসম'ৰ কাৰ্যবাহী ন্যাসৰক্ষী হিচাপেও কাৰ্যনিৰ্বাহ কৰিছিল।

কোনো লোকেই জন্মতেই কলমটো হাতত লৈ নাহে। যেতিয়াৰ পৰা কলমটো হাতত তুলি ল'বলৈ শিকে তেতিয়াৰ পৰা লক্ষ্য বিভিন্ন ধৰণৰ হয়। কিছুমানৰ বাবে কলমটো হৈ পৰে সমাজৰ দহজনৰ উপকাৰত অহা অস্ত্ৰ। অন্যায়ৰ বিৰুদ্ধে যুঁজ দিয়াৰ অমোঘ অস্ত্ৰ। সৃষ্টিৰ উৎস। এই কলমটো কেতিয়াও থমকি নৰয়। মৃত্যুৰ ভাবুকিয়েও এনে লোকৰ কলমটোৰ গতি স্তব্ধ কৰিব নোৱাৰে। তেওঁলোকৰ সন্মুখত মাথোঁ এটাই লক্ষ্য—সমাজ সংস্কাৰৰ মাজেদি ভ্ৰাতৃত্ববোধ প্ৰতিষ্ঠা কৰা আৰু সমাজৰ উন্নতি সাধন কৰা। এনে এগৰাকী সাংবাদিকৰ শাৰীৰ সাংবাদিক আছিল প্ৰফুল্ল চন্দ্ৰ বৰুৱা। মৃদুভাষী তথা সহজ-সৰল জীৱন কটোৱা বৰুৱা কামৰ প্ৰতিও আছিল সমানেই আগ্ৰহী। দিন-ৰাতি একাকাৰ কৰি কাম কৰি যোৱা মানুহজনে কোনোদিনে প্ৰচাৰৰ প্ৰতি আগ্ৰহী নাছিল। নীৰৱ সাধক বৰুৱাই অসমৰ সংবাদ জগতলৈ যি সেৱা আগবঢ়াই গৈছে সেয়া চিৰদিনৰ বাবে সোণোৱালী আখৰেৰে লিখা থাকিব।

প্ৰফুল্ল চন্দ্ৰ বৰুৱাৰ বৰ্ণময় জীৱনৰ আন এক উল্লেখযোগ্য দিশ হ'ল নিয়মানুৱৰ্তিতা। কথা যেনে কামো তেনে। পুৱা ন বজাত মাতিলে ন বজাতেই সাজু হৈ থাকিব। সেইবাবে হয়তো বৰুৱাৰ ব্যক্তিত্ব আছিল ব্যতিক্ৰম। সময়ৰ স'তে খোজ মিলাব জানিলে কোনো লোকেই উজুতি খাবলগীয়া নহয়। এই কথা ভালদৰে উপলব্ধি কৰিব পৰা বাবে তেওঁ অসমৰ ইমূৰৰ পৰা সিমূৰলৈ এগৰাকী নিষ্ঠাৱান সাংবাদিক হিচাপে প্ৰতিষ্ঠা লাভ কৰিবলৈ সক্ষম হৈছিল।

প্ৰফুল্ল চন্দ্ৰ বৰুৱা আছিল এগৰাকী নিৰ্ভীক সমালোচকো। নিৰ্ভীকভাৱে সমালোচনা কৰা বাবে তেওঁ কেতিয়াবা কাৰাবাসো খাটিবলগীয়া হৈছিল। তেখেতে কেইবাখন গ্ৰন্থ সম্পাদনা কৰাৰ লগতে বিভিন্ন লেখাৰ জৰিয়তে অসমীয়া সাহিত্যৰ ভঁৰালো টনকিয়াল কৰি থৈ গৈছে। এনেকুৱা বহুমুখী প্ৰতিভাসম্পন্ন প্ৰবীণ সাংবাদিকগৰাকী আজি আৰু আমাৰ মাজত নাই।

# এভাৰেষ্টত দুই অসমীয়া আৰু কিছু প্ৰাসংগিক চিন্তা

অৱশেষত বিশ্বৰ সৰ্বোচ্চ শৃংগ হিমালয়ৰ এভাৰেষ্টত উঠিল দুগৰাকী অসমীয়া পৰ্বতাৰোহী—তৰুণ শইকীয়া আৰু মনীষ ডেকা। দুয়োগৰাকী অসমীয়াই ২৯,০২৮ ফুট ওখলৈ উঠি প্ৰমাণ কৰিলে অসমীয়া এতিয়া আৰু কোনো ক্ষেত্ৰতে পিছপৰি থকা নাই। দুঃসাহসিক অভিযানত অংশ লোৱা অসমীয়া যুৱক-যুৱতীৰ সংখ্যা বৃদ্ধি পালে। কেইবামাহ পূৰ্বে এগৰাকী অসমীয়া যুৱকে বৰফৰ মহাদেশ এণ্টাৰ্কটিকাত ভাৰতীয় দলটোৰ স'তে খোজ পেলাবলৈ সক্ষম হৈছিল। কেংগেৰুৰ মাজত অসমীয়া যুৱকজনে তোলা ফটো সংবাদ মাধ্যমত প্ৰকাশিত হোৱাৰ পাছত অসমীয়াই আৰু এটা গৌৰৱৰ কাৰণ বিচাৰি পাইছিল। তৰুণ শইকীয়া আৰু মনীষ ডেকাৰ সাফল্যই অসমমাতৃৰ বুকুলৈ কঢ়িয়াই আনিলে অনাবিলা আনন্দ। কিছু বছৰ আগলৈকে অসমীয়া যুৱক-যুৱতীয়ে পৰ্বতাৰোহণ কৰিলেও সেয়া কাঞ্চনজংঘা আদি শৃংগতে সীমাবদ্ধ আছিল। কোনোৱে কল্পনাও কৰা নাছিল যে এদিন অসমীয়াই এভাৰেষ্ট আৰোহণ কৰিব। প্ৰতিকূল বতৰ, প্ৰতিটো মুহূৰ্ততে মৃত্যুশংকা সত্বেও বৰফৰ ঘৰটোৰ মূধচলৈ উঠি যাবলৈ সক্ষম হ'ল আন কে'বাজনো পৰ্বতাৰোহীৰ স'তে তৰুণ আৰু মনীষ। নিঃসন্দেহে এয়া এক বৃহৎ সাফল্য। অসমীয়া জাতিৰ চিনাকি ফুলাম গামোচা উৰিল এভাৰেষ্টত।

অসমত যে প্ৰতিভাৰ অভাৱ তেনে নহয়। মাথোঁ হীনমন্যতাইহে জাতিটোক আনতকৈ কে'বাখোজো পিচুৱাই ৰাখিছে। দিল্লীৰ পৰা অসম বহু দূৰ। কিছু

বছৰ আগলৈকে এনে ভ্ৰান্ত ধাৰণাই অসমীয়া জাতিটোৰ মনত বাহ লৈ আছিল। পিছে বিশ্বায়নৰ যুগত এনে ধাৰণা সলনি হ'ল। এতিয়া আৰু কোনো অসমীয়াই হাত সাবটি বহি নাথাকে। হাতে-কামে লাগি বিশ্ববাসীক দেখুৱাবলৈ সক্ষম হৈছে। আমাৰো জগত জিনাৰ শক্তি আছে। ক্ৰীড়া ক্ষেত্ৰতেই হওক অথবা সাংস্কৃতিক ক্ষেত্ৰতেই হওক সকলোতে আগ বাঢ়িছে অসমীয়া। ই অসমীয়া জাতিৰ বাবে এক ইতিবাচক দিশ।

এভাৰেষ্টত খোজ পেলোৱা দুই অসমীয়াক লৈ আমি এতিয়া গৌৰৱ কৰিব পাৰো। কিছুদিন পূৰ্বে বিশ্বৰ বয়স্ক লোক এজনে সুউচ্চ শৃংখটো আৰোহণ কৰিলে। এতিয়া দুয়োগৰাকী অসমীয়া এডমণ্ড হিলাৰী আৰু টেনজিং নৰ্কেৰ শাৰীত উপনীত হ'ল। এভাৰেষ্ট বিজয়ীৰ তালিকাত তৰুণ আৰু মনীষৰ নাম চিৰদিন সোণোৱালী আখৰেৰে লিপিবদ্ধ থাকিব। যেতিয়ালৈকে হিমালয় থাকিব তেতিয়ালৈ দুয়োজনকে সকলোৱে স্মৰণ কৰি থাকিব।

নৱপ্ৰজন্মই এই দুয়োজনৰে পদাংক অনুসৰণ কৰি আজিৰে পৰাই আৰম্ভ কৰক কঠোৰ অনুশীলন। পৃথিৱীত কোনো কামেই অসম্ভৱ নহয়। কেৱল প্ৰয়োজন আত্মবিশ্বাসৰ। নিজৰ ওপৰত বিশ্বাস থকা বাবে এদিন হিলাৰী আৰু নৰ্কেই এভাৰেষ্টত উঠিছিল। তেতিয়ালৈকে কোনোৱেই বিশ্বাসেই কৰিব পৰা নাছিল যে এদিন কোনোবাই ২৯ হেজাৰ ফুট ওপৰলৈ বগাব পাৰিব। পৃথিৱীত সকলো কামেই কোনোবা নহয় কোনোবাই প্ৰথমবাৰৰ বাবে সম্পাদন কৰিবই লাগিব। প্ৰথমজনে এনে কাৰ্য সম্পাদন কৰোতে যি প্ৰত্যাহ্বানৰ সন্মুখীন হয়, তাৰ পাচত কিন্তু কৰোতে তেনে পৰিস্থিতিৰ সৃষ্টি নহয়। কোনোবাই কৰক বুলি হাত সাবটি বহি থকাতকৈ নিজেই আগবাঢ়িব লাগিব। তৰুণ-মনীষৰ বেলিকাও একেই ছবি প্ৰতিফলিত হ'ল। দুয়ো একাণপতীয়া চেষ্টা আৰু আত্মবিশ্বাসৰ বাবে সফল হ'ল।

এনেধৰণৰ প্ৰশিক্ষণৰ বাবে যাতে দহজনে সুযোগ লাভ কৰিব পাৰে তাৰ সু-ব্যৱস্থা কৰিবলৈ দুয়োজনে আগবাঢ়ি আহক। তেতিয়াহে তেওঁলোকৰ আশাই বাস্তৱ ৰূপ ল'ব। পৰৱৰ্তী সময়ছোৱাত যাতে তৰুণ-মনীষেই অসমত এনে এখন ক্ষেত্ৰ সৃষ্টি কৰক— যাতে তেওঁলোকৰ বাবে আন দহজনে এভাৰেষ্ট আৰোহণ কৰিব পাৰে। আমিও তাৰেই আশা কৰিছো।

# সম্বৰ্ধিত ছাত্ৰ-ছাত্ৰীসকল ক'ত হেৰায়

হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফল ঘোষণাৰ পাছতে ৰাজ্যখনৰ চৌদিশে সম্বৰ্ধনা জ্ঞাপনৰ জোৱাৰ উঠে। সম্বৰ্ধনাৰ বন্যাত উটি-ভাহি যায় পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীৰ লগতে অভিভাৱকসকল। সন্তানৰ কৃতিত্বক লৈ পিতৃ-মাতৃৰ গৌৰৱবোধ দুগুণ বৃদ্ধি পায়। পোৱাটো কোনো অস্বাভাৱিক বিষয় নহয়। সন্তানৰ সাফল্যই প্ৰতিগৰাকী পিতৃ-মাতৃৰ মনত অপাৰ আনন্দ বোৱাই দিয়ে। এই আনন্দ স্থায়ী হয়— যদিহে সন্তানে ভৱিষ্যতে সাফল্য অৰ্জন কৰে। কিন্তু এই আনন্দই হতাশৰ ৰূপ লয় যেতিয়া— ভৱিষ্যতে ব্যৰ্থ হয়। সাফল্যৰ পথেদি খোজ পেলাই উপযুক্ত সময়ত ব্যৰ্থ হ'বলগীয়া হ'লে তেনে ব্যৰ্থতাই জীৱনৰ সকলো হিচাপ-নিকাচ ওলট-পালট কৰি দিয়ে। পঢ়া জীৱনত মেট্ৰিক পৰীক্ষাৰ ফলাফলক লৈ সকলোৱে যিমান গুৰুত্ব প্ৰদান কৰে, তাৰ আগতে অথবা পাছতে তেনেদৰে গুৰুত্ব দিয়া পৰিলক্ষিত নহয়। পৰিয়ালৰ কোনো এজন সদস্যৰ এনে সাফল্যত আনন্দিত হোৱাসকলে কিন্তু পৰৱৰ্তী সময়ত কোনো কাৰণত ব্যৰ্থ হ'লে বিৰূপ প্ৰতিক্ৰিয়া প্ৰকাশ কৰাহে দেখা যায়।

সাফল্যৰ মাপকাঠি এটা পৰীক্ষাত বিশেষভাৱে স্থান লাভ কৰা অথবা ভাল ফলাফল দেখুওৱাটো হ'ব নোৱাৰে। বাস্তৱ ক্ষেত্ৰত দেখা যায় যে এনে বহুতো ছাত্ৰ-ছাত্ৰী আছে— যিসকলে প্ৰতিটো পৰীক্ষাত বিশেষ স্থান লাভ কৰে। তাৰ পাছত কিন্তু এওঁলোকৰ অধিকাংশই ক'ৰবাত নহয় ক'ৰবাত হেৰাই যায়। কিছুমানে আকৌ জীৱনৰ ছন্দই বিচাৰি নাপায়। আনহাতে, কিছুমান ছাত্ৰ-ছাত্ৰীয়ে আকৌ কোনো এটা পৰীক্ষাত বিশেষ ফলাফল নেদেখুওৱাকৈয়ে

সাফল্যৰ শিখৰত উপনীত হয়। আনকি বিশ্ব দৰবাৰতো প্ৰতিষ্ঠা লাভ কৰে। এওঁলোকৰ কেৰিয়াৰৰ গ্ৰাফডাল ঊৰ্ধ্বমুখী। ভাবিলে আচৰিতো লাগে। পৰীক্ষাত কোনো বিশেষ সফলতা নাই, অথচ সফল ব্যক্তি। সমাজত দহজন লোকে তেওঁৰ আদৰ্শ অনুসৰণ কৰে। অথচ একে শ্ৰেণীত বিশেষ সাফল্য অৰ্জন কৰাজনে তেওঁৰ ছাঁটোকে স্পৰ্শ কৰিব নোৱাৰিলে। অৱশ্যে এইখিনিতে এটা কথা স্পষ্ট কৰি দিব খুজিছো যে সকলো বিশেষ স্থানপ্ৰাপ্ত ছাত্ৰ-ছাত্ৰীয়ে পৰৱৰ্তী সময়ত সাফল্য অৰ্জন নকৰাকৈ থকা নাই।

যদি আমি এইসকল ছাত্ৰ-ছাত্ৰীৰ সাফল্যৰ গ্ৰাফডাল বিশ্লেষণ কৰি চাওঁ তেন্তে এটা কথা স্পষ্ট হৈ পৰে যে অধিক আত্মবিশ্লেষণৰ বাবেই পৰৱৰ্তী সময়ত সাফল্য অৰ্জনত ব্যৰ্থ হয়। যিকোনো কাৰ্য সম্পাদনৰ বাবে প্ৰয়োজন আত্মবিশ্বাসৰ। আত্মবিশ্বাস থাকিলে সাতসাগৰ তেৰ নদী পাৰ হৈও আকাংক্ষিত বস্তুটো লাভ কৰিব পাৰি। অসাধ্য সাধন কৰিব পাৰি। সাগৰৰ তলিৰ পৰা মুকুতা বিচাৰি অনাটোও যেন তেনেই সাধাৰণ কথা হৈ পৰে। কিন্তু আত্মবিশ্বাস যেতিয়া তুংগত উঠে বা আধিক আত্মবিশ্বাসী হয় তেতিয়া সাফল্যৰ পথৰ পৰা পিছল খোৱাৰো শংকা থাকে। মনত ৰখা উচিত— প্ৰতিটো বিষয়ৰে একোটা নিৰ্দিষ্ট পৰিসৰ থাকে। এই পৰিসৰৰ পৰিধি পাৰ হ'লে সকলো খেলিমেলি হ'বই। বেলুন এটাৰ ভিতৰত নিৰ্দিষ্ট পৰিমাণৰহে বায়ু প্ৰৱেশ কৰে। বেলুনটোৰ সম্প্ৰসাৰণ ক্ষমতা থাকিল বুলিয়ে কোনোৱে ইচ্ছামতে বায়ু সুমুৱাব নোৱাৰে। বহন ক্ষমতাতকৈ বেছি বায়ু প্ৰৱেশ কৰিলে ফাটিবই। একেদৰে এগৰাকী ছাত্ৰ-ছাত্ৰীৰ প্ৰতিভাৰ ক্ষেত্ৰতো একেই ছবি ফুটি উঠে। প্ৰত্যেকৰে বহন ক্ষমতা আছে। কোনোবাই কলা বিষয় পঢ়ি ভাল পায়। কিছুমানে বিজ্ঞান বিষয় আৰু আন কিছুমানে বাণিজ্য বিষয় পঢ়ি ভাল পায়। যাৰ য'ত ৰাপ— তেনে বিষয় অধ্যয়ন কৰিব দিলেহে সুফল পোৱা যায়। কিন্তু মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পাছত সাধাৰণতে ছাত্ৰ-ছাত্ৰীসকলক এইক্ষেত্ৰত পিতৃ-মাতৃ অথবা অভিভাৱকেহে নিৰ্দিষ্ট কৰি দিয়া দেখা যায়। সন্তানৰ কি বিষয়ত ৰাপ আছে সেয়া বিচাৰ নকৰি আনক দেখুৱাবলৈ অথবা সন্তানে অমুক বিষয়ত পঢ়া বুলি জাহিৰ কৰিবলৈ বলপূৰ্বক জাপি দিয়ে। ফলত পৰৱৰ্তী সময়ত কাংক্ষিত ফলাফল লাভ কৰিব নোৱাৰে। বহুতৰে কেৰিয়াৰ নিঃশেষ হোৱাও দেখা যায়।

# জাপি উদ্যোগৰ প্ৰসাৰ হওক

অসমৰ প্ৰায়কেইখন জিলাতে কম-বেছি পৰিমাণে জাপি প্ৰস্তুত কৰা হয়। এই কামৰ স'তে কে'বা হেজাৰ লোক জড়িত হৈ আছে। পৰম্পৰাগতভাৱে এইসকল লোকে জাপি প্ৰস্তুত কৰি পৰিয়ালক পোহপাল দি আহিছে। আৰ্থিক দীনতাৰ মাজতো কিন্তু জাপি প্ৰস্তুত কৰিবলৈ এৰি নিদিয়া লোকসকলৰ বিষয়ে ভাবিবলৈ কাৰোৰে আহৰি নাই। এই জাপি উদ্যোগটোৰ ক্ষেত্ৰত যদি চৰকাৰে গুৰুত্ব আৰোপ কৰিলেহেঁতেন তেনেহ'লে আজি অসমৰ জাপিয়ে বিশ্বদৰবাৰত এখন সুকীয়া আসন লাভ কৰিবলৈ সক্ষম হ'লহেঁতেন। সম্প্ৰতি জাপিয়ে যি সমাদৰ লাভ কৰিছে তাৰ মূলতে হ'ল কেইগৰাকীমান শিল্পীৰ আশাশুধীয়া প্ৰচেষ্টাৰ ফল।

বিশ্বদৰবাৰত জাপিৰ গুৰুত্ব আছে। ইয়াৰ চাহিদাও আছে। কিন্তু ৰঙীন জাপিবিধক আমি কেৱল বিহু হুঁচৰিৰ মাজতেই আবদ্ধ কৰি ৰাখিছো। চীন, জাপান আদি দেশত যিবোৰ জাপি প্ৰস্তুত কৰা হয়, সেইবোৰৰ তুলনাত আমাৰ বিহুৱাৰ জাপিটো কোনোগুণে কম নহয়। কেৱল উপস্থাপনৰ ক্ষেত্ৰত আমি বহুখিনি পিছপৰি আছো। জাপান, চীন আদি দেশে সুন্দৰ উপস্থাপনেৰে তেওঁলোকৰ উৎপাদিত সামগ্ৰী আমাৰ বজাৰত বিক্ৰী কৰিছে। অথচ এনে

সামজ্ঞীতকৈ বহু উন্নতমানৰ জাপি আমাৰ থলুৱা শিল্পীসকলে প্ৰস্তুত কৰি আছে। দৰাচলতে আমি আমাৰ জাপিৰ চাহিদা থকা সত্বেও এখন উপযুক্ত বজাৰৰ সৃষ্টি কৰিব পৰা নাই। এখন বহল বজাৰৰ সম্ভাৱনা থকা সত্বেও আমি পিচপৰি আছো। চৰাচলতে এইক্ষেত্ৰত চৰকাৰ তথা সংশ্লিষ্ট বিভাগসমূহে যথোচিত পদক্ষেপ গ্ৰহণ কৰা নাই। জাপি প্ৰস্তুত কৰাসকলক কেৱল 'বনুৱা' বুলি ভবাৰ মানসিকতাৰ সলনি হোৱা নাই। অথচ এনে শিল্পীয়ে প্ৰস্তুত কৰা জাপি সভা-সমিতি, উৎসৱ-পাৰ্বণ আদিত ব্যৱহাৰ কৰি সকলোৱে বাঃ বাঃ লয়।

জাপিৰ বজাৰ এখনৰ সম্প্ৰসাৰণৰ পূৰ্বে ইয়াৰ সম্ভাৱনীয়তা সম্পৰ্কে অধ্যয়নৰ প্ৰয়োজন আছে। ভৱিষ্যতে শিল্পীসকলে কেনেদৰে উৎপাদিত সামগ্ৰী বিক্ৰী কৰিব, তাৰ পৰা ভবিষ্যতে কেনেধৰণৰ ফলাফল আশা কৰিব পাৰি, ইয়াৰ উৎপাদনক লৈ গৱেষণা ইত্যাদি বিষয়ৰ গুৰুত্ব প্ৰদান কৰিব লাগিব। জাপিটোক কেৱল আমি পাত আৰু ৰঙীন কাগজৰ সমষ্টি বুলি ভাবিলেই নহঅব। ইয়াৰ সৃষ্টিৰ আঁৰত আছে জ্যামিতি। এই জ্যামিতিৰ সূত্ৰৰ আঁত ধৰিয়ে জাপি প্ৰস্তুত কৰা হয়। বহুতৰে মনত ভ্ৰান্ত ধাৰণা আছে যে এনেধৰণৰ জাপিৰ আন দেশত চাহিদা নাই। দৰাচলতে ইয়াৰ সম্ভাৱনীয় বজাৰখনৰ বিষয়ে বৰ্তমানলৈকে কোনোধৰণৰ অধ্যয়ন কৰাই হোৱা নাই। চৰকাৰে এনে শিল্পীসকলৰ বাবে যদি এখন বিশেষ আঁচনি প্ৰস্তুত কৰে তেনেহ'লে নিশ্চয় ইয়াৰ পৰা সুফল পোৱা যাব। জাপি প্ৰস্তুত কৰিবলৈ ঠায়ে ঠায়ে যদি একো একোটা উদ্যাগ প্ৰতিষ্ঠা কৰা হয় তেন্তে তাৰ পৰা বহুখিনি উপকৃত হ'ব শিল্পীসকল। সমান্তৰালভাৱে নিবনুৱা সমস্যা সমাধানতো সহায়ক হ'ব। সম্প্ৰতি ৰাজ্যখনত নিবনুৱা সমস্যাই যি ভয়াৱহ ৰূপ ধাৰণ কৰিছে। সেই সমস্যা সমাধানতো কিছুপৰিমাণে হ'লেও সহায়ক হ'ব। এনেধৰণৰ উদ্যোগ প্ৰতিষ্ঠাৰ জৰিয়তে ঠায়ে ঠায়ে ইয়াৰ উৎপাদনৰ লগতে গুণগত মানো উন্নত কৰিব পৰা যাব। শিল্পীসকল একগোট হোৱাৰো সুযোগ পাব। সেইবাবে চৰকাৰে এনে উদ্যোগ প্ৰতিষ্ঠাৰ বাবে শীঘ্ৰে আঁচনি এখন প্ৰস্তুত কৰ উচিত। অসমৰ জাপিটো এদিন বিশ্বদৰবাৰত প্ৰতিষ্ঠা হ'লে বজাৰখন আপোনা-আপুনি বৃদ্ধি পাব। তেতিয়া শিল্পীসকলৰ আৰ্থিক দুৰ্বলতাও নাথাকিব।

# মৰীচিকা

মৰুভূমিত মৰীচিকা খেদি ফুৰা লোকসকলৰ শেষ পৰিণতি কি হয়? পানী বিচাৰি বিচাৰি মৰীচিকাৰ পাচে পাচে ঘূৰি ফুৰোতে তৃষ্ণাতুৰ পথিকে মৃত্যুৰ কোলাত ঢলি পৰিব লাগে। সন্মুখত দেখিছে অথচ অস্পষ্ট ৰূপত ধৰা দিছে। প্ৰাণ ৰক্ষাৰ বাবে পানী টোপাল সন্মুখত পায়ো হেৰুওৱাৰ বেদনা কিমান অসহনীয় সেয়া তৃষ্ণাতুৰ পথিকৰ বাহিৰে আনে উপলব্ধি কৰিব নোৱাৰিব। পানী, অথচ খাব নোৱাৰে। দৰাচলতে মৰীচিকা হ'ল অৱচেতন মনৰ এটা ভ্ৰান্ত ধাৰণা। এনে ধাৰণাৰ বশৱৰ্তী হৈ যদি কোনোবাই সন্মুখৰ ফালে খোজ দিয়ে তেনেহ'লে সেয়া জীৱনৰ এটা ভুল সিদ্ধান্ত ল'লে। কোনে কেতিয়া, কেনেদৰে মৰীচিকাৰ পাচে পাচে ঘূৰি ফুৰিবলগীয়া হয় সেয়া কোনোৱে আগতীয়াকৈ অনুমান কৰিব নোৱাৰে।

প্ৰত্যেকেই জীৱনত কোনোবা নহয় কোনোবা এটি ক্ষণত মৰীচিকাৰ চিকাৰ হ'বই। মৰীচিকাৰ কোনো নিৰ্দিষ্ট সংজ্ঞা নাই। সেইবাবে প্ৰত্যেকৰে জীৱনত ই ভিন্ন ৰূপত প্ৰতিফলিত হয়। মৰীচিকাৰ টৌবোৰ কেনেদৰে সোমাই

পৰে সেয়া ইয়াৰ চিকাৰ হোৱাজনৰ বাহিৰে আনে বুজিব নোৱাৰে। অৱশ্যে এটা কথা ঠিক যে যদিহে কোনোবাই মৰীচিকাৰ পৰা উদ্ধাৰ হ'ব পাৰিছে, তেন্তে তেওঁ পুনৰ তেনে কাম নকৰে। মৰীচিকাই কাকো খেদি নুফুৰে। মানুহে মৰীচিকাৰ পাচে পাচেহে খেদি ফুৰে। সন্মুখত বিপদ অৱশ্যম্ভাৱী বুলিও সেই বিপদৰ পাচে পাচেহে খেদি ফুৰে। দৰাচলতে জীৱনটোৱে হ'ল মৰীচিকা। পোৱা-নোপোৱা, পায়ো হেৰুওৱা আদি সকলোবোৰ মৰীচিকা নহয় জানো? মৰীচিকাই জীৱন নগঢ়ে, জীৱনৰ ছন্দহে হেৰাই পেলায়। জীৱনৰ গতিপথ সলনি কৰে। জীৱনলৈ নমাই আনে অমানিশা দিক্‌ভ্ৰান্ত হৈ অনাই-বনাই ঘূৰি ফুৰে। স্বাৰ্থ সিদ্ধিৰ বাবে সকলো কৰিব খোজে যদিও সময়ত পিছলি পৰে। তেতিয়া কিন্তু তেনে ব্যক্তিক ধৰিবলৈ কোনোৱে আগবাঢ়ি নাহে। বহুতে আকৌ গমকে নাপায়। সি যি নহওক, মৰীচিকাই মানুহৰ পাচে পাচে খেদি নুফুৰে। বৰং মানুহেহে মৰীচিকাৰ পিচে পিচে ঘূৰি ফুৰে।

মৰীচিকাই কাৰো জীৱনত একো প্ৰভাৱ পেলাব নোৱাৰে বুলি কঅলে ভুল হ'ব। কিয়নো মৰীচিকাৰ পাচে পাচে ঘূৰি ফুৰিলে জীৱনত কেৱল শূন্যতাইহে বিৰাজ কৰিব। মৰীচিকাৰ পৰা সকলোৱে হাত সাৰি থাকিব পাৰে বুলি ক'লৈও ভুল হ'ব। কেতিয়া, কেনেকৈ মৰীচিকাৰ চিকাৰ হয় বা হ'ব সেয়া কোনোৱে ভৱিষ্যদ্বাণী কৰিব নোৱাৰে। মৰীচিকাই কাৰো জীৱন ধ্বংস কৰে বুলি কৰিব নোৱাৰে। মাথোঁ পাকচক্ৰত পৰিহে এনে পৰিস্থিতিৰ সৃষ্টি হয়। মৰীচিকা নিজে সৃষ্টি কৰা পৰিস্থিতি নহয়। আপোনা-আপুনি সৃষ্টি হ'বলৈ ধৰে। মৰীচিকা মৰুভূমিতহে সৃষ্টি হয়। কিন্তু তদ্ৰূপ ঘটনা আমাৰ জীৱন-প্ৰবাহতো সংঘটিত হোৱা দেখা যায়। কোনোৱে ক'ব নোৱাৰে যে জীৱনত মৰীচিকাৰ সন্মুখীন নহ'ব। ই দৰাচলতে সম্পূৰ্ণৰূপে এক ভ্ৰান্ত ধাৰণা বুলিও ভবা অনুচিত।

# সাম্প্ৰতিক পৰিস্থিতিত বিষ্ণু ৰাভাৰ প্ৰাসংগিকতা

কলাগুৰু বিষ্ণু ৰাভাৰ অনবদ্য অৱদান সদাস্বীকৃত। যেতিয়ালৈকে অসমীয়া জাতি থাকিব, যেতিয়ালৈ অসমীয়া সংস্কৃতি থাকিব তেতিয়ালৈকে কলাগুৰুৰ অৱদান জাকত জিলিকি থাকিব। যেতিয়াৰে পৰাই বিপ্লৱী সত্তা বিষ্ণু ৰাভাৰ মনত জাগ্ৰত হৈছিল দৰাচলতে তেতিয়াৰে পৰাই প্ৰতিগৰাকী অসমীয়াৰ মনত তেওঁ বিশেষধৰণে স্থান লাভ কৰে। শোষিত, নিষ্পেষিত জনগণৰ বাবে জীৱনৰ অধিকাংশ সময় অতিবাহিত কৰা বিষ্ণু ৰাভাই ৰাষ্ট্ৰযন্ত্ৰৰ চকুত ধূলি দি পলাই থাকিবলগীয়া হৈছিল। জমিদাৰৰ পৰিয়ালৰ সন্তান এজনে এনেদৰে দিন-ৰাতি একাকাৰ কৰি চলাই থাকিবলগা হোৱাতো অবিশ্বাস্য যেনেই লাগে। কিন্তু জমিদাৰৰ পৰিয়ালৰ হ'লেও ৰাভাই সদায় শোষিতৰ বাবেহে যুঁজ দিছিল। কৃষকসকল অতীতৰে পৰাই শোষণৰ বলি হৈ আহিছে। অতীতত জমিদাৰ, মৌজাদাৰ, মহাজনৰ বলি হৈ কঁকাল আজিলৈকে পোনাব পৰা নাই। আজিও কৃষকৰ সেই একেখন ছবিয়েই ফুটি উঠে। দিনৰ দিনটো হাড়ভঙা শ্ৰম কৰিও নিশা ভালদৰে এমুঠি খোৱাৰ সামৰ্থ্য নাই।

কৃষকৰ আত্মহত্যাৰ ঘটনা এতিয়া তেনেই সহজ ঘটনাৰ দৰে হৈ পৰিছে। কিছুদিন পূৰ্বে মৰিগাঁৱত এজন কৃষকে বেংকৰ পৰা ঋণ লৈ খেতি কৰি সুফল নোপোৱাত ঋণৰ বোজা অসহনীয় হৈ পৰে। আশা কৰামতে ফচল নোপোৱাত হতাশাত ভোগে। কেনেকৈ বেংকৰ ঋণ পৰিশোধ কৰিব? এই প্ৰশ্নই বাৰে

বাবে জুৰুলা কৰিলে কৃষকজনক। এফালে দীনতা আৰু আনফালে ঋণৰ বোজা। পৰিয়ালটোক ভালদৰে পোহপাল দিব নোৱাৰাৰ মনোবেদনা কেনে হ'ব পাৰে সেয়া আনে কিদৰে উপলব্ধি কৰিব পাৰিব। সেয়েহে কৃষকজনে উপায়ান্তৰ হৈ আত্মহত্যাৰ পথ বাচি ল'লে। ৰাজ্যখনত ইতিমধ্যে কে'বাজনো কৃষকে আত্মহত্যা কৰিছে। প্ৰত্যক্ষ অথবা পৰোক্ষভাৱেই হওক সকলোৱে শোষণৰ বলি হৈছে। যদিও জমিদাৰী প্ৰথা নাই, তথাপি জুৰুলা হৈ পৰিছে কৃষক। আজি প্ৰায়ভাগ কৃষকৰ খেতিপথাৰত বণিক শ্ৰেণীৰ হাতোৰা। কৃষিভূমি লৈ উদ্যোগস্থলী বা কেন্দ্ৰ হ'ল। কিছুমান ঠাইত হেজাৰ হেজাৰ বিঘা কৃষিভূমি বণিক শ্ৰেণীটোৱে নিজৰ নামত ক্ৰয় কৰিছে। কম দামতে কৃষকৰ মাটি হস্তগত কৰিবলৈ কুণ্ঠাবোধ কৰা নাই। দালাল শ্ৰেণীৰদ্বাৰা কম মূল্যতে মাটি কিনিবলৈ উঠি-পৰি লাগিছে। আনহাতে বিভিন্ন পৰিস্থিতিৰ সন্মুখীন হৈ কৃষকেও নিজৰ মাটিডৰা বিক্ৰী কৰিবলৈ বাধ্য হৈছে।

বনাঞ্চলৰ সংকোচন, কৃষিভূমিত বেদখল তথা উৰ্বৰা শক্তি হ্ৰাস পোৱাৰ প্ৰত্যক্ষ প্ৰভাৱ কৃষকৰ ওপৰতেই পৰে। মাধমাৰটো খোৱাৰ পাচতো তেওঁলোকৰ উপায় নাই। সেয়েহে কাৰোবাৰ সহায় পালেই প্ৰতিবাদ কৰিবলৈ ৰাজপথলৈ ওলাই আহে। পানীত ককবকাই থকা লোক এজনে যিদৰে এডাল নল পালেই আশ্ৰয় ল'ব খোজে, তেনেকৈ কৃষকসকলেও কাৰোবাৰ নেতৃত্বত ওলাই আহি প্ৰতিবাদ সাব্যস্ত কৰিব খোজে। আজিৰ পৰা কে'বাদশক পূৰ্বে বিষ্ণু ৰাভাই কোৱা কথাবোৰৰ এতিয়াও একেই মূল্য হৈ আছে। কৃষকসকলে বিষ্ণু ৰাভাক কোনোদিনেই মানসপটৰ পৰা উলিয়াই দিব নোৱাৰে। কৃষকৰ তেজত প্ৰবাহিত হৈ আছে বিষ্ণু ৰাভাৰ আদৰ্শ। আমাৰ সমাজত আৰু এজন বিষ্ণু ৰাভাৰ প্ৰয়োজন। ক্ৰমাৎ ধ্বংসমুখী অসমীয়া সংস্কৃতিক পুনৰ শক্তিশালী ৰূপত দাঙি ধৰি বিশ্ব দৰবাৰলৈ আগুৱাই নিবলৈ প্ৰয়োজন হৈ পৰিছে। বিষ্ণু ৰাভাক আমি কেৱল শিল্পীৰূপে স্বীকৃতি প্ৰদান কৰিলেই নহ'ব। এগৰাকী জনগণৰ মংগলৰ বাবে জীৱন উৎসৰ্গা কৰা বিপ্লৱী হিচাপেও প্ৰতিষ্ঠা কৰিব লাগিব। অৱশ্যে বৰ্তমানৰ বিপ্লৱীসকলতকৈ তেওঁৰ দৃষ্টিভংগী আছিল সুকীয়া। সেইবাবে আমি কেতিয়াও আৰু এজন বিষ্ণু ৰাভা নাপাওঁ। তথাপি এইগৰাকী বিপ্লৱীৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ কৃষকক শোষণৰ পৰা মুক্ত কৰিব পাৰো।

# জীৱনৰ মূল্যবোধ

এগৰাকী ব্যক্তিৰ জীৱন আৰম্ভ হয় মাতৃগৰ্ভত ভ্ৰূণ সৃষ্টিৰ সময়ত। মাতৃগৰ্ভত দহ মাহ দহ দিন থাকি বিনন্দীয়া সৃষ্টি দেখিবলৈ পায়। ভূমিষ্ঠ হোৱাৰ পাচতেই অনুভূতিয়ে ক্ৰিয়া কৰে। লাহে লাহে এটি-দুটি মাত ফুটিবলৈ ধৰে। ভাব বিনিময় হয়। পঢ়া অৱস্থাত শিশুটি কেৱল পঢ়া, খেলা-ধূলাতে ব্যস্ত থাকে। বহিঃজগতখনৰ স'তে বিশেষ সম্পৰ্ক নাৰাখে। প্ৰয়োজনো নাই। যিমানেই বয়স বৃদ্ধি হৈ থাকে সিমানেই প্ৰয়োজনো বৃদ্ধি হৈ থাকে। জীৱনৰ প্ৰতিটো স্তৰতে প্ৰয়োজন হয় ভিন্ন। শিশু এটিক জীয়াই থাকিবলৈ প্ৰয়োজন মাতৃদুগ্ধৰ। ইয়াৰ পাচতে পঢ়া-শুনাৰ বাবে পাঠ্যপুথিৰ। লাহে লাহে শিশুটি ডাঙৰ হৈ যেতিয়া মহাবিদ্যালয় অথবা বিশ্ববিদ্যালয়ৰ ডেওনা পাৰ হয় তেতিয়াই অৰ্থোপাৰ্জনৰ চিন্তাই গা কৰি উঠে। কাৰণ অৰ্থই হ'ল উন্নতিৰ চাবি-কাঠী। যিমানেই বুদ্ধি-বৃত্তি নাথাকক কিয় যদিহে অৰ্থ নাথাকে তেনেহ'লে জীৱনটো উপভোগ কৰিব নোৱাৰি। বহুতে ক'ব খোজে যে জীৱনত সুখৰ ক্ষেত্ৰত অৰ্থই বিশেষ ভূমিকা গ্ৰহণ নকৰে। এটা দৃষ্টিকোণৰ পৰা সুখ থাকিব পাৰে। কিয়নো, ৰাজ অট্টালিকাত থকা লোকতকৈ ভগা চালিৰ তলতো বহুতেই সুখে-সন্তোষে আছে। কিন্তু তেওঁলোকৰ জীৱন কিমান দিবলৈ এই সুখ থাকে। বিত্তৱান লোকৰ মনতো বিভিন্ন কাৰণত দুখ থাকে। জীৱনটোৱে সুখ-দুখৰ সমষ্টি। এই সুখ-দুখৰ স'তেই জড়িত হৈ আছে জীৱনৰ মূল্যবোধ।

জীৱনৰ মূল্যবোধ —এই বাক্যটোৱে সকলোৱে আকৰ্ষণ কৰে। কাৰণ মূল্যবোধ অবিহনে জীৱন অসম্পূৰ্ণ। মূল্যবোধেৰেই জীৱনৰ মাপকাঠী জোখা হয়। এইখিনিতে মনত এটি প্ৰশ্ন উদয় হয়— জীৱনৰ মূল্যবোধৰ সংজ্ঞা কি? দৰাচলতে জীৱনৰ মূল্যবোধ শব্দটোৰ পৰিসৰ কিমান? আমি বাস্তৱ জীৱনত শব্দটো ব্যাপক অৰ্থত ব্যৱহাৰ কৰিছে নে নাই? আমি সততে কৈ থাকো মূল্যবোধৰ কথা। মূল্যবোধক কোনো তুলাচনীতে জুখিব নোৱাৰি। জীৱনৰ প্ৰতিটো খোজতে মূল্যবোধ সাঙোৰ খাই আছে। সহজ অৰ্থত ক'বলৈ হ'লে মূল্যবোধ নাথাকিলে এই পৃথিৱীত জীয়াই থাকিব নোৱাৰে। এনেদৰে জীয়াই থকা আৰু নথকাৰ মাজত বিশেষ পাৰ্থক্য নাথাকে। এনে লোকে সমাজত মূৰ দাঙি থিয় দিব নোৱাৰে। সমাজত এনে লোকসকলৰ কোনো বাস্তৱ মূল্য নাথাকে। এওঁলোকৰ বাবে জীৱনত জয়-পৰাজয় একে।

জীৱনৰ মূল্যবোধ এক হৃদয়ৰ পৰা অনুভূত বিষয়। এইক্ষেত্ৰত কোনো নিৰ্দিষ্ট সীমা নাই। নাই কোনো সৰ্বসন্মত সংজ্ঞা। এজনৰ বাবে মূল্যবোধ যেনেধৰণৰ হ'ব পাৰে আন এজনৰ বাবে আকৌ নহ'বও পাৰে। প্ৰত্যেকৰে বাবে ই এক পৃথক বিষয়। কথাতে কয় বোলে ধনাটোৰেপতি কণটো, মানুহটোৰেপতি মনটো। এটাৰ দৃষ্টিভংগী আনটোৰ স'তে নিমিলাটোৱে স্বাভাৱিক কথা।

স্বাভাৱিকতে মনত এটি প্ৰশ্নৰ উদয় হয়— মূল্যবোধে এজন লোকক কি দিয়ে? জীৱনটো আগুৱাই নিয়াত কিমানখিনি সহায় কৰে। জীৱনৰ গতিপথ সলনি কৰিব পাৰে নে নোৱাৰে? এনেবোৰ প্ৰশ্নৰ উত্তৰ কিন্তু ইতিবাচক। মূল্যবোধে এজন লোকক সকলো বিষয় উপলব্ধি কৰাত সহায় কৰিবই। বোধশক্তি থকা বাবে আজি মানুহ আন জীৱ-জন্তুতকৈ উন্নত বুলি দাবী কৰিব পাৰিছে। বান্দৰৰ বুদ্ধি কম নহয়। কিন্তু সিহঁতৰ বোধশক্তি নাই বাবে মানুহতকৈ উন্নত হ'ব নোৱাৰে। গতিকে যিসকল লোকৰ সুস্থ চিন্তা-চৰ্চা আছে আৰু সদায় এটা ইতিবাচক দিশৰ ফালেহে আগুৱাই গৈ থাকে তেওঁলোকেহে জীৱনৰ মূল্যবোধ সম্পৰ্কে ভালদৰে উপলব্ধি কৰিব পাৰে। যিসকলে উপলব্ধি কৰিব পাৰে যে অতীতৰ ভেটিত বৰ্তমান গঢ়ি উঠে আৰু ভৱিষ্যতৰ ভেটি হ'ল বৰ্তমান তেওঁলোকেহে জীৱনৰ মূল্যবোধৰ প্ৰকৃত অৰ্থ লাভ কৰে বা বিচাৰি পায়।

# সহানুভূতি

প্ৰত্যেক লোককে জীয়াই থকাৰ বাবে প্ৰয়োজন অন্ন, বস্ত্ৰ আৰু বাসস্থানৰ। এইকেইটা মৌলিক উপাদান। এইবোৰৰ উপৰি কেতিয়াবা কেতিয়াবা আন উপাদানৰো প্ৰয়োজন। সহানুভূতি হ'ল এনে উপাদানৰ অন্যতম। পৃথিৱীত কোনো মানুহেই সম্পূৰ্ণ নহয়। এজনৰ যদি কিবা বিশেষ গুণ আছে, আন এজন আকৌ বেলেগ গুণ থকা পৰিলক্ষিত হয়। জীৱনৰ প্ৰতিটো খোজতে জড়িত হৈ থাকে জয়-পৰাজয়। এটা খোজত যদি জয়, আনটো খোজত পৰাজিত হোৱাৰ শংকা থাকে। কেতিয়াবা সুখ, কেতিয়াবা দুখ। সুখ-দুখৰ সমষ্টিয়ে মানৱ জীৱন। সুখৰ সংগী বেছি যদিও দুখৰ সময়ত কমসংখ্যক লোকেহে সহযোগিতা আগবঢ়ায়। আনহাতে জীৱন যুঁজত জয়ী হ'ব খুজিলেও কিছুমান লোকে শাৰীৰিক-মানসিকভাৱে হ'ব নোৱাৰে। এনে লোকৰ ক্ষেত্ৰত অন্ন, বস্তু, বাসস্থানেই জীয়াই থকাৰ উপাদান নহয়। এনেধৰণৰ লোকসকলৰ বাবে প্ৰয়োজন সহানুভূতিৰ।

সহানুভূতি হ'ল এক আৱেগসৰ্বস্ব বিষয়। যিসকল লোকৰ হৃদয় কঠিন শিলৰ দৰে তেওঁলোকৰ মনত এনেধৰণৰ সহানুভূতিৰ উদ্ৰেক নহয়। স্বাৰ্থপৰ

লোকসকলো সহানুভূতিশীল হ'ব নোৱাৰে। সহানুভূতি বিষয়টো যিহেতু সম্পূৰ্ণৰূপে আৱেগৰ স'তে জড়িত, সেয়েহে আৱেগপ্ৰৱণ লোকসকলহে বেছি সহানুভূতিশীল হোৱা দেখা যায়। আৱেগ মানুহৰ সহজাত প্ৰবৃত্তি । সেয়েহে সহানুভূতিও নিজৰ অজ্ঞাতেই সৃষ্টি হয়। কিন্তু কিছুমান কাৰণত বিশেষকৈ পৰিৱেশৰ বাবে এনে প্ৰবৃত্তি সুপ্ত হৈ থাকে। এইখিনিতে উল্লেখ কৰিব পাৰি যে প্ৰবৃত্তিসমূহে তেতিয়াহে সম্পূৰ্ণৰূপে ক্ৰিয়া কৰে যেতিয়া ই এখন উপযুক্ত ক্ষেত্ৰ লাভ কৰে। ঘৰখনৰ পৰিৱেশ, সমাজখনৰ পৰিৱেশ আদি ইয়াৰ স'তে সাঙোৰ খাই আছে। কেতিয়াবা কিছুমান মানুহক দেখিলে মনটোত আপোনা-আপুনি কিবা এটাই ক্ৰিয়া কৰে। কাৰোবাক দেখিলে দুচকুৰ পৰা ধাৰাসাৰে চকুলো নিগৰে। কিছুমানক দেখিলে সহায় কৰিবলৈ মন যায়। দৰাচলতে এয়াই হ'ল সহানুভূতিৰ বহিৰ্প্ৰকাশ। কোনোবা এজনক দেখিলে সহায় কৰা, কাৰোবাৰ স'তে বেছি সময় কথা পাতি দুখবোৰ পাতলাবলৈ চেষ্টা কৰা আদিও সহানুভূতিৰেই অংগ।

কোনো লোককে বলপূৰ্বক সহানুভূতিশীল কৰিব নোৱাৰি। নতুবা ই আনক দেখি সৃষ্টি হোৱা বিষয়ো নহয়। সহানুভূতিৰ মনৰ স'তে ওতপ্ৰোত সম্পৰ্ক আছে। সেয়েহে এটাক বাদ দি আনটো অৰ্থহীন। যিসকল লোক শাৰীৰিকভাৱে অথবা মানসিকভাৱে দুৰ্বল, তেনে লোকৰ প্ৰতি সকলোৰে সহানুভূতিশীল হোৱা উচিত। কাৰণ এনে সহানুভূতিয়ে তেওঁলোকক জীয়াই থকাৰ প্ৰেৰণা যোগায়। জীৱন যুঁজত হাৰিবলৈ ধৰাজনকো জীয়াই থকাৰ চালিকাশক্তি যোগায়। সাৰ-পানী নাপায় মৰহিব ধৰা এজোপা গছক পানী যোগালে ই ঠন ধৰি উঠে। ফুল ফুলে, ফল দিয়ে। সাৰ-পানী নাপালে মৰি যায়। একেদৰে এজন অসহায় লোকক যদি সহানুভূতিৰে সকলো দিশতে সহায় কৰা হয় তেতিয়াহ'লে তেওঁ জীৱন যুঁজত আগবাঢ়ি যাবলৈ সক্ষম হ'ব। সহানুভূতিয়ে প্ৰাণ দিয়ে। কৰ্মঠ হ'বলৈ প্ৰেৰণা যোগায়। সপোনৰ ৰাজ্যৰ পৰা বাস্তৱৰ মাজলৈ আনে। চৌদিশে বিচাৰি পায় পোহৰ। জীৱনৰ বেছিভাগ সময় এন্ধাৰত খেতিয়াই ফুৰাজনেও পোহৰৰ ৰেঙনি দেখা পায়। জীয়াই থকাৰ আশাৰ সঞ্চাৰ ঘটে। এয়াই প্ৰেৰণা। এয়াই সহানুভূতি।

# প্ৰত্যাহ্বান

মানৱ জীৱনৰ এক পৰিচিত শব্দ— প্ৰত্যাহ্বান। প্ৰত্যেকৰে জীৱনত ছাঁটোৰ দৰে লাগি থাকে এই শব্দটো। দৰাচলতে দৈনন্দিন জীৱন যাপনত সন্মুখিত হোৱা ঘটনাপ্ৰবাহৰ স'তে এই শব্দটো জড়িত। প্ৰতিটো খোজতেই যেন প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব লাগে। আকৌ প্ৰতিষ্ঠা লাভৰ ক্ষেত্ৰত। আমি যদি প্ৰতিগৰাকী সফল ব্যক্তিৰ জীৱনৰ ঘটনাপ্ৰবাহ বিশ্লেষণ কৰো তেনেহ'লে তেওঁলোকে সফলতাৰ সেন্দূৰীয়া বাটত খোজ পেলোৱাৰ পূৰ্বে প্ৰতিটো খোজতে প্ৰত্যাহ্বানৰ সন্মুখীন হোৱা পৰিলক্ষিত হয়। তেওঁলোকৰ কৰ্মৰাজিৰ পৰা এটা কথা স্পষ্ট হৈ পৰে প্ৰত্যাহ্বান আৰু সাফল্য এটা মুদ্ৰাৰ ইপিঠি-সিপিঠি। প্ৰত্যাহ্বান নাথাকিলে সাফল্যৰ পথ মুকলি নহয়।

প্ৰত্যাহ্বান সেইসকলেহে নেওচিব পাৰে যিসকল মানসিকভাৱে সুদৃঢ়। কৰ্মক্ষেত্ৰত পলায়নবাদী মানসিকতা গ্ৰহণ নকৰে। পলায়নবাদী মানসিকতাৰ লোকসকল অধিক সন্দেহবাদী। তেওঁলোকে জীৱন যুঁজত কাকোৰেই বিশ্বাস নকৰে। এনে লোকৰ দৃষ্টি সন্মুখৰ ফালে নহয়, বিপৰীত দিশতহে। প্ৰতিটো ক্ষেত্ৰতে নেতিবাচক ছবি এখনহে দেখিবলৈ পায়। অতীতৰ ঘটনাপ্ৰবাহৰ ওপৰত বিশ্লেষণ কৰি বৰ্তমানৰ ভেটি গঢ়িব খোজে। কিন্তু তেওঁলোকে এইটো কথা উপলব্ধি কৰিব নোৱাৰে যে ভৱিষ্যতৰ কথা চিন্তা কৰি বৰ্তমানৰ ভেটি গঢ়িলেহে জীৱন সুৰক্ষিত হ'ব। অতীতত সংঘটিত হোৱা ঘটনাপ্ৰবাহৰ স'তে ভৱিষ্যতৰ ঘটনাৰ মাজত সামঞ্জস্য নাথাকে। কাৰণ ভবিষ্যৎ অনিশ্চিত। ভৱিষ্যতে কি হওব সেই সম্পৰ্কে কোনোৱে অনুমান কৰিব নোৱাৰে। সন্মুখত কি ঘটিব তাকে লৈ মূৰ ঘমোৱাৰ প্ৰয়োজন নাই। মাথোঁ সন্মুখত যি ঘটিব

সেয়া প্ৰত্যাহ্বান হিচাপে গ্ৰহণ কৰিবলৈহে সাজু হৈ থকা উচিত। তেতিয়াহে জীৱনটো কি, জীয়াই থকাৰ আনন্দ উপভোগ কৰিব পাৰি। পৃথিৱীত কোনো লোকেই ন দি ক'ব নোৱাৰে যে তেওঁ জীৱনত এবাৰ হ'লেও প্ৰত্যাহ্বানৰ সন্মুখীন নোহোৱাকৈ আছে। জীৱন থাকিলে প্ৰত্যাহ্বান থাকিব।

পৃথিৱীৰ কোনো কামেই উজু নহয়। এটা কাম এজনৰ বাবে যদি উজু হয় আন এজনৰ বাবে আকৌ একেটা কামেই কঠিন হ'ব পাৰে। কঠিন মানে প্ৰত্যাহ্বান। কাৰণ তেওঁ সেই কামটো সম্পাদন কৰিবলৈ হ'লে আনতকৈ অলপ হ'লেও বেছি পৰিশ্ৰম কৰিব লাগিব। গিৰিৰাজ হিমালয় বগোৱা এসময়ত আছিল মানৱ জাতিৰ বাবে প্ৰত্যাহ্বান। কিন্তু টেনজিং নৰ্কেই সেই কাৰ্য উজু বুলি প্ৰমাণ কৰি দেখুৱালে। অন্ধয়ো এতিয়া হিমালয় শৃংগত খোজ পেলালে। কোনো এটা কাম যেতিয়া সম্পাদন কৰা হয় তেতিয়া তাৰ পৰা লাভ কৰাৰ যি আনন্দ কোনো মূল্যৰে জুখিব নোৱাৰি। পৃথিৱীৰ সবাতোকৈ শীতল মহাদেশ এণ্টাৰ্কটিকাত খোজ পেলোৱাৰ পূৰ্বে তাত কি আছিল সেই বিষয়ে জনাটো মানৱ জাতিৰ বাবে সম্ভৱ হোৱা নাছিল। প্ৰচণ্ড শীতৰ প্ৰতিকূল বতৰকো নেওচি যেতিয়া মানৱে এণ্টাৰ্কটিকাত খোজ পেলাবলৈ সক্ষম হ'ল এতিয়া আৰু সেই কাৰ্য আমাৰ বাবে প্ৰত্যাহ্বান হৈ থকা নাই।

জীৱন যুঁজত মহামানৱ মহাত্মা গান্ধী, মাৰ্টিন লুথাৰ, মাও চে ডুং, ছেগুৱেভাৰাই যি সাফল্য অৰ্জন কৰিছিল তাৰ মূলতে আছিল তেওঁলোকৰ দৃঢ় মানসিকতা। প্ৰত্যাহ্বান আৰু মনৰ মাজত ওতপ্ৰোত সম্পৰ্ক আছে। যেতিয়া দুয়োটাৰ মাজত ভাৰসাম্য ৰক্ষা হয় তেতিয়া সন্মুখত পৰি থকা প্ৰকাণ্ড শিল এটাও খেৰ-কুটা হৈ পৰে। দৰাচলতে কোনো এটা বিষয় সম্পৰ্কে কোনে কি দৃষ্টিভংগীৰে গ্ৰহণ কৰে সেয়াও এক গুৰুত্বপূৰ্ণ বিষয়। ইতিবাচক মনোভাবেৰে আগবাঢ়িলে কঠিন কাম এটাও উজু হৈ পৰে। আমি প্ৰত্যেকেই প্ৰতিটো ক্ষেত্ৰতে প্ৰত্যাহ্বানৰ সন্মুখীন হ'লেও কিন্তু সেই বিষয়ে গুৰত্ব নিদিওঁ। কাৰণ ছাঁটোক যিদৰে আমাৰ শৰীৰৰ পৰা পৃথক কৰিব নোৱাৰো, একেদৰে প্ৰত্যাহ্বানৰ পৰা সম্পূৰ্ণৰূপে আঁতৰি থকাটো অসম্ভৱ। যিবোৰ বিষয় জীৱনৰ প্ৰতিটো ক্ষেত্ৰতে জড়িত হৈ থাকে তাকে লৈ অনবৰতে ব্যস্ত নাথাকে। হৈ আছে আৰু হৈয়ে থাকিব। ভৱিষ্যতক লৈহে প্ৰত্যাহ্বানৰ সৃষ্টি হয়, অতীতক সুঁৱৰি নহয়।

# আত্মবিশ্বাস

সাফল্যৰ চাবিকাঠি হ'ল আত্মবিশ্বাস। কোনো লোকে আত্মবিশ্বাস অবিহনে সফলতাৰ দিশে আগুৱাব নোৱাৰে। দুৰ্বল লোকসকলেও কেতিয়াবা এনে কিছু কাৰ্য সম্পাদন কৰে— যিবোৰ বলী লোকৰ বাবেও সম্ভৱ নহয়। কিন্তু সম্পাদন কৰে কেনেকৈ? এওঁলোকৰ শাৰীৰিক শক্তিতকৈও আত্মবিশ্বাস বেছি থকা বাবে অসাধ্যকো সহজেই সাধ্য কৰে। ইতিহাসেও তাকেই কয়। ফৰাচী সেনাপতি নেপোলিয়ন বোনাপাৰ্টৰ হৃদযন্ত্ৰত এটি ফুটা আছিল। হাতত স্পষ্ট হৈ থকা নাছিল আয়ুসৰেখা। তথাপি একমাত্ৰ আত্মবিশ্বাসক সাৰথি কৰি এখনৰ পিচত আন এখন ৰাজ্য জয় কৰিছিল। শিৰনত হৈছিল বহুতো ৰজা-মহাৰজাৰ। ৱাটাৰলু যুদ্ধৰ বাহিৰে আন এখনো যুদ্ধত পৰাস্ত নোহোৱা নেপোলিয়নৰ সাহস আৰু অদম্য শক্তিৰ মূল আধাৰ আছিল নিজৰ ওপৰত থকা বিশ্বাস। তেওঁ আনৰ শক্তিতকৈ নিজৰ শক্তি বেছি বুলি ভাবিছিল। নিজকে

পৃথিৱীৰ শক্তিশালী লোক বুলি ভবা বাবে এসময়ত বিশ্ববাসী ত্ৰাসিত হৈছিল নেপোলিয়নৰ বিজয়ধ্বজা দেখি। তেওঁ শাৰীৰিকভাৱে দুৰ্বল আছিল। কাৰণ হৃদযন্ত্ৰত ফুটা থকা লোক এজনৰ বাবে ৰণুৱা ঘোঁৰাৰ দৰে দৌৰিব পৰাতো সম্ভৱ নহয়। আত্মবিশ্বাসী নেপোলিয়নে ভূৰেৰে সাগৰ পাৰ হ'বলৈ দুঃসাহস চলাইছিল। সাগৰৰ প্ৰচণ্ড ঢৌত ভূৰ এখন কিমান সময় তিষ্ঠি থাকিব পাৰে সেয়া সকলোৰে জ্ঞাত, অথচ এই ভূৰকে সাৰথি কৰি সাগৰ পাৰ হ'বলৈ চেষ্টা কৰিছিল ফৰাচী বীৰে। কাৰণ তেওঁৰ আত্মবিশ্বাস আছিল সকলোৰে ঊৰ্দ্ধত। যি লোকে সন্মুখৰ ফালেহে আগুৱাই যায় তেওঁহে আত্মবিশ্বাসী। ইয়াৰ বিপৰীতে যিসকলে সদায় পাচলৈ উভতি চায় আৰু নেতিবাচক মনোভাব গ্ৰহণ কৰে, এনে লোক শাৰীৰিকভাৱে সক্ষম হ'লেও আত্মবিশ্বাসৰ অভাৱতে পিচলৈ উভতি চায়।

আত্মবিশ্বাসৰো এক নিৰ্দিষ্ট পৰিধি আছে। যেতিয়া এই পৰিধি অতিক্ৰমি অত্যধিক আত্মবিশ্বাসী হৈ পৰে তেতিয়া বিপদো ঘনীভূত হঅবলৈ ধৰে। অধিক আত্মবিশ্বাস কেতিয়াবা সফলতাৰ পথত প্ৰতিবন্ধক হয়। পৃথিৱীত প্ৰতিটো বস্তুৰে একোটা নিৰ্দিষ্ট পৰিসীমা থাকে। এই পৰিসীমাৰ মাজত থকালৈকে ইয়াৰ স্থিতি অক্ষুণ্ণ থাকে। গাড়ী এখনৰ গতি বৃদ্ধিৰ ক্ষেত্ৰত যিদৰে কিছুমান বিষয়ত গুৰুত্ব প্ৰদান কৰিবলগীয়া হয়, তেনেদৰে কিছুমান কাৰ্য সম্পাদনতো পৰিসীমাৰ মাজতেই সীমাবদ্ধ থাকিবলগীয়া হয়। দুচকীয়া বাহন এখনৰ গতি প্ৰতি ঘণ্টাত ১০০ কিলোমিটাৰ হ'লে বুলিয়ে যে আৰোহীয়ে আত্মবিশ্বাসী হৈ দুৰ্গম পথত সৰ্বাধিক গতিত যাব পাৰিব সেয়া নহয়। চলোৱাৰ সময়ত পথৰ অৱস্থা, যান-বাহন, গতিৰোধক আদিৰ বিষয়েও চিন্তা কৰিব লাগিব। এইক্ষেত্ৰত যদি অধিক আত্মবিশ্বাসী হৈ সৰ্বাধিক গতিত মটৰ চাইকেলৰ গতি বৃদ্ধি কৰে তেতিয়া দুৰ্ঘটনাগ্ৰস্ত হোৱাৰ শংকাও ঘনীভূত হয়। একেটা কাৰ্য যদি সুচল পথত সম্পাদন কৰে তেনেহ'লে সাফল্য অৰ্জন কৰিব। কিছুদিন পূৰ্বে মহাকাশৰ পৰা দুহেজাৰ ফুট ওপৰৰ পৰা পেৰাছুটেৰে নামি বিশ্ববাসীৰ দৃষ্টি আকৰ্ষণ কৰিছিল এজন লোকে। তেওঁৰ আত্মবিশ্বাসৰ বাবে মহাকাশৰ পৰা পেৰাছুটেৰে জঁপিয়াবলৈ সক্ষম হয়।

প্ৰশান্ত মহাসাগৰৰ গভীৰতাত ডুবাৰুৱে মাণিক বিচাৰিছে। আটলাণ্টিক

মহাসাগৰৰ তলিত ১৯১১ত দুৰ্ঘটনাগ্ৰস্ত হৈ সহস্ৰাধিক যাত্ৰীৰ মৃত্যু হোৱা 'টাইটানিক' জাহাজখনৰ ভগ্নাৱশেষ বিচাৰি পাৰলৈ তুলিছে।

এই সকলোবোৰ কাৰ্য সম্পাদন কৰিব পাৰিছে কেৱল আত্মবিশ্বাসৰ বাবেহে। হিংসাৰে নহয়, অহিংস নীতিৰে সফলতা অৰ্জন কৰাতো সম্ভৱ। বহুতো ঘাত-প্ৰতিঘাত সত্ত্বেও মহামানৱ মহাত্মা গান্ধীয়ে অহিংস নীতিৰ পৰা বিচলিত হোৱা নাছিল। কাৰণ তেওঁৰ আত্মবিশ্বাস আছিল সকলোৰে ঊৰ্দ্ধত। বৃটিছৰ বন্দুক-বাৰুদৰ শব্দই আঘাত কৰিব পৰা নাছিল মহাত্মাৰ বিশ্বাসক। পৃথিৱীৰ কোনো শক্তিৰে পৰাস্ত কৰিব নোৱাৰে আত্মবিশ্বাসক। মৰণব্যাধিৰ বিৰুদ্ধে জয়ী হোৱা লোক এইখন সংসাৰতেই আছে। চাইক্লিষ্ট নীল আমষ্টং, যুৱৰাজ সিং, মাইকেল ক্লাৰ্ক আদি খেলুৱৈয়ে কেন্সাৰক জয় কৰি খেলপথাৰত দপদপাই থাকিবলৈ সক্ষম হৈছে একমাত্ৰ আত্মবিশ্বাসৰ বাবে।

আত্মবিশ্বাস জন্মে মনত। ইয়াক বাহিৰৰ পৰা জাপি দিয়া বিষয় নহয়। কিন্তু আত্মবিশ্বাস জন্মাৰ ক্ষেত্ৰত কিছুমান উপাদানে বিশেষ ভূমিকা গ্ৰহণ কৰে। পিতৃ-মাতৃৰ অনুপ্ৰেৰণাই সন্তানৰ মনত আত্মবিশ্বাস জন্মায়। শিক্ষক-শিক্ষয়িত্ৰীৰ পৰামৰ্শই ছাত্ৰ ছাত্ৰীক আগুৱাই যোৱাত সহায় কৰে। বন্ধু-বান্ধৱীৰ পৰামৰ্শতো আত্মবিশ্বাস জন্মে, কিন্তু এইবোৰ হ'ব লাগিব ইতিবাচক চিন্তাসমৃদ্ধ। ইতিবাচক চিন্তা-চৰ্চাইহে মানুহক আত্মবিশ্বাসী কৰি তোলে।

# ভূ-লুণ্ঠিত মানৱতা

চৌদিশে ভূ-লুণ্ঠিত মানৱতা। সমগ্ৰ বিশ্ব হৈ পৰিছে মানৱতাৰ বধ্যভূমি। প্ৰতিটো প্ৰান্ততে অভাৱনীয়ভাৱে বৃদ্ধি পাবলৈ ধৰিছে হত্যা, ধৰ্ষণ, অপহৰণ, ভ্ৰাতৃঘাতী সংঘৰ্ষ, গোষ্ঠীদ্বন্দ্বৰ, ক্ষমতাৰ যুঁজ। এনে পৰিস্থিতিৰ মাজত এতিয়া জীয়াই থকাটোৱে সকলোৰে বাবে হৈ পৰিছে প্ৰত্যাহ্বান। সম্প্ৰতি এনে এক পৰিস্থিতিৰ সৃষ্টি হৈছে যে কোনোবাই পুৱা ঘৰৰ পৰা ওলাই গ'লে নিশা ঘৰলৈ উভতি আহিব নে নাহে সেয়া নিশ্চয়কৈ ক'ব নোৱাৰি। শিশু পুত্ৰ-কন্যাৰ সন্মুখতে গুলীয়াই হত্যা কৰা হৈছে পিতৃ-মাতৃক, ভ্ৰাতৃৰ সন্মুখতে ভগ্নীৰ সতীত্ব হৰণ কৰা হৈছে, স্বামীৰ সন্মুখতে পত্নীক বিভিন্ন কাৰণত অমানুষিক অত্যাচাৰ চলোৱা হৈছে। শিশুসকলক বেশ্যালয়ৰ আলহী কৰা হৈছে। কেইটিমান টকাৰ লোভত অসামাজিক কাৰ্যত লিপ্ত হ'বলৈ কুণ্ঠাবোধ নকৰা লোকৰ অভাৱ নাই। যেনি চোৱা যায় তেনি দেখা পোৱা যায় হত্যা-সন্ত্ৰাসজৰ্জৰ এখন ছবি। এই ছবিখন ভালদৰে লক্ষ্য কৰিলে দেখা পোৱা যায় যে ইয়াত মানৱতা গৌণ। মুখ্য বিষয় হৈছে শক্তি প্ৰদৰ্শন। জোৰ যাৰ মুলুক তাৰ। যিসকলে আধিপত্য বিস্তাৰ কৰিব পাৰিছে, তেওঁলোকে প্ৰতিযোগিতাৰ যুঁজত আগবাঢ়িব পাৰিছে। শ্ৰেষ্ঠত্বৰ যুঁজত আগবাঢ়িবলৈ প্ৰয়োগ কৰিছে ধন-জন তথা বাহুবল। এই যুঁজত পৰাজিত হৈছে সৎ পথত থকা লোকসকল।

যিসকলে সৎ পথেৰে খোজ কাঢ়িবলৈ ইচ্ছুক তেওঁলোক বাৰে বাৰে পিছল খাইছে পথৰ পৰা। এয়া ক্ষন্তেকীয়া বুলি জানিও তেওঁলোকে নিজৰ ভাগ্যক ধিয়াই থকাৰ বাহিৰে অন্য গত্যন্তৰ নাই। ঘৰৰ চাৰিবেৰৰ মাজৰ পৰা বাহিৰলৈ ওলাই আহিলেই বিপদ। এতিয়া সততাৰ যেন কোনো মূল্য নাই। কাৰ কিমান ধন-সম্পত্তি আছে তাকে লৈ সকলো ব্যস্ত। ধন-সম্পত্তি থকাজন মূৰ্খ হ'লেও আজি চৌদিশে পূজিত। সমাজৰ আগশাৰীত তেওঁলোকক বহুওৱা হৈছে। জ্ঞানীজনে বহিবলগীয়া হৈছে একেবাৰে শেষৰ শাৰীত। ধন-বাহুবল থকাজনৰ পিচে পিচে দৌৰিছে সকলো। কিবা পোৱাৰ আশাত, শংকাত, ভয়ত। আনকি শত্ৰুপক্ষৰ শিবিৰৰ লোকো তেওঁৰ ওচৰলৈ ঢাপলি মেলিছে।

ৰাজপথত হত্যা। সকলোৱে দেখিছে। অথচ নীৰৱ। কোনোৱে এই হত্যাৰ প্ৰতিবাদ কৰা নাই। কিছুমানে কৰিছে যদিও কেইদিনমান পাচত আকৌ সেই ধ্বনি অতি দুৰ্বল হৈ পৰিছে। অক্টোপাছৰ দৰে গিলিবলৈ ধৰা দেখিও সকলো নীৰৱ। নীৰৱতাই যেন এতিয়া সকলোৰে লক্ষ্য। কাৰণ নীৰৱতা ভংগ কৰি কাৰোবাৰ বিৰুদ্ধে মাত মাতিলে তেওঁৰ কণ্ঠ ৰুদ্ধ কৰা হয়, কেতিয়াবা ৰাজপথত গুলিয়াই, কেতিয়াবা ঘৰতে নৃশংসভাৱে হানি-খুঁচি হত্যা কৰি আৰু কেতিয়াবা মানসিক নিৰ্যাতনৰ জৰিয়তে।

নিজৰ পৰিয়ালৰ কোনো এজন সদস্যৰ মৃত্যু নোহোৱালৈকে কোনোৱে অনুভৱ নকৰে এই নিৰ্মম ঘটনাৰ। নিজৰ গাৰ নোমডাল টানিলেহে অনুভৱ কৰিব পাৰি চিকুটিলে দুখ পোৱা যায়নে নাযায়। ওচৰত কোনো এজন লোক অসহায়ভাৱে পৰি থকা দেখিও নেদেখাৰ ভাও ধৰি গুচি যোৱা লোকৰ সংখ্যাই আজি অধিক হ'ব। অৱশ্যে ইয়াৰ মাজতো দুই-এজনে সহায় নকৰা নহয়। কিন্তু কৰিলে কি হ'ব? পৰৱৰ্তী সময়ত সহায় কৰা বাবে যি পৰিস্থিতিৰ সন্মুখীন হ'বলগীয়া হয়, সেই অভিজ্ঞতাই তেওঁলোকক তিতা-কেঁহাৰ সোৱাদ ল'বলৈ বাধ্য কৰায়। উগ্ৰপন্থীয়ে কাৰোবাক হত্যা কৰা দেখিলেও চকু মুদিব লাগে। কাৰণ উগ্ৰপন্থীৰ খবৰ দিয়াৰ পিচত খবৰ দিওঁতাজনহে মুখ্য বাতৰি হয়গৈ। হয়, উগ্ৰপন্থীৰ গুলিত নতুবা নিৰাপত্তাৰক্ষীৰ গুলিত জীৱন দিবলগা হয়। সেয়েহে আজি সকলো দেখি-শুনিও ধৃতৰাষ্ট্ৰৰ ভাও দিবলৈ বাধ্য হৈছে। এয়াই মানৱতা। ভূ-লুণ্ঠিত মানৱতা।

# চাকনৈয়াত জীৱন-আত্মহত্যা ইত্যাদি

সঘনাই বিভিন্ন ঠাইত সংঘটিত আত্মহত্যাৰ ঘটনাই সকলোকে চিন্তান্বিত কৰি তুলিছে। পবিত্ৰ মানৱ জীৱন এটা অকালতে ধ্বংস কৰিলে কিয়? এনেধৰণৰ প্ৰশ্নই এবাৰ হ'লেও সকলোৰে মনত খুন্দিয়াইছে। স্বাভাৱিকতে প্ৰশ্ন হয় শেহতীয়াভাৱে আত্মহত্যাৰ সংখ্যা কিয় দ্রুতগতিত বৃদ্ধি পাইছে? ইয়াৰ বাবে দায়ী কোন? সমাজ নে পৰিয়াল? নে যান্ত্ৰিকতা ? ইত্যাদি ইত্যাদি। কিন্তু এনে প্ৰশ্নৰ উত্তৰ বিচাৰি পাবলৈ নাই। আধুনিক জীৱন-যাপনত যি অস্বাস্থ্যকৰ প্ৰতিযোগিতাই গা কৰি উঠিছে, সেয়াই হ'ল আত্মহননৰ অন্যতম কাৰণ। কিয়নো ভোগবাদী সমাজত অৱক্ষয় ঘটিছে মানৱতাৰ। ক্ৰমাৎ হেৰাই যাবলৈ ধৰিছে মানৱতাৰ মূল্যবোধ। যোগ্য ভোগ্য বসুন্ধৰাৰ প্ৰতিযোগিতাত অৱতীৰ্ণ হোৱাৰ ফলত নিজৰ অজ্ঞাতে সৃষ্টি হৈছে অত্যধিক চাপ। কাৰোবাৰ যদি পঢ়া-শুনাত আগুৱাই যোৱাৰ চাপ, আন এজনৰ আকৌ পৰিয়ালক ভৰণ-পোষণ দিব নোৱাৰাৰ চাপ। সম্পৰ্কৰ মাজত ফাট মেলাৰ চাপ ইত্যাদি। মানুহে এটা পৰ্যায়লৈকে চাপ সহ্য কৰিব পাৰে। তাৰ পাচত ক্ৰমাৎ লেবেজান

হৈ পৰে। এনে এক সন্ধিক্ষণতে যিসকলে চাপ সহ্য কৰিব পৰা নাই তেনে লোকসকলেহে বাচি লৈছে আত্মহননৰ পথ।

আত্মহত্যা মহাপাপ। ধৰ্মীয় দৃষ্টিকোণৰ পৰা ইতিহাসে ঢুকি নোপোৱা দিন ধৰি এই কাৰ্য মানৱ সমাজত পৰিপন্থীৰূপে চিহ্নিত হৈ আহিছে। তথাপি কিন্তু প্ৰতিহত কৰিব পৰা নাই। নোৱাৰাৰ আঁৰত আছে ভিন্ন কাৰণ। আমি এই কাৰণসমূহ বিশ্লেষণ কৰাতকৈ বিষয়টোৰ পৰা আঁতৰি থাকিবলৈহে চেষ্টা কৰো। পলায়নবাদী মানসিকতাৰ বাবে আজি আত্মহত্যা এক জ্বলন্ত সমস্যা হৈ পৰিছে। বিশেষকৈ উৎপাদনক্ষম বয়সৰ লোকসকলৰ মাজত এনে প্ৰৱণতাই গা কৰি উঠাত পৰোক্ষভাৱে লোকচান হৈছে সমাজৰ। এগৰাকী মেধাৱী ছাত্ৰীয়ে আত্মহননৰ পথ বাচি ল'লে ক্ষতি হয় পৰিয়ালৰ, সমাজৰ তথা দেশৰ।

যান্ত্ৰিকতাই মানুহক বস্তুবাদী কৰি তুলিছে। যৌথ পৰিয়াল ভাঙি একক পৰিয়াল হ'ল। ইমানদিনে যিসকলে যৌথ পৰিয়ালৰ ল'ৰা-ছোৱালীয়ে পঢ়া-শুনাত আগবাঢ়িব নোৱাৰে বা পাৰিবাৰিক সমস্যাসমূহ বেছি হয় বুলি যুক্তি আগবঢ়াই আছিল, তেওঁলোক এতিয়া নীৰৱ দৰ্শক। যদিহে আমি সূক্ষ্ম দৃষ্টিকোণৰ পৰা বিশ্লেষণ কৰো তেন্তে এটা কথা স্পষ্ট হৈ পৰে যে যৌথ পৰিয়াল ভাঙি যেতিয়াৰ পৰাই একক হ'বলৈ ধৰিলে তেতিয়াৰ পৰা এনে কিছুমান সমস্যাই গা কৰি উঠিলে যিবোৰে প্ৰতিগৰাকী লোকক চাপৰ মাজলৈ ঠেলি দিছে। আগতে কোনো এটা সমস্যাৰ উদ্ভৱ হ'লে পৰিয়ালৰ মুৰব্বীজনে সমাধান কৰিবলৈ চেষ্টা চলাইছিল। চোতালত বহি অথবা চ'ৰাঘৰত বহি সকলোৰে মুকলিভাৱে আলোচনা কৰিছিল। সমস্যাৰ সমাধানো হৈছিল। কিন্তু এতিয়া তেনে পৰিৱেশ নোহোৱা হ'ল। ফলত সমস্যা সমাধান কৰিব নোৱাৰিলে বাচি লয় আত্মহননৰ পথ।

এতিয়া চোতালত বহি ককা-আইতাকৰ স'তে খেলা, সাধু শুনাৰ আহৰি নাই। কিছুমানে ককা-আইতাকৰ মুখেই নেদেখে। পিতৃ-মাতৃয়ে সন্তানক ককা-আইতাকৰ পৰা আঁতৰাই ৰাখিবলৈ কুণ্ঠাবোধ নকৰে। ফলত নৱপ্ৰজন্মই উপলব্ধি কৰিব নোৱাৰে সম্পৰ্ক কি? তেজৰ সম্পৰ্ক ইমান মধুৰ কিয়? কিয় এজনক এৰো বুলি এৰিব নোৱাৰি, খেদো বুলি খেদিব নোৱাৰি? যেতিয়াৰে পৰা আত্মীয়তাৰ সম্পৰ্কত ফাট মেলিবলৈ ধৰিলে, ককা-আইতাৰ পৰা পুত্ৰ-বোৱাৰীৰ

ব্যৱধান বৃদ্ধি পালে। এই ব্যৱধানে এজনক আনজনৰ পৰা পৃথক কৰি নিয়াৰ বেলিকাত যিখন ক্ষেত্ৰত সৃষ্টি কৰিলে তাত কেৱল মহাশূন্যসদৃশ। নৈৰাশ্যৰ আধিপত্য। নৈৰাশ্য মানে হতাশা। হতাশা মানে একাকীত্ব। একাকীত্বই আত্মহত্যাৰ ফালে ঠেলি দিয়ে।

প্ৰতিটো ক্ষেত্ৰৰে একোটা সীমা থাকে। এই সীমা অতিক্ৰমিলেই বিপদ। আধুনিকতাৰ সাজ পিন্ধা লোকসকলে নিজকে পাহৰি যাবলৈ ধৰিছে। কেৱল নিজক লৈয়ে ব্যস্ত। নিজে জীৱনত সফল হ'ব নোৱাৰিলে সেয়া সন্তানৰ দ্বাৰা সফল হ'বলৈ চেষ্টা চলায়। সন্তানে এনে চাপ সহ্য কৰিবলগা হয় অনিচ্ছা সত্ত্বেও। যিসকলে চাপ সহ্য কৰিব নোৱাৰে তেওঁলোকে যিকোনো সিদ্ধান্তই গ্ৰহণ কৰিব পাৰে। মানসিক ভাৰসাম্যহীন হৈ আত্মহত্যা কৰে।

এতিয়া প্ৰতিযোগিতাৰ যুগ। এই যুগত সকলোৱে আগত থাকিব বিচাৰে। শীৰ্ষত থাকিব নোৱাৰিলে আনৰ দৃষ্টিত হেয় প্ৰতিপন্ন হ'ব বুলি ভাবে। সন্তান অলৰাউণ্ডাৰ হ'ব লাগিব। পিতৃয়ে যদি সন্তানে পঢ়া-শুনা কৰি ডাক্তৰ-ইঞ্জিনিয়াৰ হোৱাতো বিচাৰে, তাৰ বিপৰীতে মাতৃয়ে বিচাৰে ভৱিষ্যতে সন্তান গায়ক হওক। ক্ৰিকেটাৰ হৈ বংশৰ নাম উজলাওক। পৰীক্ষাত কম নম্বৰ পালে পিতৃ-মাতৃৰ হাহাকাৰ লাগে। লগে লগে এনে এটি পৰিৱেশৰ সৃষ্টি কৰে য'ত জীৱনত কিশোৰ-কিশোৰীয়ে উৱাদিহ নাপায় আত্মহত্যা কৰে।

জোঁৰ পুৰি হাত পালেহি। এতিয়া সময় নিজকে প্ৰশ্ন কৰাৰ। নিজক বুজি পোৱা আত্মবিশ্লেষণৰ। আত্মশুদ্ধিৰ। সন্তানক শিকাওক সুশৃংখলিত জীৱন-যাপন কেনেকৈ কৰিব পাৰি। থকাখিনিক লৈ সন্তুষ্ট থাকক।

# সম্প্ৰীতিৰ এনাজৰীৰে দুৰ্গোৎসৱ

প্ৰতিগৰাকী ব্যক্তিৰ মনত ধৰ্মীয় অনুভূতি থাকে। ধৰ্ম পৰিহাৰ কৰি সামাজিক জীৱন যাত্ৰাত আগুৱাই যোৱাটো অসম্ভৱ। সেইবাবে নাস্তিকসকলৰ পৰা পৃথক কৰিছে ধৰ্মীয় ভাবাপন্ন লোকসকলক। মানৱ ইতিহাসত ধৰ্মীয় অনুভূতি কেতিয়াৰ পৰা জাগ্ৰত হ'ল সেই বিষয়ে নিশ্চিত তথ্য লাভ কৰিব নোৱাৰি। তথাপি যেতিয়াৰে পৰা মানুহে সমাজ পাতি বাস কৰিবলৈ ধৰিলে তেতিয়াৰে পৰাই সম্ভৱতঃ ধৰ্মীয় মনোভাবে গা কৰিলে। সামাজিক বান্ধোনৰ বাবে সকলোৱে অনুভৱ কৰিবলৈ ধৰিলে কিছুমান নীতি-নিয়মৰ। এই নীতি-নিয়মৰ স'তে সাঙোৰ খাই আছে ধৰ্মীয় অনুভূতি। হিন্দু ধৰ্মত তেত্ৰিশ কোটি দেৱতাক পূজা কৰা হয়। এই দেৱ-দেৱীৰ জৰিয়তে প্ৰত্যেকেই এক অজান শক্তিক পূজা-অৰ্চনা কৰে।

দুৰ্গোৎসৱ সম্পৰ্কে বিভিন্ন আখ্যান পোৱা যায়। সুৰথ ৰজাই বসন্ত কালত দেৱীক পূজা কৰিছিল। সেইবাবে বসন্ত কালত উদ্‌যাপন কৰা হয় বাসন্তী পূজা। ৰাৱণ বধৰ বাবে ভগৱানৰ দশ অৱতাৰৰ অন্যতম শ্ৰীৰাম চন্দ্ৰই শৰৎ কালত অকাল বোধনেৰে দেৱী পূজা কৰিছিল। দুষ্কৃতিক বিনাশ কৰি সমাজত শান্তি প্ৰতিষ্ঠাৰ বাবে হয়তো সেইবাবেই পৰৱৰ্তী সময়ত সকলোৱে শাৰদীয় দুৰ্গোৎসৱৰ প্ৰসাৰ কৰিলে। ৰাৱণ আছিল দুষ্কৃতিৰ প্ৰতীক। সীতা হৰণ আছিল দশাননৰ দুষ্কাৰ্য। দুয়োটাকে প্ৰতীকী হিচাপে ব্যৱহাৰ কৰি বিষয়টো বিশ্লেষণ কৰিলে ধৰ্মীয় অনুভূতিৰ দিশটো স্পষ্ট হৈ পৰিব। সমাজত শান্তি প্ৰতিষ্ঠাৰ বাবে আয়োজন কৰা হয় বিভিন্ন উৎসৱৰ। পৃথিৱীৰ প্ৰতিটো অঞ্চলতেই ধৰ্মীয় উৎসৱসমূহ পালন কৰা হয় ভিন্ন ৰূপত।

অসমতো বিভিন্ন গোষ্ঠী, জনগোষ্ঠীৰ মাজত দুৰ্গোৎসৱ পালন কৰি অহা হৈছে। এই উৎসৱে প্ৰতিটো গোষ্ঠী, জনগোষ্ঠীকে একেখন আকাশৰ তলত সমৱেত হ'বলৈ সুযোগ দিছে। ভেদাভেদ পাহৰি সম্প্ৰীতিৰ বাণীৰে এখোজ-দুখোজকৈ আগুৱাই যোৱাত সহায় কৰিছে। সম্প্ৰতি অসম অগ্নিগৰ্ভ। চাৰিওফালে হিংসাৰ জুই। ভ্ৰাতৃঘাতী সংঘৰ্ষই সকলোকে জুৰুলা কৰিছে। তথাপি শাৰদীয় উৎসৱত অংশ ল'বলৈ সকলোৱে আগবাঢ়িছে। কেইদিনমানৰ কাৰণে হ'লেও শংখধ্বনিয়ে অসমৰ বিভিন্ন কোণ মুখৰিত কৰিব। এয়া সকলোৰে বাবে এক শুভ লক্ষণ। এই শৰততে সকলোৱে আকৌ এবাৰ একগোট হৈ শত্ৰুৰ পৰিকল্পনা মষিমূৰ কৰিবলৈ সংকল্প লওক। অসমীয়া জাতিক জীয়াই ৰাখিবই লাগিব। সকলোৱে মিলা-প্ৰীতিৰে বসবাস কৰাৰ ক্ষেত্ৰ এখন এই শাৰদীয় দুৰ্গোৎসৱতেই সৃষ্টি হওক। গোষ্ঠী-দ্বন্দ্ব আঁতৰ হওক। অসমৰ আকাশত শান্তিৰ কপৌ উৰি থাকক। মহামিলনৰ তীৰ্থভূমি হওক অসম। সকলোৱে সেইটোৱেই বিচাৰে। কিন্তু যিসকলে শান্তিময় পৰিৱেশৰ মাজত বিভিন্ন জনগোষ্ঠী একত্ৰিত হৈ থকাতো নিবিচাৰে তেওঁলোকে যিকোনো প্ৰকাৰে ব্যাঘাত জন্মাবলৈ সুযোগ বিচাৰি থাকে। এতিয়া সকলোৱে ভাবিবৰ হ'ল। সময় থাকোতেই যদি এইবোৰ বিষয় ভালদৰে চাৰিজাৰি নাচাওঁ, তেতিয়াহ'লে উৎসৱ-পাৰ্বণ আদি আয়োজন কৰাৰ কোনো অৰ্থই নাথাকিব।

সাম্প্ৰতিক পৰিস্থিতিত আমি একেখন মুকলি আকাশৰ তলত শান্তিৰ কথা কৈ আছো। তাৰ মাজতেই বিভিন্ন উৎসৱ আদিৰো আয়োজন কৰিছো। এই উৎসৱৰ সময়ত কিন্তু সকলোবোৰ একে ঠাইতে গোট খাইছে। সহায়ৰ হাত আগবঢ়াইছে। পৰস্পৰৰ প্ৰতি থকা দায়বদ্ধতা প্ৰকাশ কৰিছে। কিছু সময়ৰ বাবে হ'লেও মনৰ পৰা বিদ্বেষ ভাব আঁতৰাই সম্প্ৰীতিৰ এনাজৰীডালেৰে বান্ধ খাইছো। বৰঅসমত আমি সকলোৱে মিলি দুৰ্গোৎসৱৰ আনন্দ ল'ব নোৱাৰোনে? কিছু এৰা-ধৰা কৰিলেই প্ৰতিটো গোষ্ঠী, জনগোষ্ঠীৰ মাজত মিলা-প্ৰীতি সম্ভৱ হ'ব। সমাজত মহিষাসুৰ বধ কৰিবলৈ সকলোৱে সংকল্প লওঁ আহক দুৰ্গাৎসৱৰ বতৰতে। দুষ্কৃতিক বিনাশ কৰি সমাজত শান্তি প্ৰতিষ্ঠা কৰিবলৈ ওলাই আহক। প্ৰতিটো জনগোষ্ঠীয়ে ভাতৃত্ববোধৰ চানেকিৰে সমাজত মূৰ দাঙি থিয় হওক।

# প্ৰতিবাদৰ ঢৌৰে ডামিনী-কাণ্ডক প্ৰতিৰোধ কৰিবনে

ডামিনী—এই নামটোৱে সমগ্ৰ বিশ্বতেই খলকনি লগাইছিল। জীৱশ্ৰেষ্ঠ মানৱৰ প্ৰকৃতি যে হিংস্ৰ জীৱ-জন্তুতকৈও ভয়ানক হ'ব পাৰে, তাৰেই প্ৰমাণ পোৱা গ'ল ডামিনীৰ স'তে সংঘটিত ঘটনাটোত। এনে বৰ্বৰ ঘটনা বিশ্ববাসীয়ে একমুখে ধিক্কাৰ দিলে। ছজন পাষণ্ডৰ হাতত নাৰী জাতিৰ পৰম সম্পদ হেৰুৱাই এগৰাকী যুৱতীয়ে বিদায় ল'লে এই পৃথিৱীৰ পৰা। নাৰীক দেৱীৰ আসনত বহুওৱা ভাৰতবৰ্ষতেই আজি ভূলুণ্ঠিত মানৱতা। চলন্ত গাড়ীৰ ভিতৰতে ধৰ্ষণ কৰি মুমূৰ্ষু অৱস্থাত পেলাই দিয়া হ'ল এগৰাকী যুৱতীক। বিয়াৰ বন্দোৱস্তি হোৱা যুৱতীগৰাকীয়ে নতুন ঘৰলৈ যাব নোৱাৰিলে। জীৱনৰ ৰঙীন সপোনবোৰ ধূলিসাৎ কৰি দিয়া হ'ল। হেজাৰ হেজাৰ নিৰাপত্তাৰক্ষীৰে বেষ্টিত দেশৰ ৰাজধানীতেই সুৰক্ষিত নহয় মহিলা। তাকেই প্ৰমাণ কৰিলে ডামিনী কাণ্ডই।

ডামিনী নামৰ যুৱতীগৰাকীৰ মৃত্যু হ'ল। চৌদিশে প্ৰতিবাদৰ ধ্বনি উঠিল— এই ঘটনাৰ স'তে জড়িতক ফাঁচী দিব লাগে। অপৰাধীৰ বাবে হ'ব এয়াই উপযুক্ত শাস্তি। এনেধৰণৰ দাবী উত্থাপন হোৱাটো স্বাভাৱিক কথা। জঘন্য ঘটনাৰ শাস্তি কঠোৰ নহ'লে পৰৱৰ্তী সময়ত এনে ঘটনা প্ৰতিৰোধ কৰাটো সম্ভৱ নহয়। কিন্তু এই ঘটনাৰ প্ৰতিবাদৰ ঢৌ কিমান দিনলৈ থাকিল? ডামিনীৰ অন্ত্যেষ্টিক্ৰিয়া সম্পাদনৰ পিছত লাহে লাহে প্ৰতিবাদী ঢৌ নোহোৱা হ'ল। এনে প্ৰতিবাদৰ ঢৌ জোৱাৰ ভাটাৰ দৰে। হঠাৎ উঠে, হঠাতে মাৰ যায়।

এনেধৰণৰ ঘটনা যে ভাৰতবৰ্ষত প্ৰথমবাৰৰ বাবে সংঘটিত হৈছে তেনে নহয়। দেশৰ প্ৰতিটো প্ৰান্ততে এনেধৰণৰ ঘটনা সংঘটিত হৈয়ে থাকে। ভাৰতত প্ৰতি এঘাৰ মিনিটৰ মূৰত এগৰাকী মহিলা ধৰ্ষিতা হয়। কিছুমান ঘটনা প্ৰকাশ পায়। আন কিছুমান ঘটনা অপ্ৰকাশিত হৈয়ে থাকি যায়। দেশৰ ৰাজধানীত সংঘটিত বাবে ঘটনাটোৰ প্ৰচাৰ ব্যাপক হ'ল।

কেইবাবছৰ পূৰ্বে গুৱাহাটী মহানগৰীৰ মাজমজিয়াত এগৰাকী ফুলকুমলীয়া শিশুক ধৰ্ষণ কৰি হত্যা কৰিছিল কেইবাজনো পাষণ্ডই। শিশুটিক ধৰ্ষণ কৰাৰ পাছত হত্যা কৰি টেংকিত ভৰাই থৈছিল ধৰ্ষণকাৰীয়ে। কোনো সভ্য মানুহৰ বাবে এই কাৰ্য সহনীয় নহয়। হত্যাকাণ্ড সংঘটিত হোৱাৰ এসপ্তাহ মানলৈকে ৰাজ্যজুৰি প্ৰতিবাদৰ জোৱাৰ উঠিছিল। এতিয়া সেয়া ইতিহাস। অধিকাংশ লোকৰ স্মৃতিপটৰ পৰা ইতিমধ্যে মচ খালে এই নৃশংস হত্যাকাণ্ডৰ ঘটনা। প্ৰতিবাদকাৰী বিভিন্ন সংগঠন, তথাকথিত নাৰীবাদী লেখকসকলৰ লেখা সিমানতেই অন্ত পৰিল। যিসকল মহিলা সংগঠনে কেৱল ফটো উঠি সংবাদ মাধ্যমত প্ৰচাৰ লভিবলৈ আগবাঢ়ি আহিছিল তেওঁলোকৰ ছবি কাকত বৈদ্যুতিন মাধ্যমত প্ৰচাৰ হোৱাৰ পাছত প্ৰতিবাদী সুৰ স্তব্ধ হৈ পৰিল। বিদ্যুতিন মাধ্যমত ঘটনা সন্দৰ্ভত মন্তব্য দিয়া, কাকতত দুই-এটা প্ৰবন্ধ লিখিলেই সকলোৰে দায়িত্ব শেষ নহয়। ডামিনীৰ ক্ষেত্ৰত যি প্ৰতিবাদৰ ঢৌ উঠিল, এই বেলিকা তেনেকুৱা হোৱা নাছিল। ডামিনীৰ ঘটনাতকৈ কিশোৰী গৰাকীৰ হত্যাকাণ্ড কোনোগুণে কম গুৰুত্ব নথকা নাছিল। এটাই বেছি প্ৰচাৰ পালে আৰু আনটোৱে নাপালে। জি এছ ৰোড কাণ্ডত ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত চৰ্চিত হ'ল। সকলো তল পৰিল। ডামিনীৰ ঘটনাও পাহৰিবলৈ ধৰিব। এদিন হ'ব ইতিহাস।

ধৰ্ষণকাৰীক ফাঁচীকাঠত ওলোমাব লাগে। এগৰাকী মহিলাৰ জীৱনৰ সৰ্বস্ব কাঢ়ি নি হত্যা কৰাটো অক্ষমণীয় অপৰাধ। যদিহে শাস্তি প্ৰদান কৰা নহয় তেনেহ'লে এনেধৰণৰ ঘটনা সদায় সংঘটিত হৈয়ে থাকিব। প্ৰতিবাদ, সংবাদ মাধ্যম আলোচনাৰে এনে সমস্যা সমাধান নহয়। কঠোৰ আইনেই হ'ব প্ৰতিৰোধৰ সৰ্বোত্তম উপায়।

# হাউলীৰ ৰাস

ইতিহাসে ঢুকি নোপোৱা দিনৰে পৰাই ভাৰতৰ বিভিন্ন প্ৰান্তত উদ্‌যাপন কৰি অহা হৈছে ৰাসোৎসৱ। এই ৰাস উৎসৱৰ স'তে সাঙোৰ খাই আছে প্ৰভু শ্ৰীকৃষ্ণৰ লীলা। যোল্ল হেজাৰ গোপিনী আছিল শ্ৰীকৃষ্ণৰ প্ৰেয়সী। এই প্ৰেয়সীসকলৰ স'তে শৰতৰ পূৰ্ণিমা নিশা কৰা ক্ৰীড়াই হ'ল ৰাস উপজীব্য বিষয়বস্তু। শ্ৰীকৃষ্ণই যে গোপিনীসকলক কেৱল প্ৰেমিক হিচাপে বিচাৰিছিল তেনে নহয়। পতি পৰমেশ্বৰ থকাৰ পাচতো গোপিনীসকল আছিল শ্ৰীকৃষ্ণ প্ৰেমিকা। কথাটো সাধাৰণ দৃষ্টিভংগীৰ পৰা বিশ্লষণ কৰিলে অশ্লীলতাৰ বাহিৰে দ্বিতীয় এখন ছবি বিচাৰি পোৱা নাযায়। কিন্তু সূক্ষ্ম দৃষ্টিকোণৰ পৰা বিশ্লেষণ কৰিলে এই ব্যাখ্যা ভুল বুলি ক'ব লাগিব। কিয়নো শ্ৰীকৃষ্ণই গোপিনীসকলৰ মনৰ ভাব বুজিব পাৰিছিল। প্ৰভুক পতিৰূপে প্ৰতিগৰাকী নাৰীয়েই পাব বিচাৰে। কাৰণ জগতত তেওঁতকৈ আন কোনো ডাঙৰ হ'ব নোৱাৰে। তেৰেঁই ত্ৰাণকৰ্তা। তেৰেঁই দাতা। তেওঁৰ বাহিৰে আন কোনোৱে স্বৰ্গীয় সুখ দিব নোৱাৰে। পূৰ্ণিমাৰ নিশা কানাইৰ বংশীৰ সুৰ শুনি কোনোৱে ঘৰৰ ভিতৰত

থাকিব পৰা নাছিল। কোনোবাই যদি স্বামী, পুত্ৰ-কন্যাক এৰি আহিব পৰা নাছিল তথাপি মনটো আছিল কৃষ্ণৰ মাজত। নিশা উজাগৰে কটাবলগীয়া হৈছিল।

পূৰ্ণিমাৰ ৰূপালী জোনাকৰ মাজত গোপিনীক সংগদান কৰিছিল কানাই। একেলগে ভিন্ন ৰূপত যোল্ল হেজাৰ গোপিনীক সন্তুষ্ট কৰিব পাৰে। শ্ৰীকৃষ্ণই মানৱ ৰূপ এৰি মহাপ্ৰভুৰ ৰূপ লৈছিল। প্ৰতিগৰাকী গোপিনীয়ে ভাবিছিল যে শ্ৰীকৃষ্ণই কেৱল তেওঁৰ লগতহে ক্ৰীড়াত মত্ত। সেইবাবে প্ৰহেলিকাৰ মাজত থাকিয়ে গোপিনীসকলে আগবাঢ়িছিল। শ্ৰীকৃষ্ণয়ো কিন্তু ৰহস্য ভেদ হ'বলৈ দিয়া নাছিল। আত্মা-পৰমাত্মাৰ মাজত থকা ব্যৱধান বুজাবলৈ তেওঁ এনে কাৰ্যৰ মাজেৰেই চেষ্টা কৰিছিল।

স্নিগ্ধ শৰতৰ নিশা। প্ৰকৃতি দেবীয়েও নতুন শোভা বৰ্ধন কৰে। নিজকে নতুন ৰূপত সজাই ভৰযৌৱনা হৈ পৰে। শীতৰ আগমন আৰু গ্ৰীষ্মৰ যৱনিকাৰ বাবে বতৰ হৈ পৰে ফৰকাল। হালবোৱা পথাৰৰ চপৰাৰ দৰে চপৰা চপৰ মেঘে আকাশ ভৰি থাকে। এই দৃশ্য দেখি কোনেও ৰ'ব নোৱাৰে। মনত প্ৰতিক্ৰিয়া হ'বই। এনে এক মনোমুগ্ধকৰ পৰিৱেশৰ মাজতে অনুষ্ঠিত হয় ৰাস উৎসৱ। শৰতৰ নিশা সকলোৱে প্ৰভু শ্ৰীকৃষ্ণ ভিন্ন ৰূপ প্ৰত্যক্ষ কৰিবলৈ আহে। সময়ৰ পৰিবৰ্তনৰ লগে লগে মানুহৰ দৃষ্টিভংগীৰো সলনি হ'বলৈ ধৰিছে। সেয়েহে এতিয়া ৰাস উৎসৱো উলহ-মালহেৰে পালন কৰিবলৈ ধৰিছে। ভাৰতৰ বিভিন্ন প্ৰান্তত ৰাস উদ্‌যাপন কৰা হয়।

উত্তৰ-পূৰ্বাঞ্চলত যিকেইখন ঠাইত এই উৎসৱ উদ্‌যাপন কৰা হয়, সেইবোৰৰ ভিতৰত অন্যতম হ'ল হাউলী ৰাস মহোৎসৱ। সম্প্ৰতি অসমৰ হৰি মন্দিৰৰ ৰাসৰ পাছতো জনসমাগম হয় হাউলীত। মাজুলীৰ ৰাসৰ আছে এক সুকীয়া পৰিচয়। সেই কেন্দ্ৰটোক বাদ দি যদি জনসমুদ্ৰত পৰিণত হোৱা স্থানৰ বিচাৰ কৰা হয় তেতিয়াহ'লে হাউলীক তালিকাভুক্ত নকৰিলে এই তালিকাখন নিশ্চয় অসম্পূৰ্ণ হৈ ৰ'ব। বিগত এটা দশকমানৰ পৰা হাউলীৰ ৰাসৰ কথা সকলোৰে মুখে মুখে প্ৰচাৰিত হৈছে ইয়াৰ কাৰুকাৰ্যৰ বাবে। ধৰ্মীয় অনুভূতিত আঘাত নকৰাকৈয়ে সকলোবোৰ আগবঢ়াই নিছে। বৈদ্যুতিক চমক থাকিলেও অৱহেলিত হোৱা নাই মৃণ্ময় মূৰ্তি। যথাস্থানত যথোপযুক্তভাৱে

প্ৰতিষ্ঠা কৰা হৈছে। আধুনিকতাৰ ৰহণ সানিলেও বাদ দিয়া নাই পৰম্পৰা, ঐতিহ্যক। কাৰণ পৰম্পৰাক বাদ দি কোনো অনুষ্ঠানে প্ৰসাৰ লাভ কৰিব নোৱাৰে। ইতিমধ্যে হাউলীৰ ৰাসত প্ৰদৰ্শিত কিছুমান বিশেষ অনুষ্ঠানে চৰ্চা লাভ কৰিছে। এয়া উদ্যোক্তাসকলৰ কৃতিত্ব। অঞ্চলবাসীয়ে অশেষ ত্যাগ স্বীকাৰ কৰিছে। সফলতাও পাইছে। এনেদৰে আগবাঢ়ি থাকিলে এদিন হৰিমন্দিৰৰ ৰাস মহোৎসৱৰ সমপৰ্যায়ৰ হৈ উঠিব।

এটা অনুষ্ঠানক জনমুখী কৰিবলৈ কিছুমান বিশেষ উপাদানৰ প্ৰয়োজন। এই উপাদানৰ অন্যতম হ'ল পৰিৱেশ। হাউলীত আছে এক সুস্থ পৰিৱেশ। সাংস্কৃতিক পৰিৱেশ নাথাকিলেও ধৰ্মীয় অনুষ্ঠানৰ প্ৰসাৰ অসম্ভৱ। সাংস্কৃতিক পৰিৱেশত এনেবোৰ অনুষ্ঠানে সহজেই প্ৰসাৰ লাভ কৰে। শৰতৰ পূৰ্ণিমা আহিলেই সকলোৰ দৃষ্টি নিবদ্ধ হয় নলবাৰী, পলাশবাৰী আদিৰ লগত হাউলীত। কোনে কেনেদৰে ভক্তিপ্ৰাণ ৰাইজক আকৰ্ষণ কৰিবলৈ আৰম্ভ হয় অঘোষিত প্ৰতিযোগিতা। এই প্ৰতিযোগিতাৰ দৌৰত পিচপৰি থকা নাই হাউলী।

# পোহৰৰ তলৰ এন্ধাৰ

বহু আনন্দ আৰু বহু প্ৰত্যাশা বোকোচাত লৈ আহে দীপাৱলী। পোহৰৰ উৎসৱ হিচাপে পৰিচিত দীপাৱলীয়ে অন্ততঃ এৰাতি বা দুৰাতিৰ বাবে হ'লেও দেশখনক পোহৰাই তোলে। পিচে পোহৰৰ উৎসৱ দীপাৱলী বিগত কিছু বছৰ ধৰি যেনেদৰে প্ৰদূষণৰ উৎসৱ হৈ আহিছে সেয়া সন্দেহাতীতভাৱে এক চিন্তনীয় বিষয় হৈছে। কেইবাটাও দিশৰ পৰা এই পোহৰৰ উৎসৱে আমাৰ বাবে যেন এন্ধাৰ মাতিছে।

দীপাৱলী বুলি ক'লেই যেনেদৰে মনলৈ শাৰী-শাৰী চাকি-বন্তি বা ৰঙীন লাইটৰ কথা মনলৈ আহে, তেনেদৰে মনলৈ আহে ফট্‌কাৰ বিকট শব্দৰ কথাও। কাণ তাল মাৰি যোৱাকৈ বিস্ফোৰিত হোৱা একোটা ফট্‌কাই ভাবিব নোৱাৰা ধৰণে শব্দ প্ৰদূষণৰ সৃষ্টি কৰাৰ উপৰি ইয়াৰ পৰা নিঃসৰিত ধোঁৱাই সৃষ্টি কৰে বিপজ্জনক বায়ু প্ৰদূষণৰো। অৱশিষ্ট বাৰুদে প্ৰদূষিত কৰি তোলে আমাৰ ভূমিভাগ। একেদৰে শব্দবিহীন ফুলজাৰি বা অনুৰূপ সামগ্ৰীবোৰে শব্দ প্ৰদূষণৰ সৃষ্টি নকৰে যদিও ধোঁৱা আৰু বাৰুদে ভূমি আৰু বায়ু প্ৰদূষণৰ সৃষ্টি নিশ্চিতভাৱে কৰে। আকাশত বিস্ফোৰিত ৰকেট বোমাসমূহে শব্দ আৰু ভূমি প্ৰদূষণৰ সৃষ্টি হয়তো কমকৈ কৰে। কিন্তু বায়ু প্ৰদূষণৰ এইবোৰো গুৰুতৰ উৎস। ফটকা বা তেনেধৰণৰ সামগ্ৰীৰ পৰা হ'ব পৰা প্ৰদূষণ ৰোধ কৰাৰ অৰ্থে প্ৰতিবছৰে প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদ আৰু অন্যান্য সংশ্লিষ্ট কৰ্তৃপক্ষসমূহে দীপাৱলীৰ আগে আগে বিভিন্নধৰণৰ বিধি-বিধান আৰু নিষেধাজ্ঞাৰ কথা ঘোষণা কৰে। কিন্তু দুৰ্ভাগ্যজনকভাৱে সেই বিধি-বিধান আৰু নিষেধাজ্ঞাসমূহ কোনেও নামানে বা অন্ততঃ গৰিষ্ঠসংখ্যকেই নামানে। আইন বলৱৎকাৰী

সংস্থাসমূহেও এইবোৰ মনাবলৈ চেষ্টা কৰা পৰিলক্ষিত নহয়। ফলত সকলো হৈ পৰে গালো-বালো খোলাকটিৰ তাল।

শব্দ প্ৰদূষণ, বায়ু প্ৰদূষণ বা ভূমি প্ৰদূষণৰ লগতে দীপাৱলীৰ গইনা লৈ একধৰণৰ সামাজিক প্ৰদূষণ সৃষ্টি হোৱাও দেখা যায়। দীপাৱলীৰ নিশা জুৱা খেলিব লাগে—আমাৰ সমাজৰ একাংশ লোকৰ মাজত এনে এক পৰম্পৰা চলি আহিছে। দীপাৱলীৰ লগত নিশ্চয় জুৱা খেলৰ কোনো সম্পৰ্ক থাকিব নোৱাৰে। দীপাৱলীৰ নিশা জুৱা খেলিব লাগে বুলিও নিশ্চয় কোনো শাস্ত্ৰত বা ধৰ্মীয় পুথিত উল্লেখ নাই। তথাপি দীপাৱলীৰ নিশা জুৱা খেলা পৰম্পৰাটো লাহে লাহে আমাৰ সমাজত জনপ্ৰিয় হৈ উঠিছে। জুৱাৰ লগে লগে অৱধাৰিতভাৱে আহিছে মদ। এই আটাইবোৰে সৃষ্টি কৰি আহিছে ভয়াৱহ সামাজিক প্ৰদূষণৰ।

দীপাৱলী উপলক্ষ্যত ৰাজ্যজুৰি শ শ, হেজাৰ হেজাৰ জোপা কলগছ কটা হয়। এয়াও নিঃসন্দেহে এক চিন্তনীয় বিষয়। আৰ্থিক দৃষ্টিকোণৰ পৰা কলগছৰ নিচিনা উপকাৰী গছ খুব কমেই আছে। অথচ আমাৰ সমাজত আজিকালি অন্যান্য গছ-গছনিৰ লগতে কলগছ ৰোপণৰ অভ্যাসো মানুহে এৰি পেলাইছে। আগতে বছৰৰ নিৰ্দিষ্ট কিছুমান দিনত কলগছ ৰোৱাটো অসমীয়া সমাজত নিয়ম আছিল। এতিয়া মানুহে সেইবোৰ নিয়মো এৰি পেলাইছে। এনেস্থলত দীপাৱলীৰ বাবে হেজাৰ হেজাৰ কলগছ কটাটো এক বিচন্তাৰ বিষয়। পূৰ্বে দীপাৱলীত কটা কলগছ পিছত টুকুৰা-টুকুৰকৈ কাটি ৰ'দত শুকুৱাই জুই লগাই দি মানুহে কলাখাৰ তৈয়াৰ কৰিছিল। আজি সেইবোৰ কৰিবলৈ সময়ৰো অভাৱ, ইচ্ছাৰো অভাৱ। সেয়ে নুৰুৱাকৈ কলগছ কাটি থকাটো দীপাৱলীৰ লগত সম্পৰ্কিত এক গুৰুতৰ বিষয় হৈ উঠিছে।

কিন্তু এইখিনিতে এটা প্ৰশ্ন উঠে— তেনেহ'লে আমি দীপাৱলী উদ্‌যাপন নকৰিম নেকি? বা উদ্‌যাপন কৰিব নালাগিব নেকি? নিশ্চয় লাগিব। কিন্তু দীপাৱলী আমি উদ্‌যাপন কৰিব লাগিব পোহৰৰ উৎসৱ ৰূপেহে, প্ৰদূষণৰ উৎসৱৰূপে নহয়। চাকিৰ ওপৰ আৰু চাকিৰ তলৰ— উভয় স্থানৰেই এন্ধাৰ আমি নাশিব লাগিব। আমি অক্ষুণ্ণ ৰাখিব লাগিব দীপাৱলীৰ প্ৰতীকী অৰ্থ আৰু আক্ষৰিক অৰ্থ। নহ'লে দীপাৱলী কিছু বছৰ পিচত, হয়তো অদূৰ ভৱিষ্যতে আতংকৰহে আন এক নাম হ'বগৈ।

# বিশ্ব দৰবাৰত জিলিকি থাকক অসম সাহিত্য সভা

অসম সাহিত্য সভা-বিশ্বৰ সাহিত্য সম্পৰ্কীয় অনুষ্ঠানসমূহৰ ভিতৰত সৰ্ববৃহৎ অনুষ্ঠানৰূপে স্বীকৃতি লাভ কৰিছে। সাহিত্য সম্পৰ্কীয় সভা এখনত যে একেখন ৰভাৰ তলীতে লক্ষ লক্ষ সাহিত্যানুৰাগী সমৱেত হ'ব পাৰে তাৰেই জ্বলন্ত উদাহৰণ অসম সাহিত্য সভা। জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে একেখন ৰভাৰ তলত মিলিত হয় ৰাজ্যখনৰ বিভিন্ন প্ৰান্তৰ পৰা অহা সাহিত্যানুৰাগী। বিভেদ পৰিহৰি একেলগে মিলিত হোৱাৰ সুযোগ দিছে সাহিত্য সভাই। ১৯১৭ত শিৱসাগৰত সাহিত্য সভাৰ যি জয়যাত্ৰাৰ আৰম্ভণি হ'ল সেয়া নীৰৱিচ্ছিন্নভাৱে আজিও অব্যাহত আছে। অসমীয়াৰ ৰাজহাড়স্বৰূপ সাহিত্য সভাই কেৱল সাহিত্য চৰ্চাতে পৰিসীমা সীমাৱদ্ধ নাৰাখি জাতিটোৰ সংকটৰ সময়ত মাত মাতি আহিছে। সাহিত্য সভাই অসমীয়া জাতিক বহুতো সংকটৰ পৰা উদ্ধাৰ কৰিছে। যেতিয়া অসমীয়া ভাষা, সাহিত্য-সংস্কৃতিৰ সংকটৰ সৃষ্টি হৈছে তেতিয়াই মাত মাতিছে। এই সৰ্ববৃহৎ অনুষ্ঠানটোৰ সিদ্ধান্তক কোনোৱেই অসন্মান নকৰে।

জন্মলগ্নৰে পৰাই সাহিত্য সভাই যি ভূমিকা গ্ৰহণ কৰি আহিছে তাক লৈ প্ৰতিবাদ হোৱা নাই। অৱশ্যে মাজে-সময়ে একো একোটা দুষ্ট চক্ৰই সাহিত্য সভাক লৈ কুৎসা ৰটনা কৰিলেও সেয়া তিষ্ঠি থাকিব পৰা নাই। বহুতো ঘাট-প্ৰতিঘাতৰ মাজেদি অসম সাহিত্য সভাই আজি এই স্থিতিত উপনীত হৈছে।

কাৰণ এই অনুষ্ঠানটোৰ চালিকা শক্তি অসমীয়া জাতি, কোনো দুষ্ট চক্র নহয়। সময়ৰ পৰিৱৰ্তনৰ লগে লগে পৰিৱৰ্তিত পৰিস্থিতিৰ স'তে খোজ মিলাবলৈ মাজে মাজে সাহিত্য সভাই কিছুমান সাহসিক পদক্ষেপ গ্ৰহণ কৰিবলগীয়া হৈছে। তাকে লৈ হৈ-চৈ কৰাৰ কাৰণ থাকিব নোৱাৰে।

সাহিত্য সভা মেলামুখী হ'লেও ই স্বকীয় বৈশিষ্ট্যৰ পৰা কেতিয়াও আঁতৰি যোৱা নাই। স্থিতিত অটল থাকিয়ে কাৰ্য সম্পাদন কৰি আছে। বিশ্বৰ সৰ্ববৃহৎ অনুষ্ঠানটোক লৈ মাজে সময়ে বহুতে সন্দেহ প্ৰকাশ কৰে যে ভৱিষ্যতে ই এই ধাৰা অটুট ৰাখিব পাৰিব নে নোৱাৰে। যিসকলে এই ক্ষেত্ৰত শংকা প্ৰকাশ কৰিছে তেওঁলোকৰ সাহিত্য সভা সম্পৰ্কে সম্যক জ্ঞানখিনিও নাই। যেতিয়ালৈকে অসমীয়া জাতি থাকিব, যেতিয়ালৈকে অসমীয়া ভাষা থাকিব তেতিয়ালৈকে সাহিত্য সভা জীয়াই থাকিব।

এইটো সকলোৱে মনত ৰখা উচিত যে সাহিত্য সভা কেৱল সাহিত্যিকসকলৰ সভা নহয়, অসমীয়াৰ উমৈহতীয়া অনুষ্ঠান। বহুতৰে মনত ভ্ৰান্ত ধাৰণা আছে যে সাহিত্যিক অথবা সাহিত্যৰ স'তে জড়িত থকা লোক সকলেহে সাহিত্য সভাক জীয়াই ৰাখিছে। কিন্তু সাহিত্য সভাৰ ইতিহাস আৰু ইয়াৰ পৰিসৰ বিশ্লেষণ কৰিলে দেখা যায় যে এই অনুষ্ঠানটোৱে এটা ভূখণ্ডৰ এক বৃহৎ সংখ্যক লোকক আদৰি লৈছে। সাহিত্য সভা এতিয়া এটা সাৰ্বজনীন অনুষ্ঠান। অসমৰ বায়ু, পানী সেৱন কৰি অসমৰ মাটিত থকা সকলেই অনুষ্ঠানটো ধৰি ৰাখিছে। সুদূৰ ইংলেণ্ড, আমেৰিকা আদিতো সাহিত্য সভাৰ শাখা আছে। ভাৰতৰ বিভিন্ন ৰাজ্যত ইয়াৰ শাখা থকাটোৱে প্ৰমাণ কৰে অনুষ্ঠানটোৰ গুৰুত্ব তথা সাম্প্ৰতিক স্থিতি। বিদেশতো সাহিত্য সভাৰ উদ্যোগত অনুষ্ঠিত হৈছে কেইবাটাও গুৰুত্বপূৰ্ণ অনুষ্ঠান। লগে লগে ইয়াৰ পৰিসৰ বৃদ্ধি পাইছে। সকলোৱে মনত ৰখা উচিত যে সাহিত্য সভা কেৱল ২৭খন জিলাৰ প্ৰতিনিধিৰ সংস্থা নহয়। সকলোৱে মিলি জীয়াই ৰাখিব লাগিব অসম সাহিত্য সভাক। কোনোৱে যাতে এই অনুষ্ঠানটোৰ পৰা বাদ পৰি নাযায় সেই ক্ষেত্ৰত গুৰুত্ব প্ৰদান কৰিব লাগিব। একেখন ৰভাৰ তলত সমৱেত হৈ ভেদাভেদ পাহৰি ভাতৃত্ববোধৰ চিন্তা-চৰ্চাৰে সাহিত্য সভাৰ পৰিসৰ বৃদ্ধি কৰক। বিশ্ব দৰবাৰত জিলিকি থাকক অসম সাহিত্য সভাৰ গৌৰৱোজ্জ্বল ইতিহাস।

# বস্ত্ৰনগৰীত সংকট কিহৰ বাবে

শুৱালকুছি— এছিয়াৰ তৃতীয় সৰ্ববৃহৎ গাঁও। অসমৰ মানচেষ্টাৰৰূপে খ্যাত গাঁওখন হ'ল সোণৰ ভাণ্ডাৰ। সেইবাবে বিশ্ববাসীৰ দৃষ্টি শুৱালকুছিৰ ওপৰত। পাট-মুগাৰ কাপোৰৰ বাবে বিখ্যাত গাঁওখনত ২০১৩ ত উত্তেজনাময় পৰিস্থিতিৰ সৃষ্টি হৈছিল। বহিঃৰাজ্যৰ পৰা আমদানিকৃত বেনাৰসী বস্ত্ৰৰে ভৰি পৰিছে বস্ত্ৰনগৰী। সেয়েহে সংকটৰ গৰাহত পৰিছে শুৱালকুছি। ইমানদিনে ৰাজ্যবাসীয়ে যিখন ঠাইকলৈ গৌৰৱবোধ কৰিছিল সেইখনেই এতিয়া অস্তিত্বৰ সংকটত। থলুৱা বস্ত্ৰৰ ওপৰত আমদানীকৃত বস্ত্ৰৰ অধিপত্য। সমান্তৰালভাৱে মধ্যভোগী সকলৰো দপ্‌দপনি। প্ৰতিটো বিষয়ৰে একোটা নিৰ্দ্দিষ্ট সীমা থাকে। এই সীমাৰ মাজত থাকি কাৰ্য সম্পাদন কৰিলে কাৰো বিশেষ ক্ষতি নহয়। কিন্তু যেতিয়াই এই সীমা অতিক্ৰমে তেতিয়াই আৰম্ভ হয় বিপদ। ইমানদিনে বস্ত্ৰনগৰীত পাট-মুগাৰ কাপোৰ বিক্ৰী হৈ থকাত কোনো সমস্যাৰ সৃষ্টি হোৱা নাছিল। বৰং শুৱালকুছিৰ পাট-মুগাৰ কাপোৰকলৈ সকলোৱে গৌৰৱবোধ কৰিছিল। শিপিনীসকলে যিদৰে এনে কাপোৰ তাঁতশালত বৈ গৌৰৱবোধ কৰে একেদৰে পিন্ধোতাগৰাকীয়েও কম গৌৰৱ নকৰে। পৰম্পৰাগত বস্ত্ৰৰ ফেশ্চনৰ ক্ষেত্ৰত এই বস্ত্ৰৰ গুৰুত্ব পৰিসীম। সেইবাবে সকলোৰে লোলুপদৃষ্টি পৰিছে ঐতিহ্যমণ্ডিত গাঁওখনত ।

কোনো এটা অঞ্চলত উৎপাদিত সামগ্ৰী আন অঞ্চলত বিক্ৰীৰ ক্ষেত্ৰত বাধা নাথাকে। বিশেষকৈ দেশৰ ভিতৰত এনে বাধা কোনোৱে কৰিব নোৱাৰে। কিন্তু উৎপাদিত সামগ্ৰীবিধৰ নামত আন সামগ্ৰী বিক্ৰী কৰাটো নিষিদ্ধ। এয়া এক অপৰাধ। প্ৰৰোচনাৰ অপৰাধ। এই দৃষ্টিকোণৰ পৰা বিশ্লেষণ কৰিলে দেখা যায় যে শুৱালকুছিত একাংশ অসাধু ব্যৱসায়ীয়ে পাট-মুগাৰ কাপোৰৰ

নামত বেনাৰসী কাপোৰ বিক্ৰী কৰি আহিছে। দুয়োবিধ কাপোৰৰ দামৰ ক্ষেত্ৰত আকাশ-পাতাল পাৰ্থক্য আছে। কিন্তু অসাধু চক্ৰটোৱে এই কাপোৰসমূহ একাকাৰ কৰি দামৰ ক্ষেত্ৰত সৰ্বাধিক ধন সংগ্ৰহৰ অভিযোগ উঠিছে। এইসকল ব্যৱসায়ীয়ে একমাত্ৰ লাভৰ আশাৰে আচল পাট কাপোৰ, মুগা কাপোৰক একাষৰীয়া কৰিছে। বজাৰত এনে কাপোৰৰ পৰিৱৰ্তে এতিয়া বেনাৰসী কাপোৰৰহে পয়োভৰ ঘটিছে। ফলত ঐতিহ্যমণ্ডিত উদ্যোগটোৰ সুনাম কিছু পৰিমাণে হ'লেও লাঘৱ হৈছে। আগতে কাৰোবাক এখন পাট-মুগাৰ কাপোৰ লাগিলে পোনছাতে শুৱালকুছিলৈ ঢাপলি মেলিছিল। কিন্তু এতিয়া প্ৰায়সংখ্যক লোকেই শুৱালকুছিৰ পৰা কাপোৰ ক্ৰয়ৰ পাছত 'ঠগখোৱা' বুলি অভিযোগ কৰে। বিগত এটা দশকমানৰ পৰা এনেধৰণৰ অভিযোগ উত্থাপিত হৈ আহিলেও কোনেও গুৰুত্ব প্ৰদান কৰা নাছিল। আনকি বৃহত্তৰ অঞ্চলটোৰ ব্যৱসায়ীসকলেও মৌনতা অৱলম্বন কৰা দেখা গ'ল। কিন্তু সমস্যাটো হ'ল যেতিয়াই থলুৱা বজাৰখনৰ মাধমাৰ খাবলৈ ধৰিছে। শুৱালকুছিলৈ নীৰৱচ্ছিন্নভাৱে আহিল বেনাৰসী বস্ত্ৰ।

হঠাৎ বিস্ফোৰণ। কোনোৱে ভবা নাছিল বস্ত্ৰনগৰীত এনে ধৰণৰ অভাৱনীয় পৰিস্থিতিৰ সৃষ্টি হ'ব। অগ্নিগৰ্ভা পৰিস্থিতিৰ সৃষ্টি হোৱাৰ বাবে আজি সৰ্বত্ৰে প্ৰতিবাদৰ ঢৌ উঠিছে। আৰক্ষীৰ গুলীত কেইবাজনো নিৰীহ লোক আহত হ'ল। তথাপি ক্ষান্ত থকা নাই ৰাইজ। এফালৰ পৰা বেনাৰসী বস্ত্ৰ দাহ। ১৯৪৬ৰ ৯ জানুৱাৰীত মহামানৱ মহাত্মা গান্ধীয়ে এই বস্ত্ৰনগৰীত পদাৰ্পণ কৰিছিল। সেই সময়তে জাতিৰ পিতাই এখন প্ৰদৰ্শনীত অসমীয়া শিপিনীৰ চানেকি দেখি বিস্ময় প্ৰকাশ কৰিছিল। অসমীয়া শিপিনীৰ হাতৰ পৰশত প্ৰাণ পাই উঠে গছ-গছনি, চৰাই-চিৰিকটিয়ে। ছাঁতে শুকোৱা, মুঠিতে লুকোৱা বস্ত্ৰখনি আজি অস্তিত্বৰ গৰাহত।

সম্প্ৰতি ৰাজ্যখনৰ ১০,৭৪০ খন গাঁৱৰ ২.৫২ লাখ পৰিয়াল পাট, মুগা আৰু এড়ি পলু পালনত ব্যস্ত হৈ আছে। ভাৰতৰ মুঠ মুগা উৎপাদনৰ ৯৯ শতাংশই অসমত উৎপাদন হয়। এড়ী সূতাৰ উৎপাদানো হয় ৬৫ শতাংশ। অৱশ্যে পাট উৎপাদনত দেশৰ অন্য ৰাজ্যৰ তুলনাত পিছ পৰিছে। এইবোৰ কাপোৰৰ যথেষ্ট চাহিদা আছে। অত্যধিক চাহিদা থকা বাবে বজাৰখনো

সম্প্ৰসাৰিত হৈছে। ৭০ হেজাৰখন বস্ত্ৰ উৎপাদন হ'লেও চাহিদা অনুপাতে যোগান সীমিত। কেঁচামালৰ অত্যধিক দাম, নৱ প্ৰজন্মৰ উদ্যোগটোৰ প্ৰতি অনীহা, দালাল চক্ৰৰ চক্ৰান্ত, সহজ-সৰল শিপিনীসকলৰ আৰ্থিক দীনতায়ো সুযোগ সন্ধানী অসাধু ব্যৱসায়ীক খোপনি পোতাত সহায় কৰিছে।

যদি আমি গোটেই ঘটনাপ্ৰবাহ বিশ্লেষণ কৰি চাওঁ তেতিয়াহ'লে এটা কথা স্পষ্ট হৈ পৰে যে ৰাজ্যৰ বাহিৰৰ পৰা অহা বেনাৰসী বস্ত্ৰই থলুৱা উদ্যোগটোক মাধমাৰ দিয়াৰ ক্ষেত্ৰত স্থানীয় ব্যৱসায়ীসকলে কম-বেছি পৰিমাণে জগৰীয়া। তেওঁলোকৰ অধিকাংশই বিগত এটা দশক শুৱালকুছিত উৎপাদিত বস্ত্ৰ বুলি বেনাৰসী বস্ত্ৰ বিক্ৰী কৰি আহিছে। তেওঁলোকে হাতৰ কুঠাৰ ভৰিত মাৰিছে। কিন্তু এইসকল বিক্ৰেতাই উপলব্ধি কৰিব পৰা নাছিল যে তেওঁলোকৰ দুষ্কৰ্মই এদিন বস্ত্ৰ উদ্যোগটোলৈ সংকট মাতি আনিব। এতিয়া শুৱালকুছিত তাঁতশালৰ সংখ্যা হ্ৰাস পাইছে। শিপিনীৰো সংখ্যা হ্ৰাস পাবলৈ ধৰিছে। বিজ্ঞানসন্মতভাৱে প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা নাই। বাহিৰৰ কোনো লোক আহি যদি কৌশলেৰে আদব-কায়দা শিকিছে তাত বাধা দিওঁতাও নাই।

শুৱালকুছিৰেই নহয় অসমৰ বিভিন্ন প্ৰান্তত উৎপাদিত বস্ত্ৰসমূহৰ বাবে 'চিল্ক মাৰ্ক'ৰ প্ৰয়োজন । সোণ চিনাৰ উপায় 'হলমাৰ্ক'। কিন্তু ঐতিহ্যমণ্ডিত উদ্যোগটোৰ বস্ত্ৰ চিনাৰ ক্ষেত্ৰত কোনো উপায় নাই। সাধাৰণ ক্ৰেতাই শুৱালকুছিত উৎপাদিত বস্ত্ৰ নে বেনাৰসী বস্ত্ৰ তাক চিনাক্ত কৰাৰ কোনো সহজ উপায় নাই। গতিকে ছিল্ক মাৰ্ক সম্প্ৰতি উদ্যোগটোৰ বাবে গুৰুত্বপূৰ্ণ বিষয় হৈ পৰিছে। এই উদ্যোগ ৰক্ষা কৰাৰ ক্ষেত্ৰত সকলোৱে সহযোগ কৰিব লাগিব। চৰকাৰে এইক্ষেত্ৰত কেনেধৰণৰ ব্যৱস্থা গ্ৰহণ কৰে সেয়া হ'ব লক্ষণীয় বিষয়। এই বিস্ফোৰণৰ মূল কাৰণ কি সেয়া সূক্ষ্মভাৱে বিশ্লেষণ কৰাৰ সময় আহি পৰিছে। জোঁৰ পুৰি হাত পোৱাৰ পাছতো যদি আমি সতৰ্ক নহওঁ তেতিয়াহ'লে এনেদৰে সময়ে-সময়ে বিস্ফোৰণ ঘটিয়ে থাকিব। শিপিনীসকলে যাতে থলুৱাভাৱে উৎপাদিত বস্ত্ৰ বিক্ৰীৰহে সংকল্প লয়। ঘৰত চোৰে সিন্ধি দিলে গৃহস্থই যদি সাৰ নাপায় তাৰ পৰিণতি কি হ'ব সেয়া সকলোৱে জ্ঞাত। অসমৰ পাট-মুগাৰ উদ্যোগটো জীয়াই ৰাখিবলৈ সকলোৱে মাৰ বান্ধি থিয় হোৱাৰ সময় আহিছে।

# বিহুৰ নামত চলিত অপসংস্কৃতি ৰুধিবই লাগিব

অসমীয়া জাতিৰ বাপতি-সাহোন ব'হাগ বিহু। ইতিহাসে ঢুকি নোপোৱা দিনৰেপৰাই পৰম্পৰাগতভাৱে এই বিহু উদ্‌যাপিত হৈ আহিছে। অসমীয়া জাতিৰ গৌৰৱৰ যিবোৰ উৎস আছে সেইবোৰৰ ভিতৰত ব'হাগ বিহু অন্যতম। সেয়েহে এই বিহুৰ স্বকীয়তা বজাই ৰখাৰ ক্ষেত্ৰত আমি সকলোৱে আগভাগ ল'বই লাগিব। যেতিয়াৰেপৰা বিহু গছৰ তলৰ পৰা মঞ্চলৈ আহিলে তেতিয়াৰে পৰাই লাহে-লাহে কম-বেছি পৰিমাণে ইয়াৰ প্ৰকৃতিও সলনি হ'বলৈ ধৰিলে। বিগত কিছু বছৰৰ পৰা চহৰাঞ্চলৰ কথাতো বাদেই, গ্ৰামাঞ্চলতো এই প্ৰভাৱ পৰিলক্ষিত হ'ল। ইয়াৰ বাবে কিন্তু আমি কোনো এজন ব্যক্তি বা কোনো এটা অঞ্চলৰ লোকক দোষাৰোপ কৰিব নোৱাৰো। বৰং এনে পৰিৱৰ্তনৰ কাৰণ আমি বিশ্লেষণ কৰিব লাগিব।

এতিয়া বিভিন্ন ঠাইত বিহু উদ্‌যাপন কৰা হয়। কিন্তু প্ৰায়ভাগতেই বিহু আয়োজনৰ নামত বিজতৰীয়া সংস্কৃতিৰ পয়োভৰহে পৰিলক্ষিত হয়। কিছুমানত যিবোৰ অনুষ্ঠান পৰিবেশন কৰে সেইবোৰ প্ৰত্যক্ষ কৰিলে মনত এনে এটি ভাৱ হয় যেন সেয়া বিহুৰ অনুষ্ঠান নহয়, কোনো ক্লাব বা সংঘৰ বাৰ্ষিক অনুষ্ঠানৰহে সাংস্কৃতিক সন্ধিয়া। এনেধৰণৰ অনুষ্ঠানে দৰ্শক-শ্ৰোতাৰ মনত আনন্দৰ খোৰাক জন্মালেও কিন্তু বিহুৰ পৰম্পৰা ভংগ কৰিছে। তদুপৰি বিজতৰীয়া সংস্কৃতিয়ে গা কৰাত সহায়ক হৈছে। ইয়াৰ কু-প্ৰভাৱ পৰিছে নৱপ্ৰজন্মৰ ওপৰত। আজিৰ অধিকাংশ ল'ৰা-ছোৱালীয়ে বিহুত ব্যৱহাৰ কৰা দীঘলতী, মাখিয়তিৰ পাত চিনি নাপায়। আনহে নালাগে গা ধুবলৈ যিটো মিশ্ৰণ প্ৰস্তুত কৰা হয় তাত কি কি দ্ৰব্যৰ ব্যৱহাৰ কৰে তাকেই নাজানে। বহুতে আকৌ মিশ্ৰণটো গাত ঘঁহিবলৈ প্ৰস্তুত কৰা হয় সেইখিনিও ব্যৱহাৰ কৰিব নোখোজে। এইক্ষেত্ৰত কিন্তু পৰিয়ালৰ সদস্যসকলৰ ভূমিকা বিশেষ মন কৰিবলগীয়া। কিছুমান পৰিয়ালত এনেধৰণৰ মিশ্ৰণ প্ৰস্তুত নকৰে। কাৰণ আভিজাত্যৰ পৰিচয়ত আঘাত হানিব পাৰে। আজিৰ প্ৰজন্মক যদি প্ৰশ্ন কৰ হয় যে বিহু কেইদিন? সাত বিহুত কি কি অনষ্ঠানৰ আয়োজন কৰা হয়? তেনেহ'লে পোনপটীয়াকৈ উত্তৰ দিব নোৱাৰিব। বহুতে আকৌ বিহু নাচে। কিন্তু মনে-প্ৰাণে ভাল পাই যে বিহু নাচিছে তেনে নহয়, গ্লেমাৰৰ আশাত বন্দী হৈহে আগবাঢ়িছে। আজিকালি বিহু নাচ গ্লেমাৰসৰ্বস্ব। লাখ লাখ টকাৰ প্ৰাইজমানি, গাড়ী, মূল্যৱান আ-অলংকাৰ, বিভিন্ন দামী-দামী সামগ্ৰী আদি হ'ল বিহু প্ৰতিযোগিতাৰ পুৰস্কাৰ। সমান্তৰালভাৱে প্ৰচাৰ। যোৱা বছৰ কেইবাখনো বিহু মঞ্চত প্ৰত্যক্ষ কৰিছিলো তাৰ পৰাই এয়া অনুমান কৰিব পাৰি। কেইবাগৰাকী নাচনীয়ে ব্যৱহাৰ কৰা টকা, গগনা আদিৰ কথাই ভালদৰে ক'ব পৰা নাছিল। গতিকে এনেধৰণৰ মানসিকতাই কিন্তু বিহু সংস্কৃতিৰ প্ৰসাৰ নকৰে, বৰং ক্ষতিহে কৰিব। মনে-প্ৰাণে ভাল পাই বিহু নাচিলেহে এনেধৰণৰ মানসিকতাৰ সলনি হ'ব। তদুপৰি এইক্ষেত্ৰত পিতৃ-মাতৃৰ লগতে অভিভাৱকেও আগভাগ লোৱা উচিত। মনত ৰখা উচিত বিহু গ্লেমাৰৰ উৎস হ'ব নোৱাৰে। অসমীয়া জাতিৰ পৰিচয়। অসমীয়াৰ আয়ুসৰেখা।

গতিকে এই আয়ুসৰেখাডাল যাতে কোনোৱে মচিব নোৱাৰে তাৰ বাবেহে সতৰ্ক হ'ব লাগিব।

সময়ৰ পৰিৱৰ্তনৰ লগে লগে প্ৰকৃতিৰ পৰিবৰ্তন হোৱাতো স্বাভাৱিক। সেইবুলি মূল বিষয়টোৰ যাতে কোনোক্ষেত্ৰতে পৰিবৰ্তন নহয় তাতহে গুৰুত্ব প্ৰদান কৰা উচিত। গছৰ তলৰ বিহু আৰু মঞ্চৰ বিহুৰ মাজত পাৰ্থক্য থাকিবই। মঞ্চত গছ নাথাকিলেও তাৰ পৰিবৰ্তে কিন্তু তেনেকুৱা এক প্ৰাকৃতিক পৰিৱেশ আমি গঢ়ি তুলিব পাৰো। তদুপৰি বিহু মঞ্চত বিহুৰ স'তে সম্পৰ্ক থকা অনুষ্ঠান আদি পৰিবেশন কৰাৰহে আমি পোষকতা কৰো। এতিয়া পিচে কোনখন মঞ্চত কিমান দামী শিল্পীক আমন্ত্ৰণ জনাইছে তাৰহে অঘোষিত প্ৰতিযোগিতা চলিছে। এনে প্ৰতিযোগিতাই কম-বেছি পৰিমাণে হ'লেও বিহুৰ ঐতিহ্য তথা পৰম্পৰাত আঘাত নকৰাকৈ থকা নাই। আমি কম বাজেটতো বিহু উৎযাপন কৰিব পাৰো। লাখটকীয়া শিল্পী এগৰাকীক মাতিলেই বিহু ভালদৰে উদ্যাপন কৰাতো নুসূচায়। কেৱল বিহু নৃত্য, হুঁচৰিৰেও উদ্‌যাপন কৰিব পাৰি। আমি আনক দেখুৱালৈ বিহু কৰা নাই। বাপতি-সাহোন উৎসৱটো যদি বহিঃৰাজ্য বা বিদেশৰ পৰা অহা লোকে প্ৰত্যক্ষ কৰিব খোজে তেন্তে আমি তেওঁলোকক কি দেখুৱাম। আমাৰ যে বিহু গছৰ তলত, প্ৰকৃতিৰ বুকুত কোনো কৃত্ৰিমতা নোহোৱাকৈ উদ্‌যাপন কৰা হৈছিল সেয়া এতিয়া দেখুৱাব পাৰিমনে? বিহুগীতৰতো কথাই নাই। কিছুমান কেছেটৰ বিহুগীত শুনিলে মনত এনে ভাব হয় যে সেয়া বিহুগীত নহয়, হিন্দী গীতৰ কলিহে বিহুসুৰীয়া গীতত যোগ দিছে। এনে সংস্কৃতি আমি প্ৰতিহত কৰিবই লাগিব। এইক্ষেত্ৰত সকলোৱে সতৰ্ক হোৱা উচিত।

# মনত থূপ খাই থকা কথাবোৰ...

মনৰ কোণত ৰৈ যায় কিছুমান কথা। লাহে লাহে এই কথাবোৰ থূপ খাই কঠিন ৰূপ ল'বলৈ ধৰে। কিছুমান কথা খুলি ক'ব নোৱাৰি। মৌনতাৰেই বুজাই দিয়া হয় মনৰ মাজত যে কিবা এটা আছে। কোনোবাই সেইবোৰ কথা জানিব খুজিলেও ব্যক্ত কৰিবলৈ লোকজন আগ্ৰহী নহয়। সাধাৰণতে, এনে কথাৰ বিষয়ে আনে জানিব বিচাৰিলে অথবা সুধিলে লোকজনে তেনে বিষয়ৰ পৰা আতৰি আন প্ৰসংগহে উলিয়াব খোজে। তেনে হোৱাতো স্বভাৱিক বিষয়। কিয় বাৰু কিছুমান কথা অপ্ৰকাশিত হৈয়ে থাকে।

প্ৰতিটো কাৰ্যৰে একোটা ক্ৰিয়া থাকে। ক্ৰিয়া অবিহনে কোনো এটা কাৰ্য সম্পাদিত হ'ব নোৱাৰে। সৰ্বকালৰ অন্যতম মহান বিজ্ঞানী ছাৰ আইজাক নিউটনৰ গতিৰ তৃতীয় সূত্ৰয়ো সেই একেই কথাকে উল্লেখ কৰিছে। সি যি নহওক, এই সূত্ৰটো মানুহৰ জীৱনতো প্ৰতিফলিত হয়। প্ৰত্যেক লোকৰ দৃষ্টিভংগী বেলেগ বেলেগ। ধানটোৰে পতি কণটো, মানুহটোৰে পতি মনটো। মনটোৰে কেতিয়া কোনফালে ঢাল খাই সেয়া নিশ্চয়কৈ কোনোৱেই ক'ব নোৱাৰে। কোনো মানুহেই ন-দি ক'ব নোৱাৰে যে তেওঁ অমুকটো কৰিব অথবা নকৰে, অমুকটো কোনোদিনেই নহয়। মনটোৱে বিচাৰিলে বুলিয়েই যে সকলো লাভ কৰিব তেনে নহয়। কিন্তু যেতিয়া মনটোৱে বিচৰাটো নাপায় তেতিয়াই হাহাকাৰ কৰে। মনটো প্ৰতিবাদী হয়। সুযোগৰ অপেক্ষাত ৰৈ থাকে। কিন্তু এই সময় কেতিয়া কেনেকৈ আহে বা আহিব তাক লৈ কোনোৱে ভৱিষ্যদ্বাণী কৰিব নোৱাৰে। দৰাচলতে জেদ, খং, ঘৃণা, মৰম, ভালপোৱা আদি অনুভূতিৰ স'তে জড়িত হৈ থাকে অভিমান। আপোনজনৰ ওচৰত কৰা অভিমানৰ কিমান মূল্য সেয়া আনে হয়তো বুজি নাপাব।

কেতিয়াবা অভিমান হৈ পাৰে অব্যক্ত বেদনাৰ উৎস। প্ৰথমতে অভিমান আৰু তাৰ পাছত লাহে লাহে ই পৰ্যবসিত হ'বলৈ দৰে প্ৰত্যাহবানলৈ। কামটো কিয় নহ'ল? কিয় কৰিব নোৱাৰিলে? তেওঁৰ কথা আনে কিয় নুশুনিলে তাক লৈ মনত এশ এটা প্ৰশ্নই ভুমুকি মাৰে। এই প্ৰশ্নবৌৰ মনৰ দপোণত যেতিয়া ফঁহিয়াই চাবলৈ ধৰে তেতিয়াই মনটোত যিবোৰ ঢৌ খেলে সেই ঢৌবোৰতে বিলীন হয় উত্তৰ। হয়তো উত্তৰ পায়ো কিছুমানে তাত সন্তুষ্ট নহয়। পুনৰ জুকিয়াই চাই। আকৌ সেই একেই সমস্যা। এনেদৰে সমস্যাই জটিল ৰূপ ধাৰণ কৰে। তেতিয়া মনৰ কথাবোৰ আনৰ আগত প্ৰকাশ কৰিব নোৱাৰা হয়। শংকিত হয় জানোচা তেওঁৰ কথাবোৰ আনে বেলেগ ধৰণেহে গ্ৰহণ কৰে।

অব্যক্ত কথাবোৰে এজন লোকক মানসিকভাৱে ভাৰসাম্যহীন কৰি তোলে। শাৰীৰিকভাৱেও ক্ষতিগ্ৰস্ত কৰে। তেতিয়াই আৰম্ভ হয় জটিল সমস্যা। এই সমস্যাৰ যদিহে সমধান নহয় তেতিয়া বাছি লয় আত্মহননৰ পথ। এই পথত খোজ দি পবিত্ৰ আত্মাক অপবিত্ৰ কৰিবলৈ কুণ্ঠাবোধ নকৰে। সেইবাবে সকলো কথাই মুকলিমূৰীয়াকৈ ক'ব লাগে। নিজৰ মনত পুহি ৰাখি গুজৰি-গুমৰি থকাৰ ফলত নিজৰ অপূৰণীয় ক্ষতি সাধন হয়।

নিজকে যদি কোনোবাই প্ৰশ্ন কৰে— তেনে অৱস্থাৰ বাবে কোন দায়ী? তাৰ উত্তৰ কিন্তু সহজে বিচাৰি পোৱা নাযায়। কাৰণ এনেবোৰ কথাৰ স'তে অনুভূতি জড়িত হৈ আছে। য'ত অনুভূতি থাকে তাত যুক্তিৰ মূল্য কম। যুক্তিয়ে হাৰ মনাব নোৱাৰে। সন্মুখত পৰি থকা কথাবোৰেও তলকাব নোৱাৰে। তেওঁ জীৱনত ব্যৰ্থ নেকি? কামটোৰ বাবে অনুপযুক্ত নেকি? তেওঁ কিয় প্ৰত্যাহ্বান জনাব নোৱাৰে। জীৱন যুঁজত হাৰ মানিব নেকি? এই কথাবোৰৰ সমষ্টিয়ে হ'ল অব্যক্ত বেদনাৰ মূল কাৰণ। প্ৰত্যেক লোকৰে মনত এনেধৰণৰ সমস্যা থাকে। সকলোৰে সকলোবোৰ কথা মুকলিকৈ ক'ব নোৱাৰে। সেইবাবেই এনেধৰণৰ সমস্যাৰ সৃষ্টি হোৱাতো স্বাভাৱিক কথা। পৃথিৱীৰ সবাতোকৈ ধনী লোকজনৰ মনতো থাকিব পাৰে অপ্ৰকাশিত বহুতো কথা। ব্যৰ্থতাৰ পৰা পৰিত্ৰাণ বিচৰা, প্ৰত্যাহ্বানেৰে নিজকে জীৱন যুঁজত জুখি চাব খোজে। এয়াই বেদনা এয়াই অব্যক্ত বেদনা।

# বিহুৰ গামোচাখন

ৰঙালী বিহুত প্ৰিয়জনক নৱবৰ্ষৰ শুভেচ্ছাৰে দিয়া হয় বিহুৱান। বিহুৱান বুলিলে চকুৰ সন্মুখত ভাহি উঠে ফুলাম গামোচাখন। কোনে কিমান সুন্দৰকৈ ফুলাম গামোচা তাঁতশালত বব পাৰিছে তাৰেই অঘোষিত প্ৰতিযোগিতা চ'লে ফাগুন-চ'ত মাহত। অসমৰ শিপিনীৰ হাতৰ পৰশত গামোচাত প্ৰাণ পাই উঠে বিভিন্নধৰণৰ ফুল, লতা, পাত, চৰাই-চিৰিকটি ইত্যাদি। প্ৰতিগৰাকী অসমীয়াই গৌৰৱবোধ কৰে ফুলাম গামোচাখনক লৈ। মহাকাশচাৰীয়েও লগত নিছে অসমৰ গামোচাখন। বিশ্বৰ সকলো ঠাইতে সমাদৰ আছে। কেৱল অসমীয়া নৱবৰ্ষতেই নহয় প্ৰতিদিনেই প্ৰয়োজন এই গামোচাখনক নিত্য-ব্যৱহাৰ্য্য সামগ্ৰীসমূহৰ অন্যতম বুলি কোৱা হয়। বসন্তৰ আগমনৰ লগে লগে শিপিনীসকল ব্যস্ত হয় যঁতৰ ঘূৰোৱা, মাকোৰ খট্‌খট্ শব্দ কৰাত। দিনে-নিশাই একাকাৰ কৰি ফুলাম গামোচাখন প্ৰস্তুত কৰি শিপিনীসকলে যি গৌৰৱবোধ কৰে, সেয়া শব্দৰে বৰ্ণনা কৰিব নোৱাৰি। দীৰ্ঘদিনীয়া কষ্টবোৰ

যেন নিমিষতে হেৰাই যায় গামোচাখনৰ ফুল তথা সৌন্দৰ্যৰ মাজত লুকাই থকা প্ৰেম, ভালপোৱা মৰমৰ শব্দবোৰ। এই শব্দবোৰেই প্ৰকাশ কৰে মনৰ ভাব।

সম্প্ৰতি অসমীয়া সংস্কৃতিৰ অবিচ্ছেদ্য অংগ হৈ পৰা গামোচাখনৰ প্ৰতিও সংকট ঘনীভূত হৈছে। ৰাজ্যৰ বিভিন্ন ঠাইত বিপন্ন হৈছে দোকান। কপাহী সূতাৰ পৰিবৰ্তে পলিয়েষ্টাৰৰ গামোচা আহিছে চেন্নাই আদিৰ পৰা। এনেধৰণৰ গামোচাই থলুৱা শিপিনী তথা ক্ষুদ্ৰ ব্যৱসায়ীসকলক নিশ্চয়কৈ মাধমাৰ দিছে। অৱশ্যে এনেধৰণৰ পলিয়েষ্টাৰ গামোচাই এতিয়াও অসমৰ গামোচাৰ সমকক্ষ হ'ব পৰা নাই। আৰু ভৱিষ্যতেও যে হ'ব সেয়া মনে নধৰে। সি যি নহওক, সকলোৰে কিন্তু সজাগ হোৱাৰ সময় আহি পৰিছে। যদিহে বহিৰাগত ব্যৱসায়ীসকলে আমাৰ এনে উদ্যোগসমূহত আঘাত কৰে তেনেহ'লে ভৱিষ্যতে অন্ধকাৰৰ মাজত ডুব যাব লাগিব। অৰ্থনৈতিক ক্ষেত্ৰখনতো প্ৰভাৱ পৰাতো নিশ্চিত।

এতিয়া গামোচাখন কেৱল অসমতে গামোচাৰ ৰূপত সীমাবদ্ধ থকা নাই। আন্তৰ্জাতিক ক্ষেত্ৰতো উজলি উঠিছে। বিখ্যাত ফেছন ডিজাইনাৰৰ হাতৰ পৰশত গামোচাখনে চোলাৰো ৰূপ ল'লে। এখন গামোচা যে চোলাৰ ৰূপ ল'ব পাৰে সেই ধাৰণা কিন্তু শেহতীয়া বুলিয়ে ক'ব লাগিব। ই এক ইতিবাচক দিশ বুলিয়ে ক'ব লাগিব। আজিকালি বহুতো আত্মসহায়ক গোট অদিয়ে এনেধৰণৰ চোলা প্ৰস্তুত কৰি আত্মনিৰ্ভৰশীল হ'বলৈ যুৱক-যুৱতীসকলক পথ মুকলি কৰি দিছে। বজাৰত গামোচাৰ চোলা উভৈনদী নহ'লেও ক্ৰমাৎ ইয়াৰ বিক্ৰী বৃদ্ধি পাবলৈ ধৰিছে। তাঁতশালত বোৱা কাপোৰৰ পৰা প্ৰস্তুত কৰা বস্ত্ৰ এতিয়া বিশ্বৰ প্ৰতিটো প্ৰান্ততে উপলব্ধ হৈছে। ডিঙিত থকা গামোচাখন কেৱল সৌন্দৰ্য বৃদ্ধিৰ বাবে লোৱা বুলি ভবাটো ভুল হ'ব। এই বস্তুখনি অসমীয়া সংস্কৃতিৰ ধ্বজা বাহক। জ্যেষ্ঠজনক সন্মান আৰু কনিষ্ঠজনক মৰমেৰে বিহুৰ উপহাৰ দিয়া গামোচাখন স্বকীয় ৰূপতে থাকক। অতীতৰে পৰা প্ৰচলিত হৈ অহা গামোচাখন সদায় স্বকীয় ৰূপতেই থাকক।

# সৰব্ৰজিতৰ মৃত্যু আৰু কিছু প্ৰাসংগিক চিন্তা

আকৌ এবাৰ ভাৰত চৰকাৰে পাকিস্তান চৰকাৰৰ ওচৰত হাৰ মানিলে। ইমান দিনে ভাৰতে পাকিস্তানতকৈ সামৰিক শক্তিত বেছি শক্তিশালী বুলি দাবী কৰি অহাৰ পাছতো কিন্তু শিৰনতহে কৰিলে। ২২ বছৰে ভাৰত চৰকাৰে সৰবজিত সিং নামৰ কয়দীজনক ভাৰতলৈ প্ৰত্যৰ্পণ কৰাৰ বাবে যি ভূমিকা গ্ৰহণ কৰিছিল সেয়া সময়ত ফুটুকাৰ ফেনতহে পৰিণত হ'ল। ১৯৯০ত লাহোৰ-মুলতানৰ সংঘটিত ধাৰাবাহিক বিস্ফোৰণৰ ঘটনাৰ স'তে জড়িত থকাৰ অভিযোগত পাকিস্তান চৰকাৰে সৰবজিতক কাৰাবন্দী কৰিছিল। কাৰণ সেই সময়ত পাক চোৰাংচোৱা সংস্থা আই এছ আই বিস্ফোৰণৰ স'তে জড়িত অভিযুক্তক আটক কৰাত হোৱা ব্যৰ্থতা ঢাকিবলৈ আৰু ভাৰতৰ ওপৰত দোষ জাপি দিবলৈ ভাৰতীয় নাগৰিক এজনক গ্ৰেপ্তাৰ কৰাটো জৰুৰী হৈ পৰিছিল। বিশ্বদৰবাৰত ভাৰতৰ মান ম্লান কৰিবলৈ পাকিস্তান চৰকাৰৰ ওচৰত

তেতিয়া কোনো বিকল্প ব্যৱস্থা নাছিল। ভাৰত-পাক সম্পৰ্ক যেতিয়াই উন্নত কৰিবলৈ ভাৰত চৰকাৰে পদক্ষেপ গ্ৰহণ কৰে তেতিয়াই আই এছ আই এ এই প্ৰক্ৰিয়াত ব্যাঘাত জন্মায়। পাকিস্তানৰ কাৰাগাৰত এজন ভাৰতীয় লোকক নিৰ্মমভাৱে হত্যা কৰাৰ পাছতো ভাৰত চৰকাৰে যি প্ৰতিক্ৰিয়া প্ৰকাশ কৰিব লাগিছিল সেয়া কৰা পৰিলক্ষিত হোৱা নাই। আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত যি হেঁচা প্ৰয়োগ কৰিব লাগিছিল সেয়া কাৰ্যতঃ কৰা নাই।

লাহোৰত সৰৱজিতৰ মৃত্যুৰ পাছত উত্তাল হৈ পৰে ভাৰত। বিভিন্ন ৰাজ্যত প্ৰতিবাদৰ ঢৌ উঠে। পাকিস্তান আক্ৰমণ কৰি ভাৰতীয় নাগৰিকক হত্যাৰ সমুচিত প্ৰত্যুত্তৰ দিব লাগে বুলি চৌদিশে প্ৰতিবাদৰ ঢৌ উঠাৰ পাছতো কিন্তু ভাৰত চৰকাৰে এইক্ষেত্ৰত বিশেষ পদক্ষেপ গ্ৰহণ কৰা পৰিলক্ষিত নহ'ল। কি কাৰণে কংগ্ৰেছ চৰকাৰে এই সময়তো পাকিস্তানৰ বিৰুদ্ধে সাহসী সিদ্ধান্ত গ্ৰহণ কৰিব পৰা নাই সেয়া এক চিন্তনীয় বিষয়। পাকিস্তানত সৰৱজিতৰ মৃত্যু এটা সাধাৰণ ঘটনা নহয়। ই প্ৰতিগৰাকী ভাৰতীয় নাগৰিকৰে মন চুই গৈছে। ই ভাৰতৰ সন্মানত আঘাত হানিছে। সুদীৰ্ঘ দুটা দশক নিজৰ ভাতৃক চিৰবৈৰী দেশখনৰ কাৰাগাৰৰ পৰা মোকলাই আনিবলৈ সৰৱজিতৰ জ্যেষ্ঠ ভগ্নী দলবীৰ কৌৰে অহৰহ চেষ্ট চলাই আছিল। কিন্তু তেওঁৰ সকলো চেষ্টা ব্যৰ্থ হ'ল যেতিয়া সৰ্বজিতৰ নিৰ্থৰ দেহ আহি নিজ ঘৰ পালেহি। ২২ বছৰ পূৰ্বে পথাৰলৈ হাল বাবলৈ গৈ দুৰ্ভাগ্যক্ৰমে পাকিস্তানৰ ভূখণ্ডত প্ৰৱেশ কৰা সৰৱজিত আছিল নিৰ্দোষী। সেইবাবে সৰৱজিতৰ ভগ্নী দলবীৰে ক্ষোভ উজাৰিছে— সকলো ৰাজনৈতিক দলকে মই আহবান জনাইছো, তেওঁলোকে একগোট হৈ আগুৱাই আহি পাকিস্তানক সমুচিত উত্তৰ দিয়ক। উত্তৰ দিয়াৰ এয়াই উপযুক্ত সময়। তাৰ পাছতো কিন্তু সকলো নীৰৱ। সৰৱজিতৰ অন্ত্যেষ্টিক্ৰিয়াত দুই-এজন নেতা উপস্থিত হৈ শোক প্ৰকাশ কৰিলে। ঘঁৰিয়ালৰ চকুলো বোৱালে কেৱল ভোটৰ ৰাজনীতিৰ বাবে। ইমান দিনে সৰৱজিতৰ হৈ এযাৰো মাত নমতা নেতাই গৈ শোক প্ৰকাশ কৰিলে। ইয়াতকৈ আৰু কি চৰম লজ্জাজনক কথা হ'ব পাৰে।

সৰৱজিতৰ মৃত্যুৰ পাছত দুয়োখন দেশত বন্দী হৈ থকা কয়দীসকলৰ জীৱনৰ নিৰাপত্তাক লৈ দুয়ো দেশতে প্ৰশ্ন উত্থাপিত হৈছে। এই ঘটনাৰ

প্ৰতিক্ৰিয়া কাশ্মীৰৰ কাৰাগাৰত প্ৰতিফলিত হয়। কেৱল মুক্তভাৱে ঘূৰি ফুৰা নাগৰিকসকলেই নহয়, কাৰাগাৰৰ ভিতৰত বন্দী হৈ থকাসকলৰ মনতো বিভিন্ন প্ৰশ্নৰ উদ্ৰেগ ঘটিছে। সৰৱজিতক কয়দীৰ দ্বাৰা কৌশলৰে আই এছ আয়ে হত্যা কৰাৰ অভিযোগ উঠিছে। সেইবাবে সৰৱজিতৰ মৃতদেহ ভাৰতলৈ প্ৰেৰণ কৰাৰ সময়ত হৃদযন্ত্ৰ, কিডনী আৰু মস্তিষ্কৰ কিছু অংগ নাছিল। মৰণোত্তৰ পৰীক্ষাৰ পাছতে ভাৰতক গতাই দিয়াৰ পূৰ্বে শৰীৰৰ গুৰুত্বপূৰ্ণ অংগ কিন্তু লাহোৰৰ হাস্পতালত কাটি ৰাখিছিল সেয়াও এক ৰহস্যজনক বিষয়। গতিকে এই ঘটনাৰ তদন্তৰ বাবে ভাৰতে আন্তৰ্জাতিক মানৱ অধিকাৰ আয়োগত বিষয়টো শীঘ্ৰে উত্থাপন কৰিব লাগিছিল। কিন্তু ভাৰতৰ স্থিতি এইক্ষেত্ৰত নৰম হৈ থাকিল। এতিয়া পাকিস্তানৰ কাৰাগাৰত থকা ভাৰতীয় কয়দীসকলে যিদৰে বিনিদ্ৰ ৰজনী কটাবলগীয়া হৈছে তেনেদৰে ভাৰতত থকা পাকিস্তানৰ কয়দীসকলো ত্ৰস্তমান হৈ আছে। যি হ'ল সেয়া ঘটি গ'ল। এইক্ষেত্ৰত দুয়োখন দেশৰ চৰকাৰে বিহিত ব্যৱস্থা গ্ৰহণ কৰা উচিত। কাৰণ এওঁলোকৰ দোষ কি থাকিব পাৰে। যেতিয়ালৈ ফাঁচীকাঠত ওলোমোৱা নহয় তেতিয়ালৈকে এইসকল কয়দীৰ জীয়াই থকাৰ অধিকাৰ খৰ্ব কৰিব নোৱাৰে। দুয়োখন দেশেই কয়দীসকলক সুৰক্ষা দিয়ক।

# কামাখ্যা মন্দিৰৰ অম্বুবাচী মেলাৰ কথাৰে...

কামাখ্যাৰ অম্বুবাচী মেলাত ২০১৩ বৰ্ষত কমেও তিনি লাখতকৈ অধিক ভক্তৰ সমাগম হৈছিল। ভাৰতৰ বিভিন্ন প্ৰান্তৰ লগতে বিদেশৰ পৰাও ভক্তৰ সমাৱেশ ঘটিল। পুণ্যতীৰ্থ কামাখ্যাত বছৰি এই মেলাত ভক্তৰ সংখ্যা দ্ৰতগতিত বৃদ্ধি পাবলৈ ধৰিছে। কুম্ভমেলাৰ পাচতে যিকেইখন মেলা অনুষ্ঠিত হয় তাৰ ভিতৰত অন্যতম অম্বুবাচী মেলা। পশ্চিমবংগ আদিৰ পৰা যি হাৰত ভক্তৰ সমাবেশ ঘটিব লাগিছে তাৈলৈ লক্ষ্য কৰিলে দেখা যায় যে মা কামাখ্যাৰ প্ৰতি এই অঞ্চলটোৰ লোকসকলৰ আকৰ্ষণ কিমান। কামাখ্যা মন্দিৰৰ আশে-পাশে ভক্তই দিন ৰাতি প্ৰচণ্ড গৰমতো মাতৃ দেৱীৰ সেৱাৰ বাবে উপস্থিত হৈছে। কিমান আহিছে তাৰ হিচাপ নাই। সকলোৱে নীলাচল পাহাৰত ভৰি দিয়ে নিজকে ধন্য মানিছে। এই মেলাত যে কেৱল সাধু-সন্ন্যাসীৰেই সমাৱেশ ঘটিছে তেনে নহয়, বোকোচাত পানীকেঁচুৱা লৈয়ো আহিছে। একেলগে ইমান লোক লগ পোৱাটো সৌভাগ্যৰ বিষয়। কোনোৱে চাওঁ বুলি ইমান লোক একেলগে চাব নোৱাৰে। সি যি নহওক, উত্তৰ-পূৰ্বাঞ্চলত ইমান লোকৰ সমাৱেশ ঘটা ধৰ্মীয় কেন্দ্ৰটোৱে হ'ল কামাখ্যা। দেশ-বিদেশত দেৱী কামাখ্যাৰ মাহাত্ম্য বিয়পি পৰাৰ বাবে বছৰৰ আন সময়তো লোকাৰণ্য হৈ থাকে। কিন্তু অম্বুবাচীয়ে লাভ কৰিছে এক স্বকীয় মাত্ৰা। ইয়াৰ পৰিসৰ বৃদ্ধিৰ লগে লগে আন বহুতো আনুষংগিক দিশো সাঙোৰ খাই আছে। পৰ্যটনৰ কেন্দ্ৰ হিচাপে কামাখ্যা পাহাৰ অতীতৰ পৰাই চৰ্চা লাভ কৰি আহিছে। সেইবাবে বহুতো

ভক্তই এই মেলাৰ সময়ত লক্ষ লক্ষ ভক্তক একেলগে প্ৰত্যক্ষ কৰাৰ লগতে ইয়াৰ সৌন্দৰ্য উপভোগৰ বাবেও আহে।

ভাৰতৰ বিভিন্ন প্ৰান্তত লোকসকলে অম্বুবাচী বা আমতী পালন কৰে। অম্বুবাচী ঋতুকালীন উৎসৱ হ'লেও ইয়াক হিন্দু পঞ্জিকাৰ আশ্ৰয়ী উৎসৱ বুলিও ক'ব পাৰি। ভাৰতীয় আধ্যাত্মিক ক্ষেত্ৰখনৰ অন্যতম গুৰুত্বপূৰ্ণ স্থান হিচাপে বিবেচিত কামাখ্যা মন্দিৰত বছৰি ডেৰ কুৰিমান উৎসৱ পালন কৰা হয়। ইয়াৰ ভিতৰত অম্বুবাচী অন্যতম। এই উৎসৱত আৰ্য আৰু আৰ্যবহিৰ্ভূত সংস্কৃতি আৰু বিশ্বাসৰ সমন্বয় মন কৰিবলগীয়া। অম্বুবাচীৰ সৈতে বহুতো বিশ্বাস জড়িত হৈ আছে। বসুমতী এইকেইদিন ৰজঃস্বলা হয় বুলি বিশ্বাস। তাৰ পাচতেই ধৰিত্ৰী খেতি-বাতি বা শস্যৰ বাবে উপযোগী হৈ পৰে। মহিলা এগৰাকী যিদৰে ৰজঃস্বলা হোৱাৰ পাচত উৰ্বৰা শক্তি লাভ কৰে তেনেদৰে বসুমতীয়েও অম্বুবাচীৰ পাচতে খেতিবাতিৰ বাবে উপযোগী হৈ পৰে। সেইবাবে এইকেইদিন কামাখ্যাৰ মুখ্য দ্বাৰ বন্ধ থাকে। চাৰিদিন পাচত আকৌ দুৱাৰ খোলা হয়। সি যি নহওক, এই মেলাই কামাখ্যা মন্দিৰকেই নহয় অসমৰ লগতে উত্তৰ-পূৰ্বাঞ্চলক দিছে এক নতুন ৰূপ।

অম্বুবাচী মেলাত উপস্থিত হ'লে মনত এনে ভাব হয় যেন পৃথিৱীৰ সকলো দুখ পাহৰি ভক্তসকল উপস্থিত হৈছে মাতৃদেৱীৰ চৰণত অৰ্পিবলৈ। এই মেলাত উপস্থিত হ'লে কুম্ভমেলাৰ কথাও মনত পৰে। আনহাতে কামাখ্যা মন্দিৰলৈ অহা বিদেশী ভক্তৰ লগতে পৰ্যবেক্ষকৰ স'তে কথোপকথন কৰিলে তেওঁলোকৰ মনৰ বতৰাও জানিব পাৰি। ফ্ৰান্স আৰু ডেনমাৰ্কৰ পৰা অহা চাৰিগৰাকী পৰ্যবেক্ষক তথা ভক্তক সোধোতে তেওঁলোকে কামাখ্যা সম্পৰ্কে যি ব্যাখ্যা আগবঢ়ালে সেয়া তবধ মানিবলগীয়া। মন্দিৰৰ গাঁথনি সম্পৰ্কে তেওঁলোকে অধ্যয়ন কৰিবলৈ আহিছে। ভক্তৰ সমাগম আৰু ইয়াৰ পৰা আধ্যাত্মিক আৰু বৌদ্ধিক দিশত কেনেদৰে প্ৰভাৱ পেলায় সেই বিষয়েও গৱেষণা চলাইছে। এনেধৰণৰ গৱেষণাৰ দ্বাৰা কামাখ্যা মন্দিৰৰ নিৰ্মাণ সম্পৰ্কে আৰু অধিক বিজ্ঞানসন্মত তথ্য প্ৰকাশ পাব। অতীতত নিৰ্মাণ কৰা মন্দিৰটো আজিও অক্ষত হৈ আছে। কত ভূমিকম্প-প্ৰাকৃতিক দুৰ্যোগ গ'ল, তথাপি মন্দিৰটো তেনেদৰেই থিয় হৈ আছে। গতিকে অম্বুবাচী মেলাত এনে ভক্তৰ সমাগমে আৰু অধিক নতুন তথ্য দাঙি ধৰিব।

# প্ৰতিবন্ধীৰ অব্যক্ত বেদনা

প্ৰতিবন্ধী এই শব্দটো মানৱ জীৱনৰ বাবে অভিশাপ। সাধাৰণতে যিগৰাকী ব্যক্তি স্বাভাৱিক গঠনৰ অধিকাৰী নহয় তেওঁকেই প্ৰতিবন্ধী বুলি কওঁ। কিছুমান শাৰীৰিক, কিছুমান মানসিকভাৱে প্ৰতিবন্ধী। জন্মৰ সময়ৰে পৰা স্বাভাৱিক বিকাশত বাধা জন্মাটোৱে প্ৰতিবন্ধী। অৱশ্যে প্ৰতিবন্ধীৰ অৰ্থ অক্ষম নহয়। কিছু বছৰ আগলৈ প্ৰতিবন্ধী মানেই অক্ষম বুলি ভবা হৈছিল। সময়ৰ পৰিৱৰ্তনৰ লগে লগে প্ৰতিবন্ধীৰ সংজ্ঞাও সলনি হ'বলৈ ধৰিলে। শব্দটো এটা নিৰ্দিষ্ট পৰিসৰৰ মাজত আৱদ্ধ কৰি ৰখা হৈছে। শেহতীয়াভাৱে বিশ্বস্বাস্থ্য সংস্থাই প্ৰতিবন্ধীৰ সংজ্ঞা নতুনকৈ নিৰ্ধাৰণ কৰিছে। সম্প্ৰতি প্ৰতিবন্ধীসকলক মানসিকভাৱে শক্তিশালী কৰিবলৈ প্ৰতিবন্ধী শব্দটোৰ পৰিৱৰ্তে 'অন্যধৰণে সফল' ব্যক্তি বুলিহে অভিহিত কৰিছে। কাৰণ এতিয়া আৰু কোনো প্ৰতিবন্ধী, কোনো অন্ধজনে হিমালয় বগালে। শাৰীৰিকভাৱে অস্বাভাৱিকসকলৰ বাবে আন্তৰ্জাতিক অলিম্পিক কমিটীয়ে 'পেৰা অলিম্পিক' আৰম্ভ কৰিছে। ফুটবল খেলৰ পৰা আৰম্ভ কৰি টেবুল টেনিছলৈ সকলো খেলতেই অংশগ্ৰহণ কৰিছে এইসকল লোকে। গীত গাইছে। এনে লোকে ৰচনা কৰা সুৰ শুনি সকলোৱে অভিভূত নোহোৱাকৈ থকা নাই। কবিতা ৰচিছে। উপন্যাস লিখিছে। আন কথাতো বাদেই, বিস্ময় বিজ্ঞানী ষ্টিফেন হকিন্সৰ কথা এবাৰ ভাবকচোন, হুইল চকীত বহিয়ে মহাকাশ সম্পৰ্কে অধ্যয়ন চলাইছে। কৃষ্ণ গহ্বৰৰ ৰহস্য ভেদ কৰিছে। এতিয়াও অক্লান্তভাৱে গৱেষণাত ব্যস্ত হৈ আছে। গতিকে এইসকলক আমি প্ৰতিবন্ধী বুলি ক'ব পাৰো জানো?

দৰাচলতে প্ৰতিবন্ধী বুলি কোনো এটি বিশেষ শ্ৰেণী নাই। কাৰণ এইসকল লোকেও দৈনন্দিন জীৱন যাত্ৰাত এনে কিছু কাৰ্য সম্পাদন কৰে, যিবোৰ এগৰাকী সুস্থ লোকৰ বাবে সম্পাদন কৰাটো অসম্ভৱ। গতিকে এইসকলক আমি এক বিশেষ শ্ৰেণী বুলি কোৱাতকৈ তেওঁলোককো সমাজৰেই অংগ হিচাপে গণ্য কৰিব লাগে। বিভিন্ন লোকৰ সমষ্টিয়ে হ'ল সমাজ। এটা বিশেষ শ্ৰেণীৰে সমাজৰ সৃষ্টি হ'ব নোৱাৰে। এখন হাতৰ আঙুলি যিদৰে এক সমান নহয়, তেনেদৰে সমাজৰ প্ৰতিজন লোকো সমান নেহোৱাটোৱে স্বাভাৱিক। কোনোটো দীঘল, কোনোটো দুৰ্বল আঙুলি। সেইবুলি কাম কৰোতে আটাইকেইটাৰেই প্ৰয়োজন। একেদৰে সমাজৰ সকলো কাৰ্য সম্পাদন কৰোতে ধনী-দুখীয়া, সবল-দুৰ্বল, প্ৰতিবন্ধী সকলো লোকৰেই প্ৰয়োজন। কোনো এটা শ্ৰেণীক বাদ দি সমাজ গঢ়িবলৈ চেষ্টা কৰাতো কাৰো বাবে সম্ভৱ নহয়। গতিকে আমি সকলো কাৰ্য সম্পাদন কৰোতে প্ৰতিবন্ধীসকলক অংশগ্ৰহণৰ সুযোগ দি তেওঁলোকক শাৰীৰিক-মানসিকভাৱে সুস্থ হৈ থকাত সহযোগিতা আগবঢ়োৱা উচিত।

যিসকল লোক মানসিকভাৱে প্ৰতিবন্ধী তেওঁলোকৰ অৱস্থাটো বুজিবলৈ সকলোৱে চেষ্টা কৰা উচিত। বাস্তৱ ক্ষেত্ৰত দেখা যায় যে এনে লোকৰ মানসিকতাৰ বিষয়ে কোনোৱে বুজিবলৈ চেষ্টা নকৰে। বৰং একাষৰীয়াকৈহে ৰাখে। কোনো গুৰত্বপূৰ্ণ কথা ক'লে গুৰুত্বসহকাৰে গ্ৰহণ নকৰে। কিন্তু কেতিয়াবা এনে লোকৰ কথাই কাৰোবাৰ জীৱনলৈ বৃহৎ সাফল্য কঢ়িয়াই আনে। এনেবোৰ কথা পিচে আঁৰ কাপোৰৰ আঁৰতেই থাকি যায়। পাহৰণিৰ গৰ্ভত পোত খায়। স্বীকৃতিবিহীনভাৱেই মেলানি মাগে এই পৃথিৱীৰ পৰা।

ভাৰতীয় সংবিধানে সকলোকে জীয়াই থকাৰ অধিকাৰ দিছে। অন্ন, বস্ত্ৰ, বাসস্থানৰ পৰা কাকোৱে বঞ্চিত কৰিব নোৱাৰে। প্ৰতিগৰাকী লোকেই জীয়াই থকাৰ অধিকাৰ লাভ কৰিছে। তথাপি মানুহে সকলোৱে জ্ঞাতসাৰেই সৃষ্টি কৰে এক বিশেষ শ্ৰেণীৰ। সকলোৱে কয় প্ৰতিবন্ধী। কিন্তু এই শব্দটোৱে এইসকল লোকৰ মনত কিমান আঘাত দিয়ে সেয়া কোনেও অনুভৱ নকৰে। নুবুজে মনোবেদনা। এনেকৈয়ে থাকি যায় অব্যক্ত বেদনা। আশা-আকাংক্ষা। ভালপোৱা, মৰমলগা ইত্যাদি ইত্যাদি। সকলো জানে, সকলো বুজে। মাথোঁ প্ৰকাশ কৰিব নোৱাৰে। প্ৰকাশ কৰিলে নুবুজে। এয়াই প্ৰতিবন্ধীৰ অব্যক্ত বেদনা।

# সাম্প্ৰতিক শিক্ষাব্যৱস্থা আৰু ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যৎ

সময়ৰ পৰিবৰ্তনৰ লগে লগে শিক্ষাব্যৱস্থাৰ পৰিবৰ্তন হয়। সেইবাবে অতীতৰ গুৰুকুল আশ্ৰমৰ পৰিৱৰ্তে এতিয়া বিদ্যালয়, মহাবিদ্যালয়, বিশ্ববিদ্যালয় স্থাপন হ'ল। অতীতৰে পৰা সময়ে সময়ে শিক্ষা ব্যৱস্থাৰ পৰিৱৰ্তন হোৱা পৰিলক্ষিত হৈছে। শিক্ষণ এক জীৱনজোৰা প্ৰক্ৰিয়া হ'লেও কোনোৱে কিন্তু চিৰদিন কিতাপৰ মাজত থাকিয়ে। জীৱন নিৰ্বাহ কৰিব নোৱাৰে। শিক্ষাৰ জৰিয়তে ব্যক্তিত্ব বিকাশৰ সমান্তৰালভাৱে কেৰিয়াৰো গঢ়িব লাগিব। কেৰিয়াৰ আপোনা আপুনি সৃষ্টি নহয়। ইয়াৰ বাবে অধ্যৱসায়ৰ প্ৰয়োজন। বৃত্তিমুখী শিক্ষা অবিহনে এজন ছাত্ৰ বা ছাত্ৰীয়ে সফলতাৰ পথত খোজ পেলোৱাতো উজু নহ'ব। সেয়েহে সম্প্ৰতি প্ৰায়ভাগ দেশতেই বৃত্তিমুখী শিক্ষাৰ ওপৰতহে গুৰুত্ব প্ৰদান কৰা পৰিলক্ষিত হৈছে। ব্যতিক্ৰম নহয় ভাৰতীয় শিক্ষা ব্যৱস্থাৰো। অৱশ্যে শিক্ষা পদ্ধতি একে হ'লেও কিছুমান ৰাজ্য বেছি আগবঢ়া আৰু কিছুমান কম। অসমত শিক্ষা ব্যৱস্থাই এতিয়াও ছাত্ৰ-ছাত্ৰীসকলক বৃত্তিমুখী কৰি তোলাৰ পৰিৱৰ্তে কেৰিয়াৰমুখী কৰাহে দেখা যায়। ফলত বহুতো মেধাৱী

ছাত্ৰ-ছাত্ৰীয়ে অসম এৰি বহিঃৰাজ্য অথবা বিদেশলৈ গমন কৰিবলৈ ধৰিছে। এতিয়া সকলোৱে উপলব্ধি কৰিছে যে বৃত্তিমুখী শিক্ষা অবিহনে প্ৰতিযোগিতাৰ যুগত এখোপ উন্নতিৰ দিশে ধাৱিত হোৱাতো অসম্ভৱ।

বৰ্তমান সময়ৰ স'তে আমাৰ শিক্ষা ব্যৱস্থা আগুৱাব পৰা নাই। কেৱল পাঠ্যক্ৰমৰ পৰা ইতিহাস অথবা ভূগোল বাদ দিয়াটোৱে পাঠ্যক্ৰমৰ আমূল পৰিবৰ্তন হোৱাতো নুসূচায়। এনেবোৰ বিষয় কিছু পৰিমাণে সমাজ বিদ্যাত অন্তৰ্ভুক্ত কৰিলেও বিস্তৃত জ্ঞান লাভৰ পৰা বঞ্চিত হৈছে। ফলত বহুতো ছাত্ৰ-ছাত্ৰীয়ে আনকি অসমৰ চাৰিসীমাকে ভালদৰে ক'ব নোৱাৰে। ৰজা-মহাৰজাৰ বীৰত্বৰ বিষয়েও নাজানে। দুই দশকমান পূৰ্বে এনে বিষয়ক পাঠ্যক্ৰমৰ পৰা বাদ দি যিবোৰ বিষয় অন্তৰ্ভুক্ত কৰা হৈছে সেইবোৰো দৰাচলতে ছাত্ৰ-ছাত্ৰীসকল বৃত্তিমুখী কৰি তুলিব পৰা নাই। কেৱল কিতাপৰ বিদ্যাৰে বৃত্তিমুখী কৰি তোলাতো অসম্ভৱ। সেইবাবে আমাক এনে এক পঠ্যক্ৰমৰ প্ৰয়োজন যিয়ে ছাত্ৰ-ছাত্ৰীক প্ৰাথমিক পৰ্যায়ৰ পৰাই ভৱিষ্যতৰ বাবে সাজু হ'বলৈ শিকনি দিয়ে। অৱশ্যে বৰ্তমান বহুতো বিষয় অন্তৰ্ভুক্ত কৰা হৈছে যদিও সেইবোৰে ছাত্ৰ-ছাত্ৰীক আকৰ্ষণ কৰিব পৰা নাই। কাৰণ তেনে পাঠ্যক্ৰমৰ ভৱিষ্যতক লৈ অভিভাৱকৰ সন্দেহ আঁতৰা নাই। গতিকে এনে বিষয়ক লৈ ছাত্ৰ-ছাত্ৰী দোদুল্যমান পৰিস্থিতিত পৰাটো স্বাভাৱিক বিষয়। এনেবোৰ দিশত গুৰুত্ব প্ৰদানৰ সময় আহি পৰিছে। নহ'লে অসমৰ পৰা বহিঃগমন প্ৰতিৰোধ কৰাটো সম্ভৱ নহ'ব। মনত ৰখা উচিত যে যিসকলে ৰাজ্য এৰি বাহিৰলৈ পঢ়িবলৈ গৈছে, তেওঁলোকৰ অধিকাংশই বাহিৰতেই থিতাপি লৈছে। পৰোক্ষভাৱে ক্ষতিগ্ৰস্ত হৈছে ৰাজ্যখন। কেৱল যে শৈক্ষিক দিশতে ক্ষতি হৈছে তেনে নহয়, সমান্তৰালভাৱে অৰ্থনৈতিক দিশতো প্ৰভাৱ পৰিছে। মানৱ সম্পদ এটি জন্মস্থান এৰি যেতিয়া বাহিৰত থাকে তেতিয়া ক্ষতি হয় জন্মভূমিৰ।

যদিহে বৃত্তিমুখী উচ্চ শিক্ষাৰ ব্যৱস্থা অসমতো থাকিলহেঁতেন, তেতিয়াহ'লে মেধাৱী ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা পৰৱৰ্তী সময়ত ৰাজ্যখনৰ বিভিন্ন দিশত প্ৰভূত উন্নতি হ'লহেঁতেন। এতিয়া ৰাজ্যখনৰ ব্যক্তিগত খণ্ডৰ বিদ্যালয় কিছুমানত বৃত্তিমুখী শিক্ষাৰ প্ৰৱৰ্তন কৰা হৈছে। কিন্তু এনে বিদ্যালয়ত কেইজন ছাত্ৰ-ছাত্ৰীয়ে শিক্ষা লাভ কৰিবলৈ সক্ষম? বৃহৎ অংকৰ ধন ব্যয় কৰি

এনে শিক্ষা লাভ কৰিব পৰা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা আঙুলিৰ মূৰত লেখিব পৰাবিধৰ। গতিকে এনে শিক্ষাই নিশ্চয় বুজনসংখ্যক ছাত্ৰ-ছাত্ৰীক সামৰিব পৰা নাই। বঞ্চিত ছাত্ৰ-ছাত্ৰীয়ে বাধ্য হৈ এনে কিছুমান বিষয় অধ্যয়ন কৰিছে যিবোৰৰ বৰ্তমান ব্যৱহাৰিক মূল্য তেনেই কম।

সময়ৰ পৰিৱৰ্তনৰ লগে লগে সকলোৱে হৈ পৰিছে বৃত্তিমুখী। তেনেস্থলত আমাৰ পাঠ্যক্ৰম যদি সময়োপযোগী কৰি তোলা নহয়, তেন্তে নৱপ্ৰজন্ম বহুযোজন দূৰত থাকিব লাগিব। এইখিনিতে উল্লেখ কৰিব পাৰি যে কোনো পাঠ্যক্ৰমেই অনুপযুক্ত নহয় যদিহে সময়ৰ পৰিৱৰ্তনৰ লগে লগে খাপ খাব পৰাকৈ কিছু সালসলনি কৰা হয়। সকলোৱে পৰাই এক পাঠ্যক্ৰমৰ স'তে চিনাকি হ'বলৈ সুযোগ দিয়া উচিত যিবোৰে ব্যৱহাৰিক দিশত অধিক গুৰুত্ব প্ৰদান কৰে। অধ্যয়নৰ সমান্তৰালভাৱে অভিজ্ঞতাও অৰ্জন কৰিব। তেতিয়া শিক্ষা শেষ কৰাৰ পাচত কেৱল চাকৰিমুখী হৈ টলৌটলৌকৈ ঘূৰি থাকিবলগীয়া নহয়। এতিয়া প্ৰায়ভাগ দেশতেই চৰকাৰী চাকৰিয়ালৰ সংখ্যা হ্ৰাস কৰা হৈছে। সেয়েহে নিবনুৱাৰ সংখ্যাও দ্ৰুতগতিত বৃদ্ধি পাবলৈ ধৰিছে। নিবনুৱা বৃদ্ধি মানে দেশৰ অৰ্থনৈতিক অৱস্থাৰ ওপৰত মাধমাৰ পৰাতো নিশ্চিত। কেইবছৰমান পূৰ্বে যিটো পৰিস্থিতি চম্ভালিবলৈ সক্ষম হোৱা নাছিল আমেৰিকাৰ দৰে অৰ্থনৈতিকভাৱে শক্তিশালী দেশ এখনেও। গতিকে শিক্ষাৰ বুনিয়াদ কেৱল কিতাপৰ জ্ঞান প্ৰদান কৰাটোৱে হোৱাতকৈ ব্যৱহাৰিক দিশতহে অধিক গুৰুত্ব প্ৰদান কৰা উচিত।

# সাম্প্ৰতিক প্ৰেক্ষাপট

ভ্ৰাতৃঘাতী সংঘৰ্ষৰ ফলত আজি অসম অশান্ত। সুবিধাবাদী লোকসকলে অসমৰ বিভিন্ন গোষ্ঠী, জনগোষ্ঠীৰ মাজত বিভেদৰ বীজ সিঁচি দিছে। এটা জনগোষ্ঠীৰ বিৰুদ্ধে আন এটা জনগোষ্ঠীক উচটনি দি সকলোৱে মুনাফা লাভত ব্যস্ত হৈ পৰিছে। যিয়ে যেনেদৰে পাৰে তেনেদৰে এটাৰ বিৰুদ্ধে আন এটা জনগোষ্ঠীক ব্যৱহাৰ কৰিছে। কিছুমানে আকৌ স্ব-জনগোষ্ঠীৰ মাজতেই সিঁচি দিছে বিভেদৰ বীজ। সকলোৱে জঁপিয়াই পৰিছে বিভেদৰ অগ্নিপিণ্ডত। কোনোৱে সূক্ষ্ম দৃষ্টিভংগীৰে বিশ্লেষণ কৰাৰ সময় নাই। সকলোকে লাগে কেৱল ক্ষমতা। ক্ষমতাৰ বাঘজৰী হাতত থাকিলে সকলো কৰিব পাৰি। অসম্ভৱকো সহজেই সম্ভৱ কৰিব পাৰি। সকলোৱে পূজা কৰে। গতিকে স্বাৰ্থ সিদ্ধিৰ বাবে যিকোনো কাম কৰিবই লাগিব।

সম্প্ৰতি সাম্প্ৰদায়িকতাৰ বীজ কোনে, কেনেকৈ বিয়পাই আছে সেয়া সকলোৰে অনুমেয়। ৰাজনীতিক সকলেও এনে ধৰণৰ সমস্যা জীয়াই ৰাখিবলৈহে অহৰ্নিশে চেষ্টা কৰি থকা পৰিলক্ষিত হৈছে। কোনোবা এজনে যদি এটা সমস্যাৰ বিষয়ে কৈছে, আন এজনে আকৌ সেই সমস্যাটোৰ স'তে আন এটা সমস্যা সাঙুৰি বিষয়টো অধিক জটিল কৰিছে। কোনোৱে সমস্যাৰ সমাধান নিবিচাৰে। কাৰণ সমস্যা থাকিলেহে নিৰ্বাচনৰ সময়ত তেনে ইছ্যু লৈ ভোটাৰ ৰাইজৰ ওচৰলৈ যাব পাৰিব। কিছুমান সমস্যা সমাধান কৰাৰ পথ নথকা নহয়। কাৰণ সমস্যা থাকিলে সমাধানৰ পথো নিশ্চয় থাকিব। মানুহে এন্ধাৰ থকা বাবেহে পোহৰ বিচাৰে। পৃথিৱীত এনেকোনো সমস্যা নাই যাৰ কোনো সমাধান সূত্ৰ নাই। কিন্তু কিছুমান সমস্যা সমাধান কৰিলে বহুতো ৰাজনীতিকৰ ভবিষ্যৎ অন্ধকাৰ হ'ব।

অসমত সমস্যাৰ অন্ত নাই। কাৰণ অসমখন হ'ল বিভিন্ন গোষ্ঠী, জনগোষ্ঠীৰ আবাসভূমি। প্ৰতিটো গোষ্ঠী, জনগোষ্ঠীৰে নিজা নিজা সমস্যা আছে। কোনো এটা জনগোষ্ঠীয়ে যদি পৃথক ৰাজ্য বিচাৰিছে, আন এটাই আকৌ স্বায়ত্ব শাসন বিচাৰিছে। কিছুমানৰ ভূমিৰ সমস্যা। ভাষাৰ সমস্যাও আছে। সংবিধান স্বীকৃত ভাষা হিচাপে স্বীকৃতি লাভ কৰিবলৈ আৰু কিছুমান জনগোষ্ঠীৰ লোকে দীৰ্ঘদিন ধৰি আন্দোলনৰ কাৰ্যসূচী গ্ৰহণ কৰি আহিছে। এই আন্দোলনে কেতিয়াবা হিংসাত্মক ৰূপো লৈছে। কতজনে প্ৰাণ হেৰুৱালে বহুজন চিৰদিনৰ বাবে ঘুণীয়া হৈছে। কত মাতৃয়ে পুত্ৰক হেৰুওৱা বেদনা বুকুত বান্ধি লৈ আছে। বহুতে আকৌ কাৰাগাৰতে আছে। সমস্যা সমূহে সদায় জটিল ৰূপহে ধাৰণ কৰিছে। কেতিয়াবা যদি সমাধানৰ বাবে কোনো এটা দল আগুৱাই আহিছে, আন এটা দলে আকৌ বাধা প্ৰদান কৰিছে। এঠাইত শান্তিৰ পৰিৱেশ ঘূৰি আহিলে আন এঠাইত আকৌ হিংসাৰ দাবানলৰ সৃষ্টি হৈছে।

এনেবোৰ কাণ্ড-কাৰাখানাৰ ফলত ক্ষতিগ্ৰস্ত হৈছে সাধাৰণ ৰাইজ। আজি ৰাইজৰ নিৰাপত্তা নোহোৱা হৈছে। মন্ত্ৰী-বিধায়ক, নেতা-পালিনেতা আদি সকলোৱে সুৰক্ষিত। ক'ৰবাত যদি গণ্ডগোল লাগিছে ক্ষতি হৈছে সাধাৰণ ৰাইজৰ। বন্ধৰ সময়ত স্তব্ধ হৈছে জনজীৱন। কিছুমান অঞ্চলত মাহটোৰ

কেইদিনমানহে খোলা থাকে। স্থৱিৰ হৈছে উন্নয়ন। বঙাইগাঁও, কোকৰাঝাৰ, গোৱালপাৰা, শিৱসাগৰ, ডিব্ৰুগড়, লখিমপুৰ আদি অঞ্চলত দিনটোত কোনোবা নহয় কোনোবা এটা সংগঠনে বন্ধৰ আহ্বান জনাইছে। বহুতো ব্যৱসায়ীৰ দোকানৰ দুৱাৰ দীৰ্ঘদিন মেল খোৱাই নাই। এনে পৰিয়ালৰ ভৰণ-পোষণ এক জ্বলন্ত সমস্যা হৈ পৰিছে। কিছুমানে এসাঁজ খালেও আন কিছুমানৰ বাবে দিনটো চৰুৰ তলত জুই নজ্বলে।

এনে সমস্যাৰ ৰাইজেই সমাধানসূত্ৰ উলিয়াব লাগিব। ৰাইজে সমাধানৰ বাবে আগবাঢ়ি নাহিলে পৰিস্থিতি কিমান ভয়াৱহ হ'ব সেয়া অনুমান কৰিব নোৱাৰি। ৰাইজেই যদি মাৰ বান্ধি থিয় দিয়ে তেনেহ'লে কোনো অপশক্তিয়ে ভেদা-ভেদৰ বীজ সিঁচিব নোৱাৰে। কোনোৱে সমাজত জুই জ্বলাব নোৱাৰিব। ভ্ৰাতৃঘাতী সংঘৰ্ষৰ সূত্ৰপাত ঘটোৱা সকলক চিনাক্ত কৰি ৰাইজৰ কাঠগড়াত ৰাইজেই তুলিব লাগিব। বিভেদকামী শক্তিক আজিয়ে মষিমূৰ কৰিব লাগিব। ভৱিষ্যৎ প্ৰজন্মৰ সুৰক্ষাৰ বাবে সময় থাকোতেই আমি এনে ব্যক্তিক প্ৰতিৰোধ কৰিব লাগিব।

# প্ৰসংগ ঃ ধৰ্ষণ

দিল্লীৰ ৰাজপথত নিশা এগৰাকী যুৱতী ধৰ্ষিতা হোৱাৰ পাছত সমগ্ৰ দেশতে প্ৰতিবাদৰ ঢৌ উঠিছিল। ছাত্ৰীগৰাকীয়ে বন্ধুৰ স'তে এখন বাছত আহোতে বন্ধুজনক প্ৰহাৰ কৰি যুৱতী গৰাকীক ধৰ্ষণ কৰাৰ কেইদিনমান পাছতে মৃত্যু হয়। মৃত্যুৰ স'তে যুঁজি থকাৰ সময়ত যুৱতীগৰাকীয়ে যি ভাষ্য দিছিল সেয়া সঁচাকৈয়ে আছিল হৃদয়বিদাৰক। এই ঘটনাৰ ঢৌ মাৰ নৌযাওঁতেই মুম্বাইত ধৰ্ষিতা হ'ল এগৰাকী ফটোগ্ৰাফাৰ। আৰক্ষীৰ তৎপৰতাত দুয়োটা ঘটনাৰ স'তে জড়িত অভিযুক্ত গ্ৰেপ্তাৰ হয়। এই দুটা কেৱল উদাহৰণহে মাথোঁ । নিতৌ দেশৰ বিভিন্ন প্ৰান্তত কিমান গৰাকী মহিলা ধৰ্ষিতা হ'বলগীয়া হৈছে বা নিৰ্যাতনৰ সন্মুখীন হ'ব লগীয়া হৈছে তাৰ প্ৰকৃত হিচাপ পাবলৈ সহজ নহয়। কাৰণ নিতৌ এনেধৰণৰ ঘটনা যিমান সংঘটিত হয় তাৰ অৰ্দ্ধেকেই অপ্ৰকাশিত হৈ থাকে। লাজ, ভয়, অপমানৰ বাবে বহুতো ঘটনা অপ্ৰকাশিত হৈ থাকে। মৰিগাঁৱত এগৰাকী নৱবিবাহিতা দলবদ্ধ ধৰ্ষণৰ চিকাৰ হৈছিল। বিয়াৰ মাত্ৰ ১৫ দিন পাছতেই এনে ঘটনা সংঘটিত হয়। এয়া মানৱ জাতিৰ বাবে চৰম লজ্জাজনক বিষয়। আমি সভ্যতাৰ উচ্চ শিখৰত উপনীত হোৱা বুলি দাবী কৰিলেও দৰাচলতে এনেধৰণৰ ঘটনাই মানৱ মনত লুকাই থকা আসুৰিক প্ৰবৃত্তি ফুটি উঠিছে।

ধৰ্ষণ শব্দটোৱে নাৰী জাতিক অপমান কৰিছে। কাৰণ ধৰ্ষণ মানে সতীত্ব হৰণ। নাৰী জাতিৰ বাবে সতীত্ব ৰক্ষা কৰাটো গৌৰৱৰ কাৰণ। স্বামীৰ বাহিৰে আনে শৰীৰত হাত দিলে নিজকে অপবিত্ৰ বুলি ভাবে। সেইবাবে সতীত্ব ৰক্ষাৰ বাবে নিজকে বলি দিবলৈ কুণ্ঠাবোধ নকৰে। বহুতে আনকি সতীত্ব হৰণ হোৱাৰ অপমানতে আত্মহত্যাৰ পথো বাছি লয়। অতীতৰে পৰা নাৰী জাতিক দেৱীৰ আসনত বহুওৱা হৈছে। নাৰীক দেবীৰ আসনত বহুৱাই পূজা কৰি অহা হৈছে। অথচ এই দেবীকেই আসনৰ পৰা দলিয়াই দিয়ে একাংশ দুষ্কৃতিকাৰীয়ে।

ধৰ্ষণকাৰীৰ মানসিকতা সম্পৰ্কে বিভিন্নজনে ভিন্ন মন্তব্য আগবঢ়াইছে। কিছুমান লোকৰ মহিলাৰ সতীত্ব হৰণ কৰাৰ প্ৰৱণতা বেছি। মহিলা দেখিলেই এনে লোকে সুযোগ বিচাৰি থাকে। যিকোনো মুহূৰ্ততে এনে লোকে মহিলাগৰাকীক আক্ৰমণ কৰে। অকলশৰীয়া মহিলাক পালেই জিঘাংসু প্ৰবৃত্তি জাগ্ৰত হয়। আনহাতে, একাংশ লোকে এনে কাৰ্যত লিপ্ত হয় লগ সমনীয়াৰ চক্ৰবেহুত পৰি। সি যি নহওক, ধৰ্ষণ ধৰ্ষণেই। কেতিয়াও ধৰ্ষণকাৰীক ক্ষমা কৰিব নোৱাৰি। সম্প্ৰতি ভাৰতবৰ্ষৰ বিভিন্ন স্থানত ধৰ্ষণ সম্পৰ্কীয় ঘটনা অভাৱনীয়ভাৱে বৃদ্ধি পাবলৈ ধৰিছে। আনহে নালাগে পাঁচ-ছয় বছৰীয়া শিশুকো যৌন নিৰ্যাতন চলোৱাৰ ঘটনা সংঘটিত হোৱাটোৱে সকলোৰে চকু কপালত তুলিছে।

স্বাভাৱিকতে মনত প্ৰশ্নৰ উদয় হয়--- কিয় বৃদ্ধি পাইছে ধৰ্ষণ সম্পৰ্কীয় ঘটনা? আধুনিকতাৰ বেশ-ভূষা পৰিধান কৰা লোকসকলে এতিয়া নিজকে পাহৰিবলৈ ধৰিছে। নিজৰ ঐতিহ্য-পৰম্পৰাৰ ফালে পিঠি দিছে। কেৱল ভোগবাদী মানসিকতাই গা কৰি উঠিছে। এতিয়া ভোগ অবিহনে জীৱন আধৰুৱা। মাদকদ্ৰব্য সেৱন কৰা, নিশা দুপৰলৈ ক্লাবলৈ যোৱা, চিনেমা চোৱা, অশ্লীল ছবি উপভোগ কৰা, নিজকে আধুনিক যুগৰ যুৱক-যুৱতী সজাবলৈ স্বল্প বস্ত্ৰ পৰিধান কৰা, নিচাজাতীয় দ্ৰব্য সেৱন কৰি নিশা দুপৰলৈ ঘূৰি ফুৰা, চিঞৰ-বাখৰ কৰাই যেন আধুনিকতাৰ সংজ্ঞা। পশ্চিমীয়া জীৱন যাপনৰ নামত অপসংস্কৃতিৰ মাজত সোমাই পৰা লোকসকলৰ মাজত ধৰ্ষণ সম্পৰ্কীয় ঘটনা বৃদ্ধি পাইছে। আনহাতে, এনে জীৱন-যাপন নকৰা সত্ত্বেও

একাংশই নিৰ্বিঘ্নে চলাই আছে ধৰ্ষণ। একাংশ ভণ্ড ধৰ্মগুৰুৱে ধৰ্মৰ নামত মহিলাৰ ওপৰত চলাই আছে যৌন নিৰ্যাতন। আমি বসবাস কৰা সমাজখনৰ চৌদিশে এনেধৰণৰ ঘটনা দ্ৰুতগতিত বৃদ্ধি পালেও আমি কিন্তু চকু মুদিয়ে আছো। ক'ৰবাত এটা ঘটনা সংঘটিত হোৱাৰ পাছত কিছুদিন হৈ-চৈৰ সৃষ্টি কৰিছো। কেইদিনমান পাছত আকৌ নিতাল। এনে ঘটনাৰ পুনৰাবৃত্তি হ'লে পুনৰাই ৰাজপথলৈ ওলাই আহি সংবাদ মাধ্যমত নিজকে জাহিৰ কৰিবলৈ চেষ্টা কৰা লোকৰ অভাৱ নাই। বিভিন্ন সংগঠনৰ বেনাৰত থিয় হৈ ডাঙৰ ডাঙৰ ভাষণ দিলেই ধৰ্ষণৰ ঘটনা বন্ধ নহয়। ইয়াক প্ৰতিহত কৰিবলৈ সামাজিক সচেতনতাৰ প্ৰয়োজন। গাঁৱে গাঁৱে ৰাইজক সজাগ কৰিব লাগিব। ধৰ্ষণকাৰীক ৰাজহুৱাভাৱে শাস্তি প্ৰদান কৰিলে সমস্যাৰ সমাধান নহ'ব। কাৰণ আইন হাতত তুলি লোৱাৰ অধিকাৰ কাৰো নাই। সেয়েহে দেশত এনে এখন আইন প্ৰণয়নৰ প্ৰয়োজন হৈ পৰিছে যাতে ধৰ্ষণকাৰীক সোনকালে ফাঁচী দিব পাৰি। চীন আদি দেশত ধৰ্ষণৰ ঘটনা কম হোৱাৰ মূলতে হ'ল কঠোৰ আইন। আমাৰ দেশত আইন আছে যদিও সুৰুঙাৰ বাবে অপৰাধী সাৰি যায়। যদিহে ধৰ্ষণত জড়িত বুলি প্ৰমাণিত হয় তেনেহ'লে তেনে অপৰাধীক ফাঁচী দিলে পৰৱৰ্তী সময়ত এনে ঘটনা হ্ৰাস পাব। আনহাতে, এনে ঘটনা গাপ দি ৰাখিলে ধৰ্ষণকাৰীক উৎসাহিতহে কৰা হ'ব। সেয়েহে এনে অপৰাধীক চিনাক্ত কৰি আৰক্ষীৰ হাতত গতাই দিয়াটোহে সমৰ্থনযোগ্য। কোনো ধৰ্ষণকাৰী যাতে সাৰি যাব নোৱাৰে সেইক্ষেত্ৰতহে ৰাইজে সতৰ্ক দৃষ্টি ৰখা উচিত। সমাজৰ প্ৰতিগৰাকী লোক যদি সচেতন হয় তেতিয়াহ'লে অপৰাধীয়ে মহিলাসকলৰ বিশেষ ক্ষতিসাধন কৰিব নোৱাৰিব। কোনো লোকে অসৎ ইংগিত দিয়াৰ লগে লগে তাৰ প্ৰত্যুত্তৰ দিয়ক কঠোৰভাৱে। এনে লোকৰ কথাত কেতিয়াও পতিয়ন যাব নালাগে। কেতিয়াবা উপযাচি সহায় কৰিব আহিলে গুৰুত্ব দিবই নালাগে। তদুপৰি মহিলাসকলে আত্মৰক্ষা কৰিব পৰাকৈ প্ৰস্তুত হ'বৰ সময় আহি পৰিছে। পোছাক পৰিধানৰ ক্ষেত্ৰতো সতৰ্ক হওক।

# অশান্তিৰ উৎস ক'ত

অশান্তিৰ উৎস ক'ত? এই প্ৰশ্নৰ উত্তৰ কাৰোবাৰ হাতত আছে জানো? নিশ্চয় নাই। কাৰণ এতিয়া চৌদিশে কেৱল অশান্তি পৰিৱেশ । এই পৰিৱেশৰ মাজত থাকিয়ে দিন অতিবাহিত কৰিব লগীয়া হয়। কাৰোবাবে এই বিষয়ে ভাবিবৰ সময় নাই। দূৰন্তগতিত আগবাঢ়িছে সকলোৱে। কোনোৱে কাৰোফালে চাবলৈ আহৰি নাই। অশান্ত পৰিৱেশৰ মাজত থাকিয়ে সকলো অভ্যস্ত হৈ পৰিছে। সকলো দেখি শুনিও সকলোৱে মৌন ব্ৰত অৱলম্বন কৰিছে। মাত দিলেই জানোচা জগৰ লাগে! জগৰ লগাৰ ভয়ত সকলো ত্ৰস্ত্ৰমান। মুখৰ পৰা শব্দ ওলালেই যেন কোনোবাই আক্ৰমণ কৰিব। দেখিছে, শুনিছে, বুজিছে। কিন্তু দেখা নাই, শুনা নাই আৰু বুজা নাই। মনত সকলোবোৰ কথাই খুন্দা মাৰে। তথাপি বুকুত বেদনা লৈয়ে বহুতে জীয়াই থকাৰ অভ্যাস গঢ়িছে।

অশান্তিৰ উৎস ক'ত? ক্ষমতা, ভোগ, বাসনা তথা ধৰ্মৰ নামত সন্ত্ৰাস। সকলোৱে জানো কেৱল অৰ্থৰ অভাৱতে হাতত বন্দুক তুলি লৈছে। হাতত বন্দুক তুলি লৈ এফালৰ পৰা চলাই গৈছে সন্ত্ৰাস। মানুহক ত্ৰাসিত কৰাই যেন তেওঁলোকৰ লক্ষ্য। আদৰ্শৰে নহয়, বন্দুকৰ নলীৰেহে মানুহৰ মন জয় কৰা বুলি দাবী কৰিব খোজাসকলে এবাৰো ভাবি নাচায় যে বন্দুকেৰে সমৰ্থন লাভ কৰাটো ক্ষন্তেকীয়া। বন্দুকেৰে মানুহৰ জীৱনৰ বাটত এক অনুভূতি মন জয় কৰিব বুলি ভবাসকলে মানুহৰ হৃদয়ৰ বতৰা ল'ব নোখোজে। ইতিহাসৰ পাত মেলি চালে দেখা যায় যে অত্যাচাৰী শাসকসকলে দীৰ্ঘদিন ধৰি শাসনৰ বাঘজৰী হাতত ৰাখিলেও সময়ত ফুটুকাৰ ফেনত পৰিণত হৈছিল। এনে শাসকৰ ক্ষমতাচ্যুত হোৱাৰ পাচতে কেনে পৰিস্থিতিৰ সন্মুখীন হ'বলগীয়া হয় তাৰ জ্বলন্ত উদাহৰণ গাদ্দাফী। ৰাস্তাৰ কুকুৰ-মেকুৰীক গুলীয়াই মৰাৰ দৰে এদিন বিদ্ৰোহীয়ে ৰাজপথতে হত্যা কৰিলে নিৰ্মমভাৱে। আনকি মৃত্যুৰ পাছতো গাদ্দাফীৰ দেহত লঠিয়াইছিল। মৃতদেহৰ চাৰিওফালে উদ্দাম নৃত্য প্ৰদৰ্শন কৰিছিল এসময়ত গাদ্দাফীৰ অত্যাচাৰত অতিষ্ঠ হোৱাসকলে। হিটলাৰৰ শেষ পৰিণতি কেনে হৈছিল সেয়া সকলোৰে জ্ঞাত। এয়া মাথোঁ দুই-এটা উদাহৰণহে।

অশান্তি বিয়পোৱা লোকসকলে সামগ্ৰিকভাৱে অশান্তি বিয়পাই আনন্দ লাভ কৰে যদিও পৰৱৰ্তী সময়ত মানসিক দ্বন্দ্বত ভোগে। বহুতে হত্যা-সন্ত্ৰাস বিয়পাই পৰৱৰ্তী সময়ত অনুশোচনাত দগ্ধ হৈ আত্মহননৰ পথো বাছি লয়। ওপৰলৈ থুৱালে নিজৰ গাতে পৰে। আনলৈ মৰা গুলীটোৱে যে নিজৰ বুকুত কেতিয়াবা আঘাত কৰিব পাৰে সেই কথা প্ৰথমতে নাভাবিলেও সময়ত সেয়াই হয়। আনক হত্যা কৰি আনন্দ পোৱা বা স্বাৰ্থ সিদ্ধি কৰাসকলে যেতিয়া নিজৰ পৰিয়ালৰ লোকক হেৰুৱাবলগীয়া হয় তেতিয়া বুজি পায় বন্দুকৰ গুলীৰ আঘাতৰ পৰিণতি কেনেকুৱা।

সময় নিষ্ঠুৰ। সময়ে সকলোকে প্ৰত্যুত্তৰ দিয়ে। এদিন যদি অত্যাচাৰীৰ দিন, আন এদিন শোষণৰ বলি হোৱাসকলৰ দিন। কোনো লোকৰে দিন-ৰাতি সমানে নাযায়। একালত যদি সুখ হয়, আন একালত আকৌ দুখ। কোনোৱে সদায় সুখ নাপায়, আৰু কাৰো জীৱনত সদায় দুখ নাথাকে।

সহায়ৰ আৰশ্যক হ'লেও কোনোৱে দুষ্ট আৰু কপটীয়াৰ সহায় নিবিচাৰে পৃথিৱীত এনে কোনো ভাল কাম নাই যাৰ বাবে শাস্তি ভুগিবলগীয়া নহয়। মহামানৱ মহাত্মা গান্ধীৰ পৰা আৰম্ভ কৰি মাৰ্টিন লুথাৰ কিং, নেচলন মেণ্ডেলাই শাসক গোষ্ঠীৰ তীব্ৰ প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলগীয়া হৈছিল প্ৰতিটো খোজতে। তেওঁলোকে সদায় সুখী জীৱন কটাব পাৰিলেহেঁতেন। কিন্তু সুখৰ কথা পাহৰি দেশবাসী, বিশ্ববাসীৰ শান্তিৰ বাবে জীৱনৰ অধিকাংশ সময় অতিবাহিত কৰিলে। তেওঁলোকে অশান্ত সমাজ এখনত শান্তি প্ৰতিষ্ঠা কৰিবলৈ যুঁজি কেতিয়াও ক্লান্তিবোধ কৰা নাই। সমাজত শান্তি বিচৰা লোকৰ সংখ্যাই অধিক। সেইবাবে অশান্তিৰ বীজ সিঁচিব খোজাসকলৰ বিৰুদ্ধে যুঁজ দিয়াতো কঠিন নহয়। মাথোঁ ঐক্যবদ্ধ হ'ব লাগিব। ৰাইজ শান্তিৰ কপৌ উৰিব। শান্তিৰ কপৌ উৰুৱাবলৈ আমি প্ৰথমতে বিভেদকামী শক্তিক চিনাক্ত কৰিব লাগিব। কোনে অশান্তিৰ বীজ সিঁচিছে, সেই উৎসৰ সন্ধান কৰি তাক কলিতেই মষিমূৰ নকৰিলে ইয়াৰ দাবানলে এদিন সকলোকে দগ্ধ কৰাতো নিশ্চিত।

# শিশুটিৰ মানসিক উৎকৰ্ষ সাধনত চিত্ৰাংকনৰ ভূমিকা

চিত্ৰাংকন-সৃষ্টিশীল মানসিকতাৰ নিদৰ্শন। চিত্ৰাংকনৰ মাজেদি ফুটি উঠে মনৰ এখন ছবি। যিসকল সৃষ্টিশীল লোক তেওঁলোকেহে প্ৰকৃততে এখন সম্পূৰ্ণ ছবি আঁকিব পাৰে। ছবি আঁকিবলৈ হ'লে প্ৰথমতে চিত্ৰকৰগৰাকী মানসিকভাৱে প্ৰস্তুত হ'ব লাগিব। ভাৱসামন্যহীন মনেৰে কোনোৱে ছবি আঁকিব নোৱাৰে। যিসকলে সৰুৰে পৰাই চিত্ৰ অংকনৰ প্ৰতি আগ্ৰহী তেওঁলোকে সদায় সন্মুখত যিবোৰ বস্তু প্ৰত্যক্ষ কৰে সেয়া ব্যতিক্ৰমী দৃষ্টিভংগীৰে ব্যাখ্যা কৰিবলৈ চেষ্টা চলায়। সকলোৱে বিষয়টো প্ৰত্যক্ষ কৰি আছে, অথচ গুৰুত্ব নিদিয়ে। সাধাৰণ বিষয় একোটাকে অসাধাৰণ ৰূপত ব্যক্ত কৰিব বিচাৰে চিত্ৰকৰসকলে। ইয়াৰ বাবে লাগিব সাধনা। এটা সাধাৰণ বিষয় ব্যতিক্ৰমী দৃষ্টিভংগীৰে বিশ্লেষণ কৰা বা ৰাইজৰ সন্মুখত দাঙি ধৰাটো উজু কাম নহয়। সেয়েহে সৰুৰে পৰাই চিত্ৰাংকন কৰিবলৈ শিশুসকলক উৎসাহ যোগাব লাগে। পিতৃ-মাতৃয়ে বা অভিভাৱকে এইক্ষেত্ৰত আগভাগ লোৱা উচিত। চিত্ৰাংকনৰ প্ৰতি আকৃষ্ট কৰিবলৈ ইয়াৰ উপকাৰিতা সম্পৰ্কে বুজাব লাগে।

শিশুমনে সকলো বিচাৰে। প্ৰতিটো কথাই জানিবলৈ উৎসুক।

অনুসন্ধিৎসু মনে প্ৰতিটো বিষয়ৰেই ব্যাখ্যা বিচাৰে। এনে ব্যাখ্যা যদি শুদ্ধ ৰূপত দিয়া হয় তেতিয়াহ'লে পৰৱৰ্তী সময়ত সেই বিষয়টো সম্পৰ্কে নতুন ব্যাখ্যা আগবঢ়োৱাত সহজ হয়। দৰাচলতে শিশুসকলক যেতিয়া প্ৰকৃতিৰ মাজত বিচৰণ কৰিব দিয়া হয় তেতিয়া সিহঁতে খুব ভাল পায়। আনন্দ মনেৰে প্ৰকৃতিৰ মাজত নিজকে বিচাৰি পাবলৈ যত্ন কৰে। প্ৰকৃতিৰ মাজত ওমলি ভাল পায়। সেয়েহে এই প্ৰকৃতি সম্পৰ্কে যদি শিশুসকলক চিত্ৰাংকণ কৰিবলৈ দিয়া হয় তেতিয়াহ'লে সৃষ্টিশীল মানসিকতাও বৃদ্ধি পাব।

শিশুসকলক কিছু-কিছু ক্ষেত্ৰত প্ৰতিযোগিতামুখী কৰি তুলিব লাগে। কাৰণ প্ৰতিযোগিতামুখী নহ'লে জীৱন-যুঁজৰ খলা-বমা পথত খোজ দিবলৈ নিশিকিব। অৱশ্যে অত্যধিক প্ৰতিযোগিতাই শিশু মনত আকৌ বিৰূপ প্ৰভাব পেলায়। সেয়েহে অত্যধিক প্ৰতিযোগিতাৰ চাপ নিদিয়াকৈয়ে প্ৰতিযোগিতামুখী কৰি তুলিব পাৰিলে সুফল পোৱা যায়। এনে ধৰণৰ চিত্ৰাংকণ প্ৰতিযোগিতাৰ যোগেদি সিশুসকলক উৎসাহিত কৰাৰ লগতে উত্তৰণৰো সহায়ক হয়। সেই দৃষ্টিভংগীৰে বিশ্লেষণ কৰিলে এটা কথা স্পষ্ট হৈ পৰে যে শিশুসকলৰ মানসিক বিকাশৰ বাবে চিত্ৰাংকণ প্ৰতিযোগিতা আদিৰো সমানেই প্ৰয়োজন। মানসিক উৎকৰ্ষ সাধনৰ বাবে প্ৰতিযোগিতামুখী মানসিকতাৰ প্ৰয়োজন। অৱশ্যে সন্তানক এইটো কথা শিকাব লাগে যে কোনো এখন প্ৰতিযোগিতাত পুৰস্কাৰ লাভ কৰাটোৱে সাফল্যৰ শিখৰত উপনীত হোৱাটো নুসূচায়। আনহাতে, পুৰস্কাৰ নাপালেও যে নিজৰ সৃষ্টিখিনি উপযুক্ত হোৱা নাই তেনে নহয়। এইবোৰৰ মাপকাঠী পুৰস্কাৰেৰে জুখিব নোৱাৰি। পুৰস্কাৰেৰে সৃষ্টিৰ জোখ-মাখ কৰিব খোজা সকলে যদি কেৱল পুৰস্কাৰ নোপোৱা বাবেই নেতিবাচক মানসিকতা গ্ৰহণ কৰে তেতিয়াহ'লে জীৱন যুঁজত জয়ী হ'ব নোৱাৰে। চিত্ৰাংকণ প্ৰতিযোগিতা সমূহ মানসিক উৎকৰ্ষ সাধনৰ উৎসহে হোৱা উচিত। এনে প্ৰতিযোগিতাত সকলো শিশুৱে যাতে অংশ গ্ৰহণ কৰিব পাৰে তাৰ বাবে এখন উপযুক্ত ক্ষেত্ৰ প্ৰস্তুত কৰিব লাগিব। এনে মঞ্চৰ পৰাই আৰম্ভ হওক বিশ্বজয়ৰ যুঁজৰ আখৰা। মাইকেল এঞ্জেল, লিঅ' নাৰ্ড দ্য ভিঞ্চি নহ'লেও বিশ্ববাসীৰ মন জয় কৰিব পৰা এগৰাকী চিত্ৰকৰৰ জন্ম হওক।

# বৈষ্ণোদেৱী মন্দিৰ দৰ্শন

যোৱা ১৭ ফেব্ৰুৱাৰী, ২০১৩ আমি যাত্ৰা কৰিছিলো বৈষ্ণোদেৱী মন্দিৰ দৰ্শনৰ বাবে। পৃথিৱীৰ বিখ্যাত তীৰ্থস্থানসমূহৰ ভিতৰত অন্যতম হ'ল বৈষ্ণোদেৱী মন্দিৰ। ভাৰতৰ সৰ্বাধিক যাত্ৰীৰ সমাবেশ ঘটা তীৰ্থস্থানসমূহৰ ক্ষেত্ৰত দ্বিতীয় স্থানত আছে এই মন্দিৰটো । ভাৰতৰ ভূ-স্বৰ্গ জন্মু-কাশ্মীৰৰ ৰিইছি জিলাত মন্দিৰটো অৱস্থিত। ৫,৩০০ ফুট উচ্চতাত অৱস্থিত মন্দিৰটো দৰ্শনৰ বাবে বছৰি প্ৰায় আঠ নিযুত যাত্ৰীৰ সমাগম হয়। দুৰ্গম পাহাৰৰ পাঁচ হেজাৰ ফুটৰ অধিক উচ্চতাত অৱস্থিত হোৱা সত্ত্বেও ইমান যাত্ৰীৰ সমাৱেশ হোৱাটোৱে প্ৰমাণ কৰে দেৱীৰ ওপৰত থকা বিশ্বাস তথা মাহাত্ম্য। বছৰৰ সৰ্বাধিক যাত্ৰীৰ সমাৱেশ হোৱা মন্দিৰটো হ'ল তিৰুমলা ভেংকটেশ্বৰ। যাত্ৰীৰ ভিৰ হোৱালৈ চাই লাহে লাহে মন্দিৰটোলৈ অহা-যোৱা কৰিব পৰা পথ সুচল কৰিবলৈ চেষ্টা চলায় আছে চৰকাৰে।

আমাৰ যাত্ৰাৰ লগৰী আছিল বিশিষ্ট সাহিত্যিক অনুৰাধা শৰ্মা পূজাৰীৰ লগতে তেওঁৰ স্বামী। ১৮ ফেব্ৰুৱাৰীৰ পুৱা ৫-৩০ বজাত দিল্লীৰ পৰা জন্মুলৈ গ'লো ৰাজধানী এক্সপ্ৰেছত। জন্মু ষ্টেচনৰ পৰা কাটৰালৈ গ'লো। এই সৰু চহৰখন জন্মু ষ্টেচনৰ পৰা ৫৮ কিলোমিটাৰ নিলগত অৱস্থিত। সৰু গাড়ীৰে যাওঁতে প্ৰায় ডেৰ ঘণ্টা সময় লাগিল। এই চহৰখনৰ পৰা ১২ কিলোমিটাৰ দূৰত্বত বৈষ্ণৱী মন্দিৰটো অৱস্থিত। ইয়াৰ পৰা তিনিধৰণে যাব পাৰি।

কিছুমানে হেলিকপ্টাৰেৰে, কিছুমানে ঘোঁৰা বা পাল্কী অথবা খোজকাঢ়ি যায়। শেহতীয়াভাৱে উধমপুৰৰ পৰা কাটৰালৈ এতিয়া ৰে'ল সংযোগ কৰাত যাত্ৰীসকলৰ বাবে অহা-যোৱাৰ সুচল হৈছে। সি যি কি নহওক, আমি হেলিকপ্টাৰেৰে গ'লো। আমাৰ সৌভাগ্য সিদিনা পুৰা বতৰ ফৰকাল আছিল। কাটৰাৰ পৰা হেলিকপ্টাৰেৰে গ'লে খুব বেছি পাঁচ মিনিট সময়ৰ প্ৰয়োজন। হেলিকপ্টাৰত গ'লে ৭০০ টকা, ঘোঁৰাত ১,০০০ আৰু পাল্কীত ৩,৫০০ টকাৰ প্ৰয়োজন। পাহাৰৰ ওপৰত থকা হেলিপেডৰ পৰা মন্দিৰটোলৈ দূৰত্ব তিনি কিলোমিটাৰ। আমি আটায়ে খোজকাঢ়ি গ'লো এই তিনি কিলোমিটাৰ পথ। যদি কাটৰাৰ পৰা খোজ কাঢ়ি যায় তেতিয়াও যাত্ৰীসকলে বাটে-বাটে জিৰণি লোৱাৰো ব্যৱস্থা আছে। ঠায়ে-ঠায়ে দোকান-পোহাৰ আছে। হেজাৰ-হেজাৰ যাত্ৰীয়ে অহা-যোৱা কৰি থাকে বাবে যাত্ৰীসকলে এই দূৰত্ব খোজ কাঢ়িলেও ভাগৰ অনুভৱ নকৰে। আনহাতে তাত যাত্ৰী থকাৰ বাবে যাত্ৰী নিবাসৰো সুন্দৰ ব্যৱস্থা আছে। অৱশ্যে ফেব্ৰুৱাৰী-মাৰ্চত যাত্ৰীৰ সংখ্যা তুলনামূলকভাৱে কম হয়।

এই মন্দিৰটো যি স্থানত অৱস্থিত তাৰ প্ৰাকৃতিক সৌন্দৰ্য বৰ্ণনা কৰি শেষ কৰিব নোৱাৰি। যেনি চায় তেনি প্ৰকৃতি দেৱীৰ অপৰূপ সৌন্দৰ্য। সৃষ্টিকৰ্তাই যেন পৃথিৱীৰ সকলো সৌন্দৰ্য এই স্থানতহে থূপ খুৱাই থৈছে। সৌন্দৰ্য উপভোগ কৰি শেষ কৰিব নোৱাৰি। বৈষ্ণো দেৱী মন্দিৰটোৰ চৌহদত প্ৰৱেশ কৰাৰ লগে লগে মনটোত এনেকুৱা এটা ভাব হ'ল যেন বিশ্বৰ বিভিন্ন প্ৰান্তৰ ভক্তসকলে আন ঠাইতকৈ এই মন্দিৰটোতহে বেছি বিশ্বাস কৰে। এই মন্দিৰটো এটা পুৰণা গুহাৰেও দৰ্শন কৰাৰ সুবিধা আছে। অৱশ্যে এই গুহাটো বছৰৰ সকলো সময়তে খোলা নাথাকে। দুই এজন মন্দিৰত থকা লোকক সুধি জানিব পাৰিলো যে এই গুহাটো কেৱল ফেব্ৰুৱাৰী মাহতহে খোলা থাকে। মন্দিৰটোৰ এক কিলোমিটাৰ আঁতৰত আছে ভৈৰৱ মন্দিৰ। জনশ্ৰুতি মতে বৈষ্ণোদেৱী মন্দিৰটো দৰ্শন কৰিলে ভৈৰৱ মন্দিৰটোও দৰ্শন কৰিব লাগে। দুয়োটা মন্দিৰৰ সম্পৰ্ক থকা বুলি স্থানীয় লোকসকলে বিশ্বাস কৰে। জনশ্ৰুতি অনুসৰি এটা কাহিনী মতে প্ৰভু ৰামচন্দ্ৰক স্বামী হিচাপে পাবলৈ বিচৰা বৈষ্ণোদেৱীক ৰামচন্দ্ৰই পত্নীৰ মৰ্যাদা দিয়াৰ পৰিৱৰ্তে একান্ত ভক্তৰ

মৰ্যাদাহে প্ৰদান কৰিছিল। বৈষ্ণোদেৱী জন্মিছিল দক্ষিণ ভাৰতৰ ৰত্নাকৰ সাগৰৰ ঘৰত। ৰত্নাকৰ সাগৰৰ দম্পতীয়ে দেৱ শিশুটি জন্ম দিয়াৰ আগৰ দিনা নিশা প্ৰতিজ্ঞা কৰিছিল যে তেওঁলোকৰ যি সন্তান জন্মিব সেই সন্তানটোৱে বিচৰা মতে সকলো কৰিবলৈ দিব। প্ৰতিজ্ঞা মতেই কাম। মা বৈষ্ণোদেৱীৰ শৈশৱতে নাম আছিল ত্ৰিকূতা। প্ৰভু বিষ্ণুৰ কৃপাদৃষ্টিতে ত্ৰিকূতা জন্ম হোৱা বাবে পৰৱৰ্তী সময়ত শিশুটি বৈষ্ণোদেৱী হিচাপে জনাজাত হৈ পৰে। ত্ৰিকূতাই ন বছৰ বয়সতে অটব্য জংঘলত পাহাৰৰ শৃংগত সাধনাত ব্ৰতী হয়। ত্ৰিকূতাই বিষ্ণুক প্ৰভু ৰামচন্দ্ৰৰ ৰূপত পাবলৈ বিচাৰিয়ে কঠোৰ সাধনাত ব্ৰতী হৈছিল। যেতিয়া ৰামচন্দ্ৰই সীতাক বিচাৰি পাহাৰৰ শৃংগত উপস্থিত হৈছিল তেতিয়া ত্ৰিকূতাই ৰামচন্দ্ৰক স্বামীৰূপে বিচৰাৰ কথাটো ব্যক্ত কৰে। কিন্তু প্ৰভু ৰামচন্দ্ৰই ত্ৰিকূতাক ক'লে যে— তেওঁ সীতাৰ বাহিৰে আনক পত্নীৰূপে গ্ৰহণ কৰিব নোৱাৰে। কিন্তু ৰামচন্দ্ৰই ত্ৰিকূতাক বিমুখো নকৰিলে। তেওঁৰ পৰম ভক্তৰূপে বিশ্বত প্ৰতিষ্ঠিত হ'ব বুলি বৰ দিলে আৰু ত্ৰিকূতাৰ নামটো বৈষ্ণৱী অৰ্থাৎ ৰামৰ (বিষ্ণু) পৰম ভক্ত। অৱশ্যে প্ৰভু ৰামচন্দ্ৰই বৈষ্ণৱীক বৰ দিলে যে কল্কী যুগত তেওঁ যেতিয়া কল্কীৰূপে জন্মগ্ৰহণ কৰিব তেতিয়া বৈষ্ণৱীক বিয়া কৰাব।

আন এক জনশ্ৰুতি অনুসৰি মা বৈষ্ণোদেৱীৰ পৰম ভক্ত আছিল শ্ৰীধৰ। তেওঁ হনছালিত বাস কৰিছিল। এই গাঁওখন বৰ্তমানৰ কাটৰা চহৰৰ পৰা দুই কিলোমিটাৰ আঁতৰত অৱস্থিত। বৈষ্ণোদেৱীয়ে এদিনাখন পৰম ভক্ত শ্ৰীধৰৰ সন্মুখত এগৰাকী দীপলিপ ছোৱালী হৈ দেখা দিলে। এই সুন্দৰীগৰাকীয়ে শ্ৰীধৰক এটা 'ভাণ্ডাৰ' (ভক্তসকলক ৰান্ধি খুৱাব পৰা পাত্ৰ) দিলে। শ্ৰীধৰে এই ভাণ্ডাৰটো পোৱাৰ পাছত গাঁৱৰ লোকসকলক খাদ্য গ্ৰহণৰ বাবে নিমন্ত্ৰণ জনালে। তেওঁ ভৈৰৱনাথ নামৰ এজন স্বাৰ্থপৰ তান্ত্ৰিককো নিমন্ত্ৰণ জনালে। ভৈৰৱনাথে শ্ৰীধৰক সুধিলে কেনেকৈ তেওঁ এইবোৰ সম্পাদন কৰিব পাৰিব। নিমন্ত্ৰিতসকলক তেওঁ ভালদৰে আতিথ্য কৰিব পাৰিব নে নোৱাৰে? শ্ৰীধৰৰ মনত শংকা জন্মিল। সেই সময়তে বৈষ্ণোদেৱীয়ে শ্ৰীধৰক ক'লে যে তেওঁ যিটো ভাণ্ডাৰ উপহাৰ দিছে তাত থকা খাদ্য সম্ভাৰেৰে অতিথিক শুশ্ৰূষা কৰাৰ পাছতো অতিৰিক্তভাৱে থাকিব। দেৱীৰ কথাই সত্য হ'ল। সকলোৱে

ধাম- ধুমকৈ খোৱাৰ পাছতো খাদ্য ৰাহি হ'ল। এই কথাত আচৰিত হ'ল। এই কাৰ্যত সন্দেহ উপজিল ভৈৰৱনাথৰ। ভৈৰৱে দীপলিপ ছোৱালীজনীৰ সন্ধান কৰিবলৈ ধৰিলে।

দেৱীৰূপী ছোৱালীজনীৰ সন্ধানত ভৈৰৱনাথ উপস্থিত হ'ল ত্ৰিকূট পাহাৰত। পাহাৰৰ শিখৰত ন মাহ ধৰি ভৈৰৱে ছোৱালীজনীৰ সন্ধান কৰিলে। ভৈৰৱৰ পৰা ৰক্ষা পাবলৈ দেৱীয়ে পৃথিৱীলৈ এপাত কাঁড় মাৰি পঠিয়ালে। কাঁড়ডালে পাহাৰৰ মাটিত আঘাত কৰাৰ লগে লগে মাটিৰ পৰা পানী ওলাব ধৰিলে। পৰৱৰ্তী সময়ত এইখন 'বান গংগা' নৈ হিচাপে পৰিচিত হয়। জনবিশ্বাস অনুসৰি এইখন পবিত্ৰ নৈত গা ধুলে পাপ খণ্ডন হয়। নৈৰ পাৰত থকা দেৱীৰ খোজক 'চৰণ পাতুকা' হিচাপে জনা যায়। ইয়াৰ পাছত বৈষ্ণোদেৱীয়ে গাৰ্ভ জুনত সাধনা আৰম্ভ কৰে। ন মাহ ধৰি কঠোৰ তপস্যাত মগ্ন হয়। কিন্তু এদিনাখন ভৈৰৱনাথ সেই স্থানত উপস্থিত হ'ল। বৈষ্ণোদেৱীক দেখাৰ লগে লগে ভৈৰৱে আক্ৰমণ কৰিবলৈ উদ্যত হয়। ভৈৰৱৰ আক্ৰমণ প্ৰতিহত কৰিবলৈ বৈষ্ণোদেৱীয়ে মহাকালীৰ ৰূপ ধাৰণ কৰি ভৈৰৱৰ শিৰশ্ছেদ কৰে। মূৰৰ খোলা ছিটিকি গৈ যি স্থানত পৰিছিল সেই স্থান আজিও 'ভৈৰৱ ঘাটি' হিচাপে জনাজাত। পৱিত্ৰ গুহাটোৰ পৰা ইয়াৰ দূৰত্ব ২৫ কিলোমিটাৰ। মৃত্যুৰ সময়ত ভৈৰৱে তেওঁক যাতে সকলোৱে পাহৰি যায় সেয়া আশা কৰিছিল। কিন্তু দেৱীয়ে জানিছিল যে ভৈৰৱে দেৱীক স্পৰ্শ কৰিব খুজিছিল কেৱল মোক্ষ লাভৰ বাবেহে। সেইবাবে দেৱীয়ে ভৈৰৱক তীৰ্থযাত্ৰীসকলে মনত ৰাখিব বুলিহে কয়।

এই ঘটনাৰ পাছত পণ্ডিত শ্ৰীধৰ শংকামুক্ত হৈ ত্ৰিকূটা পাহাৰৰ ফালে ঢাপলি মেলিলে। পৱিত্ৰ গুহাটোৰ সন্মুখত বৈষ্ণো দেৱীক পূজা কৰিবলৈ ধৰে। শ্ৰীধৰৰ ভক্তিত তুষ্ট হৈ দেৱীয়ে বৰ দিলে। তেতিয়াৰে পৰাই শ্ৰীধৰৰ বংশধৰে মন্দিৰটোত দেৱী পূজা কৰি আহিছে।

আমি দুয়োটা মন্দিৰৰ লগতে পবিত্ৰ গুহাটোৰ ভিতৰৰো আধাৱৈ সোমাই গৈ দৰ্শন কৰিলো।

# অনাথ শিশুৰ মুখৰ হাঁহিটি

সম্প্ৰতি অনাথ শিশুৰ সংখ্যা অভাৱনীয়ভাৱে বৃদ্ধি পাইছে। ইয়াৰ আঁৰৰ কাৰণ যিয়েই নহওক কিয়, এইসকল শিশু কিন্তু এনে অৱস্থাৰ বাবে দায়ী নহয়। নিষ্পাপ শিশুমনে নাজানে তাৰ অৱস্থাৰ বাবে কোন দায়ী? অবাঞ্ছিত পৰিস্থিতি নে সময়ৰ নিষ্ঠুৰতা? অনাথ শিশুসকলক লৈ যিমানেই হৈ-চৈ নকৰক কিয় এইসকলক কিন্তু এতিয়াও খুব এটা ভাল দৃষ্টিভংগীৰে চোৱা নহয়। বহুতো অনাথ আশ্ৰম গঢ়ি উঠিলেও অনাথ শিশু অনুপাতে ইয়াৰ সংখ্যা কম।

পৃথিৱীৰ পোহৰ দেখাৰ পাচতে শিশুটিয়ে মাতৃস্নেহৰ মাজেৰে পিতৃক অৱলম্বন কৰি জীয়াই থাকে। পিতৃ-মাতৃৰ মৰম অবিহনে শিশু এটিয়ে জীয়াই থকাটো সম্ভৱ নহয়। কিন্তু এনে এটি শিশুক মাতৃয়ে এৰি থাকিব পাৰে কেনেকৈ? আনৰ হাতত তুলি দি কেনেকৈ জীয়াই থাকিব পাৰে? এনে কাৰ্য মৰমৰ মাতৃৰ হ'ব নোৱাৰে। হৃদয়হীনা নাৰীৰ বাবেহে এনে কাৰ্য সম্ভৱ। অধিকাংশ ক্ষেত্ৰতে দেখা যায় যে অবাঞ্ছিত মাতৃত্বৰ কলংক মোচনৰ বাবে পথত অথবা নিৰ্জন স্থানত এৰি থৈ আহে। কেতিয়াবা চিকিৎসালয়তে এৰি থৈ পলায়ন কৰে। তাৰ পাচত কি হয় ভগৱানেহে জানে? কাৰ সন্তান কোনে তুলি-তালি ডাঙৰ-দীঘল কৰে হিচাপ নাথাকে। সময়ৰ গতিত সকলো সলনি হ'বলৈ ধৰে।

এই পৃথিৱীত আনৰ উপকাৰ কৰি ভালপোৱা লোকৰো অভাৱ নাই। হয়তো সেইবাবেই অনাথ শিশুসকলে জীয়াই থকাৰ বাবে কাৰোবাৰ পৰা এধানি মৰম-চেনেহ পাইছে। জীৱনৰ চালিকাশক্তি লাভ কৰিছে। পিতৃ-মাতৃৰ মৰমৰ পৰা বঞ্চিত হৈও জীয়াই থকাৰ বাবে এটা সুস্থ পৰিৱেশ লাভ কৰিছে। পঢ়িছে, খেলিছে। আন দহজন সমনীয়াৰ দৰে দৌৰিছে। কিন্তু বয়স বৃদ্ধি হোৱাৰ লগে লগে সিহঁতে উপলব্ধি কৰিব পাৰে কিহৰ পৰা বঞ্চিত হৈছে? সকলোবোৰ পোৱাৰ পাচতো কোনখিনি স্থান ৰিক্ত হৈ আছে তাকে লৈ ভাবিবলৈ আৰম্ভ কৰাৰ সময়তে মনত জন্ম পায় ভয়ংকৰ ঘৃণা। তেওঁলোকৰ জীৱন বৃথা নেকি? কিন্তু কৰিব কি? ঘৃণাৰে সমস্যা সমাধান নহয়। কৰিবও নোৱাৰে। সেইবাবে সকলো বুজিও নুবুজাৰ ভাও ধৰে। এদিন এগৰাকী মহিলাক লগ পাইছিলো এখন সভাত। মহিলাগৰাকীয়ে নীৰৱে এই কাৰ্যত দীৰ্ঘদিন ধৰি ব্ৰতী হৈ আছে। এটা অনাথ শিশু কেন্দ্ৰত সেৱা আগবঢ়াই আহিছে। জীৱনত পোৱা-নোপোৱাখিনিক লৈ কোনো খেদ নাই। শিশুসকলৰ মুখত হাঁহি বিৰিঙাই তোলাটোৱে তেওঁৰ ব্ৰত। এনে কাৰ্যৰ জৰিয়তে কিমান আনন্দ লাভ কৰিব পাৰে সেয়া মহিলাগৰাকীক দেখিলেই অনুমান কৰিব পাৰি। নিজৰ বুলিবলৈ কোনো নাই, অথচ আনৰ সন্তানৰ মুখত হাঁহি বিৰিঙাবলৈ পুৱা উঠাৰে পৰা নিশা শোৱালৈকে কামতে ব্যস্ত থাকে। অনাথ শিশুসকলক সহায় কৰা অথবা পৰিচৰ্যা কৰাটো মানৱ সেৱাৰ অন্যতম শ্ৰেষ্ঠ নিদৰ্শন। এনে সেৱাৰ বাবে মানসিকতা সুদৃঢ় হ'ব লাগিব। এইখিনিতে উল্লেখ কৰিব পাৰি যে এনেধৰণৰ কাম কৰিবলৈ যাওঁতে কেতিয়াবা সমাজৰ একাংশ লোকৰ পৰা ককৰ্থনাও শুনিবলগীয়া হয়। তথাপি নীৰৱে কাম কৰি থাকে এইসকল লোকে। হয়তো এনে মানৱদৰদী লোকৰ বাবেই পৃথিৱীৰ হেজাৰ হেজাৰ অনাথ শিশুৱে জীয়াই থাকিবলৈ সুযোগ লাভ কৰিছে। পাপেৰে পৰিপূৰ্ণ পৃথিৱীখন মানৱদৰদী লোকৰ বাবে বৰ্তি আছে। নহ'লে এনে ধ্বংসৰ মাজত সকলোৱে হেৰাই যাব লাগিলহেঁতেন। এনেধৰণৰ সেৱাত ব্ৰতী লোকসকলে ভালদৰে বুজি পায় যে তেওঁলোকে মানৱ সেৱাৰ জৰিয়তে যি পুণ্য অৰ্জন কৰিছে সেই সুখানুভূতি সোণেৰে সজোৱা কাৰেঙত থাকি লাভ কৰা সুখতকৈ বহুখিনি ওপৰত।

# সৰস্বতী পূজাৰ আনন্দ

স্কুলীয়া দিনবোৰলৈ আজিও মনত পৰে। পাঠশালা নামৰ সেউজ সমৃদ্ধ, সৰু অথচ সংস্কৃতিপূৰ্ণ, শান্ত-সমাহিত নগৰখনত ডাঙৰ-দীঘল হোৱা দিন আছিল সেইবোৰ। চৌপাশে খেতিপথাৰ। চৌপাশে সুখী মানুহৰ গাঁওবোৰ। প্লাষ্টিক আৱৰ্জনা নাই; নাই অন্য কোনো প্ৰদূষণ। সেয়ে জানুৱাৰী মানে তেতিয়া হাড় কঁপোৱা জাৰ। বেলা এপৰলৈকে কুঁৱলীৰ আচ্ছাদন। তথাপি পুৱা উঠি, গা ধুই স্কুললৈ যাবৰ বাবে এলাহ নালাগে। কাৰণ জানুৱাৰী মাহ মানেই স্কুলৰ নতুন বছৰ। নতুন শ্ৰেণীকোঠা, নতুন পাঠ্যপুথি, নতুন পৰিৱেশে মন আচ্ছাদিত কৰি ৰাখে সেই সময়ছোৱাত। জানুৱাৰী মাহৰ তেনে দিনবোৰৰ মাজতেই কোনোবা এদিন হঠাৎ সোনকালে স্কুল ছুটী দিয়া হয়। কাৰণ? কাৰণ সৰস্বতী পূজাৰ মিটিং হ'ব। অৰ্থাৎ সৰস্বতী পূজাৰ বাবে সিদিনা ছাত্ৰ-ছাত্ৰীৰ মাজৰ পৰা উদ্‌যাপন সমিতি গঠন কৰা হ'ব। নিৰ্বাচিত কৰা হ'ব সম্পাদক। গা সাতখন-আঠখন হৈ উঠে তেতিয়া। দৌৰি গৈ আমি সকলো সমৱেত হওঁ স্কুলৰ পিছপিনৰ সুবৃহৎ খেলপথাৰখনত। গাত পৰেহি শীতৰ মিঠা ৰ'দ। এটা সময়ত মিটিং আৰম্ভ হয় আৰু এটা সময়ত শেষ হয়। প্ৰতি

বছৰে গতানুগতিক সভা। কিন্তু এখন বহু প্ৰতীক্ষিত সভা। সভাত পূজা উদ্‌যাপন কাৰ্যসূচী আৰু বৰঙনি নিৰ্দিষ্ট কৰা হয়। তাৰ পিচত কেইটামান দিন পাৰ হয়।

এদিন হঠাৎ আকৌ স্কুলৰ অৰ্ধছুটী হয়। কাৰণ? কাৰণ আজিৰে পৰা সৰস্বতী পূজাৰ কাম চলিব। প্ৰথমতে চলে বাঁহ তোলা পৰ্ব। ঘৰে ঘৰে গৈ বাঁহ উঠায় ল'ৰাবোৰে। কোনেও না নকৰে। নগৰৰ মাজমজিয়াতো বহুতৰে বাঁহৰ বাৰী। তাৰ পিচত পদুমৰা নদীৰ পাৰৰ পৰা ঝাওবন অনাৰ আন এক ৰোমাঞ্চকৰ পৰ্ব। চাইকেল চলাই প্ৰায় পোন্ধৰ কিলোমিটাৰ দূৰৈৰ পৰা ঝাওবন আনিবলৈ উথপথপ লাগে আমাৰ। এটা সময়ত প্ৰস্তুতিপৰ্বৰ অন্ত পৰে। তৈয়াৰ হয় সুদৃশ্য মণ্ডপ।

পূজাৰ আগদিনা সন্ধিয়া আন এক ৰোমাঞ্চকৰ পৰ্ব। মূৰ্তি অনা আৰু মূৰ্তিৰ প্ৰতিষ্ঠা। সিদিনা নিশা আমি কেইজনমানে স্কুলতে কটাওঁ। নিশা চলে বিভিন্ন ধেমালি। পুৱাই উঠি ঘৰলৈ গৈ গা-পা ধুই আকৌ স্কুললৈ আগমন। বছৰটোৰ এটা বিশেষ দিন। বহু প্ৰত্যাশিত, বহু প্ৰতীক্ষিত দিন। দুপৰীয়া খিচিৰি। সৰস্বতী পূজাৰ খিচিৰি। সেই বিশেষ সোৱাদৰ বিশেষ খিচিৰি।

কেইবাদিনৰ অতিপাত পৰিশ্ৰমৰ পিচত পূজাৰ দিনা আবেলি সকলো ভাগৰি পৰে। তথাপি উৎসাহ নকমে। কাৰণ পিচদিনা থাকে মূৰ্তি বিসৰ্জন পৰ্ব। সিদিনা স্কুল বন্ধ। শোভাযাত্ৰা কৰি নি মূৰ্তি বিসৰ্জন দিয়াৰ লগে লগে বছৰটোলৈ অন্ত পৰে এটা অধ্যায়ৰ।

সেয়াই আছিল আমাৰ স্বপ্নমধুৰ কৈশোৰৰ দিনবোৰত সৰস্বতী পূজাৰ আনন্দ। সেই আনন্দৰ মাজৰ, সৰস্বতী পূজাৰ আয়োজন আৰু উদ্‌যাপনৰ মাজৰ আটাইতকৈ উল্লেখযোগ্য দিশ, আটাইতকৈ আনন্দদায়ক দিশ আছিল ইয়াৰ সৰ্বজনীনতা। সকলো ধৰ্মৰ ছাত্ৰ-ছাত্ৰী আৰু তেওঁলোকৰ অভিভাৱকসকলৰ স্বতঃস্ফূৰ্ত অংশগ্ৰহণে সৰস্বতী পূজাৰ আনন্দত নতুন মাত্ৰা প্ৰদান কৰিছিল। আজি সৰস্বতী পূজাৰ ৰং-ৰূপ বহু সলনি হ'ল। পূজাৰ বাহ্যিকতা বাঢ়িল। কিন্তু সলনি হোৱা নাই ইয়াৰ সাৰ্বজনীনতাৰ। আজিও ধৰ্মীয় গণ্ডীৰ ঊৰ্ধ্বত সৰস্বতী পূজা। কাৰ্যতঃ ই ৰূপ লৈছে এক সাংস্কৃতিক উৎসৱৰ আৰু হয়তো সেইবাবেই সৰস্বতী পূজা বিশেষ, কিছু অনন্য।

# নৱবৰ্ষৰ সংকল্প

পুৰণি বছৰ আৰু নতুন বছৰৰ সন্ধিক্ষণটো মানুহৰ বাবে সংকল্প লোৱাৰ সময়। এইখিনি সময়তে মানুহে সংকল্প লয়। সংকল্প লয় নতুন বছৰত নতুন কিবা কৰাৰ বাবে। নতুন কিবা ভাল বা শুভ কৰাৰ বাবে। আমাৰ গৰিষ্ঠসংখ্যকৰ বাবে সেই সংকল্প সংকল্প হৈয়েই থাকি যায়। খুব কমসংখ্যক মানুহেহে সংকল্প অনুসৰি কাম কৰে বা কৰিবলৈ সক্ষম হয়। কিছুসংখ্যকে হয়তো সংকল্প লোৱা অনুসৰি কৰিবলগা কাম আংশিকভাৱে কৰিবলৈহে সক্ষম হয়। বহুতে আকৌ ভাবে বা মন্তব্য কৰে, পুৰণি বছৰ আৰু নতুন বছৰ মানে মাথোন কেলেণ্ডাৰ এখনৰ পৰিৱৰ্তন, তাৰ মাজত আকৌ সংকল্প কিহৰ? সেইচাম মানুহৰ মতে পুৰণি বছৰ, নতুন বছৰ বুলি কথা নাই। মানুহে গতানুগতিকতাৰে নিজৰ নিজৰ কাম কৰি যাব লাগে। হয়তো এয়াই বাস্তৱ।

পিচে নৱবৰ্ষৰ আগমনক কেৱল কেলেণ্ডাৰ এখনৰ পৰিৱৰ্তন বুলি সন্তুষ্টি লভিব নোখোজে পৃথিৱীৰ গৰিষ্ঠসংখ্যক লোকে। তেওঁলোকৰ বাবে বছৰৰ পৰিৱৰ্তনৰ লগত থাকে অকণমান আৱেগিক সম্পৰ্ক।

সঁচাকৈয়ে বছৰৰ পৰিৱৰ্তনৰ লগতে আৱেগিক সম্পৰ্ক থাকে। পুৰণি বছৰৰ বিদায় আৰু নতুন বছৰৰ আগমন মাথোন কেলেণ্ডাৰ এখনৰেই পৰিৱৰ্তন নহয়, এটা বছৰ পাৰ হোৱাৰ লগে লগে আমি আমাৰ আয়ুসৰ পৰাও এটা বছৰ হেৰুৱাই পেলাও। মৃত্যুৰ পিনে আমি আগবাঢ়ি যাওঁ আৰু এখোজ। (হয়তো সেইবাবেই একত্ৰিছ ডিচেম্বৰৰ বেহিচাপী আনন্দৰ মাজেৰে আমি এই নিৰ্মম সত্য পাহৰি থাকিবলৈ চেষ্টা কৰো।) বছৰটোৰ ভিতৰত বহু উত্থান-পতনৰ সাক্ষী হৈ ৰওঁ আমি। বহু আক্ষেপ, বহু অনুতাপেৰে নতুন বছৰটোৰ শেষত ভাৰাক্ৰান্ত হৈ পৰে আমাৰ মন। সেয়ে নতুন বছৰৰ বাবে আমি সংকল্প লওঁ, নৱবৰ্ষৰ সংকল্প।

কিন্তু দুখৰ বিষয় যে আমাৰ নৱবৰ্ষৰ এই সংকল্পসমূহ সদায় হয় ব্যক্তিকেন্দ্ৰিক বা অধিক শুদ্ধভাৱে ক'বলৈ গলে আত্মকেন্দ্ৰিক। ব্যক্তিগত বিষয়সমূহকলৈহে আমি লওঁ নৱবৰ্ষৰ সংকল্প। এইটো বৰ্ষতকৈ অহা বছৰ মই অধিক বৈষয়িক উন্নতি লভিম। অহাটো বছৰত মই অধিক সম্পত্তি আহৰণ কৰিম। অহা বছৰ নতুনকৈ মই অমুক অমুক কিনিমেই। অহা বছৰত মই আৰু অধিক খ্যাতি যেনে-তেনে অৰ্জন কৰিম। উন্নতি নিগনি দৌৰত নতুন বছৰটোত আনক পিচ পেলামেহ— এনেবোৰ কথাই স্থান পায় আমাৰ নতুন বছৰৰ সংকল্পত। অথচ সামূহিক কল্যাণৰ, ৰাষ্ট্ৰীয় প্ৰগতিৰ, জাতীয় উন্নতিৰ কোনো সংকল্প আমি নলওঁ। সাংগঠনিকভাৱে হয়তো তেনে সংকল্প কেতিয়াবা কোনোবাই ল'ব পাৰে। কিন্তু ব্যক্তিগত পৰ্যায়ত সামূহিক উন্নতিৰ সংকল্প লোৱাৰ কোনো অভ্যাস আমাৰ মাজত গঢ়ি নুঠিল। পশ্চিমৰ উন্নত পৃথিৱীত বা দূৰ প্ৰাচ্যৰ উন্নত জাতিসমূহৰ মাজত কিন্তু ব্যক্তিগত পৰ্যায়তো সামূহিক শুভকাৰ্যৰ সংকল্প লোৱাৰ পৰম্পৰা আছে। ভাৰতত ব্যৱসায়ৰ অনুমতি বিচাৰি ইষ্ট ইণ্ডিয়া কোম্পানীৰ প্ৰতিনিধি হিচাপে যি সময়ত ছাৰ টমাচৰ' আৰু কেপ্টেইন জেমছ ভাৰতবৰ্ষলৈ আহিছিল, সেই সময়ত তদানীন্তন মোগল সম্ৰাট তথা ভাৰতবৰ্ষৰ অধীশ্বৰ জাহাংগীৰৰ পুত্ৰৰ কঠিন নৰিয়া হৈ আছিল। সোতৰ শতিকাৰ ভাৰতবৰ্ষত উপলব্ধ চিকিৎসাই সুস্থ কৰি তুলিব পৰা নাছিল জাহাংগীৰৰ পুত্ৰক। পশ্চিমীয়া উন্নত চিকিৎসা পদ্ধতি প্ৰয়োগ কৰি জাহাংগীৰৰ পুত্ৰক সুস্থ কৰি তুলিবলৈ সক্ষম হৈছিল ছাৰ টমাছ ৰ'। পুত্ৰৰ আৰোগ্যত

আনন্দিত হৈ উঠা জাহাংগীৰে উপহাৰ হিচাপে ছাৰ টমাছ ৰ'ক দিব বিচাৰিছিল তেওঁৰ শৰীৰৰ সমান ওজনৰ বিশুদ্ধ সোণ। কিন্তু নিজৰ দেশ আৰু নিজৰ সমাজৰ প্ৰতি অতিকৈ দায়বদ্ধ ছাৰ টমাছ ৰ'ৱে প্ৰায় আশী কিলো সোণৰ সেই উপহাৰ প্ৰত্যাখ্যান কৰি তাৰ বিনিময়ত বিচাৰিছিল ভাৰতবৰ্ষত ইষ্ট ইণ্ডিয়া কোম্পানীৰ ব্যৱসায়ৰ অধিকাৰ। এনে উদাহৰণ হয়তো আজিৰ দিনত আমাৰ দ্বাৰা সৃষ্টি হোৱাটো সম্ভৱ নহয়।

আজি আমাৰ জাতিটোক, আমাৰ সমাজখনক, আমাৰ ৰাজ্যখনক, আমাৰ ৰাষ্ট্ৰখনক অজস্ৰ সমস্যা আৰু বিপদে আগুৰি ধৰিছে। চৌদিশে আজি অশুভ শক্তিৰ দপ্‌দপনি। এনে সমস্যাসমূহৰ সমাধানৰ বাবে, এনে বিপদসমূহৰ পৰা পৰিত্ৰাণ পোৱাৰ বাবে, এনে অশুভ শক্তিসমূহক বিনাশ কৰাৰ বাবে আজি আমাক প্ৰয়োজন হৈছে সৰ্বাধিক সামূহিক প্ৰচেষ্টাৰ আৰু এনে সামূহিক প্ৰচেষ্টাৰ বাবে আমাক প্ৰয়োজন সামূহিক সংকল্পৰ। আহক, এইবাৰৰ নৱবৰ্ষত আমি তেনে সংকল্পই লওঁ। আমি সংকল্প লওঁ— নতুন বছৰটোৰ প্ৰতিটো দিনতেই অন্ততঃ এটাকৈ গছপুলি ৰাজহুৱা স্থানত ৰোপণ কৰাৰ, আহক আমি সংকল্প লওঁ— নতুন বছৰৰ প্ৰতিটো দিনতেই অন্ততঃ এজনকৈ মানুহক জনবিস্ফোৰণৰ ভয়াৱহতা সম্পৰ্কে সচেতন কৰি তোলাৰ, আহক আমি সংকল্প লওঁ— নতুন বছৰৰ প্ৰতিটো সপ্তাহত অন্তত এজনকৈ প্ৰাপ্তবয়স্ক নিৰক্ষৰ লোকক স্বাক্ষৰ কৰি তোলাৰ, আহক আমি সংকল্প লওঁ— নতুন বছৰটোত পলিথিন বেগৰ ব্যৱহাৰ সম্পূৰ্ণ ত্যাগ কৰাৰ, আহক অন্ততঃ এটা বছৰৰ বাবে আমি নিজৰ উন্নয়নৰ কথা পাহৰি যাওঁ, মনত ৰাখো কেৱল সমাজ আৰু দেশৰ উন্নতিৰ কথা।

# অনন্য সুধাকণ্ঠ

শিল্পীসত্তাক গতি দিবলৈ এগৰাকী শিল্পীয়ে জীৱনত বহুতো ত্যাগ কৰিবই লাগিব। গগনচুম্বী দৃষ্টিভংগীৰে নিজৰ লক্ষ্যপথত উপনীত হ'বলৈ কেতিয়াবা কেতিয়াবা আপোনজনকো এৰি অকলশৰে আগবাঢ়িবলগীয়া হয়। মৰম, ভালপোৱা সকলোখিনি থাকিলেও দৃষ্টিভংগীৰ বাবে পৃথকে থাকিবলগীয়া হয়। এনে কথাকলৈ শিল্পীসকলে কিন্তু বিশেষ গুৰুত্ব নিদিয়ে। বিশ্ববিখ্যাত মহান শিল্পীসকলৰ জীৱনপঞ্জী বিশ্লেষণ কৰিলে এনে এক ছবিয়ে ফুটি উঠে। সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ ক্ষেত্ৰতো একেই প্ৰতিচ্ছবি দেখিবলৈ পোৱা যায়। শিল্পী সত্তাক অধিক গতি দিবলৈ নিজৰ সংসাৰপৰ্যন্ত ভাঙি দিবলৈ কুণ্ঠাবোধ কৰা নাছিল সুধাকণ্ঠই। সময়ত সফলো হ'ল। অসমৰে নহয় বিশ্ববাসীৰ সম্পদ হৈ পৰিল সুধাকণ্ঠ। যিগৰাকী শিল্পীয়ে তেওঁৰ মৃত্যু হ'লে ওচৰত কোনোবা আহিব নে নাহে বুলি এগৰাকী সাংবাদিকক কৈছিল তেওঁৰ শৰদেহ জজ ফিল্ডত ৰখাৰ সময়ত সমাৱেশ ঘটিছিল লক্ষ লক্ষ গুণমুগ্ধৰ।

সুধাকণ্ঠই কে'বাদশক পূৰ্বে ৰচনা কৰা গীতসমূহৰ প্ৰাসংগিকতা আজিও সমানেই আছে। তেওঁৰ গীতে সংকীৰ্ণতা আৰু জাতিভেদক প্ৰত্যাহ্বান জনাইছে। তেওঁ আছিল আধুনিক মনৰ মানুহ। সেই বুলি পুৰণিখিনি পাহৰি যোৱা নাছিল। পুৰণি আৰু নতুনৰ সমন্বয় বিচাৰিছিল সুধাকণ্ঠই। সমন্বয়ৰ সেতু

বান্ধিবলৈ বিশ্বৰ ইমূৰৰ পৰা সিমূৰলৈ ঢাপলি মেলিছিল। জনসংযোগৰ ছাত্ৰগৰাকীয়ে কিন্তু গণসংযোগৰ পৰা কেতিয়াও আঁতৰত নাছিল। কিবা নহয় কিবা এটা নতুন কাম কৰাৰ বাবে প্ৰতিটো মুহূৰ্ততে থকা বাবে সৃষ্টিশীল জীৱন এটি বিশ্ববাসীক উপহাৰ দিব পাৰিছিল। সমাজৰ প্ৰতিটো স্তৰৰ লোকৰ জীৱন আৰু দৰ্শন সম্পৰ্কে সুধাকণ্ঠ আছিল সদা সচেতন। তেওঁ কেতিয়াও জীৱন দৰ্শনৰ পৰা আঁতৰি অহা নাছিল। জীৱনৰ মূল্যবোধ গীতৰ মাজেদিয়ে প্ৰকাশ কৰিছিল। কম সংখ্যক শিল্পীৰ ক্ষেত্ৰতহে এনে এখন ছবি দেখা পোৱা যায়। শ্ৰোতাই নিজকে বিচাৰি পায় সুধাকণ্ঠৰ গীতৰ প্ৰতিটো শব্দৰ মাজত। প্ৰতিটো সুৰেই যেন জীৱনৰ কথাকে কৈ থাকে। কোনোৱে এই মোহৰ পৰা নিজকে আঁতৰাই আনিব নোৱাৰে। কেতিয়াবা যদি সুখ, কেতিয়াবা দুখ, কেতিয়াবা দেশাত্মবোধৰ সুৰ। এনে সুৰে মনত যি ভাবৰ সৃষ্টি কৰিব পাৰে তেনে সুৰ কম সংখ্যক শিল্পীৰ গীততহে বিচাৰি পোৱা যায়। জনতাৰ শিল্পী হোৱা হেতুকে তেওঁ বিশাল পৃথিৱীখনত নিজকে প্ৰতিষ্ঠা কৰিব পাৰিছিল।

জীৱন কালতে কিংবদন্তিলৈ ৰূপান্তৰ হোৱা ড° ভূপেন হাজৰিকা আছিল অসমৰ লগতে ভাৰতৰ সাহিত্য-সংস্কৃতিৰ পথাৰৰ এগৰাকী যোদ্ধা। তেওঁ কেতিয়াও যুদ্ধক্ষেত্ৰৰ পৰা পলায়ন কৰা নাছিল। সকলো প্ৰত্যাহ্বানৰ মুখামুখি হ'বলৈ সদা প্ৰস্তুত আছিল তেওঁ। হাঁহি হাঁহি সকলো সমস্যাৰ সমাধান কৰিছিল। দীৰ্ঘদিন আপোন মানুহগৰাকীৰ পৰা আঁতৰি থাকিও এনেদৰে আগুৱাই যোৱা শিল্পীসকলৰ তালিকাত নিঃসন্দেহে ড° হাজৰিকা আছিল এক ব্যতিক্ৰমী চৰিত্ৰৰ লোক। কেতিয়াবা সহজ, কেতিয়াবা কঠোৰ সিদ্ধান্ত। তেওঁ যি সিদ্ধান্ত লৈছিল সেয়া কিন্তু সঠিক আছিল। এই কথাৰ প্ৰমাণ দাঙি ধৰে পৰৱৰ্তী সময়ত তেওঁ লাভ কৰা সাফল্যৰ ছবিখনে।

ড° হাজৰিকা আছিল জনজাতি তথা জনগোষ্ঠীৰ লোকসকলক মনে-প্ৰাণে ভালপোৱা শিল্পী। বড়োৰ পৰা আৰম্ভ কৰি কাৰ্বি, চাহ জনগোষ্ঠী, খাচী জনগোষ্ঠী, অৰুনাচলৰ জনগোষ্ঠী, নেপালী জনগোষ্ঠী, মিজোৰামৰ জনগোষ্ঠীক লৈ যিবোৰ গীত ৰচনা কৰিছিল সেয়া অমৰ গীত হিচাপেই স্বীকৃতি লাভ কৰিছে। ইমানবোৰ জনগোষ্ঠীক এগৰাকী শিল্পীয়ে গীতৰ মাজেৰে আঁকোৱালি লোৱাটো কম ডাঙৰ কথা নহয়।

# শূন্যতা

৫ নৱেম্বৰত ভূপেনদা আঁতৰি যোৱাৰ প্ৰায় বিছ দিন পিছতেই যেতিয়া মামণি বাইদেউ আমাৰ মাজৰপৰা চিৰদিনৰ বাবে আঁতৰি গৈছিল, তেতিয়া সকলোৱে সন্দেহাতীভাৱে এটা কথা উপলব্ধি কৰিছিল যে এয়া এক বৃহৎ ক্ষতি। কিন্তু এই ক্ষতি কোন দিশৰপৰা সকলোতকৈ অধিকভাৱে আহিব, সেয়া হয়তো তেতিয়াই স্পষ্ট হোৱা নাছিল। স্পষ্ট হৈছে আজি; তেওঁৰ মৃত্যুৰ প্ৰায় দুবছৰ পিছত।

ড° ইন্দিৰা গোস্বামীৰ অধিক প্ৰসিদ্ধ নাম মামণি ৰয়ছম গোস্বামী। জাতিৰ বাবে মৰমৰ নাম মামণি বাইদেউ । এইগৰাকী মামণি বাইদেউৰ মৃত্যুৱে আমাৰ মাজৰপৰা লৈ গ'ল তেনে এগৰাকী লেখিকাক, যিগৰাকী লেখিকাই অন্য দহগৰাকী লেখক-লেখিকাৰ নিচিনাকৈ নিজৰ মগজুৰ পৰা লিখা নাছিল, তেওঁ লিখিছিল নিজৰ হৃদয়ৰপৰা। সমাজ বা মানুহৰপৰা লেখাৰ সমল আহৰণ কৰাৰ সলনি তেওঁ লেখাৰ সমল আহৰণ কৰিছিল নিজৰ জীৱনৰপৰা, যাৰ সকলো সৃষ্টিকৰ্মতকৈ ঊৰ্ধ্বত আছিল নিজৰ জীৱনৰ বৈচিত্ৰ্য। কোনোবাই যদি

সোধে মামণি ৰয়ছম গোস্বামীৰ শ্ৰেষ্ঠতম উপন্যাসখনৰ নাম কি, তেনেহ'লে সেই প্ৰশ্নৰ উত্তৰ নিঃসন্দেহে হ'ব— 'মামণি ৰয়ছম গোস্বামী'। অৰ্থাৎ তেওঁৰ জীৱনটোৱেই হৈছে তেওঁৰ শ্ৰেষ্ঠ উপন্যাস, তেওঁৰ শ্ৰেষ্ঠ সৃষ্টি, তেওঁৰ শ্ৰেষ্ঠতম সাহিত্যকৰ্ম। ঠিক যেন জেক্ লণ্ডনৰ নিচিনাই। অসম বা ভাৰতত লেখক-লেখিকা বা অন্য সৃষ্টিকৰ্মত জড়িত লোকৰ মাজত এনে অনুশীলন বিৰল। এয়া বহু পৰিমাণে পশ্চিমৰ বস্তু। কিন্তু মামণি বাইদেৱে তেনে বিৰল অনুশীলনেৰে অসমীয়া সাহিত্যত নতুন এক ধাৰাৰ সৃষ্টি কৰিছিল। মামণি

বাইদেউৰ মৃত্যুৱে সেই ধাৰাটোৰ ক্ষেত্ৰত যি শূন্যতাৰ সৃষ্টি কৰিলে সেই শূন্যতা বিগত দুটা বছৰৰ ভিতৰত আংশিকভাৱেও পূৰ্ণ নহ'ল।

মামণি বাইদেউৰ মৃত্যুৰ পিছত বিগত দুটা বছৰে অসমীয়া পাঠক সমাজে এক ভিন্নস্বাদৰ আৰু শক্তিশালী গদ্যশৈলীৰ অভাৱো অনুভৱ কৰি আহিছে। মামণি বাইদেউ যি বিচিত্ৰ ধৰণৰ আৰু শক্তিশালী গদ্যৰে অসমীয়া পাঠকক এক অসাধাৰণ স্বাদ দিবলৈ সক্ষম হৈছিল, তেওঁৰ মৃত্যুৰ লগে লগে সেই স্বাদৰপৰাও যেন পাঠক সমাজ চিৰদিনৰ বাবে বঞ্চিত হৈ গ'ল। নিজৰ জীৱনৰ অভিজ্ঞতা আছিল মামণি বাইদেউৰ লিখাৰ বা সাহিত্য সৃষ্টিৰ প্ৰধানতম সমল। সেই সমলৰ বাবেও মামণি বাইদেৱে বহুসময়ত জীৱনটোক এক এড্‌ভেঞ্চাৰ হিচাপে লৈছিল। জঁপিয়াই পৰিছিল অভিজ্ঞতাৰ সন্ধানত, বৈচিত্ৰ্যৰ সন্ধানত। তাৰবাবে প্ৰয়োজন হৈছিল সাহসৰ, হয়তো বহুক্ষেত্ৰত দুঃসাহসৰ। মামণি বাইদেউৰ মৃত্যুৰ পিছত তেনে এগৰাকী সাহসী লেখিকাৰ অভাৱো অসমে অনুভৱ কৰি আছে বিগত দুবছৰ ধৰি।

ভাৰতৰ আত্মাৰ লগত জড়িত এখন মহাকাব্য ৰামায়ণ। এই ৰামায়ণক লৈয়েই সৃষ্টি হৈছে ৰামায়ণী সাহিত্যৰ, যি সাহিত্যৰ আছে বিশ্বজনীন আবেদন, স্বীকৃতি আৰু গ্ৰহণযোগ্যতা। সেই ৰামায়ণী সাহিত্যৰ একমাত্ৰ (?) অসমীয়া সাধক আছিল মামণি বাইদেউ। বাইদেউৰ মৃত্যুৰ লগে লগে এইটো দিশলৈকো যেন অন্ধকাৰ নামি আহিল।

ৰাষ্ট্ৰীয় পৰ্যায়ৰ সৰ্বোচ্চ বঁটা আৰু সন্মানেৰে মামণি বাইদেৱে অসম-অসমীয়াৰ শিৰ গৰ্বত উন্নত কৰি তুলিছিল। তেনে একোটা গৌৰৱময় মুহূৰ্ত পাবলৈ আমি আৰু কিমানদিন অপেক্ষা কৰিব লাগিব কোনে জানে?

# পলায়নবাদী মানসিকতা কিয় ?

পদপথৰ মানুহবোৰৰ কথা এবাৰ ভাবকচোন। অনাথ, অঘৰী লোকৰ কথাই মনত খুন্দা নামাৰেনে বাৰু? মানৰ জাতি এক। তেজৰ বৰণো একেই। তথাপি মানুহৰ মাজত ভিন্নতা। এজনে শীত-তাপ নিয়ন্ত্ৰিত কোঠাত থাকি বেছি আহাৰ গ্ৰহণ কৰাৰ ফলত ৰোগাগ্ৰস্ত হৈ মৃত্যুৰ বাবে অপেক্ষা কৰিছে আৰু আনফালে এজনে পদপথৰ ওপৰত অনাহাৰে থাকি জীৱন সংগ্ৰামত নামিবলগীয়া হৈছে। সকলোৰে জীয়াই আছে আৰু থাকিবৰ ইচ্ছা। ভগৱানৰ সৃষ্টিত কোনো বৈষম্য নাই। বৈষম্য আমিয়েই সৃষ্টি কৰিছো। নিজৰ কৃতকৰ্মৰ ফল নিজে ভোগা বাবেহে এনে পাৰ্থক্যৰ সৃষ্টি হয়। পৃথিৱীত জীয়াই থাকিবলৈ সকলোৰে সংগ্ৰাম কৰিব লাগে। সংগ্ৰাম অবিহনে কোনো লোকে জীয়াই থাকিব নোৱাৰে। সেইবাবে সংগ্ৰাম কৰিব পৰাৰ কৌশল আয়ত্ত কৰিব লাগে।

সকলো মানুহে মুখত সোণৰ চামুচ লৈ জন্মগ্ৰহণ নকৰে। কিছুমানৰহে এনে সৌভাগ্য আছে। সেইবুলি খাবলৈ বা জীয়াই থাকিবলৈ হ'লে আমি আমাৰ কামখিনি নিয়াৰিকৈ কৰিবই লাগিব। কৰ্মই ধৰ্ম। গতিকে কোনো মানুহে কাম নকৰিলে নিজকে প্ৰতিষ্ঠা কৰিব নোৱাৰে। আনকি অগাধ সম্পত্তিৰ গৰাকী হ'লেও নিজকে প্ৰতিষ্ঠা কৰিব নোৱাৰে। সেইবাবে বাস্তৱ ক্ষেত্ৰত দেখা যায় যে যিসকল অগাধ পৈতৃক সম্পত্তিৰ লোক আছে তেওঁ যদি নিজৰ কাম সম্পাদন নকৰাকৈ কেৱল শুই-বহিয়েই অতিবাহিত কৰে তেতিয়াহ'লে পৰৱৰ্তী সময়ত তেনে সম্পত্তি ধৰি ৰখাতো সম্ভৱ নহয়। আনকি নিজৰ কৰ্তব্য সুচাৰুৰূপে সম্পাদন নকৰাৰ বাবে বহুতো কোটিপতি লোক সময়ত পথৰ ভিক্ষাৰী হোৱাৰ উদাহৰণো আছে।

মানুহে নিজৰ কৰ্মক্ষেত্ৰ নিজেই তৈয়াৰ কৰিব লাগিব। কোনোৰে আনৰ মুখলৈ চাই থাকিব নালাগে। সময়মতে নিজৰ কাম কৰি গ'লে কোনোৰে লঘোণে থাকিবলগীয়া নহয়। অন্ন, বস্ত্ৰ, বাসস্থানৰ বাবে হাহাকাৰ কৰিব নালাগে যদিহে নিজৰ সামৰ্থ্যখিনি সঠিকভাৱে ব্যৱহাৰ কৰে। সকলোৰে সামৰ্থ্য থাকে। কিন্তু হীনমন্যতাত ভোগা লোকসকলে নিজৰ কৰ্তব্য পালনত গাফিলতি কৰে। পলায়নবাদী মানসিকতাৰ বাবে তেওঁলোকে জীৱন যুঁজত আগুৱাব নোৱাৰে। কেতিয়াবা আগুৱালেও আধাতেই উভতি আহে।

কৰ্তব্য পালনত গাফিলতি মানে জীৱনটোক ফাঁকি দিয়া। ফাঁকি দি মানুহে বেছি দিন জীয়াই থাকিব নোৱাৰে। জীয়াই থাকিলেও এটা সুস্থ জীৱন কটাব নোৱাৰে। কাৰণ এটা মিছা কথাই হেজাৰটা ফাঁকিৰ সৃষ্টি কৰে। এসময়ত কোনোফালে তেওঁ ওলাব নোৱৰা পৰিস্থিতিৰ সৃষ্টি হয়। এফালৰ পৰা পথবোৰ বন্ধ হৈ পৰে। এটাৰ পাচত আন এটা আঘাতে মানুহজনক জুৰুলা কৰে। এসময়ত অন্য লোকৰ কথাতো বাদেই আপোনজনেও সংগ দিবলৈ এৰে। দিশহাৰা হৈ পৰে তেওঁ। উপায়ান্তৰ হৈ শেষত বহুতে জীৱন নাটৰ সামৰণি মাৰে। আত্মহত্যাৰ বাহিৰে আন পথ নোহোৱা হয়। কিন্তু জীৱনটোত আত্মহত্যাৰে পৰিসমাপ্তি কৰাসকল দৰাচলতে কাপুৰুষহে। জীৱন যুঁজত যুঁজি যুঁজি জীৱনৰ শেষ দিনটোলৈ অপেক্ষা কৰিব লাগে এটি ভাল দিন অহাৰ আশাত।